# অসমৰ পত্ৰ-বুৰঞ্জী

ANANDARAM DHEKIALPHOOKAN COLLEGE LIBRARY
No 3682
Date 2-9-68
NOGWONG

সম্পাদক
শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

অসম চৰকাৰৰ
বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ
গুৱাহাটী, অসম

Acc. No.
Class No. Book No.
Author
Title

A. D. P. COLLEGE LIBRARY
NAGAON : ASSAM

1. Book are issued for **14 days** only. A Sum of **10 paise** per day shall be charged for book not returned within due-date.
2. B... ...quest a... ...ian.
3. D... n... book, p... ink or p... ...ut it w... ...ng it, ...ook.
4. A... is a serious offence; Unless a borrower points out the injury at the time of borrowing the book, he shall be required to replace the book or pay its price.

**Help to keep the book fresh and clean**

*3682*

A.D.P. COLLEGE LIBRARY
NAGAON : ASSAM
This book should return on the date last recorded.

| Date of Return | Date of Return | Date of Return |
|---|---|---|
| | | |

COLLEGE

M

DERARTMENT OF
HISTORICAL AND ANTIQUARIAN STUDIES
ASSAM : GAUHATI
1964

SL. NO. 2

*Published by :*
The Government of Assam in the Department of
Historical and Antiquarian Studies,
Narayani Handiqui Historical
Institute, Gauhati, Assam.

প্ৰকাশক :
অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ
গুৱাহাটী, অসম

First Edition : October, 1932
Second Edition : June, 1964

*Printed by :*
Shri K. C. Pal at Nabajiban Press, 66 Grey Street, Calcutta-6

## PREFACE TO THE SECOND EDITION

Published as early as 1932, *Asamar Padya Buranji,* or the Metrical Chronicle of Assam is one of the earliest publications of this Department. Put together in a single volume, both the Chronicles : *Kali-Bharat Buranji* by Dutiram Hazarika and *Bẹlimārar Buranji* by Biswesvara Vaidyadhipa are the best known historical literature, composed in beautiful verses of varied metres. Though composed in the style of a Vaishnava poetry, Dutiram's work is a historical treatise par excellence, and it is not so much as a specimen of Vaisnava poetry but as a piece of historical treatise that we are to attach importance to his work, as to that of Vaidyadhipa. No other chronicle, published or unpublished is found to have covered the period of Ahom history till 1858 or to the transfer of power from the hands of the East India Company to the authority of the British Crown, and hence the importance of the work of Dutiram. He was a poet of no mean order as well, and his work contains some details which are not found in other chronicles. So is the work of Vaidyadhipa who commences his work from 1792 or from the advent of Captain Welsh to Assam at the instance of the Ahom ruler Gaurinath Sinha. His Buranji is one of the few contemporary accounts of the Burmese invasions, narrated in detail. And it goes to the credit of both the poets that they conveniently chose couplets of Vaisnava poetry to describe mundane affairs of men. No new matter has been added in this edition, nor has the textual matter been disturbed in any way. It is

expected that the Buranji will continue to secure as much attention of the students of history and of literature as before.

I am grateful indeed to the Education Department of the Government of Assam for placing funds at our disposal for bringing out this volume. My thanks are due to all members of the staff of the Department of Historical and Antiquarian Studies for assisting me in its publication, and lastly to the Proprietor, Nabajiban Press, Calcutta, for printing this edition.

Gauhati, Assam,
The 27th June 1964.

P. C. CHOUDHURY,
*Director,*
*Department of Historical and Antiquarian Studies, Assam.*

## PREFACE TO THE FIRST EDITION

The present publication *Asamar Padya-Buranji,* or a metrical chronicle of Assam, contains two separate books, *viz. Kali-bharat Buranji* by Dutiram Swarnakar Hazarika Satola, a history of Assam from the accession of Sulikpha Ratnadhwaj Singha Lora Raja in 1679, to the transfer of the territories of the Honourable East India Company to the Crown in 1858; and *Belimarar Buranji* by Bisweswar Vaidyadhipa, from Captain Welsh's expedition to Assam in 1792 to the victory of the Burman army at Khagarijan or Nowgong in 1819. Both these books were compiled, directly or indirectly, at the instance of Maharaja Purandar Singha, King of Assam from 1817 to 1818 during the period of Burmese invasion, and feudatory chief of Upper Assam under British protection from 1833 to 1838. The original manuscript of Dutiram's book was recovered for the Assam Sahitya-Sabha by Srijut Harinarayan Datta-Barua, Teacher, Jorhat Normal Training School, from the author's elder son Srijut Kamalapati Hazarika of Jorhat; and that of Bisweswar's chronicle by Srijut Hemachandra Bargohain, Mauzadar of Namti and son-in-law of the late Juvaraj Kesavkanta Singha, from a villager of his locality.

The Department records its indebtedness to the Assam Sahitya-Sabha for lending the manuscript of Dutiram with permission to use it for publication; to Srijut Harinarayan Datta-Barua, a Corresponding Member of our Department, for obtaining the permission of Srijut Kamalapati Hazarika for publishing his

father's book, and for placing at our disposal valuable information about the life of Dutiram Hazarika collected from the author's family at Jorhat; to Srijut Sonadhar Das, Registrar of the Assam Civil Secretariat, retired, and Secretary of the Assam Baniya Sabha, for furnishing details of the life, ancestry and literary achievements of Dutiram; to Srijut Anandaram Buragohain, B.A., for acquiring for the Department the original manuscript puthi of Bisweswar's bruanji from Srijut Hemchandra Bargohain; to Srijuts Basudev Misra, B.A., and Madhabchandra Barooah of the staff of the D.H.A.S. for assistance in transcription, editing and proof-correction.

The book is furnished with a detailed critical and biographical review in Assamese. To widen the scope of its usefulness we have prefixed an introduction in English, and have inserted a carefully prepared synopsis in English at the end of the book. We hope the publication of *Asamar Padya-Buranji* will lead to the recovery of other metrical chronicles which are as prolific and valuable as their prose counterparts.

Cotton College,
Gauhati, Assam.
October 15, 1932.

S. K. BHUYAN,
*Honorary Assistant Director,*
*Historical and Antiquarian Studies,*
*Assam.*

RAM DHEKIALPHOOKAN COLLEGE LIB.
No 3682
Date 2.9.68

# INTRODUCTION

The present book *Asamar Padya-Buranji*, or a metrical chronicle of Asam, represents a distinct and numerous branch of Assamese historical literature. Unlike their precursors of mediæval England where history and romance went hand in hand the rhymed Assamese chronicles have great significance as compilations of facts. The Assamese buranjis, whether writing in matter-of-fact stubborn prose or in the more human vehicle of verse, were guided by the pre-eminent object of faithfully and correctly enscrolling facts as they were gleaned from state papers, or the testimony of reliable eye-witnesses and actual participators of the events described. Any irregularity or discrepancy which we may come across was due to unintelligent handling of the original sources rather than to wilful misrepresentation or exaggeration. The cloak of anonymity which was used by almost all the chroniclers was due to the necessity of averting the retribution and vengeance to which they were exposed for their impartial narration of facts by which they threw into proper perspectives the public acts—creditable and otherwise—of powerful potentates and princes. When anonymity was discarded it was because the particular writer wrote his treatise under the commission of the state, or regarded truthful narration as a public service or when he left special instructions to his successors and heirs to refrain from exhibiting the book to any one but to a trusted friend. The practically universal anonymity in the authorship of the buranjis and the great secrecy insisted upon in their circulation are a guarantee of their good faith, specially when we know that even the most curious and insignificant event recorded in one buranji receives its corroboration in another. The fact may be untrue and impossible, but the chronicler believed it to be true, and his bonafides are unquestionable.

Rigid adherence to truth became an established traditional feature of Assamese historical compilations, and the existence of

a public opinion in support of the impartial narrator gave him the necessary safeguard and protection. The chronicles of the later eighteenth and early nineteenth centuries contain as a rule the names of their authors.

A historical poet enjoyed greater immunity than his prosaic compatriot. His personality was more or less sacrosanct, and he was never suspected as having any interest in unjustly glorifying or maligning any personage. Besides, the poet extracted a moral even from embassies and warfares, which at once imparted a look of justice and disinterestedness. It was a custom for every poet to weave his name into his verses and pen a few autobiographical lines, and the historical poet could not escape this literary convention.

Thus Assamese buranjis whether in prose or in verse are both characterised by a religious veneration for truth. The main difference in these two classes of chronicles lay in the intrusion of the philosophical element as an inevitable sequence of the adoption of the poetical medium. At every stage, like a jury listening to the different versions of a crime or a Greek chorus watching the triumph of fate over the exertions of mortals, the poet-historian summarises and records his impression of the passing events. To him the ceaseless phenomenon of human strife has no interest except as an example to drive his message home.

Another noticeable concomitant of the verse medium is the negligible fraction of extravagance manifested in the attribution of actions and results to the gods which can be explained, with a little more circumspection, as springing from human agents. The same belief in divine intervention led to the description of the matchless heroes as being impenetrable to gunshot and spear-thrusts. But such belief was rampant in those days when the physical basis of life was not championed by a Huxley; and the poet's indulgence in such imageries is rare and far between.

Assamese historical poetry can be further studied in its aspect as a branch of old Assamese poetry which is a direct emanation of Vaisnavism in its spirit, tone and theme. Vaisnava poetry, however edifying it may be on the spiritual score, revels, as far as facts are concerned, in a world of imagination and unreality. The ideas underlying the facts constitute their chief



claim to permanence and universality. Assamese historical poetry takes us from the groves of Vrindavana to the steppes of the Patkai Hills, from the world of unreality to that of reality and truth. This touch of realism is a significant departure in view of the rigid conformity to idealistic conventions which Indian poetics insisted upon. The abruptness of this transition is avoidtd by the poets of our *Asamar Padya-Buranji* by introducing the glorification of Srikrishna, the cardinal essence of all Vaisnava poetry, as the motif of their secular and realistic performances.

### A. Dutiram Hazarika's Buranji.

**Manuscript.** The manuscript of Dutiram Hazarika's buranji has been obtained from the Assam Sahitya-Sabha. It was recovered for the Sabha by Srijut Harinarayan Datta-Barua from Dutiram's son Srijut Kamalapati Hazarika sometime in 1926. Our attention was drawn to this book by a detailed review contributed to the Assam Sahitya-Sabha Patrika, Vol. I. No. 2, by Srijut Nakulchandra Bhuyan.

The manuscript is in the form of a puthi containing 137 folios. The folios, each measuring 3 in. × 8 in., are made up by pasting sheets of Kabuliat forms. The author or the transcriber has made use of the blank pages of the forms on the reverse of the printed pages. The gum has given way in many places and the printed matter has been exposed to view, in one of which we get an entry in ink referring to the revenue of the year 1873, A.D. and 1279 Bengali era, which leads us to infer that the book was transcribed whether by the author or by his copyist not earlier than the year 1873. Each page of the manuscript contains 8 to 9 lines.

**Subject.** The book is a metrical chronicle of Assam dealing with the reigns of the Tungkhungia Kings. An introductory chapter is devoted to Sulikpha Lora Raja during whose reign the Tungkhungia dynasty first attained ascendency and power. The reigns of Gadadhar Singha, Rudra Singha, Siva Singha, Pramatta Singha, Rajeswar Singha, Lakshmi Singha, Gaurinath Singha, Kamaleswar Singha, Chandrakanta Singha and Purandar Singha, have been treated elaborately; and the author continues his account up to the execution of Maniram Dewan in 1858

and the transfer of the territories of the Honourable East India Company to the authority of the British Crown. This book can therefore be regarded as a complete history of Assam from 1679 to 1858; and can be studied with interest and advantage along with our prose chronicle *Tungkhungia Buranji* by Srinath Duara Barbarua.

**Authorship and Date.** Dutiram designates his book as *Kali-bharat,* literally the epic of the Kali age. The devotional spirit of the author saw in the rise and fall of kings, the intrigues and machinations of ministers, the secret manipulations of conspirators and assassins, and the depredations and atrocities of the rapacious neighbours, a fulfilment of the prophecies regarding the *Kali-yuga,* so commonly found in Vaisnava poetry. The title itself is a comment on the evils of attachment to the affairs of the earth in supersession of the higher demands of man's spiritual nature.

Our *Tungkhungia Buranji* ends in the events of the year 1806, while Dutiram's chronicle gives an elaborate account of the events up to 1858. It thus supplements the *Tungkhungia Burangi.* The author was himself a close spectator of the decadence of Ahom supremacy and thus his account has gained an additional importance and interest.

The author Dutiram Swarnakar Hazarika was born in 1806 and died in 1901. He was a member of the Baniya community. As an expert goldsmith he was admitted into the intimate circle of Raja Purandar Singha's household. Dutiram was a man thoroughly conversed with the historical lore of his country, and Raja Purandar Singha freely invited him to his palace to listen to the stories of Assam history. The Raja further enriched Dutiram's repertory of Assamese factlore by asking his son and heir Kameswar Singha Juvaraj to supplement Dutiram's historical knowledge by transmitting to the scholar the traditions preserved in Ahom royal families. Kameswar Singha commissioned Dutiram to compile a history of Assam; and the present book is the result of that commission delivered by the *faineant* Ahom prince. Purandar Singha died on October 1, 1846, and Kameswar Singha on June 10, 1852. Dutiram plodded on with his work after the death of his princely patron and completed his book sometime after 1858. The exact date of composition cannot be fixed with certainty. But



from the circumstances leading to its compilation we may infer that the author was busy with it since he was first requested by Kameswar Singha sometime between 1846 and 1852 till 1862 when the last event recorded in the book took place *viz.,* the release of Dutiram Barua Sherishtadar through the enterprise of his son Priyalal Barua. The author was engaged in revising the book even after 1862. The fair copy of the present manuscript was made after 1873.

Dutiram Hazarika has himself penned a few auto-biographical lines in the book, pp. 183-186. We have received additional information about him from Srijuts Harinarayan Datta-Barua and Sonadhar Das both of whom approached Dutiram's son Srijut Kamalapati Hazarika for authentic glimpses of his scholarly father's life. Dutiram's father was one Sonabar Hazarika. Sonabar's father was Saha Hazarika who was a powerful officer of the reign of Lakshmi Singha. Saha was attached to the Bacha Khel and was in charge of five or six thousand archers. Sonabar lived at Chokihat in the town of Jorhat where the author was born in 1728 *Saka* or 1806 A.D.

Saha's father was one Naga, who was the youngest of a family of eight brothers. Naga's father was Chiran who lived in the North Bank. Chiran was raised by King Siva Singha to the rank of a Barua and was entrusted with the task of keeping the Duflas under control. He lived in the North Bank and exercised great power and influence which, as the author alleges, was not tolerated by Rupachandra Barbarua, the chief executive officer of King Siva Singha. Dutiram says that Chiran had four-score wives and that he lived like a prince. The people complained to the Swargadeo that Chiran extorted money from them and that their wives and daughters were not safe before the rapacious potentate. Siva Singha condoned the excesses of Chiran on the plea that the prosperity of a subject is a compliment to his sovereign. But Rupchandra acted otherwise; he procured a royal order on the authority of which Chiran, who was originally a Kath, was given the customary impression of a Baniya on the forehead. The author says,—"Cruel is Rupchandra Barbarua! He has reduced us to this plight." The ears of Chiran were also lopped off; and his seven brothers were also punished.

Dutiram was educated in his childhood in the *tol* of

Bhayaram Barpujari at Jorhat. He was also trained in the craft of a goldsmith, and he mastered at a very early age the intricate process of making different kinds of gold ornaments, specially the art of setting delicate jewels on green surfaces, generally known as *minakara,* for which Jorhat goldsmiths enjoy a somewhat unrivalled reputation till this day.

Dutiram was a disciple of the Satradhikar of Dihing and had cultivated the arts which were regarded in those days as indispensable equipments of an accomplished *Bhakat.* Dutiram was thoroughly read in the Assamese scriptures and the ecclesiastical history of the country ; he cultivated music and participated in the *bhawanas* or enactments of Vaisnava dramas. In short Dutiram represented an accomplished Assamese gentleman of the older type thoroughly impregnated with the ideals of indigenous culture.

Dutiram was a man of robust constitution. He was regular in his habits and observed the rigorous rules of a devotee's life to which, combined with the gift of heredity, his longevity was mainly due. His son Srijut Kamalapati Hazarika is an octogenarian.

The fact that the Baniya community could produce a man of Dutiram's erudition and culture in the beginning of the British connection is of considerable significance.

Dutiram is also credited with the authorship of two other books,—*Rasik-puran,* containing a satirical account of the origin and evils of the intoxicating drugs, tobacco, opium, bhang, dhutura etc., commonly used by the Assamese ; and *Baniya-sakal Asamaloi Aha Vrittanta,* an account of the advent of the Baniyas to Assam. A transcript of *Burha-bhashya* by Ramchandra Das was made by Dutiram. This Ramchandra Das propably Ramchandra Barpatra-Gohain, the author of *Manikut.**

Dutiram left two sons, Srijuts Kamalapati Hazarika and Premananda Hazarika, both of whom are now living at Jorhat. Srijut Govindaram Hazarika, who died in 1929, the grandson of Dutiram's elder brother Mayaram Hazarika, was a Head Clerk in the office of the Deputy Commissioner of Lakhimpur District.

* Srijut Sonadhar Das has lent to the Department the puthis *Rasik-puran* and *Burha-bhashya* which he obtained from Srijut Kamalapati Hazarika. He has also furnished us with a review of the two books prepared for him by Srijut Lalitchandra Das, B.A.



**Literary Features.** Dutiram's book is a chronicle in the true sense of the term. The reign of each sovereign has been dealt with in all its aspects. The name of officers, internal disturbances, the suppression of rebellions, the erection of roads and temples and all other noteworthy events have been incorporated into his account. As the poet's main purpose is to present a true narrative, there is little room for the exercise of literary or poetical embellishment. The recording of facts has, therefore, been given preference to the exercise of poetical fancy ; and it can be noted to Dutiram's credit that the facts recorded by him materially agree with the accounts available in other sources. Apart from the natural sequence of the reigns of the consecutive sovereigns, a slender link has been maintained throughout the book by the natural attempt on the author's part to describe the worship of Srikrishna as the only panacea to escape from the affliction of misery and the vicissitudes of human fortune.

The verses are defective in many places and the rhyme-endings are usually unsatisfactory. From these metrical defects it transpires that the author was primarily a narrator and not a poet. Apart from the historical information available in the book we can easily acquire a glimpse into the full universe of knowledge and ideas which an accomplished gentleman possessed in those days. The author's indirect comment on the events described by him can be gathered from the imageries and comparisions made by him. The use of an epithet or a simile leads us to the inner circle of the author's impressions on the events narrated by him. The model adopted by the author is the one of Vaisnava poetry. Almost every chapter begins with an invocation to the Creator and ends with the necessity for worshipping Hari, Srikrishna and Ram. The style of the book is simple and racy, and the author confines himself mainly to those Sanskrit words which have been popularised by preceding authors. The book also preserves an example of the language prevalent in the Ahom court. The book can be read with advantage and understanding by ordinary villagers whose literary equipment does not range beyond the faculty of reading and writing. The imageries and similes used by the author have been mainly taken from common every-day life.

The author addresses his book to one Lilaram, who is no

other than the late Srijut Lilaram Das, Superintendent of the Judge-Commissioner's Office, Assam Valley Division. Srijut Lilaram Das's son is Srijut Jagabandhu Das, Nazir of the Commissioner Office, A. V. D., and his grandson is Srijut Rameschandra Das, M.A., B.L., Pleader of the Judge's Court, Gauhati, and Lecturer, Earle Law College.

**Historical Value.** Assamese historical literature represented by the buranjis is varied and numerous. Each buranji has its own importance. In many cases it repeats facts recorded in other buranjis but it has invariably a mass of new information which is not to be found in other chronicles; and that is the justification why it was ever written and compiled. The buranjis are more like supplements rather than repetitions. Dutiram's buranji contains a large quantity of facts not recored by others. As far as is known the historical information possessed by Swargadeo Purandar Singha or his son Juvaraj Kameswar Singha was never reduced to writing. The facts transmitted by reliable eye-witnesses, and reporters have been used as materials for historical compilations in all countries in the world; and the accounts transmitted to the author by a whilom King of Assam and his Juvaraj can be regarded as highly valuable. Dutiram's book is rich in details of the decadence of Ahom supremacy; and as it was a period of disintegration and disruption, the machinery of the royal historiographer which was used so systematically in the former periods of comparative peace and stability, was now inoperative and out of gear. We thus get in Dutiram's buranji a trustworthy side-light into a period about which many things have been traditionally handed down but very little has been recorded in a permanent form. The author was an intimate associate of Purandar Singha and Kameswar Singha, and his profession required frequent visits to the royal household. We should not ignore the fact that Purandar Singha commanded his son to transmit to the author all that the Juvaraj knew of the past history of a country of which they would have become, under different circumstances, rulers and sovereigns.

Dutiram saw with his own eyes the several invasions of the Burmese, their final expulsion from the land and the establishment and consolidation of British power in Assam, to which momentous changes he devotes full 87 pages, *viz.* pages 126-212. He must have come in personal touch with people who were actors or spectators of the Moamaria disturbances, pages 91-125. So more than half his book is devoted to events of which the author had personal knowledge or had acquired information from his contemporaries—a circumstance whose repetition is beyond the powers of men.



We will draw the reader's attention to the following narratives of Dutiram's buranji which are new or are treated with greater emphasis and elaboration than in other chronicles,—the wanderings of Gadapani; the martyrdom of Princess Jaymati; the flesh-eating mania of Gadadhar Singha; the construction of gun-boats or *Hiloichoras* by Sandikai Barphukan; Rudra Singh's scheme for conquering Bengal; the Sakta preceptor of the King, Krishnaram Nayavagish; Siva Singha's consort Phuleswari's child-birth; Rajeswar Singha's friendship with Dihingia Gosain; Kuranganayani's slaughter of the Moran leader; the atrocities and misrule of the Morans; Captain Welsh in Assam; Kamaleswar Singha's friendship with the Dihingia Gosain; the conspiracy of Panimua; the conspiracy of Satram, and the punishment of his accomplices; the Dihingia Gosain favoured with fresh honours by Chandrakanta Singha; the Burmese in Assam, their terrorism and ways of leaving; the administration of Assam by the East India Company and new revenue measures; Kameswar Singha's friendship with the Dihingia Gosain; the various activities of a district Cutcherry; Kandarpeswar Singha.

### B. Bisweswar Vaidyadhipa's Buranji.

**Manuscript.** The manuscript of this book was obtained in June 1931, from Srijut Anandaram Gohain, B.A., then Second Assistant in the D.H.A.S. Mr. Gohain acquired it from Srijut Hemchandra Bargohain, Mauzadar of Namti Mauza in Sibsagar District, who in his turn had recovered the same from a villager in Namti. The manuscript has 59 folios of Sanchi bark. Each folio measures $2\frac{1}{2}$ inches by $10\frac{1}{4}$ inches, and contains 5 to 7 lines. The manuscript is in a deplorable state of preservation. The leaves have crumbled away in many places while the extremities of many folios are tattered with the subsequent disfigurement and even loss of many lines of writing. Folios 1, 2, 3, 6, 8, are missing. In the absence of the usual terminal sign at the end of the present manuscript we are led to believe that the book had several more folios.

**Subject.** The book deals with the last phase of Ahom supremacy. It commences from the advent of Captain Welsh to Assam in 1792 A.D. at the instance of King Gaurinath Singha, and continues up to the re-instatement of Chandrakanta Singha on the throne by the Burmese during their second expedition to Assam under General Kiamingi. The book has preserved a vivid and succinct account of the Moamaria and Burmese disturbances, the two protracted events which mainly led to the termination of Ahom rule in Assam. The author does not seem to have given the book a title, or it might have been recorded in the missing pages. We have ventured to name the book *Belimarar Buranji*, or history of the sun-set, in keeping with the subject-matter.

**Restorations.** The author has used the medium of verse in unfolding the history of this momentous period of his country's annals, and his masterly treatment and felicity of expression have raised this metrical chronicle to the rank of a literary masterpiece. Fearing that the enjoyment of the author's beautiful narratives might be impeded by the irrecoverable gaps due to the dilapidated condition of the manuscript, we have restored the missing links in our own words judiciously aiming at the selection of phrases and expressions which will be in harmony with the available portions of the author's book. Our restorations have, however, been inserted within inverted commas to avoid misleading the reader, and imparting a rude shock to his eyes which would have been inevitable had the use of brackets been adopted.

**Authorship and Date.** The author was one Bisweswar. He has inserted a few autobiographical lines on folio I-B, pages 217-218, and has referred to himself twice or thrice on subsequent pages. He describes himself as springing from a Suryya-vipra or Daivajna family, as a grandson of the Vaidya-Barua, literally the Barua of the physicians. He wrote this book at the command of the Swargadeo though he regarded himself as being unqualified to execute this high commission. He was out of employment, and the Swargadeo out of compassion made him Vaidyadhip, literally a master of the physicians. Bisweswar makes use of the title Vaidyadhip as well as of Vaidya-Barua in referring to himself afterwards. The author was also known as Bikaram, in addition to Bisweswar, and the use of duplicates



in the names of persons in Assam was and is even now a common feature. The author addresses the book to one Rameswar Dwija who was a Gabharu-melia. In the course of the narrative the author anticipates questions from his auditor Rameswar and answers them accordingly, e.g., when in the midst of the description of the first Burmese invasion, page 233, Rameswar wants to know about the origin of the Burmese king and the author inserts a mythological account of the same connecting the ancestors of the Burmese monarch with the Pandavas, Srikrishna and Baghasur.

Bisweswar has not definitely stated the name of the Ahom Swargadeo who served as his patron. The present account takes us up to the defeat of the Ahom forces at Khagarijan or Nowgong on the bank of the Kalang river sometime in March 1819. The Burmese removed Chandrakanta from the throne and placed their own nominee Jogeswar Singha on the Ahom mansab. Chandrakanta became a fugitive and after the treaty of Yandabo in 1826 he lived as a prisoner till his death in 1839. The continuous storm and stress through which Chandrakanta passed from 1819 onwards make it extremely unlikely that he could commission a poet to write a book or confer upon him a title which is possible only during periods of stability and peace. We are led to believe that the book was written sufficiently after the Burmese atrocities, when peace and quiet had been restorted to the country, when only the aid of art could be requisitioned to commemorate the long-drawn miseries and sufferings of an otherwise happy people, attended by political changes of a very grave character.

The Swargadeo mentioned by the poet must be Purandar Singha Maharaj who ruled as a feudatory prince under British protection from April 1833 to September 1838. Swargadeo Purandar Singha inspired the compilation of two other chronicles, *viz.*, the prose buranji of Kashinath Tamuli-Phukan and the metrical one of Dutiram Hazarika, and it is probable that the prince induced Bisweswar to write this book in recognition of which he was rewarded with the office of Vaidyadhip.

So we get two limits to the date of composition; it cannot be earlier than 1833 or at the furthest 1846 when Purandar Singha died. The present condition of the manuscript leads us to believe that the age of the book borders on a century.

So in the absence of any positive statement we can put the date of the book to sometime between 1833 and 1846 A.D.

**Literary Features.** From the mannerisms of the book the author seems to have fully imbibed and assimiliated the diction and spirit of Assamese Vaisnava poetry. The conventional phrases used in describing epical contests, the usual methods of reminding the reader of the nothingness of the world as contrasted with the beatific pleasure derivable from worshipping the feet of Srikrishna, the supernatural power which the worship of Srikrishna may confer on his adorers, are echoed and re-echoed throughout the book, though the author deals with persons and themes with which he must have himself been familiar. Captain Welsh cows down a number of Moamaria insurgents, after which they recruited a large army of rebels who addressed the Captain as one would have done on meeting his stalwart opponent in the field of Kurukshetra. The humiliation of Gaurinath Singha and Chandrakanta Singha in the hands of the rebels or invaders affords opportunities to the author to remind worldy-minded people of the transitoriness of earthly grandeur and the attachment to wives and children.

After the first invasion of the Burmese Chandrakanta Singha was suspected as having treacherous liaison with the invaders. He was deposed and Purandar Singha sat on the throne. The queen-mother in all earnestness advised Chandrakanta to meditate at the feet of Srikrishna and the author seizes the opportunity of giving us a description of Srikrishna's person and attire running up to nearly three score lines. The intervention of Srikrishna is used by the poet as *deu ex machina* to communicate Chandrakanta's deposal and disgrace to his supporters in Burma. Similar conventionalism is to be noticed in the description of the Ahom and Burmese capitals, Rangpur and Ava. The author makes use of all the existing Assamese verse-forms allotting the several measures to appropriate themes and subjects. Apart from the value of the book as a historical document, it has also elements of genuine poetry. The simile which he uses in describing the fate of Badanchandra Barphukan who brought over the Burmese to Assam but who felt soon afterwards a prey to the sword of an assassin named Rupsing Subedar before he could consolidate his power deserves reproduction here,—



"The Mantris could not tolerate the growing influence of Badanchandra Phukan. At their instance Rupsing Bangal once surrounded him and beheaded the Phukan. Just as a creature, in order to ally his heat and thirst looks wistfully at the clouds longing for a down-pour of rain, but is killed by a thunder-bolt dropped from the same clouds, instead of having his heat alleviated, this plight also accrued to the Phukan."

In addition to its value as a historical document, the transference of the conventional diction and associations of Vaisnava poetry from themes of the epics and the purans to mundane matters like national disruption and war and to subjects within the immediate purview of the poet, is a noteworthy feature of the litrary history of the Assamese people.

**Historical Value.** The blood-curdling atrocities of the Burmese, which passed into the common parlance of the Assamese as "Mänar Upadrav", the very mention of which has frightened many a child to sleep, constitutes the gravest national catastrophe to which the peace-loving and simple inhabitants of the Brahmaputra valley have been subjected since the dawning of recorded history. The panic was wide-spread and permanent, and though every Assamese man and woman could, till very recently, recite a tale of Burmese inhumanity, no one thought it fit to collect them, or preserve a full account of the Burmese invasions; and we have now to turn to Wilson and Crawfurd to obtain a glimpse of the sufferings of the Assamese people. But deep-rooted national calamity of the magnitude of the Burmese reign of terror cannot but be followed, in some form or other, by expression. Bards and ballad-singers have stepped into the place of the trained historian and poet; and the ballad of Badanchandra, commonly known as *Barphukanar Git*,* introduces us to the true character of the peoples' sufferings, while preserving at the same time a faithful record of the leading events. With the progress of historical investigation the incidents and narratives of the ballad are receiving more and more confirmation. Bisweswar's buranji is one of the very few contemporary documents of the Burmese invasions. Making allowance for the poetical conventions which few writers of

* "Barphukanar Git", edited by Prof. S. K. Bhuyan, published in 1924. Reviewed by Lt.-Col. P.R.T. Gurdon in the *Journal of the Royal Asiatic Society* for October, 1925.

those days could escape, the main bulk of historical information is corroborated by evidence from other sources. It is surprising that an Assamese author adopting verse as his medium, where imagination generally runs riot, has been able to maintain rigid fidelity to historical truth. A glance at the synopsis appended to the book, will enable the reader to judge how the author has preserved a large mass of information hitherto unknown.

S. K. BHUYAN.

3682
ANANDARAM DHEKIALPHOOKAN COLLEGE LIB.
No.
Date

# পাতনি

আসাম গবর্ণমেণ্টৰ বুৰঞ্জী বিভাগ বা হিষ্টোৰিকেল এণ্ড এণ্টিকোয়েৰিয়ান ষ্টাডিজ ডিপার্টমেণ্টৰ দ্বাৰা প্ৰকাশিত "অসমৰ পদ্য-বুৰঞ্জী" নামৰ বৰ্ত্তমান পুথিখন দুখন বুৰঞ্জীৰ সমষ্টি, প্ৰথম, দুতিৰাম হাজৰিকা স্বৰ্ণকাৰ ডেকা সাতোলা প্ৰণীত "কলিভাৰত", ১-২১২ পিঠি, লৰাৰজা চুলিকফা স্বৰ্গদেৱৰ দিনৰে পৰা ইষ্ট ইণ্ডীয়া কোম্পানিৰ আমোলৰ অন্তলৈকে, খৃষ্টাব্দ ১৬৭৯-১৮৫৮ ; দ্বিতীয়, বিশ্বেশ্বৰ বৈদ্যাধিপ বিৰচিত "বেলিমাৰৰ বুৰঞ্জী", ২১৩-২৭৮ পিঠি, গৌৰীনাথ সিংহই মটক মৰাণৰ উৎপাতত তিষ্ঠিব নোৱাৰি ৰংপুৰ এৰি গুৱাহাটীলৈ গৈ কলিকতাৰ গৱৰ্ণৰ-জেনেৰললৈ দূত পঠিয়াই সৈন্য আনি কেপ্তেইন ওৱেল্‌চৰ সহায়েৰে ৰংপুৰ উদ্ধাৰ কৰাৰে পৰা মানৰ দ্বিতীয় আক্ৰমণলৈকে, খৃষ্টাব্দ ১৭৯২-১৮১৯।

দুতিৰাম আৰু বিশ্বেশ্বৰ এই দুয়োজন পিতৃ-বুঢ়াগোহাঁই পূৰ্ণানন্দ ডাঙ্গৰীয়াৰ দিনৰ মানুহ। তেওঁলোকৰ দুয়োৰে আহোম ৰাজ-পৰিয়ালৰ লগত সংস্পৰ্শ আছিল। আহোম ৰজাৰ তলত বিশ্বেশ্বৰে বৈদ্যাধিপ বিষয় খাইছিল, আৰু স্বৰ্গদেৱৰ আজ্ঞাৰে তেওঁ বুৰঞ্জী সংকলন কৰিছিল। দুতিৰাম পুৰন্দৰ সিংহৰ ৰাজ-সোণাৰি আছিল, আৰু ৰজাঘৰলৈ ব্যৱসায়-সূত্ৰে হওক বা অসমৰ পুৰাতন কাহিনী আলোচনা কৰিবলৈকে হওক সদাই অহাযোৱা কৰিছিল। স্বৰ্গদেৱৰ আজ্ঞা অনুসাৰে যুৱৰাজ কামেশ্বৰ সিংহই তেওঁক আহোম-বুৰঞ্জীৰ অন্তৰ্গত অতীত ঘটনাবোৰ ভাঙ্গি-পাতি কৈছিল, যুৱৰাজৰ আদেশ-মালা শিৰত লৈ দুতিৰামে তেওঁৰ বুৰঞ্জী লিখিছিল। এওঁলোকৰ দুয়োজনৰে পূৰ্ব্ব-পুৰুষসকলে আহোম ৰজাসকলৰ মুখিয়াল বিষয়া আছিল। দুতিৰাম আৰু বিশ্বেশ্বৰ এই দুয়োজনা লিখক তেওঁলোকৰ সঙ্কলিত বুৰঞ্জীৰ ভালেমান ঘটনা, ঘাইকৈ মানৰ আক্ৰমণ নিজ চকুৰে দেখিছিল। তাৰ উপৰি দুয়ো কৃতবিদ্য পণ্ডিত আছিল। এনে দুজন পুৰুষৰ ৰচিত তেওঁলোকৰ দিনতে সামৰণি মৰা আহোম স্বৰ্গদেৱসকলৰ বুৰঞ্জী যে অসমীয়াৰ অমূল্য সম্পত্তি হব সেই বিষয়ে

বহলাই কোঁৱাৰ সকাম নাই। আমি অসমীয়া জাতি যিমানেই কালৰ সোতপানীত আগবাঢ়ি যাম আৰু আমাৰ অতীতৰ চিনমোকান যিমানে লোপ পাই আহিব তিমানেই এই বুৰঞ্জীৰ মূল্য বাঢ়ি যাব।

প্ৰাচীন অসমীয়া পদ-পুথি কীৰ্ত্তন, বাৰস্কন্ধ ভাগৱত, ৰামায়ণ, মহাভাৰত আদি বৈষ্ণৱ সাহিত্যত যি ভাষা ব্যৱহাৰ কৰা হৈছিল এই বুৰঞ্জীতো সেই ভাষা ব্যৱহাৰ কৰা হৈছে। মানুহে মুখেৰে কোৱা ভাষাৰ পৰা সেই ভাষা কিছু লৰচৰ, সেই দেখি সেই ভাষাক অপ্ৰাকৃত বা অস্বাভাবিক ভাষা বুলিব পাৰি। অস্বাভাবিক হলেও অসমীয়াৰ নামে-কীৰ্ত্তনে সেই সাহিত্যৰ বহুল প্ৰচাৰ হোৱাত সেই ভাষা অসমীয়াৰ অস্থি-মজ্জাগত। এনে কি প্ৰাচীন পদ-পুথি পঢ়া মানুহৰ পক্ষে বৈষ্ণৱ-সাহিত্যৰ ঠাঁচ আৰু বচন-ভঙ্গী নথকা আধুনিক সাহিত্য ইমান শ্ৰুতিমধুৰ আৰু উপাদেয় নহয়। আগৰ দিনৰ মাৰ্জ্জিত কবিয়ে পদ লিখিবলৈ ধৰিলেই সেই প্ৰাচীন ভাষা ব্যৱহাৰ কৰিছিল। মানুহে কথা কোৱা ভাষাৰ চানেকি আগৰ ল'ৰা-নিচুকুৱা নাম, বিহু নাম আৰু বুৰঞ্জী আদিতহে ৰক্ষিত হৈছে। আমাৰ কবি দুতিৰাম আৰু বিশ্বেশ্বৰে সমসাময়িক ৰুচি অনুযায়ী পদ-পুথিৰ ভাষা বুৰঞ্জীত ব্যৱহাৰ কৰিছে, তাৰ কাৰণে তেওঁলোকৰ বুৰঞ্জী অসমীয়া সৰ্ব্বসাধাৰণ পাঠক-পাঠিকাৰ হৃদয়গ্ৰাহী হব এইটো আশা কৰিব পাৰি। এওঁলোক দুয়োজন বৈষ্ণৱ-সাহিত্যত লব্ধ-প্ৰতিষ্ঠ আছিল। তেওঁলোকে নিজৰ কবিত্ব-প্ৰতিভা পৌৰাণিক কাহিনী বৰ্ণনাত ন্যস্ত নকৰি স্বদেশৰ ৰাজকাহিনী, যুদ্ধ-বিগ্ৰহ আৰু ৰাজ-ভগনৰ আখ্যানত যে প্ৰয়োগ কৰিছিল সেই বাবে তেওঁলোক অসমীয়াৰ কৃতজ্ঞতাৰ পাত্ৰ।

বুৰঞ্জী-সাহিত্যৰ অভাৱ ভাৰতীয় সভ্যতাৰ এটি চকুত লগা কেৰোণ। অনিত্য সংসাৰ, অবিনশ্বৰ আত্মা, এইবোৰ আধ্যাত্মিক ভাৱৰ সোঁতত ভাৰতৰ চিন্তাধাৰা প্ৰৱাহিত হৈছিল। ৰাজ-ৰাজোৱানৰ খোৱা-কামোৰা, পাত্ৰ-মন্ত্ৰীৰ ছল-চক্ৰান্ত, শত্ৰুতা-প্ৰতিযোগিতাৰ ঘাত-প্ৰতিঘাত, ইত্যাদি খন্তেকীয়া পাৰ্থিৱ বিষয়ত ভাৰতীয় চিন্তাই উপযোগী ক্ষেত্ৰ নোপোৱাত ভাৰতৰ ৰাজ-কাহিনী এটি উপেক্ষিত আলাগী বস্তু। আমাৰ কবি দুতিৰাম আৰু বিশ্বেশ্বৰ দুয়ো হৰিভক্ত আধ্যাত্মিক পুৰুষ আছিল। তেওঁলোকৰ বুৰঞ্জীৰ প্ৰতিপাদ্য বিষয় আছিল,—পাৰ্থিৱ পয়োভৱ আৰু ৰাজক্ষমতা আজি আছে কালি নাই; কচু-পাতৰ পানীৰ নিচিনা অথিৰ, পদ্ম-পত্ৰ-নীৰৰ দৰে চঞ্চল, এনে অৱস্থাত ভগৱানৰ চৰণ চিন্তাই মুক্তিৰ একমাত্ৰ উপায়। ভাৰতীয় সভ্যতাই দলিয়াই পেলোৱা ইতিহাস-চৰ্চ্চাক বুটলি আনি তাকে সঁজুলি লৈ এটি চিৰন্তন সত্যৰ প্ৰমাণ কৰি আধ্যাত্মিকতাবাদ আৰু জড়বাদ এই দুয়োৰে সামঞ্জস্য আৰু মিলন ঘটোৱাৰ কাৰণে আমি এই দুই অজ্ঞাত কবিৰ শলাগ নলৈ নোৱাৰোঁ। এই কাৰণে কবিৰ বৰ্ণিত ৰজা-প্ৰজাৰ নানান ভাগ্য-বিপৰ্য্যয়ৰ সানমিহলি কাহিনীও এটি আদৰ্শ আৰু উদ্দেশ্যৰ সূত্ৰেৰে সংযুক্ত হৈছে।



অসমীয়া বুৰঞ্জী-সাহিত্য অসমীয়া, এনেকি ভাৰতবাসীৰো গৌৰৱৰ বিষয়। ৰজাঘৰীয়া লিখকে ৰজাঘৰৰ কাকত-পত্ৰ গোটাই কটকী-সেনাপতি আদিৰ মুখৰ কথা জুকিয়াই 'কথা'ত বা গদ্যত বুৰঞ্জী ৰচনাৰ লগে-লগে নিজঘৰৰ নীৰলা কোণত বহি কবিয়েও তেনেকৈ পদ্যত বুৰঞ্জী লিখিছিল। পদ্যত লিখা এই বুৰঞ্জীবোৰ অসমীয়া বুৰঞ্জী সাহিত্যৰ এটা প্ৰধান অঙ্গ। দুতিৰাম আৰু বিশ্বেশ্বৰৰ বুৰঞ্জীৰ বাহিৰেও তলত লিখা পদ্য-বুৰঞ্জীৰ সন্তেদ পোৱা গৈছে,—দৰঙ্গৰ ৰজা সমুদ্ৰনাৰায়ণৰ আজ্ঞাত সূৰ্য্যখৰি দৈৱজ্ঞই লিখা "দৰংৰাজ বংশাৱলী" নামে কোঁচ ৰজাসকলৰ ইতিবৃত্ত; আসাম গৱৰ্ণমেণ্টে ১৯১৮ খৃষ্টাব্দত স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত কৰি এই পুথি প্ৰকাশ কৰিছিল। ৰতিকান্ত দ্বিজ প্ৰণীত দৰঙ্গৰ বুৰঞ্জী থকা "ৰাজবংশাৱলী"; এই পুথিত কোঁচ ৰজাসকলৰ আদিকথাৰ পৰা আৰম্ভ কৰি দৰঙ্গৰ ৰজা বলীনাৰায়ণৰ কেবাপুৰুষৰ পাচলৈকে বুৰঞ্জী আছে। গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ সমসাময়িক দৰঙ্গৰ ৰজা কৃষ্ণনাৰায়ণৰ ভায়েক জগৎনাৰায়ণৰ দ্বিতীয় পুত্ৰ গন্ধৰ্ব্বনাৰায়ণ ৰাজকুমাৰৰ আদেশ মতে সূৰ্য্যদেৱ দ্বিজই লিখা "ৰাজবংশাৱলী" নামৰ দ্বিতীয় পুথি; ইয়াত কোঁচবেহাৰৰ ৰাজ্যস্থাপনৰ পৰা গৌৰীনাথ সিংহৰ দিনত দৰঙ্গ ৰাজ্যৰ লগত আহোম ৰজাৰ সংঘৰ্ষণলৈকে সকলো কথা আছে। প্ৰথম পুথি "দৰংৰাজ বংশাৱলী" তাহানি গেইট চাহাবৰ দিনত মঙ্গলদৈৰ দৰংৰাজ পৰিয়ালৰ পৰা উদ্ধাৰ কৰা হৈছিল; আৰু ৰতিকান্ত আৰু সূৰ্য্যদেৱৰ "ৰাজবংশাৱলী" বোলা দুখন পুথি স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী ডাঙ্গৰীয়াই ১৯১২-১৩ চনত আসাম গৱৰ্ণমেণ্টৰ হৈ সেই একে ঠাইৰে পৰা উদ্ধাৰ কৰিছে।

ইয়াৰ বাহিৰেও সত্ৰীয়া বুৰঞ্জী আৰু চৰিত পুথি আদিত পদত লিখা বুৰঞ্জীৰ আখ্যান পোৱা যায়। ভৱানীপুৰীয়া গোপালদেৱ-চৰিতত নৰনাৰায়ণ-

চিল্লাৰায়ৰ অসম-আক্ৰমণ, ভদ্ৰচাৰুদাস ৰচিত অনন্ত-চৰিতত গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্য্যাতন, আৰু জয়নাৰায়ণ ৰচিত ৰামগোপাল-চৰিতত ৰামানন্দ ভট্টচাৰ্য্যৰ ওচৰত লাচিত বৰফুকনৰ শিষ্যত্ব গ্ৰহণ, গদাধৰ সিংহৰ বৈষ্ণৱ-পীড়ন, ৰুদ্ৰসিংহৰ মহন্তসকলৰ পৃষ্ঠপোষকতা আদিৰ কথা জানিব পাৰি।

পণ্ডিত কবিৰ লিখিত আখ্যানৰ উপৰিও সৰ্ব্বসাধাৰণ মানুহে দেশত ঘটা উল্লেখযোগ্য ঘটনাবোৰ পদ-মালিতা কৰি গোৱাৰ অভ্যাস আছিল। বদন বৰফুকনৰ গীতত যিবোৰ কথা পোৱা গৈছে সি বুৰঞ্জীৰ সত্যৰ পৰা বেচি আঁতৰ নহয়। সেইদৰে সতী জয়মতীৰ গীত, ৰাধা-ৰুক্মিণীৰ গীত, বাখৰ বৰাৰ গীত, হৰদত্ত চৌধুৰীৰ গীত, মণিৰাম দেৱানৰ গীত, এইবোৰতো অসম বুৰঞ্জীৰ ভালেমান সত্য লুকাই আছে। তাৰ উপৰি প্ৰবাদমূলক জনাগাভৰুৰ গীত, চিকন সৰিয়হৰ গীত, কমলা কুঁৱৰীৰ গীত, এইবোৰত থকা কথা চালি-জাৰি চালে তাতো বুৰঞ্জীৰ সত্য ওলাই পৰিব।

মোৱামৰীয়া বিদ্ৰোহৰ বিষয়ে এজন সমসাময়িক কবিয়ে সংস্কৃত ভাষাত "ধৰ্ম্মোদয়" নামে এখন নাটক লিখিছিল। তাত ৰাঘ মৰাণৰ উৎকট চৰিত্ৰ-অঙ্কন পোৱা যায়।

ওপৰত উনুকিওৱা সকলো ধৰণৰ পুথি আৰু মানুহৰ মুখত প্ৰচলিত থকা গীত আদিৰ সহায়েৰে অসমীয়া বুৰঞ্জী-সাহিত্যৰ বিশিষ্ট বিভাগ বিপুল পদ্য-বুৰঞ্জী সাহিত্য গঠিত হৈছে। যাতে এই শাখা সাহিত্যৰ সকলো সমষ্টি আৰু সম্বল ৰাইজৰ আগলৈ ওলায়, তাৰ অঙ্গ-প্ৰত্যঙ্গ, ক্ৰমবিকাশ, ধাৰা, লক্ষণ আৰু বুৰঞ্জী হিচাপে তাৰ মূল্য, এই বিষয়লৈ অনুসন্ধান আৰু আলোচনাৰ সূত্ৰপাত হয়, সেই উদ্দেশ্যে বহু পৰিশ্ৰমেৰে সম্পাদন কৰি বৰ্ত্তমান গ্ৰন্থ "অসমৰ পদ্য-বুৰঞ্জী" প্ৰকাশ কৰা গ'ল। আমাৰ ধ্ৰুৱ বিশ্বাস অসমীয়া বুৰঞ্জী-সাহিত্যৰ ঐশ্বৰ্য্য-সম্ভাৰ জগতৰ আগত পৰিপাটীকৈ দাঙ্গি ধৰিব পাৰিলে জগতৰ সুধীবৃন্দ বিস্মিত আৰু মুগ্ধ নহৈ নোৱাৰিব, আৰু তাৰ লগে লগে অসমীয়াৰ আত্মসম্মান আৰু প্ৰতিষ্ঠাৰ পৰিমাণ বৃদ্ধি হব।

# ১। দুতিৰাম হাজৰিকাৰ বুৰঞ্জী

কবি দুতিৰাম হাজৰিকা অসমৰ বণিয়া সম্প্ৰদায়ৰ এজন শিৰোমণি পুৰুষ আছিল; জীৱিকাৰ উপায় সোণাৰি বিদ্যাৰ উপৰিও তেওঁ সঙ্গীত-বাদ্য, পদ-পুথি ৰচনা ইত্যাদি বিষয়ত বিচক্ষণ ব্যুৎপত্তি লাভ কৰিছিল। তেওঁৰ পাণ্ডিত্য, ইতিহাস জ্ঞান আৰু ধৰ্ম্মপ্ৰাণতাও লেখত লবলগীয়া। তেওঁৰ বিবিধ গুণৰ কাৰণে তেওঁ স্বৰ্গদেৱ পুৰন্দৰ সিংহ, যুৱৰাজ কামেশ্বৰ সিংহ, আৰু শ্ৰীশ্ৰীদিহিংসত্ৰাধিকাৰ নিত্যশোভনচন্দ্ৰদেৱ গোসাঁই প্ৰভুৰ অন্তৰঙ্গ প্ৰিয়পাত্ৰ হব পাৰিছিল। ১৭২৮ শকৰ বা ১৮০৬ খৃষ্টাব্দৰ বিজয়া দশমীৰ দিনা তেওঁৰ জন্ম, আৰু ১৮২৩ শকৰ বা ১৯০১ খৃষ্টাব্দৰ আষাৰৰ পূৰ্ণিমাত তেওঁৰ লোকান্তৰ ঘটে। সেইমতে তেওঁ পাঁচ কম এশ বছৰ জীয়াই আছিল; আৰু তেওঁ কমলেশ্বৰ সিংহ, চন্দ্ৰকান্ত সিংহ ১ম বাৰ, স্বাধীন পুৰন্দৰ সিংহ, চন্দ্ৰকান্ত সিংহ ২য় বাৰ, যোগেশ্বৰ সিংহ বা মানৰ দিন, কোম্পানি, ইংৰাজ-কৰতলীয়া পুৰন্দৰ সিংহ, আকৌ কোম্পানি আৰু মহাৰাণী ভিক্টোৰিয়া, এই ন-পৰ্য্যায় আমোল বা ৰজাৰ ভাত খাইছিল।

দুতিৰামে এই সকলোবোৰ পৰিবৰ্ত্তন দেখিছিল আৰু তেওঁৰ নিচিনা অন্তৰদৰ্শী মানুহে সেইবোৰ এটা এটাকৈ লক্ষ্য নকৰি নোৱাৰিছিল। তেওঁৰ বুৰঞ্জীৰ ১২৬ পৃষ্ঠাৰ পৰা ২১২ পৃষ্ঠালৈকে তেওঁৰ চকুৰ আগত হোৱা ঘটনাৰ বিবৰণ। আৰু মোৱামৰীয়া বিদ্ৰোহ নিজ চকুৰে দেখা মানুহৰ লগতো তেওঁৰ নিশ্চয় জনা-শুনা আছিল; তেওঁলোকৰ পৰা দুতিৰামে লক্ষ্মীসিংহৰ দিনৰ পৰা কমলেশ্বৰ সিংহৰ দিনৰ সকলো কথা পাইছিল, সেইমতে গ্ৰন্থৰ ৯১ পিঠিৰ পৰা ১২৫ পিঠিলৈকে লিখকৰ ঠিক পূৰ্ব্ববৰ্ত্তী কালৰ ঘটনাৰ কাহিনী। লিখকে যে সমসাময়িক মানুহৰ পৰা শুনা আৰু নিজ চকুৰে দেখা সকলো ঘটনা শৃঙ্খলাবদ্ধ কৰি যুগমীয়া সাঁচত মাৰি দেশবাসীৰ উপভোগৰ কাৰণে থৈ গৈছে এই কাৰণে তেওঁ অসমীয়াৰ মাজত চিৰস্মৰণীয় হৈ থাকিব।

আজি কালিৰ দৰে শিক্ষাৰ ইমান প্ৰচলন নোহোৱা দিনতো যে বণিয়া

সম্প্ৰদায়ৰ পৰা এনে এজন কৃতবিদ্য পুৰুষ ওলাব পাৰিছিল ইয়াৰ পৰা বুজা যায় তেতিয়াৰ দিনত পাণ্ডিত্যৰ আদৰ আছিল আৰু কাৰোবা শিক্ষা-দীক্ষালৈ প্ৰকৃত ধাউতি থাকিলে তেতিয়াৰ পাৰিপাৰ্শিক অৱস্থাই সহায় হে কৰিছিল, প্ৰতিবন্ধক জন্মোৱা দূৰৈৰ কথা।

দুতিৰাম হাজৰিকাৰ পদ্য-বুৰঞ্জী গ্ৰন্থক "পদ্য তুংখুঙ্গীয়া বুৰঞ্জী" বুলিব পাৰি। কাৰণ লৰাৰজাৰ অত্যাচাৰৰ ফল-স্বৰূপে তুংখুঙ্গীয়া গদাপাণি কোঁৱৰৰ পলায়ন, সতী জয়মতীৰ দেহত্যাগ আৰু পাচলৈ গদাপাণিৰ সিংহাসন লাভ, ইয়াৰ পৰা আৰম্ভ কৰি গদাধৰ সিংহৰ সতিসন্ততিসকলৰ ৰাজত্বৰ শেহলৈকে সকলো ঘটনা দুতিৰামৰ পদ্য-বুৰঞ্জীত বৰ্ণোৱা আছে। দুৰৰাৰ ঘৰৰ অভিমন্যু বা হৰনাথ সেনাপতি ফুকনৰ ভায়েক আৰু বদনচন্দ্ৰ বৰফুকনৰ দদায়েক শ্ৰীনাথ বৰবৰুৱাই ১৭২৫ শকৰ ফাগুনত বা ১৮০৪ খৃষ্টাব্দত তুংখুঙ্গীয়া বংশৰ এখন গদ্য-বুৰঞ্জী সংকলন কৰিছিল। কিন্তু সেই বুৰঞ্জীত তুংখুঙ্গীয়া ৰজাসকলৰ ভিতৰত ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনৰে পৰা কমলেশ্বৰ সিংহ স্বৰ্গদেৱৰ ৰাজত্বৰ দহ বছৰলৈকে অৰ্থাৎ ১৭৫১ খৃষ্টাব্দৰ পৰা ১৮০৬ খৃষ্টাব্দলৈকেহে মাথোন নিয়মীয়া বুৰঞ্জী পোৱা যায়। দুতিৰামৰ বুৰঞ্জীত কিন্তু তুংখুঙ্গীয়া বংশৰ কোঁৱৰৰ সিংহাসন প্ৰাপ্তি আৰু সেই বংশৰ ৰাজত্বৰ সামৰণিলৈকে সকলো কথা পোৱা যায়, ১৬৮১-১৮২৬ খৃষ্টাব্দ। তাৰ ওপৰিও আগৰ আৰু পাচৰ বছৰ চেৰেকৰ কাহিনী দুতিৰামৰ বুৰঞ্জীত লিপিবদ্ধ আছে। যিসকলে তুংখুঙ্গীয়া বংশৰ উত্থান পতনৰ বিশদ্ বৃত্তান্ত জানিব খোজে তেওঁলোকে শ্ৰীনাথ বৰবৰুৱাৰ বুৰঞ্জীৰ পৰিশিষ্টৰূপে দুতিৰামৰ বুৰঞ্জী পঢ়াতো বাঞ্ছনীয়। এই খিনিতে উল্লেখ কৰিবলগীয়া কথা এইটো যে শ্ৰীনাথ বৰবৰুৱাৰ বুৰঞ্জী ১৮০৬ খৃষ্টাব্দ বা ১৭২৭ শকত সামৰণি মাৰিছে, সেই শকতে কালক্ৰমে দুতিৰাম হাজৰিকাৰ জন্ম। দুৰৰা বৰবৰুৱাৰ বুৰঞ্জী-গ্ৰন্থ সমাপ্ত কৰিবলৈহে যেন দুতিৰাম হাজৰিকাই এই একে শকতে জন্মগ্ৰহণ কৰিছিল। মোকৰ্দ্দমাৰ ইষ্টাম্বৰ তুলাপাত, দুপয়চীয়া ডাক-টিকট, টকাৰ সলনি কাৰেঞ্চী নোট, চাহ বাগিচা আদিৰ প্ৰচলনৰ আৰম্ভণিলৈকে অসমৰ বুৰঞ্জী আগ বঢ়াই থৈ এটি নতুন যুগৰ অৱতাৰণা কৰি কবিয়ে ৰাইজৰ পৰা বিদায় লৈছে। মহাৰাণী ভিক্টোৰীয়া এই নতুন যুগৰ প্ৰাণ-প্ৰতিষ্ঠাত্ৰী, মহাৰাণীৰ মৃত্যুৰ লগে লগে দুতিৰামৰ মৃত্যু, ইয়ো লক্ষ্য কৰিবলগীয়া।

দুতিৰামৰ বুৰঞ্জীৰ ঠাঁচ অসমীয়া। তেওঁৰ ভাষা, বচন-ভঙ্গী আৰু উপমা



আদিও অসমীয়া। আগৰ তৰপৰ মানুহে ব্যৱহাৰ কৰা বহুত খাঁচ-অসমীয়া শব্দ আৰু বচন-ভঙ্গী দুতিৰামৰ পুথিত পোৱা যায়, যথা,—নিহল, নেগুৰকটা বাঘ, স্বামীৰ নেওচনি, এহেৰ-তেহেৰ, ঠেহেৰ-ঠেহেৰ, বাঘৰ মুখ ছাগে চেলেকে, পিতৃৰ দাহন, গৰ্ভ যায় গেলি, ভোজনৰ অৰ্থত মেল, আবলথ, ডিঙ্গৰা, ইত্যাদি। এনেকি মান আৰু দোৱনীয়াই ব্যৱহাৰ কৰা এফাকি-দুফাকি কথাও দুতিৰামে পুথিত সন্নিবিষ্ট কৰিছে, যথা,—বেং, মিমা, ফেয়া, খেমিয়া, কাওঁ-বাওঁ, চাওপাক, মেগলৌ, ইত্যাদি। কোম্পানিৰ আমোলত অসমৰ শাসন-প্ৰণালী লৰচৰ হোৱাত আইন-আদালত সম্পৰ্কীয় যিবোৰ শব্দ ব্যৱহৃত হৈছিল দুতিৰামে সেইবোৰ শব্দ সন্নিবিষ্ট কৰি ইংৰেজ মাজিষ্ট্ৰেটৰ কেছাৰী ঘৰৰ নানান কাৰ্য্যাৱলী বৰ্ণাই এটি অধ্যায় ৰচনা কৰিছে, যথা,—ডবল, টিচ্‌মিচ্‌, গৰহাজিৰ, জৰিমনা, ডিকিৰি, ইষ্টাম্প্‌, টিকিট, লোট, চমন, ফস্থলা-নবিস্, আৰ্জি, মহৰী, পিয়াদা ইত্যাদি।

এই গ্ৰন্থত বহুত ঘটনা আৰু বহুত মানুহৰ নাম লিপিবদ্ধ হৈছে। সেইবোৰ ঘটনা অন্য বুৰঞ্জীৰ লগত প্ৰায় ভাগেই মিল। অন্য বুৰঞ্জীত নোহোৱা কথাও ইয়াত বহুত আছে। সেই দেখি বুৰঞ্জীৰ উপাদান স্বৰূপে দুতিৰামৰ গ্ৰন্থৰ মূল্য বৰ বেচি। কিন্তু ইশাৰিৰ লগত সিশাৰি মিলাওঁতে কবিয়ে ভাল শব্দ প্ৰয়োগ কৰিব পৰা নাই। মানুহৰ নাম আৰু ঠাইৰ নাম ঘনাই-ঘনাই ব্যৱহাৰ কৰিব লগাত, আৰু সেই শ্ৰেণীৰ শব্দ পদ্য-শাৰিত অন্তৰ্গত কৰোঁতে যতিপতন হোৱাত ঠায়ে ঠায়ে কোনো কোনো শাৰি শ্ৰুতিকঠোৰ হৈছে। 'বৰফুকন', 'বৰবৰুৱা', 'বুঢ়াগোহাঁই', 'বৰগোহাঁই', ইত্যাদি পাঁচ আখৰীয়া শব্দক যতিপতন নঘটোৱাকৈ পদ্যৰ শাৰিত সুমুৱাতো বাস্তবিকে টান কাম। সেই দেখি উপায় নেপাই কবিয়ে এইবোৰ শব্দক চাৰি-আখৰীয়া কৰিবলৈ মাজে মাজে বাধ্য হৈছে, যথা,—বৰ্ফুকন, বৰ্বৰুৱা, বৰ্গোহাঁই আৰু বুঢ়াগোঁই। গ্ৰন্থকাৰে যে অজস্ৰ মানুহ আৰু ঠাইৰ নাম পদ্যত সুমুৱাব পাৰিছে সেই বাবে তেওঁৰ কৃতিত্ব শলাগিব লগীয়া। কাব্য হিচাবে এই গ্ৰন্থ একেবাৰে ওপৰ খাপৰ নহলেও পদ্যৰ সংযোগে ইয়াত বহুমূলীয়া বুৰঞ্জীৰ সম্বল আছে বুলি এই গ্ৰন্থ অসমীয়া সাহিত্যৰ এটি অমূল্য সম্পত্তি। বুৰঞ্জীবিদ্ বহুত পণ্ডিতে স্বীকাৰ কৰিছে যে যিজনে পোনপ্ৰথমে বুৰঞ্জীৰ কেঁচা সজুঁলি লিৰিকি-বিদাৰি গ্ৰন্থ ৰচনা কৰে তেওঁ ঘটনাৱলীৰ শৃঙ্খলাবদ্ধ আৰু ধাৰাবাহিক

বিবৰণ দিঁয়া কাৰ্য্যত বিশেষকৈ চকু দিব লগাত ভাষাৰ ফালে তেওঁ ইমান মন দিব নোৱাৰে। তেওঁৰ পিচত লিখোঁতাসকলে বিনঁ-পৰিশ্ৰমে পৰিপাটীৰূপে সজোৱা ঘটনাৱলী হাতত পাই তাত ভাব আৰু ভাষাৰ কাৰিকৰি দেখুৱাব পাৰে।

দুতিৰামৰ উপমাৰ সৰ্জুলিবোৰ একেবাৰে ঘৰুৱা ঠাঁচৰ। গদাধৰ সিংহই লৰাৰজাক মাৰিবলৈ আজ্ঞা দিয়াত চাওডাঙ্গে পাটৰ টঙ্গালি লৰাৰজাৰ ডিঙ্গিত লগাই দুফালে দুজনে টানি টেঁটু চেপি ধৰিছিল,—

মৰাইলা যিমতে তাক নভৈলেক দায়া।
পাট যে সূত্ৰৰ আছে টঙ্গালি বুলিয়া॥
ধৰিলেক লৰাৰাজ তাৰ জ্ঞান নাই।
লগায়া টঙ্গালি গলে দুজনে টানয়া
যেন কোনো গিৰি টেকেলিত দুগ্ধ ভৰি।
ডিঙ্গিত লগায়া বান্ধে টমালৰ জৰী॥—৩১ পিঠি

পোন্ধৰ বছৰ ৰাজত্ব কৰাৰ পাচত কমলেশ্বৰ সিংহ স্বৰ্গদেৱৰ ডেকা বয়সতে মৃত্যু ঘটে। কবিয়ে কয়,—

দেখা দেখা কেনে ইটো কালৰ মহত।
চিৰকালে কোনে ভুঞ্জিবেক পৃথিবীত॥
বহুদিন ভুঞ্জিবাৰ আছিলেক মন।
নভৈল্য বয়স বৃদ্ধ আছিল তৰুণ॥
কালৰ আগত কিবা চাৱে বুঢ়া ডেকা।
কেচা ফল সৰি যায় ডালে ৰহে পকা॥—১২৫ পিঠি।

বদনচন্দ্ৰৰ হত্যা আৰু চন্দ্ৰকান্ত সিংহৰ সিংহাসন-চ্যুতিৰ পাচত জন্মি আৰু পিয়লিয়ে মান ৰজাৰ ওচৰলৈ গৈ অসমলৈ দ্বিতীয়বাৰ মান লৈ আহে। সেই মানে সাতোটা পৰ্ব্বত জুৰি ভৈয়ামলৈ নামিব ধৰিছিল,—

টকালি পাৰয় মানে মগুৰ জালত।
লেঙ্গলৌ পৰুৱা যেন আসে সেহিমত॥—১৫৪ পিঠি।

কবিয়ে নিজৰ বংশ-পৰিচয় দিয়াৰ পাচত দুখ কৰি কৈছে যে সংসাৰচক্ৰত বন্দী হৈ হৰি-চিন্তা কৰিবলৈ সুবিধা পোৱা নাই,—



পুত্ৰ-ভাৰ্য্যা ধনতেসে সদা আশা কৰি।
মায়া পাশে বন্দী হয়া আছোঁ আমি পৰি॥
বালকসকলে যেন থেকেৰু পাতিয়া।
কণ্টকে বিন্ধিয়া দিয়া আসে উই-পৰুৱা॥
ক্ষুদ্ৰ চটক ফুৰে ডালে ডালে পৰি।
দেখে এক ডালে আছে উই-পৰুৱা ঘূৰি॥
ফান্দক নচাৱে পক্ষী আহাৰ লোভত।
পৰুৱাক খাওঁ বুলি পৰে সি ডালত॥
নপাৱে খাইবাক ডাল খসিয়া পৰয়।
থেকেৰু উপৰি ফান্দ ঠেঙ্গত লাগয়॥
এৰাইতে নপাৰে থাকে চিউ চিউ কৰি।
সেহিমতে বন্দী হুয়া আছোঁ আমি পৰি॥
তথাপি কৃষ্ণৰ পাৱে নকৰোঁ ভকতি।
মই মহাপাপী আতি পৰম দুৰ্ম্মতি॥—১৮৬ পিঠি।

ঠায়ে ঠায়ে কবিয়ে এফাকি সংক্ষেপ পদেৰে ব্যাপক অৰ্থ সংকেত কৰিছে। লৰাৰজাই গদাপাণিক বিচাৰি নাপাই আক্ষেপ কৰি কৈছে,—

নিবিচাৰি থকা হলে আছিলেক ভাল।
বিচাৰি নপাইতে বহু মিলিল জঞ্জাল॥—৯ পিঠি।

জয়মতীয়ে শাস্তি ভুঞ্জা ঠাইত স্বামী গদাপাণিক দেখি ঠাৰে-ছিঁয়াৰে কৈছে,

কৈৰ কোন লোক আসে এহেৰ-তেহেৰ।
সিয়ো মোত কথা কহে ঠেহেৰ ঠেহেৰ॥—১৫ পিঠি।

বন্দৰ বৰফুকনে গদাপাণিক ৰজা পাতিবলৈ মন কৰিছে। মনত কিন্তু বৰফুকনৰ ভয় কিজানি ৰজা হৈ গদাপাণিয়ে তেওঁক নষ্ট কৰে,—

ছাগৰ বাঘৰ কিবা আছয় ধেমালি।
বিৰালৰ আগে মুষকৰকুমিমালি॥—২৪ পিঠি।

কলীয়াবৰত গদাপাণিক ৰজা পাতি ভিনীহিয়েক বন্দৰ বৰফুকনে উজনিলৈ নাৱেৰে যাওঁতে দক্ষিণপাট গোসাঁই প্ৰভুয়ে লৰাৰজাক ভাঙ্গিবলৈ বাধা দি কলে,—

লৰাৰজা নাম মাত্ৰ আহে ৰাজা হুই।
সৰ্ব্বলোকে আমাকেসে ৰাজা বুলি কয়॥—২৮ পিঠি।

দক্ষিণপাটৰ শিষ্য বন্দৰ বৰফুকনে গুৰুৰ বাধা মানি চলিবলৈ মান্তি নোহোৱাত গোসাঁই প্ৰভুয়ে কলে,—

মই গুৰু তই শিষ্য হব আমাসাৰ।
তথাপিতো হেন বাক্য বোল দুৰাচাৰ॥—২৯ পিঠি।

গদাধৰ সিংহ ৰজা হৈ ভবিষ্যত চক্ৰান্তৰ বীজ নষ্ট কৰিবলৈ ভিনীহিয়েক আৰু তেওঁ ৰাজসিংহাসনত বহাত মুখ্য সহায়কাৰী বন্দৰ বৰফুকনক ভঙ্গাত কৰিয়ে কৈছে,—

উপকাৰ কৰে তভো অপকাৰ হয়।
আসামৰ কথা কোনে বুজিবে পাৰয়॥—৩৪ পিঠি।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে নিজ দেশী গুৰুৰ শৰণ ললে সেৱা কৰিব লাগে বুলি বিদেশৰ পৰা গুৰু আনিবলৈ দূত পাঠালে,—

মোহৰ ৰাজত গুৰু আছয় অনেক।
কেনমতে মই সেৱা কৰিবোঁহো তাঙ্ক॥
মই মহাৰাজা মোহোৰেসে সব তল।
বিদেশৰ পৰা গুৰু আনিলেসে ভাল।—৫১ পিঠি।

গদাধৰ সিংহই মঞ্চুৰ-খাঁক পৰাস্ত কৰি গুৱাহাটীৰ পৰা মানাহালৈকে এই গোটেই কামৰূপ ৰাজ্য পুনৰ আহোমৰ ছত্ৰৰ অধীনলৈ আনিলে। ৰুদ্ৰসিংহই মানাহা চেৰাই গঙ্গালৈকে নিজ ৰাজ্যৰ সীমা বঢ়াবলৈ আয়োজন কৰিলে,—

মানাহাকে সীমা কৰিলেক পিতৃ ছলে।
মই গঙ্গা সীমা কৰিবোঁহো বাহুবলে॥—৫২ পিঠি।

শিৱসিংহ মহাৰাজাই সিংহাসন এৰি দিয়াত ফুলেশ্বৰী দেৱীয়ে "বৰৰজা" নাম লৈ ৰাজ্যভাৰ চলোৱাত ৰজা আৰু ৰাণীৰ গুৰু শাক্ত পৰ্ব্বতীয়া গোসাঁয়ে পতা দুৰ্গোৎসৱত শূদ্ৰ বৈষ্ণৱ মহন্তসকলে যোগদান কৰিবলৈ অনিচ্ছুক হোৱাত ৰাণীয়ে কৈছিল,—

বৰৰজা বোলে মোৰ গুৰু কৰে সেৱা।
শূদ্ৰ-মহন্তক লাগি কেনে ভৈলা বেয়া॥—৬৬ পিঠি।

শিৱসিংহৰ শেষ কুঁৱৰী সৰ্ব্বেশ্বৰীক ৰজাই তেওঁৰ মনোনীত উত্তৰাধিকাৰী প্ৰমত্ত সিংহক ৰাজ্য-সমন্বিতে দান কৰিলে। কবিয়ে কয়,—



আনৰ ভাৰ্য্যাক আন জনে কৰে জায়া।
অন্যৰ ধনক অন্যে খায়য় বসিয়া॥—৭০ পিঠি।

মোৱামৰীয়া মহন্তই শিষ্যসকলক একে লগ কৰি ৰজাৰ বিৰুদ্ধে দ্ৰোহ আচৰিবলৈ উমঘাম কৰাত স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহই উক্ত মহন্তৰ সমকক্ষ দিহিঙ্গৰ মহন্ত চিকণ গোসাঁইৰে মিত্ৰতা কৰিবৰ মনেৰে তেখেতক মাতি আনি চাৰি সত্ৰৰ বান্ধনীৰ বিষয়ে কৈছে,—

চাৰিসত্ৰ নাম ধৰে একডাল গুৰি।
তিনিৰ সংযোগে' আসি হোৱে অধিকাৰী॥—৮২ পিঠি।

নাহৰখোৰা আৰু ৰাঘ মৰাণে লক্ষ্মীসিংহক খেদাই ৰংপুৰ অধিকাৰ কৰিলে। লক্ষ্মীসিংহৰ ৰাজমহিষী কুৰঙ্গনয়নীক মৰাণৰ ৰজা ৰমাকান্তই পত্নী গ্ৰহণ কৰিলে। কুঁৱৰীয়ে ডাঙ্গৰীয়া ফুকন আদিৰে মন্ত্ৰণা কৰি বহাগৰ বিহুৰ দিনা হুচৰি গোৱাত ৰমাকান্তক কাটিলে। তাৰ ফলে লক্ষ্মীসিংহ স্বৰ্গদেৱে পুনৰ ৰাজ্য লাভ কৰিলে। মৰাণে নিজা ঠাই কাকতললৈ উভতি গ'ল,—

আপুনাৰ কাক যে তলত ভিৰি চায়।
মগলিনী হন্তে লক্ষ্মীসিংহ ৰাজ পায়॥—৯৪ পিঠি।

মান সৈন্য লৈ বদনচন্দ্ৰ যোৰহাট পালেহি। ৰুচিনাথ বুঢ়াগোহাঁই পলাই গুৱাহাটীলৈ গ'ল। চন্দ্ৰকান্ত সিংহই মানেৰে মিত্ৰতা কৰি বদনচন্দ্ৰক ৰাজ্যৰ গুৰিয়াল পাতি মন্ত্ৰী-ফুকন খিতাপ দি কলে,—

যেহিমতে বুঢ়াগোহাঁই সেহিৰূপে তুমি।
ৰাজ্য প্ৰতিপাল কৰি থাকোঁ তুমি আমি॥—১৩৯ পিঠি।

পুৰন্দৰ সিংহই চন্দ্ৰকান্তক সিংহাসনচ্যুত কৰিলে। মানে আহি পুনৰ চন্দ্ৰকান্তক ৰাজ্য দিলে। তাৰ কিছু দিনৰ পাচত তৃতীয়বাৰ মান আহি জয়পুৰৰ কোঁঠৰ অধিকাৰী পটালঙ্গ বৰবৰুৱাক মাৰি মান ৰজাৰ পৰা চন্দ্ৰকান্তলৈ বস্ত্ৰ-অলঙ্কাৰ আনিছোঁ বুলি ৰাজধানীৰ ফালে যাত্ৰা কৰিলে। চন্দ্ৰকান্তই মান অমিলৰূপে আহিছে বুলি গুৱাহাটীলৈ পলাই গ'ল। মানৰ কটকীয়ে চন্দ্ৰকান্তক উজনিলৈ মিত্ৰভাৱে মাতি পাঠিয়ালে। চন্দ্ৰকান্তই কলে,—

নযাইবোঁ নযাইবোঁ নিপিন্ধিবোঁ অলঙ্কাৰ।
ম্লেচ্ছৰ কথাক কোনে বুজিবেক আৰ॥—১৬৬ পিঠি।

দুতিৰামৰ বুৰঞ্জীত যিবোৰ কাহিনী বৰ্ণোৱা হৈছে তাৰ ভিতৰত আমি গোটাচেৰেক উল্লেখযোগ্য বুলি আঙুলিয়াই দিলো,—গদাপাণিৰ পলায়ন আৰু সতী জয়মতীৰ দেহ-ত্যাগ, ১-১৬ পিঠি ; গদাপাণিৰ ভোজন-বিলাস, ৩৪-৩৮ পিঠি ; রুদ্রসিংহৰ দিগ্বিজয় যাত্রা আৰু অন্তিমবাণী, ৫২-৫৮ পিঠি ; বৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ বৈষ্ণৱ মহন্ত নির্য্যাতন আৰু প্রসব, ৬৬-৬৮ পিঠি ; ৰাজেশ্বৰ-সিংহৰ মগলো-জীয়াৰী কুৰঙ্গনয়নী পত্নীলাভ, ৭৫-৭৮ পিঠি ; কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ বুৰঞ্জী দাহ, ৭৮-৭৯ পিঠি ; মোৱামৰা মহন্তৰ শিষ্য সকলে খুঁটিয়াপোটাত সম্মিলন, আৰু ৰাজেশ্বৰ সিংহৰ দিহিঙ্গ গোসাঁইৰে মিত্রতা, ৮০-৮৭ পিঠি ; কুৰঙ্গনয়নীৰ মন্ত্ৰণাত মৰাণৰ হাতৰ পৰা ৰংপুৰ উদ্ধাৰ, ৯২-৯৪ পিঠি ; গৌৰীনাথ সিংহৰ দিনত মৰাণৰ পুনৰ ৰংপুৰ অধিকাৰ, মৰাণৰ ৰজা ভৰথিৰ আৰু সৰ্ব্বানন্দৰ দিনত ৰজাৰ বিলৈ, ১০৩-১০৮ পিঠি ; বদনচন্দ্ৰ বৰফুকনৰ প্ৰস্তাৱত অসমলৈ কেপ্‌টেইন ওৱেল্‌চৰ আগমন, ১০৯-১১৩ পিঠি ; পানীমুৱাৰ খবৰ, ১২২-১২৭ পিঠি ; সতৰামৰ ষড়যন্ত্ৰ, ১২৭-১৩২ পিঠি ; বদনচন্দ্ৰৰ জৰিয়তে অসমলৈ মানৰ আগমন, ১৩২-১৪০ পিঠি ; বদনচন্দ্ৰৰ হত্যা, ১৪২ পিঠি ; পুৰন্দৰ সিংহৰ ৰাজ্য অধিকাৰ আৰু চন্দ্ৰকান্তৰ অঙ্গক্ষত, ১৪৩-১৪৯ পিঠি ; মানৰ দ্বিতীয় আক্ৰমণ, ৰাজনীতি আৰু সাজপাৰ, ১৫২-১৫৫ পিঠি ; ফুলপানী-চিগাত অসমৰ পৰাজয়, ১৫৮-১৬০ পিঠি ; জয়পুৰত পতলঙ্গ বৰবৰুৱাৰ হত্যা, ১৬৩-১৬৬ পিঠি ; মহগড়ৰ ৰণত চন্দ্ৰকান্তৰ পৰাজয়, ১৬৮-১৬৯ পিঠি ; মানৰ অত্যাচাৰ, ১৭২-১৮০ পিঠি ; গ্ৰন্থকাৰ আত্মপৰিচয়, ১৮৩-১৮৬ পিঠি ; বৃটিশৰ আমোলত কলেক্টৰী, ফৌজদাৰী আৰু দেৱানী মোতালেকৰ বৰ্ণনা, ২০৫-২০৯ পিঠি ; মণিৰাম দেৱানৰ ফাচি, ২১০-২১২ পিঠি।

## ২। বিশ্বেশ্বৰ বৈদ্যাধিপৰ বুৰঞ্জী

কবি বিশ্বেশ্বৰৰ সাঁচিপতীয়া বুৰঞ্জী পুথিখন আধৰুৱা অৱস্থাতে পোৱা গৈছে। তাৰ প্ৰথম কেটামান পাত নাই, শেষৰ ফালেও যে আৰু কিছু পাত আছিল তাক থিৰাংকৈ অনুমান কৰিব পাৰি। থকা পাতকিটাৰো ভালেমান ঠাইত পোকে খাই নষ্ট কৰিছে। তাৰ ফলত বহুত শব্দ আৰু বাক্য নষ্ট বা পঢ়িব নোৱাৰাত পৰিছে। বুৰঞ্জীৰ ধাৰাবাহিকতা ৰক্ষা কৰিবৰ কাৰণে আৰু যিখিনি আছে তাকে যেন পাঠকে নিৰ্বিঘ্নে উপভোগ কৰিব পাৰে তাৰ নিমিত্তে আমি নষ্ট হোৱা শব্দ আৰু বাক্যবোৰ নিজে লিখি পূৰাই দিছোঁ। কিন্তু সেইবোৰ আমাৰ লিখাহে বিশ্বেশ্বৰৰ লিখা নহয়, তাকে দেখুৱাবলৈ উৰ্দ্ধকমাৰ ভিতৰত থোৱা হৈছে। হাউলি পৰা কলৰ থোকা ৰক্ষা কৰিবলৈ ঢোকা দিব লগাত পৰে ; সেই দেখি আমি বাধ্য হৈ পাদপূৰণ কাৰ্য্য কৰিব লগাত পৰিছোঁ।

বিশ্বেশ্বৰৰ বিষয়ে দুয়াষাৰমান কথা তেওঁৰ পুথিত থকা ভণিতাৰ পৰা জানিব পাৰি। তেওঁ দৈৱজ্ঞ কুলৰ মানুহ আছিল, আৰু তেওঁ বৈদ্য-বৰুৱাৰ নাতি আছিল। স্বৰ্গদেৱৰ আজ্ঞামতে তেওঁ এই পুথি ৰচনা কৰে। তেওঁৰ বিষয়-বাব নথকাত স্বৰ্গদেৱে তেওঁক বৈদ্যাধিপ পাতিলে। তেওঁ গাভৰুমেলীয়া ৰামেশ্বৰ দ্বিজক শ্ৰোতাৰূপে এই বুৰঞ্জীৰ আখ্যানবোৰ কৈছিল। বিশ্বেশ্বৰৰ আন নাম বিকাৰাম আছিল। তেওঁ এবাৰ নিজকে বৈদ্য-বৰুৱাও বুলি কৈছে।—

সূৰ্য্যবিপ্ৰ কুলে জাত।
বিশ্বেশ্বৰ নামে খ্যাত॥
তেহেঁ পদ বিৰচিল।
স্বৰ্গদেৱে আজ্ঞা দিল॥
বৈদ্য-বৰুৱাৰ নাতি।
পৰম অজ্ঞানী আতি॥
নথাটিয়া আছিলেক।
বৈদ্যাধিপ পাতিলেক॥—২১৭-২১৮ পিঠি।

গাভৰুমেলীয়া বোলে শুনা দ্বিজবৰ।
মান ৰাজা ভৈল আসি কাহাৰ বংশৰ ॥
বৈদ্যাধিপ বদতি শুনিয়ো দ্বিজবৰ।
যি কথা কহিলা আবে কহোঁ সাবোত্তৰ ॥—২৩৩ পিঠি।

বৈদ্যাধিপ বদতি শুনিয়ো দ্বিজবৰ।
যেন কথা ভৈল পাচে তাত অনন্তৰ ॥—২৩৫ পিঠি।

ৰামেশ্বৰে বোলে শুনিয়োক বিশ্বেশ্বৰ।
মমাই বৰুৱা আইল কাহাৰ বংশৰ ॥
বৈদ্য-বৰুৱায়ে বোলে শুনা ৰামেশ্বৰ।
মমাই বৰুৱাৰ কথা শুনা আতপৰ ॥—২৫৭ পিঠি।

দ্বিজ বিকাৰামে ভণে তেজ আনকাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম ॥—২৬৬ পিঠি।

এই পুথিৰ প্ৰথম ঘটনা হৈছে গৌৰীনাথ সিংহৰ গুৱাহাটীত নিবাস খৃঃ ১৭৮৮-১৭৯২ ; আৰু শেষ ঘটনা হৈছে খাগৰিজান বা বৰ্ত্তমান নগাওঁ চহৰৰ দক্ষিণত মান সৈন্যৰে সৈতে যুদ্ধত গগৈ-বৰফুকন সেনাপতিৰ পৰাজয় আৰু মৃত্যু, ১৮১৯ খৃষ্টাব্দৰ মাৰ্চ্চ-এপ্ৰিল। তাৰ পাচৰ ঘটনাবলীও হয়তো পুথিত আছিল, শেহৰ পাত নষ্ট হোৱাৰ বাবে তাক সঠিককৈ জানিব নোৱাৰি।

কবি বিশ্বেশ্বৰ সূৰ্য্যবিপ্ৰ কোন? বৈদ্যাধিপ উপাধিটো প্ৰকৃততে কি? বিশ্বেশ্বৰে নিজক আকৌ বৈদ্যবৰুৱা বুলিছে কিয়? ৰামেশ্বৰ দ্বিজ গাভৰুমেলীয়া কোন? বিশ্বেশ্বৰক বুৰঞ্জী লিখিবলৈ আদেশ দিয়া আৰু বৈদ্যাধিপ পতা স্বৰ্গদেৱ গৰাকী কোন?

এই বিষয়ে পাঠকসকলৰ কোনোবাই অনুসন্ধান কৰি আচল সত্য উলিয়াব বুলি ভাৰসা কৰিলোঁ। আমি মাথোঁ অনুমানৰ ওপৰত কওঁ।—স্বৰ্গীয় দীননাথ বেজবৰুৱা ডাঙৰীয়া আৰু তেখেতৰ পূৰ্ব্বপুৰুষসকল ৰজাঘৰৰ ব্ৰাহ্মণ বেজবৰুৱা আছিল। সেইদৰে এপৰিয়াল দৈৱজ্ঞ বেজবৰুৱাও থকা শুনা গৈছে। উত্তৰ গুৱাহাটীৰ শ্ৰীযুত মুকুন্দৰাম বেজবৰুৱা আৰু নাজিৰাৰ শ্ৰীযুত হেমানন্দ বেজবৰুৱা দৈৱজ্ঞ কুলৰ মানুহ। বৈদ্যাধিপ আৰু বৈদ্যবৰুৱা এই দুয়ো উপাধি ব্যৱহাৰ কৰাৰ পৰা আৰু 'বৈদ্যবৰুৱা' শব্দটো 'বেজবৰুৱা' শব্দৰ ৰূপান্তৰ স্বৰূপে প্ৰচলনৰ পৰা ঠাৱৰাব পাৰি যে কবি বিশ্বেশ্বৰ বেজবৰুৱা খিতাপধাৰী আছিল। ৰজাৰ চ'ৰাত দৈৱজ্ঞসকলৰ



HOOKAN COLLEGE

প্ৰতিপত্তি আছিল আৰু তেওঁলোকৰ মাজত অনেক কৃতবিদ্য পণ্ডিত ওলাইছিল। ৰজাৰ ভিতৰুৱাল বিষয়া মজিন্দাৰ বৰুৱাৰ বাবটো বহু যুগ ধৰি দৈৱজ্ঞ সোণামুৱা পৰিয়ালৰ মানুহে ভোগ কৰিছিল। সূৰ্য্যখৰি দৈৱজ্ঞই "দৰংৰাজ বংশাৱলী" লিখি থৈ গৈছে। কমলেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত শ্ৰীকান্ত সূৰ্য্যবিপ্ৰই 'লঙ্কাকাণ্ড ৰামায়ণ' অসমীয়ালৈ ভাঙিছিল। অসমত ইংৰাজৰ আমোলত সদৰামিন বাব পোৱা হৰকান্ত শৰ্ম্মা-বৰুৱাই গদ্য "অসমৰ বুৰঞ্জী" সংকলন কৰিছিল।

ৰামেশ্বৰ দ্বিজ গাভৰুমেলীয়া আমাৰ অনুমানে মণিৰাম দেৱানৰ লগত ফাঁচী যোৱা মহেশ্বৰ বা পিয়ালী গাভৰুমেলীয়া বৰুৱাৰ বংশৰে কোনোবা হব পায়। দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ পৰিয়ালৰ এটা ঠালৰ জুৰাই নামে এজনে গাভৰুমেলীয়া বৰুৱাৰ বাব পাইছিল। তেওঁক গাভৰুমেলৰ বেজবৰুৱাও বুলিছিল। তেওঁ মহেশ্বৰ বৰুৱাৰ পিতৃদেৱ। তেতিয়াৰ পৰা আমি জনাত গাভৰুমেলীয়া বৰুৱাৰ ঘৰ বুলিলে জুৰাই বৰুৱাৰ সন্ততিসকলক বুজাইছিল। এওঁলোকৰ বৈদ্যবিদ্যা ব্যৱসায় নহলেও পুৰুষপৰম্পৰায়ে সেই শাস্ত্ৰত ব্যুৎপত্তি পৰিয়ালৰ মাজত প্ৰচলিত আছিল। ৰামেশ্বৰো বোধকৰোঁ এজন বৈদ্যবিদ্যা জনা মানুহ আছিল। সেই সূত্ৰে বিশ্বেশ্বৰ বৈদ্যাধিপৰ লগত তেওঁৰ বন্ধুত্ব স্থাপন হোৱাৰ সম্ভাবনা।

বিশ্বেশ্বৰৰ পৃষ্টপোষক স্বৰ্গদেৱ গৰাকী আমাৰ অনুমানে পুৰন্দৰ সিংহ মহাৰাজ। কবিৰ সমসাময়িক তিনিজনা স্বৰ্গদেৱ আছিল,—চন্দ্ৰকান্তসিংহ, পুৰন্দৰ সিংহ আৰু যোগেশ্বৰ সিংহ। মান-ভগনৰ পাচত চন্দ্ৰকান্ত সিংহ ইঠাইৰ পৰা সিঠাইলৈ দলাৰ বগৰিৰদৰে বাগৰি ফুৰিছিল। শদিয়াৰ পৰা মানাহা এই ৰাজ্যখণ্ডৰ একালৰ মহীপতি চন্দ্ৰকান্ত সিংহই মানৰ আক্ৰমণত জুৰুলা হৈ অৱশেহত পাঁচ-শ টকীয়া পেঞ্চনভোগী হোৱাত তেওঁৰ মনৰ স্থিৰতা নোহোৱাত পৰিছিল। ১৮২২ চনৰ জুন মাহত তেওঁ মানৰ হাতত মহগড়ৰ ৰণত পৰাস্ত হৈ ভটীয়াই গৈ পৰদেশত সোমাল, তেতিয়াৰে পৰা তেওঁৰ ৰাজক্ষমতাৰ ভিকাছন ভাগিল। ইয়াণ্ডাবু সন্ধিৰ পাচত গুৱাহাটীলৈ আহি হেৰোৱা ৰাজ্য কেনেকৈ পাওঁ তাৰ হন্তে নিজে কলিকতালৈ গৈ গবৰ্ণৰ-জেনেৰেলক আৰ্জ্জি দৰখাস্ত দি বিফল মনোৰথ হৈ ১৮৩৯ খৃষ্টাব্দত ইহলীলা সম্বৰণ কৰে। তেওঁ যে এই কালত কোনোবা কবিৰ হতুৱাই বুৰঞ্জী লিখাব

সেইটো বিশ্বাস কৰিব নোৱাৰি। তাৰ উপৰিও বিষয়-বাব নেথাটি থকা বিশ্বেশ্বৰক বৈদ্যাধিপ পাতিবৰ কাৰণে তেওঁৰ ৰাজক্ষমতাও নাছিল।

যোগেশ্বৰ সিংহ মানৰ পুতলা-ৰজাই যে কেতিয়াবা এনে কাম কৰিছিল আমি তাৰ প্ৰমাণ পোৱা নাই। যোগেশ্বৰ সিংহ অসমৰ বেলিমাৰৰ থেকেৰা টেঙ্গা,—ৰাতিতে ফুলিল, ৰাতিতে সৰিল। যোগেশ্বৰ লোকদৰ্শক ৰাজক্ষমতা পোৱাৰ কিছু দিনৰ আগৰ ঘটনা এই বুৰঞ্জীত আছে, হয়টো নষ্ট হোৱা শেহৰ পাতকেইটাত মানে তেওঁক ৰজা পতাৰ কথাও আছিল। ১৮২১ খৃষ্টাব্দৰ ২৭ নভেম্বৰত মানে তেওঁক ৰজা পাতে, ১৮২৫ চনৰ ২ জানুৱাৰীত ডেভিড স্কট্ চাহাবে মানক খেদাই যোগেশ্বৰক ৰজা ভাঙ্গে। অসমীয়া প্ৰজাৰ এই মহাপ্ৰলয়ৰ কালত যোগেশ্বৰে কাব্য ৰচিবলৈ আজ্ঞা দিয়াও অসম্ভৱ আৰু কবিয়ে ৰচনা কৰাও অসম্ভৱ। বিশেষত পুথিৰ বৰ্ণিত ঘটনা তেতিয়া কাৰ্য্যত চলি থকাৰ নিচিনাই।

মান-ভগনৰ পাচত, ১৮৩৩ খৃষ্টাব্দৰ পৰা ১৮৩৮ খৃষ্টাব্দলৈকে পুৰন্দৰ সিংহ মহাৰাজে বৃটিচৰ কৰতলীয়াৰূপে উজনি আসাম শাসন কৰিছিল। ভগাদেশ আওতাবলৈ পুৰন্দৰ সিংহই সুস্থিৰভাৱে চেষ্টা কৰিছিল। জুকুলা হৈছিল বুলিও সেই কালত দেশ শান্তিময় আছিল। ইন্দ্ৰবংশী আহোমৰ ছ-শ বছৰীয়া ৰাজত্ব লোপ পাবলৈ উদ্যোগ কৰাত মহাৰাজ পুৰন্দৰ সিংহই দেশৰ বুৰঞ্জী তেওঁৰ দিনতে লিখি থৈ যাবলৈ চেষ্টা কৰিছিল। মহাৰাজাৰ আদেশত কাশীনাথ তামূলী ফুকনে অসম বুৰঞ্জী লিখিছিল,—

শাস্ত্ৰং শ্ৰীল পুৰন্দৰাখ্যনৃপতেৰাদেশত স্তন্মুদে।
তাম্বুলীফুকনদ্বিজো বিতনুতে দেশীয়ভাষান্বিতং॥

এইজনা মহাৰাজেই দুতিৰাম হাজৰিকাক পদ্যত অসম-বুৰঞ্জী লিখিবলৈ উদ্‌গনি দি পুতেক যুৱৰাজ কামেশ্বৰ সিংহৰ মুখে স্বৰ্গদেৱসকলৰ কাহিনী শুনাইছিল,—

ৰুদ্ৰসিংহ সুত ৰাজেশ্বৰ বংশে জাত।
পুৰন্দৰ মহাৰাজা জগততে খ্যাত॥
কামেশ্বৰ যুৱৰাজ তাহান নন্দন।
আছিলেক সিটো জন মহা গুণবান॥
পিতৃৰ আজ্ঞাতে মোত কহিলা কাহিনী।
এহি হেতু ইসব কথাক আছোঁ জানি॥—২ পিঠি।



পুৰন্দৰ সিংহৰ দৰে বিদ্যোৎসাহী আৰু বুৰঞ্জীপ্ৰিয় ৰজাই বিশ্বেশ্বৰকো যে বুৰঞ্জী লিখিবলৈ আদেশ দিব সেইটো সহজে বিশ্বাস কৰিব পাৰি।

এই পুথি লিখা হৈছিল কেতিয়া? পুৰন্দৰ সিংহ মহাৰাজ 'স্বৰ্গদেৱ' হৈ থকা কাল তিনিটা। প্ৰথম, যেতিয়া মানৰ পহিলা আক্ৰমণৰ পাচত ৰুচিনাথ বুঢ়াগোহাঁয়ে চন্দ্ৰকান্তক ৰজা ভাঙ্গি পুৰন্দৰক সিংহাসনত বহুৱায়, ১৮১৮ খৃষ্টাব্দ ২৩ ফেব্ৰুৱাৰীৰ পৰা। ১৮১৯ খৃষ্টাব্দৰ ৮ মাৰ্চ্চ, এই এবছৰ চৈধ্য দিন। প্ৰকৃত প্ৰস্তাৱে মুকুটধাৰী স্বতন্ত্ৰ আহোম নৃপতিকহে 'স্বৰ্গদেৱ' বোলা হৈছিল। এই স্বৰ্গদেৱ শব্দ ইংৰাজী "কিং" শব্দৰ সমকক্ষ। এই প্ৰথমবাৰ ৰাজ-ক্ষমতা পোৱাৰ সময়তহে পুৰন্দৰ সিংহক প্ৰকৃত স্বৰ্গদেৱ বুলিব পাৰি। দ্বিতীয়, ইংৰাজৰ লালবন্দী হৈ যেতিয়া তেওঁ জুনিয়ৰ খণ্ড বা উজনি আসামৰ কৰতলীয়া ৰজা হয়, ১৮৩৩ খৃষ্টাব্দৰ ১৪ এপ্ৰিলৰ পৰা ১৮৩৮ খৃষ্টাব্দৰ ১৫ চেপ্টেম্বৰলৈকে। এইখিনিতে তেওঁক প্ৰকৃততে স্বৰ্গদেৱ বুলিব নলগা, কিন্তু আগেয়ে এবাৰ স্বতন্তৰীয়া স্বাধীন ভাৱে ৰাজপাট খাইছিল, সেই দেখি মানুহে তেওঁক স্বৰ্গদেৱ বুলিছিল। তৃতীয়, যেতিয়া তেওঁ শাসন-ক্ষমতা বিহীন হৈ ইংৰাজৰ পেঞ্চন প্ৰত্যাখ্যান কৰি নিজৰ বাপতিসাহোন ভোগ কৰি মৃত্যুলৈকে যোৰহাটত থাকে, খৃঃ ১৮৩৮-১৮৪৬। আগৰ দিনত ৰজাৰ বাহিৰে পৰাক্ৰমী সম্ভ্ৰান্ত মানুহকো তলৰ তৰপৰ মানুহে সৰ্গদেৱ বা সৰ্কদেও বুলিছিল। গতিকে ইন্দ্ৰবংশী নৃপতিৰ শেষ অবতংস পুৰন্দৰ সিংহই ৰাজ্য হেৰুৱাৰ পাচতো তেওঁক যে মানুহে স্বৰ্গদেৱ বুলিব এইটো আচৰিত নহয়। আমাৰ বিশ্বাস তেওঁ উপৰোক্ত দ্বিতীয় অৱস্থাত অৰ্থাৎ ১৮৩৩-১৮৩৮ খৃষ্টাব্দৰ ভিতৰত বিশ্বেশ্বৰক বুৰঞ্জী লিখিবলৈ দি বৈদ্যাধিপ বাব দিছিল। ১৮৩৮ চনৰ পাচতো পুৰন্দৰ ৰজাই খাটিব নলগীয়া নামমাত্ৰ বাব দিয়াৰ কথা শুনা যায়। তেনেহলে পুথি লিখাৰ তাৰিখ ১৮৩৩ চনৰ পৰা ১৮৪৬ চনৰ ভিতৰতে ধাৰ্য্য কৰিব পাৰি।

বিশ্বেশ্বৰৰ গ্ৰন্থত বুৰঞ্জীৰ ঘটনা আৰু সেই ঘটনা প্ৰণোদিত ভাৱৰ বিচক্ষণ সমাবেশ দেখা যায়। ঘটনা হৈছে শুকান হাঁড়-ছাল, সেই ঘটনাৰ কথা উল্লেখ কৰোঁতে মনোৰাজ্যৰ মাজত যিবোৰ ভাৱৰ উদয় হয় সেয়ে হৈছে মঙ্গহ-ভেজ। এই দুয়োৰো সংযোগতহে কোনো ঘটনাৰ চিত্ৰই সতেজ জীৱন্ত আকাৰ ধাৰণ কৰে, আৰু তাৰ ফলত বুৰঞ্জীৰ আখ্যান সাহিত্যৰ শাৰীলৈ উন্নীত হয়। মূল ঘটনাক ভাৱৰ সহায়েৰে সীমাবদ্ধৰূপে ৰাঙ্গত ৰূপ চৰালে বুৰঞ্জীৰ সত্যৰ অপলাপ

নহয় ; সেই সত্যাই প্ৰকৃত মূৰ্ত্তি ধৰি আমাৰ অন্তৰৰ সহানুভূতি আকৰ্ষণ কৰে, আৰু সেই ঘটনাৰ আনুসঙ্গিক তাৎপৰ্য্যৰ ফালে আমাৰ মনোনিবেশ হয়। পৈণত কবিয়ে এটি সামান্য ঘটনাকো জ্বলন্ত জাগ্ৰত কৰি পাঠকৰ আগত দাঙ্গি ধৰিব পাৰে ; অপৰিপক্ক লিখকৰ হাতত পৰি ডাঙ্গৰ ডাঙ্গৰ ঘটনাও একেবাৰে সেৰেপা চোক-নোহোৱা হয়।'

কেপ্টেইন ওৱেল্‌চৰ চিপাহী সৈন্যই পোন প্ৰথমে মৰাণৰ সৈন্যক পৰাস্ত কৰিলে। তাৰপাচত মৰাণৰ নায়ক ভৰথিয়ে বিপুল মৰাণবাহিনী লৈ ইংৰাজক খেদি আহিল। তেওঁৰ সৈন্যই হুঙ্কাৰ ৰবে ইংৰাজৰ চিপাহীক সম্বোধন কৰিলে,—

মটকে বোলয় বেটা শুন দুৰাচাৰসব
অল্প সেনা মাৰি পাইলি লাই।
বাসুকী সৰ্পক যেন লাথি মাৰি জোঙ্কাৱস
মৰি যমপুৰে পাইবি ঠাই॥
কতো বোলে শূল হানি হৃদয়ক বিদাৰিয়া
উপৰক তুলি নচুৱাইবোঁ।
কতো বোলে খাণ্ডা হানি খণ্ড খণ্ড কৰিবোঁহোঁ
কতো বোলে জীয়াই ধৰি নিবোঁ॥
প্ৰলয়-অগ্নিক বেটা আঞ্চলে বান্ধিবে খোজ
যমৰ আগত যেলা গাৱ।
যেন মহাবজ্ৰ-শিলা খণ্ড কৰিবাক চাহ
বিৰিণা পাতৰ মাৰি ঘাৱ॥
এহি বুলি চতুৰ্দ্দিশে মটকে গৰ্জিবে লৈল
স্বৰ্গীদেৱে তাক দেখিলন্ত।
ৰঙ্গঘৰে বসি আছে থৰ থৰি কম্পে গাৱে
শোকাকুল হুয়া কান্দিলন্ত॥—২২৪ পিঠি।

এনে এটি ঘটনা অৱলম্বন কৰি কবিয়ে বীৰৰসৰ অৱতাৰণা কৰাৰ সুবিধা এৰিব নোৱাৰিলে। মৰাণ সৈন্যই এইদৰে কথা কৈ ইংৰাজ চিপাহীক খেদি অহাৰ কথা বুৰঞ্জীত নিশ্চয় নাই। কিন্তু এনে অৱস্থাত এই দম্ভপূৰ্ণ বচন কোৱাটো সম্ভৱপৰ। এই বচন দিলেহে মৰাণৰ দাম্ভিকতা, তাক শুনি গৌৰীনাথৰ থৰথৰি কম্পন, আৰু শেহত ইংৰাজৰ হাতত মৰাণৰ পৰাজয়, এই গোটেই চিত্ৰৰ সুন্দৰ উপলব্ধি হব পাৰে।



চন্দ্ৰকান্ত সিংহক ভাঙ্গি পুৰন্দৰ সিংহ ৰাজপাটত বহিল। ৰুচিনাথ বুঢ়াগোহাঁইৰ ভায়েক মৰাঙ্গিখোৱা সৰুগোহাঁয়ে চন্দ্ৰকান্তৰ বস্ত্ৰ-অলঙ্কাৰ কাঢ়ি লৈ ভঙ্গা ৰজাক তৰাতলীলৈ লৈ গৈছে,—

বস্ত্ৰ-অলঙ্কাৰ যত সবাকো লৈলন্ত।
পৰিধান বস্ত্ৰ শৰীৰত থাকিলন্ত॥
অভ্যন্তৰ হন্তে নৃপতিক বাহিৰাইল।
ৰাজমাতৃ আইদেও পাচতে চলিল॥
চক্ৰবৰ্ত্তী নৃপতিৰ ভৈল কেন দেখা।
ইতৰ প্ৰাণীৰ আৰে কৈত আছে লেখা॥
যিটো চক্ৰৱৰ্ত্তী মহাৰাজা আছিলন্ত।
চতুৰঙ্গ দলে যাক সেৱা কৰিলন্ত॥
শ্বেত ছত্ৰ যাৰ শিৰ উপৰে চৰাইল।
কালৰ বিক্ৰমে একেতিলকে উৰাইল॥—২৪৩ পিঠি।

প্ৰথমবাৰ মানৰ আক্ৰমণৰ পাচত তুংখুঙ্গীয়া বগা-কোঁৱৰৰ জীয়েক হেমো আইদেওক মানৰ বুঢ়াৰজা বডোয়াফালৈ দিয়া হ'ল। এওঁ মান ৰজাৰ লাগী কুঁৱৰী ভামো মেপায়া নামে খ্যাত হৈছিল। চন্দ্ৰকান্তই ৰাজ্য হেৰুৱা সম্বাদ পাই ভনীয়েক হেমো আইদেৱে স্বামী মানৰজাক কলে,—

অন্তেষপুৰত আইদেৱে বাৰ্ত্তা পাইল।
শোকাকুল হৈয়া নৃপতিৰ আগে কৈল॥
আমি বিদ্যমানে জ্যেষ্ঠ ভাতৃৰ বিলাই।
ছাৰ জীৱনত মোৰ কিছু আশা নাই॥—২৪৮-২৪৯ পিঠি।

ইয়াকে শুনি বডোয়াফা মান ৰজাই কলে,—

চন্দ্ৰকান্ত সিংহ সম মিত্ৰ নাহি আন।
বৃদ্ধকালে মোক যুবা কন্যা দিলা দান॥
যুবা কন্যা পাইলে বৃদ্ধে নিচিন্তয় আন।
ক্ষণমাত্ৰ নাদেখিলে নসহে পৰাণ॥
পূৰ্ব্বে শুনি আছোঁ দশৰথ নৃপতিৰ।
ৰামচন্দ্ৰ পুত্ৰ ভৈলা গুণৰ মন্দিৰ॥
যুৱতী ভাৰ্য্যাৰ বোলে ৰাজাৰ খেদাইল।
পিতৃ বাক্যে প্ৰভু ৰামে বনবাসে গৈল॥

ৰাজাৰ ভগিনী আসি মোকো মুহিলন্ত।
অনেক সুন্দৰী মাজে প্ৰধান ভৈলন্ত॥
ইহান শোকক মই কিমতে সহিবোঁ।
মই গৈয়া যেন শত্ৰু খেদি ৰাইজ্য দিবোঁ॥—২৪৯ পিঠি।

হেমো আইদেৱৰ চন্দ্ৰকান্তৰ কাৰণে দুখ, আৰু মান ৰজাৰ প্ৰিয়তমা তৰুণী ভাৰ্য্যাৰ মন যোগাবৰ চেষ্টাই যে দ্বিতীয়বাৰ অসমলৈ মান ফৌজ অহাৰ কাৰণ, এই কথাষাৰ বুজাবলৈকে কবিয়ে চিত্ৰটি ইমান যত্নেৰে ফুটাই তুলিছে।

মান দ্বিতীয়বাৰ অসমলৈ অহাত ফুলপানীছিগাত যি ভীষণ ৰণ হয় তাৰ বৰ্ণনাৰ এছোৱাত আছে,—

পূৰ্ব্বে ৰণ ভৈল যেন বলী-বাসবৰ।
ভঙ্গ জয় নুহিকয় উভয় দলৰ॥
বন্দুকৰ মুখে অগ্নি বজাই জাকে জাকে।
খৰোত্তৰ বেগে চুটে নমনিয়া তাক॥
গুলীসব চলে যেন ভ্ৰমৰা গুঞ্জৰে।
কাৰো উৰু ভাঙ্গে কাৰো হৃদয় বিদাৰে॥—২৫৫ পিঠি।

মানে চন্দ্ৰকান্ত সিংহক ৰাজপাটত বহুৱাৰ পাচত স্বৰ্গদেৱে নিজৰ পাত্ৰ-মন্ত্ৰী আৰু মান সেনাপতি সকলেৰে ৰজাৰ শত্ৰু ৰুচিনাথ বুঢ়াগোহাঁই আৰু ব্ৰজনাথ কোঁৱৰৰ সৈন্যৰ সৈতে ৰণ কৰিবলৈ আলচ কৰাত মমাই বৰুৱাই বীৰদৰ্পে অঙ্গীকাৰ কৰিলে যে তেওঁ নিজে ৰণক্ষেত্ৰত অবতীৰ্ণ হৈ শত্ৰুক ধ্বংশ কৰিব,—

ৰাজাৰ মাতুলে হাঁসি বুলিলা বচন।
নকৰিবা ভয় মই কৰিবোঁহোঁ ৰণ॥
আচল ফিৰিঙ্গি আসি কৰয় সমৰ।
নেপাল বৰ্গীয়ো যদি অসি দেয় ধাৰ॥
সবাকো জিনিবে প্ৰতি মোৰ আছে সাস।
কোন বস্তু বুঢ়াগোহাঁই তাহাকে ডৰাস॥
যদি দেৱগণে আসি ভজন্ত সহাই।
তথাপিতো যুদ্ধ জিনি ৰাজ্য লৈবোঁ মই॥
মমাই বৰুৱাৰ বাক্যে সভাসদগণ।
ৰাজা সমন্বিতে প্ৰশংসিলা সৰ্ব্বজন॥— ২৬৮-২৬৯ পিঠি।



বেলিমাৰৰ বুৰঞ্জী প্ৰণেতা বিশ্বেশ্বৰ বৈদ্যাধিপ এজন সিদ্ধহস্ত কবি। তেওঁৰ শব্দ-যোজনা আৰু উপমা আদিও বৰ বিচক্ষণ আৰু হৃদয়গ্ৰাহী। মৰাণ-ইংৰাজৰ যুদ্ধত,—

কাৰো উৰু শিৰ সবে কঙ্কাল ভাগিল।
ঠাই ঠাই মৰি সবে দৌলা-দৌল ভৈল॥
প্ৰচণ্ড বতাসে যেন পকা তাল ফল।
মৃতকে ঢাকিল সবে ধৰণীমণ্ডল॥—২২৫ পিঠি।

বদন বৰফুকনে নিজৰ প্ৰতিপত্তি বঢ়াবৰ আশাৰে মান আনি শেহত ৰূপচিং চুবেদাৰৰ হাতত প্ৰাণ হেৰুৱায়,—

একদিনা গৈয়া পাচে বেঢ়ি ধৰিলন্ত।
চিপাদাৰে গৈয়া ফুকনক কাটিলন্ত॥
যেন এক প্ৰাণী তাপ শান্তি কৰিবাক।
মেঘক চিন্তিবে লৈলা বৃষ্টি আনিবাক॥
সেই মেঘে আসি বজ্ৰ হানিয়া পঠাইল।
তাপ শান্তি হৌক ছাৰি প্ৰাণকো মাৰিল॥
ফুকনকো সেহি পটন্তৰে আসি পাইলা।
সাহাশ্ৰয় মন্ত্ৰী লৈলা তেসম্বে মাৰিলা॥—২৪০ পিঠি।

স্বভাব-কবিৰ মুখৰ পৰা বুটলি অনা "বৰফুকনৰ গীত"ত এই ভাবটো এইদৰে ওলাইছে,—

তাঁতীৰ হাতৰ কাপোৰখনে জগতখান জুৰিলে,
তথাপি তাঁতীৰ গা উদি।
ঘিনাই বৰফুকনক মাৰিবলৈ ধনী ববৰুৱাই
ৰাজমাৱক সুধিলে বুধি॥

কবিয়ে গ্ৰন্থত পদ, দুলড়ী, ছবি, লেচাৰী, ঝুমুৰি আদি পদ-পুথিত সচৰাচৰ পোৱা ছন্দৰ বাহিৰেও দুটি সাধাৰণে প্ৰচলিত নোহোৱা ছন্দৰ ব্যৱহাৰ কৰিছে,—মুক্তাৱলী আৰু বিদগ্ধ লেচাৰী। দুয়োটি ছন্দ বিলাপত প্ৰয়োগ কৰা হৈছে, প্ৰথমটি পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ মৃত্যুৰ পাচত তেওঁৰ ভাৰ্য্যাসকলে গুৱাহাটীত থকা কালত কৰা বিলাপ,—

হা হৰি হৰি স্বামী গৈল মৰি
আইলোঁ ৰাজ্য এৰি পাইলোঁ কামপুৰি এ,
ধন-জন-বাৰী সকলো তৈতে থাকিলা।—২৪০ পিঠি।

দ্বিতীয়টি, চন্দ্ৰকান্তক ৰজা ভাঙ্গি তৰাতলীলৈ নিওঁতে পুৰনাৰীসকলৰ বিলাপ,—

যেতিক্ষণে নৰেশ্বৰ ওলাই আইল অভ্যান্তৰ
পুৰবাসী যত নাৰী আছে, কি ৰাম ৰাম।
আউল-জাউল কৰি কেশ যেন বাতুলৰ বেশ
উৰ্দ্ধি কৰি কান্দিলন্ত পাচে, কি ৰাম ৰাম॥—২৪৩ পিঠি।

এই পুথিত বৰ্ণনা কৰা আখ্যানবোৰৰ ভিতৰত তলত লিখা কেইটা বুৰঞ্জী বা সাহিত্য হিচাবে বিশেষ মূল্যবান; ইয়াৰ ভিতৰত দেখা যায় কিছুমান আখ্যান অপ্ৰাসঙ্গিক হলেও গোটেই ঘটনাৱলী বুজিবৰ কাৰণে প্ৰয়োজনীয় দেখি লিখকে আখ্যানৰ মাজতে এজনে সোধাত উত্তৰ স্বৰূপে তাক কোৱাৰ ছলেৰে সন্নিবিষ্ট কৰিছে।

কেপ্টেইন ওৱেল্চৰ অনুৰোধমতে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে বিবৃত কৰা মটকৰ বিভ্ৰাটৰ বুৰঞ্জী, ২১৮-২২১ পিঠি; ৰংপুৰ নগৰৰ বৰ্ণনা, ২১৯-২২০ পিঠি; মোহনমালা বৰজনা গোহাঁইৰ পৰিচয়, ২২০-২২১ পিঠি; মৰাণ আৰু ইংৰাজৰ যুদ্ধ, ২২৩-২২৬; পূৰ্ণানন্দৰ গুণ-কীৰ্ত্তন, ২২৮; মানৰ ৰাজধানী আবা নগৰীৰ শোভা বৰ্ণনা, ২৩১-২৩২; গাভৰুমেলীয়া ৰামেশ্বৰে সোধাত মান ৰজাৰ আতিগুৰি বৰ্ণনা, ২৩২-২৩৪; চন্দ্ৰকান্তৰ অনুৰোধমতে বদনচন্দ্ৰৰ মান দেশলৈ যোৱা আত্মকাহিনী, ২৩৮-২৩৯; বদন হত্যা, ২৪০; পূৰ্ণানন্দৰ পত্নীসকলৰ বিলাপ, ২৪০-২৪১; চন্দ্ৰকান্তক তৰাতলীলৈ নিওঁতে পুৰনাৰীৰ বিলাপ, ২৪৩-২৪৪; চন্দ্ৰকান্তৰ জগন্নাথ মূৰ্ত্তি দৰ্শন, ২৪৫-২৪৮; শূলপাণিছিগাত ৰণ, ২৫২-২৫৭; ভূঞা-পোৱালি মমাই বৰুৱাৰ পৰিচয়, ২৫৭-২৫৮; মানৰ অত্যাচাৰ, ২৬২; মানক জিনিবলৈ মমাই বৰুৱাৰ প্ৰতিজ্ঞা, ২৬৮; মানৰ হাতত ৰংপুৰীয়া বিষয়াৰ নিৰ্য্যাতন, ২৭২; কলংনৈৰ কোষৰত খাগৰিজানত মান-অসমৰ যুদ্ধ, ২৭৫; খালচি চিপাহীৰ বীৰত্ব, ২৭৯।

বিশ্বেশ্বৰৰ বুৰঞ্জীমতে মানৰ প্ৰথম আৰু দ্বিতীয় আক্ৰমণ দুয়োৰে মূলত দুগৰাকী তিৰোতা, দুয়োবাৰ এজন সম্ভ্ৰান্ত মুখিয়াল মানুহে মানৰ সহায় হৈ বাট-পথ দেখুৱাই শত্ৰুক দেশলৈ আনিছিল। দুৱৰাৰ বৰম বৰুৱাৰ পেহীয়েক ৰঙ্গিলী গাভৰুক পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে সালক্কতাকৈ চিংফৌৰ



বিচানঙ্গলৈ দিছিল। সেই বিচানঙ্গে মানৰে সৈতে মিত্ৰতা স্থাপন কৰিবৰ নিমিত্তে বডোয়াফা মান ৰজালৈ ৰঙ্গিলীক অসম-ৰজাৰ কুঁৱৰী বুলি ১৭৯৭ খৃষ্টাব্দৰ জুন মাহত আবা নগৰলৈ পঠায়।* তেৱেঁ বদনচন্দ্ৰক ককাই বুলি পৰিচয় দি মান ৰজাৰ পৰা সৈন্য খুজি অসমলৈ পঠিয়ায়। বিশ্বেশ্বৰে বদনৰ হতুৱাই কোৱাইছে।

হলি নামে এক মনুষ্যক দেখা পাইলোঁ।
দুৱৰা ফুকন বুলি তাহাতে কহিলোঁ॥
সিটো গৈয়া নৃপতিৰ ভাৰ্য্যাত কহিলা।
আমাৰ দেশৰ কন্যা চিঙ্গফুয়ে দিলা॥
তেহোঁ মোৰ ভাতৃ বুলি ৰাজাত জনাইলা।
মান নৃপতিয়ে শুনি আমাক নিয়াইলা॥
শত্ৰু মাৰিবাক মোৰ লগে সেনা দিলা।
যুদ্ধ জিনি সেহি হেতু দিচৈ-কোঁঠে আইলা॥—২৩৯ পিঠি।

"বৰফুকনৰ গীত"ৰ মতে বদনে মান ৰজাৰ ঘাট পাওঁতে,—

ওপৰে উৰিলে কৰচন কনুৱা
লৰি তুলিলে নাই,
অসমৰ জীয়াৰী মান ৰজাৰ কুঁৱৰী
গা ধুই আছিল চাই।

তাৰ পাচত দুয়োৰে চিনাকি হোৱাত কুঁৱৰীয়ে বদনক আত্মপৰিচয় দিলে,—

লাহে বোলে লি,
সকতে আছিলোঁ মই দুৱৰাৰ জী।
পাণৰ পুলি,
দিলে বুঢ়াগোহাঁয়ে মোক মানলৈ বুলি।
আগেয়ে আছিলোঁ যোৱান,
কিছুমান শিকিলোঁ ককাই মানৰ দোৱান।

* বডোয়াফা মান ৰজাৰ প্ৰথম অসমীয়া কুঁৱৰী ৰঙ্গিলীৰ বিষয়ে শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে ১৫শ বছৰৰ "বাঁহী"ত এটি সুন্দৰ প্ৰবন্ধ লিখিছিল। বডোয়াফাৰ দ্বিতীয় অসমীয়া কুঁৱৰী হেমো মেপায়াৰ বিষয়ে শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙ্গৰীয়াৰ ১ম বছৰ 'উষাত' ওলোৱা "ব্ৰহ্মদেশত অসমীয়া মানুহ" প্ৰবন্ধ চাব লগীয়া।

ই কথা থলে,
কথাই কথাই দুয়ো চিনাকি হলে।
তামোলৰ পুলি,
নিলে হাতত ধৰি বামলৈ তুলি।
অন্নে পানী বান্ধে,
দুয়োৰো ডিঙ্গিত ধৰি দুয়ো কান্দে।
জবাৰ কোমল জিম,
ছমাহৰ মূৰত ককাই ময়ে ৰণ দিম।

প্ৰথমবাৰ মান অসমলৈ আহি উভতি যোৱাৰ পাচত বদনচন্দ্ৰৰ হত্যা হয় চন্দ্ৰকান্তই সিংহাসন হেৰুৱায়। ইয়াৰ পূৰ্ব্বে হেমো আইদেৱে মানৰ বুঢ়াৰজা বডোয়াফাৰ কুঁৱৰীৰূপে ৰজাৰ প্ৰিয়পাত্ৰী হৈছিল। ককায়েক চন্দ্ৰকান্তৰ অপমানকাৰীহঁতক শাস্তি দি ককায়েকক পুনৰ সিংহাসনত বহুৱাবলৈ দ্বিতীয়বাৰ মান সেনা পঠিয়াবলৈ বডোয়াফা ৰজাক কাকুতি-মিনতি কৰে।—

আমি বিদ্যমানে জ্যেষ্ঠ ভাতৃৰ বিলাই।
ছাৰ জীৱনত মোৰ কিছু আশা নাই॥—২৪৯ পিঠি।

বদন বৰফুকনৰ গীতত দ্বিতীয়বাৰ মান অহাৰ কাৰণ দোচোৰা,—ৰঙ্গিলীয়ে ককায়েক বদনচন্দ্ৰক হত্যা কৰাৰ কথা শুনি "ককাইৰ মৰিশালী চাই আহোঁ গৈ" বুলি কোৱাত ৰজাই কলে,—"তুমি যাব নেলাগে, চেগ ফুকনেও যাওঁক।"—

তাঁত বৰৰ তাঁতী,
সাদিনৰ বাটলৈ পেলাবি কাটি।
থাকিবি শুই,
নিৰ্দ্দোষী মানুহৰ ঘৰত দিবি জুই।
মাৰি খাবৰ গৰু,
সবাকো কৰিবি একেটা চৰু।
সৰিয়হৰ ফুল,
বামুণ কলিতাৰ মাৰিবি কুল।
জাপৰ তৰোৱাল ভালকৈ নিবি,
ধনী বৰবৰুৱাক আৰু ৰাজমাৱক
পোনতেই বৰশীত দিবি।



বদনচন্দ্ৰই প্ৰথমবাৰ মান আনিলে। সেই মানে দেশত অত্যাচাৰ কৰাত মান অনা বৰফুকনৰ আদেশমতে সিহঁতে অত্যাচাৰ বন্ধ কৰিলে। তাৰ পাচত বদনচন্দ্ৰই চন্দ্ৰকান্তৰ মিত্ৰ হৈ মন্ত্ৰীফুকন বাব লৈ ৰাজ্যত সৰ্ব্বেসৰ্ব্বা হ'ল। বিশ্বেশ্বৰৰ মতে দ্বিতীয়বাৰ মান আহোঁতে মানৰ সোঁ-হাত আছিল ভূঞাপোৱালি মমাই বৰুৱা। পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে তেওঁক পূৰ্ব্বে চিংফৌয়ে ধৰি নিয়া অসমীয়া প্ৰজাকে উদ্ধাৰ কৰি আনিবলৈ পঠিয়াইছিল। মমায়ে চিংফৌক এলাপেচাকৈ ৰবাব নোৱাৰি মান সৈন্য আনি দমাবৰ অভিপ্ৰায়ে মানদেশলৈ যোৱাত মান ৰজাই ভাল পাই তেওঁক নিজ সৈন্যৰ ওপৰত সেনাপতি পাতি মানৰ শত্ৰু মগল (আৰকান নে মগাওং?) দেশলৈ পঠিয়াইছিল। মগল দেশক জিনি মমাই বৰুৱা মগলৰ দেশত ৰজা হ'ল। দ্বিতীয় বাৰ মান সৈন্য অসমলৈ আহোঁতে মান ৰজাই তেওঁক মগলৰ দেশৰ পৰা আনি কিয়মিঙ্গিৰ লগত দিলে। ফুলপানীছিগা * ৰণত অসমক পৰাস্ত কৰি মানে দেশত অত্যাচাৰ কৰাত বিপন্ন অসমীয়া প্ৰজাৰ আৰ্ত্তৰাৱ শুনি মমাই বৰুৱাৰ খুড়াক জয়ৰাম নামৰূপীয়া বৰুৱাই মমাইক কলে,—

শুনিয়োক বাপু কেনে প্ৰজাৰ আৰাৱ।
ৰাজ্যৰ বিপত্তি দেখি নসহয় গাৱ॥
মান-সাগৰত প্ৰজাগণ তল যায়।
তুমি বিনে নেদেখোঁহোঁ ৰক্ষাৰ উপায়॥
ৰাজাৰ মাতুল তুমি পৰম গম্ভীৰ।
দায়ালুক সত্যবাদী গুণৰ মন্দিৰ॥
আপদত প্ৰাণীক ৰাখিলে ধৰ্ম্ম পায়।
হেন জানি হেলা কৰিবাক নুজুৱায়॥—২৬৩ পিঠি।

মমাই বৰুৱাই মানৰ সেনাপতিক গৈ সকলো কথা বুজালে,—"এনেকৈ প্ৰজাক শাস্তি দিলে প্ৰজাই ভয় পাই দেশ দেশান্তৰে ভাগিব, মান ৰজাই এই কথা শুনিলে তোমাক আমাক নগুৰশাস্তি কৰিব।" তাকে শুনি,—

* জাজীৰ সমীপবৰ্ত্তী মাছখোৱা গড়ৰ এক অংশক ফুলপানীছিগা বোলে। তাৰ ওচৰতে সুপ্ৰসিদ্ধ শূলপাণি ৰসেন্দ্ৰ বৰুৱাৰ পুৰাতনকলীয়া মাটি-ভেঁটি। সেই ঠাইৰ আচল নাম, শূলপাণিছিগাহে, মানুহৰ মুখত পৰি ফুলপানীছিগা হৈছে। দুতিৰাম আৰু বৰফুকনৰ গীতত ফুলপানীছিগা, বিশ্বেশ্বৰৰ পুথিত 'শূলপাণিছিগা' ব্যৱহাৰ হৈছে।

ৰবকাংস মাৰি চতুৰ্দ্দিশে নিবাৰিল।
সেহি দিনা ধৰি মানে গ্ৰাম নপশিল॥
মমাই বৰুৱাৰ হস্তে প্ৰজা নিস্তৰিল।
সাধু সাধু বুলি প্ৰজাগণে প্ৰশংসিল॥—২৫৪ পিঠি।

এই মমাই বৰুৱাৰ কথা আজিলৈকে কোনো বুৰঞ্জীত পোৱা নাই। তেওঁ যে সেই কালত এজন পৰাক্ৰমী সুচতুৰ পুৰুষ আছিল, মগলৰ দেশত ৰজা হোৱা আৰু মান সেনাপতিক হাতৰ তলুৱাত ৰখাৰ পৰাই সেইটো সহজে অনুমান কৰিব পাৰি। খাগৰীজানৰ যুদ্ধৰ পাচত এওঁৰ কি হ'ল জানিবৰ উপায় নাই।

সেই কালত অসমীয়া ৰজা ভাঙ্গি ৰজা পাতিছে। দেশত শত সহস্ৰ ৰণ কৰিব পৰা মানুহ থাকোঁতেও বিদেশী মানে আহি অপ্ৰয়াসে অসমীয়াক যুদ্ধত ঘটুৱাই দেশ উবাৰ কৰিছে। এনেবোৰ জাতীয় দুৰ্য্যোগ দেখি মানৰজা আৰু মান সেনাপতিয়ে কি অভিমত প্ৰকাশ কৰিছিল সেইটো জানিব লগীয়া। চন্দ্ৰকান্তক ৰজা ভাঙ্গি পুৰন্দৰ সিংহক ৰজাপতাৰ বাৰ্ত্তা পাই মান ৰজাই ডেকাফুকনক কলে,—

ফুকনক চাই ৰাজা বুলিলা বচন।
তোমাসাৰ দেশে কিবা হেন প্ৰৱৰ্ত্তন॥
ৰাজা ভাঙ্গি ৰাজা হৈবে হেনসে আচাৰ।
অতীজ আছয় কিবা সকলে প্ৰজাৰ॥
শুনি মন্ত্ৰী ভূমি চুই কৰ্ণে হাত দিলা।
পৰিহিত কৰ্ম্ম বুলি বিষ্ণু সুমৰিলা॥—২৪৯-২৫০ পিঠি।

অসমৰ ডাঙ্গৰীয়া আৰু আন আন মন্ত্ৰীসকল গোটখাই ৰজা ভাঙ্গি ৰজা পাতিব পৰা নিহিত ক্ষমতা যেনেকৈ স্বৰ্গদেৱসকলৰ স্বেচ্ছাচাৰিতাৰ বাটত হেঙ্গাৰ স্বৰূপ আছিল সেইদৰে সেই শক্তিৰ পৰা ৰাজক্ষমতা স্থিৰতাবিহীন আৰু অনিশ্চয় হৈছিল। ইয়াৰ ফলত সতী জয়মতীৰ যুগত দহ বছৰৰ ভিতৰত ছ-জন ৰজাই ৰাজপাট খায়। সেই বিপ্লবৰ চেলু লৈ লাচিত ফুকন আদি শ ৰাইহটীয়া বীৰসকলে প্ৰাণ-পৰিশ্ৰমে উদ্ধাৰ কৰা সোণৰ সঁফুৰা দেৱৰো দুৰ্গম গুৱাহাটী ৰাজ্যত বিদেশী মোগলে তৈমূৰৰ ধ্বজা উত্তোলন কৰি ৰাজ্য শাসন কৰে।

অসমীয়া সৈন্যৰ যুদ্ধ-বিক্ৰম আৰু সেনাপতিৰ যুদ্ধ পৰিচালনা দেখি



অম্বৰৰ ৰজা ৰামসিংহ স্তম্ভিত হৈ কৈছিল,—“ধন্য সেনা, ধন্য সেনাপতি, মই হেন ৰামসিংহয়ো থলত থাকি ছিদ্ৰ নাপালোঁ।” পূৰ্ণানন্দৰ মৃত্যুৰ পাচত সুচতুৰ মন্ত্ৰী অসমত নাইকিয়া হ'ল, সেইদেখি দ্বিতীয় থাপৰ মানুহে মন্ত্ৰীৰ ঠাই অধিকাৰ কৰি যুদ্ধ পৰিচালনা কৰাত অসমত সাহসী ৰণুৱা থকা সত্ত্বেও মানৰ হাতত আমাৰ এনে বিপৰ্য্যয় ঘটিল। ফুলপানীছিগাত অসমক পৰাস্ত কৰি কিয়মিঙ্গি বৰগোহাঁয়ে কৈছে,—

কিয়মিঙ্গি বোলে শুনা বৰুৱা মমাই।
তোমাৰ দেশত মহাযোদ্ধাৰু আছয়॥
মন্ত্ৰী নাই হেতু আমি যুদ্ধক ভঙ্গালোঁ।
তথাপি আমাৰ বহু সেনাক মৰাইলোঁ॥—২৬১ পিঠি।

পৈণত পৰিচালকৰ বিহনে হেজাৰ সাহসী প্ৰজা-সৈন্য আৰু বিপুল ৰণ-সম্ভাৰ যে অক্ষম নিশকতীয়া এই কথাষাৰ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ৰণ-মেলত ফুকন-বুঢ়াগোহাঁই ডাঙ্গৰীয়াই সংক্ষেপতে কৈছিল,—“অস্ত্ৰ-শস্ত্ৰ আহিলা-পাতি সমস্তো জড়। স্বৰ্গদেৱৰ বন্দী-বেটাহে চেতন। সেয়ে চলালে চলে।”

ইমান জানি শুনিও যে চব্বিশ লাখ অসমীয়াই যুদ্ধ-মন্ত্ৰণাৰে হাজাৰ-দিয়েক মানক চেপি খুন্দি বুন্দামাৰ কৰি আফুগুটি পিহাদি পিহি দিখৌ আৰু লুইতৰ সোতপানীত উটুৱাই দিব নোৱাৰিলে ইহে আচৰিত। তাৰপৰা মনে হয়,—“কালচক্ৰ বলৱন্ত বটে, বুজন নযায়।”

শ্ৰীসূৰ্য্যকুমাৰ ভুঞা

नत्वा श्रीकृष्णपादाब्जे सन्मनोमधुलेहके ।
लिख्येते शक्रवंश्यानां नृपाणाञ्जन्मकर्म्मणी ॥
विचित्रकर्म्मणान्तेषां नृपाणां कर्म्मकीर्त्तने ।
नात्र हास्यास्पदं विज्ञा यतोऽनेकत्र संस्थितिः ।
एकत्रीकरणे तेषां शक्तिः केषां न कुन्थिता ॥

*After due salutation at the lotus-feet of Srikrishna, which are drunk by the hearts of the righteous like so many honey-sucking bees, the origin and deeds of the Kings sprung from the line of Indra are here described. Oh learned ones! In the recital of the history of those Kings who are credited with varied and brilliant achievements one is not to be an object of laughter (if mistakes and discrepancies creep in), as the accounts exist in diverse places, and in their unification whose powers are not strained?*

—*Sanskrit preamble to an old Buranji.*

# সূচীপত্ৰ।


Pages
Preface to the Second Edition ... III
Preface to the first Edition ... V
Introduction ... .. ... VII
সম্পাদকৰ পাতনি ... ... ... ২১-৪৮


## দুতিৰাম হাজৰিকাৰ বুৰঞ্জী


প্ৰস্তাৱনা ... ... ... ১-৩ পিঠি


### ১ম অধ্যায়।

লৰাৰজা


| | পিঠি |
|---|---|
| বুৰঞ্জীৰ পাতনি ... | ৫ |
| লৰাৰজাৰ আতঙ্ক ... | ৫-৬ |
| গদাপাণিৰ শঙ্কা ... | ৬ |
| গদাপাণিৰ পলায়ন ... | ৭ |
| গদাপাণিৰ ভাৰ্য্যাৰ সমিধান | ৭-৮ |
| কুঁৱৰীৰ স্তুতি ... | ৮-৯ |
| দূতসবৰ সমাচাৰ ... | ৯ |
| গদাকোঁৱৰৰ পুনৰ অন্বেষণ | ৯-১০ |
| ছদ্মবেশে গদাপাণি ... | ১০ |
| পোহাৰীৰ ঘৰত গদাপাণি | ১০-১১ |
| ৰাজদূত আৰু কোঁৱৰ ... | ১১ |
| গদাপাণিৰ ছলনা ... | ১২ |
| দূতৰ বাতৰি ... | ১৩ |
| মাক-জীয়েকৰ শাস্তি ... | ১৩-১৫ |
| কোঁৱৰ-কুঁৱৰীৰ সাক্ষাৎ ... | ১৫ |
| পতি-প্ৰেমৰ চিনাকি | ১৬ |
| কুপত্নীৰ চৰিত্ৰ ... | ১৬-১৭ |
| গদাপাণিৰ আক্ষেপ | ১৭-১৮ |
| গদাপাণিৰ বিলাপ ... | ১৮-১৯ |
| গদাপাণিৰ ভিনীহিয়েকৰ ঘৰলৈ যাত্ৰা ... | ১৯ |
| গদা আৰু পোহাৰীৰ কথোপকথন ... | ১৯ |
| দৈৱজ্ঞৰ ভবিষ্যৎ বাণী | ২১-২২ |
| ভিনীহিয়েকৰ ঘৰত গদাপাণি | ২২-২৩ |
| গদাকোঁৱৰক ৰজা পতাৰ মন্ত্ৰণা ... | ২৩-২৪ |
| গদাকোঁৱৰৰ শপত | ২৪-২৫ |
| গদাপাণিৰ ৰাজপদত অধিষ্ঠান | ২৫ |
| গ্ৰন্থকাৰৰ মন্তব্য ... | ২৫ |

## ২য় আধ্যা।

### স্বৰ্গদেৱ গদাধৰ সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| ৰাজ-অভিষেক আৰু মঙ্গলাচৰণ | ২৬-২৭ | চাংমাইৰ প্ৰতি পোহাৰীৰ উপদেশ | ৩৫ |
| গদাধৰ সিংহৰ গড়গাওঁ যাত্ৰা | ২৭-২৮ | উপদেশ অনুযায়ী ৰান্ধোন | ৩৬ |
| গুৰু-শিষ্যৰ বিবাদ ... | ২৮-২৯ | ৰজা আৰু চাংমাই ... | ৩৬-৩৭ |
| গুৰু-শিষ্যৰ শাপাশাপি | ২৯ | পোহাৰীৰ সংশয় ... | ৩৭ |
| গড়গাওঁত গদাধৰ সিংহ | ২৯-৩০ | পোহাৰীৰ প্ৰতি ৰাজ-অনুগ্ৰহ | ৩৭-৩৮ |
| গড়গাওঁত ৰাজপাটত গদাধৰ সিংহ | ৩০ | গদাধৰ সিংহৰ পূৰ্ব্বজন্ম কাহিনী | ৩৮ |
| লৰাৰজা বধ ... | ৩১ | ৰজাৰ নৰমাংসলৈ ইচ্ছা | ৩৮ |
| ৰাজভোজ ... | ৩১-৩২ | আলি, পুখুৰী আৰু দ'ল নিৰ্ম্মাণ | ৩৯ |
| মহন্তৰ শাস্তি ... | ৩২ | ইটাখুলিত মঞ্চুৰ-খাঁৰ সৈতে যুদ্ধ | ৩৯ |
| বিষয়া ভঙ্গ-পতা ... | ৩২ | উমানন্দৰ দ'ল নিৰ্ম্মাণ ... | ৩৯ |
| বিদ্ৰোহীৰ শাস্তি ... | ৩২-৩৩ | গদাধৰ সিংহৰ মৃত্যু ... | ৩৯-৪০ |
| সন্দিকৈ বৰফুকন ... | ৩৩-৩৪ | ৰাজপাটত ৰুদ্ৰসিংহ ... | ৪০ |
| চাংমাই বধ ... | ৩৪-৩৫ | গদাধৰ সিংহৰ মৈদাম ... | ৪০-৪২ |


## ৩য় আধ্যা।

### স্বৰ্গদেৱ ৰুদ্ৰ সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| বন্দনা ... | ৪৩ | গড়, দ'ল, পুখুৰী আদি ... | ৪৬-৪৭ |
| স্বৰ্গদেৱ ৰুদ্ৰসিংহ ... | ৪৩ | মেটেকাত ৰংপুৰ নগৰ ... | ৪৭ |
| বিষয়া ভঙ্গা-পতা ... | ৪৩-৪৪ | জয়ন্তা দেশ আক্ৰমণৰ আয়োজন | ৪৭ |
| ৰুদ্ৰসিংহৰ সপোন ... | ৪৪-৪৫ | জয়ন্তা আৰু কছাৰী ৰজালৈ কটকী ... | ৪৭-৪৮ |
| নিজ নিজ ঠাইত মহন্তসকলৰ সংস্থাপন ... | ৪৫-৪৬ | জয়ন্তা আৰু কছাৰী ৰাজ্যৰ বিৰুদ্ধে যাত্ৰা ... | ৪৮-৪৯ |
| ৰুদ্ৰসিংহৰ পুত্ৰসকল ... | ৪৬ | | |




ANANDARAM DHEKIALPHOOKAN COLLEGE LIBRARY
No
Date


| | পিঠি | | পিঠি |
|---|---|---|---|
| আহোমৰ পৰাজয় ... | ৪৯ | বৰফুকনৰে সৈতে দেখাদেখি | ৫৪ |
| জয়ন্তা আৰু কছাৰী ৰজাৰে মিলা-প্ৰীতি ... | ৪৯ | লক্ষ্মীসিংহৰ জন্ম-বৃত্তান্ত | ৫৪-৫৫ |
| ভাতৃবৈৰী লেচাইৰ দণ্ড | ৪৯-৫০ | ৰুদ্ৰসিংহৰ কামাখ্যা দৰ্শন | ৫৫-৫৬ |
| হাতী-যুঁজ ... | ৫০-৫১ | ৰুদ্ৰসিংহৰ অন্তিমবাণী | ৫৬-৫৮ |
| ৰুদ্ৰসিংহৰ শৰণ লবলৈ ইচ্ছা | ৫০-৫২ | গ্ৰন্থকাৰৰ মন্তব্য ... | ৫৯ |
| ৰুদ্ৰসিংহৰ দেশ জয়ৰ আয়োজন | ৫২-৫৩ | ৰজাদেৱৰ মৃত্যুত কোঁৱৰ, আইকুঁৱৰীৰ শোক ... | ৫৯-৬০ |
| গ্ৰন্থকাৰৰ মন্তব্য ... | ৫৩ | শিৱসিংহৰ প্ৰতি বৰফুকনৰ উপদেশ ... | ৬০ |
| ৰুদ্ৰসিংহৰ গুৱাহাটীলৈ আগমন | ৫৩-৫৪ | | |


## ৪ৰ্থ আধ্যা।

### স্বৰ্গদেৱ শিৱসিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| বন্দনা ... | ৬১ | মহন্ত বন্দী ... | ৬৬ |
| স্বৰ্গদেৱ শিৱসিংহ ... | ৬১ | শিৱসিংহৰ মহন্তলৈ শ্ৰদ্ধা | ৬৬ |
| শিৱসিংহৰ শিঙ্গৰিঘৰ আৰোহণ ... | ৬১-৬২ | মহন্তৰ মহিমাৰ পৰীক্ষা | ৬৬-৬৭ |
| ভট্টাচাৰ্য্য বাপুত শৰণ ... | ৬২ | মহন্তৰ ভবিষ্যৎ বাণী ... | ৬৭ |
| অসমত বঙ্গালী গান ... | ৬২-৬৩ | "বৰৰজা"—প্ৰমথেশ্বৰীৰ কোপ | ৬৮ |
| পৰ্ব্বতীয়া গোসাঁইৰ স্থাপনা | ৬৩ | মহন্তৰ ওচৰত নৃপতিৰ ক্ষমাভিক্ষা | ৬৮ |
| বিষয়া ভঙ্গা-পতা ... | ৬৩-৬৪ | ভবিষ্যৎ বাণীৰ সফলতা | ৬৮ |
| ধাই-আলি নিৰ্ম্মাণ আৰু মানুহ পিয়ল ... | ৬৪-৬৫ | শিৱসিংহৰ ২য় কুঁৱৰী অম্বিকা | ৬৯ |
| নৃপতিৰ ছত্ৰভঙ্গ যোগ ... | ৬৫ | আইকুঁৱৰীৰ মৃত্যু ... | ৬৯ |
| ৰাজপাটত ফুলেশ্বৰী ... | ৬৫-৬৬ | মহাৰাজাৰ ৩য় কুঁৱৰী সৰ্ব্বেশ্বৰী | ৬৯ |
| মহন্তৰে মনান্তৰ ... | ৬৬ | শিৱসিংহৰ মৃত্যু ... | ৬৯ |
| | | গ্ৰন্থকাৰৰ মন্তব্য ... | ৬৯-৭০ |
| | | শিৱসিংহৰ অন্তিমবাণী ... | ৭০ |

## ৫ম আধ্যা ঃ

### স্বৰ্গদেৱ প্ৰমত্তসিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| স্বৰ্গদেৱ প্ৰমত্তসিংহ ... | ৭১ | ৰংপুৰত ৰংঘৰ ... | ৭১ |
| গড়গাওঁৰ শোভা বৰ্দ্ধন ... | ৭১ | দ'ল, দেৱালয় আৰু পিয়ল | ৭২ |


## ৬ষ্ঠ আধ্যা ঃ

### স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ ... | ৭৩ | নেঘেৰীটিঙ্গত নদ'ল ... | ৮০ |
| নতুন বিষয়া ... | ৭৩-৭৪ | মালৌত মোৱামৰাৰ ভেঁটি | ৮০ |
| তলাতল ঘৰ নিৰ্ম্মাণ ... | ৭৪ | মহাৰজাৰ শঙ্কা ... | ৮০-৮১ |
| সৰু ৰংঘৰ নিৰ্ম্মাণ ... | ৭৪-৭৫ | দিহিঙ্গৰ মহন্তৰে স্বৰ্গদেৱৰ মিত্ৰতা প্ৰস্তাৱ | ৮১-৮৩ |
| তিনি আলি নিৰ্ম্মাণ ... | ৭৫ | ৰাজপুৰীলৈ গোসাঁইৰ নিমন্ত্ৰণ | ৮৩ |
| মণিপুৰৰ ৰজালৈ সহায় দান | ৭৫-৭৬ | গোসাঁইৰ ওচৰত ৰাজেশ্বৰ সিংহৰ অনুনয় ... | ৮৩-৮৫ |
| লতাকটা ৰণ ... | ৭৬ | গোসাঁইৰ আশ্বাস-বাণী | ৮৫-৮৬ |
| মানতৰাৰ মণিপুৰ ত্যাগ | ৭৬-৭৭ | গোসাঁইৰ লগত ৰজাৰ মিত্ৰতা ... | ৮৬-৮৭ |
| মণিপুৰৰ লগত বৈবাহিক মিত্ৰতা ... | ৭৭-৭৮ | নেঘেৰীটিঙ্গৰ দ'ল উছৰ্গা | ৮৭-৮৮ |
| কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱালৈ ৰাজ-অনুগ্ৰহ ... | ৭৮ | ৰাজেশ্বৰ সিংহৰ মৃত্যু ... | ৮৮-৮৯ |
| মগলু খাত ... | ৭৮ | ৰজাদেৱৰ মৃত্যুত পৰিয়ালৰ অনুতাপ | ৮৯-৯০ |
| বৰবৰুৱাৰ বুৰঞ্জী-দাহ | ৭৮-৭৯ | | |
| বৰবৰুৱাৰ ওপৰত প্ৰতিশোধ | ৭৯ | | |
| বৰবৰুৱাৰ লগত টাঙ্গনধৰা | ৭৯ | | |
| কামাখ্যাত মহাৰজা ... | ৭৯-৮০ | | |




## ৭ম আধ্যা ঃ

### স্বৰ্গদেৱ লক্ষ্মীসিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| স্বৰ্গদেৱ লক্ষ্মীসিংহ ... | ৯১ | মগলু জীয়ৰী কুৰঙ্গনয়নীৰ কৌশল ... | ৯৩-৯৪ |
| ভিন গুৰু গ্ৰহণৰ কাৰণ | ৯১-৯২ | "নবীন খুটা" ... | ৯৫ |
| মৰাণৰ আক্ৰমণ | ৯২ | দ'ল দেৱালয় নিৰ্ম্মাণ ... | ৯৫-৯৬ |
| লক্ষ্মীসিংহ বন্দী ... | ৯৩ | লক্ষ্মীসিংহৰ পৰলোক ... | ৯৬ |


## ৮ম আধ্যা ঃ

### স্বৰ্গদেৱ গৌৰীনাথ সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| স্বৰ্গদেৱ গৌৰীনাথ সিংহ | ৯৭ | মৰাণৰ ৰজা ভৰথি ... | ১০৪ |
| দ'ল পুখুৰী নিৰ্ম্মাণ ... | ৯৭-৯৮ | ভৰথিৰ আমোলত প্ৰজাৰ বিলৈ ... | ১০৫-৬ |
| ন-বিষয়াসকল ... | ৯৮ | ভৰথিৰ মৃত্যু ... | ১০৭ |
| শিঙ্গৰিঘৰত জুই, আৰু ৰুদ্ৰেশ্বৰ বৰপাত্ৰৰ আতঙ্ক ... | ৯৯ | ৰাজপাটত সৰ্ব্বানন্দ ... | ১০৭ |
| মৰাণৰ ভঙ্গ ... | ৯৯ | সৰ্ব্বানন্দৰ অত্যাচাৰ ... | ১০৭-৮ |
| ৰুদ্ৰেশ্বৰৰ প্ৰতি ৰজাৰ দয়া | ৯৯ | যোৰহাটত পূৰ্ণানন্দ ... | ১০৮ |
| বিষয়া বাচনি ... | ১০০ | দিচৈ নৈৰ ধল ... | ১০৮-৯ |
| গ্ৰন্থকাৰৰ মন্তব্য ... | ১০০ | বৰফুকন বদনচন্দ্ৰ ... | ১০৯-১০ |
| মৰাণৰ আক্ৰমণ ... | ১০০-১ | কোম্পানিৰ সহায় প্ৰাপ্তি | ১১০-১১ |
| মৰাণ সেনাপতি ... | ১০১ | কেপ্‌টেইন ৱেল্‌চৰ হাতত মৰাণৰ ভঙ্গ ... | ১১১-১২ |
| মৰাণৰ সৈতে যুদ্ধ ... | ১০১ | গ্ৰন্থকাৰৰ মন্তব্য ... | ১১২ |
| আহোমৰ পৰাজয় ... | ১০১-২ | পোতা ধন কেপ্টেনৰ পুৰস্কাৰ | ১১২-১৩ |
| বুঢ়াগোহাঁই পূৰ্ণানন্দ ... | ১০২ | গৌৰীনাথ সিংহৰ মৃত্যু | ১১৩-১৪ |
| আহোম ডাঙ্গৰীয়াৰ ৰণ-ভঙ্গ | ১০২-৩ | | |
| ৰংপুৰত মৰাণ ... | ১০৩ | | |

## ৯ম আধ্যা ঃ

### স্বৰ্গদেৱ কমলেশ্বৰ সিংহ


| | পিঠি |
|---|---|
| স্বৰ্গদেৱ কমলেশ্বৰ সিংহ | ১১৫-১৬ |
| হেঙ্গলাঙ্গ ... | ১১৬ |
| বৰবৰুৱা অভাব ... | ১১৬ |
| বিষয়া ভঙ্গা-পতা ... | ১১৬-১৮ |
| খাম্‌তি দমন ... | ১১৮ |
| চন্দ্ৰকান্তৰ জন্ম ... | ১১৮ |
| কাছাৰী দমন ... | ১১৮ |
| চিপাহীলৈ হিলৈ-খাৰ | ১১৮-১৯ |
| দ'ল দেৱালয় ... | ১১৯ |

| | পিঠি |
|---|---|
| ভোগদৈ নৈ ... | ১১৯ |
| দিহিঙ্গীয়া গোসাঁইৰে মিত্ৰতা ... | ১১৯-২১ |
| আলি পুখুৰী নিৰ্ম্মাণ ... | ১২১-২২ |
| পানীমুৱাৰ খবৰ ... | ১২২ |
| পানীমুৱাক ধৰিবলৈ দিহা | ১২২-২৩ |
| বন্দীশালত পানীমুৱা ... | ১২৩-২৫ |
| কমলেশ্বৰ সিংহৰ অকাল মৃত্যু | ১২৫ |
| গ্ৰন্থকাৰৰ মন্তব্য ... | ১২৫ |


## ১০ম আধ্যা ঃ

### স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ


| | পিঠি |
|---|---|
| চন্দ্ৰকান্ত সিংহ ... | ১২৬-২৭ |
| সতৰামৰ প্ৰভাব ... | ১২৭ |
| পূৰ্ণানন্দৰ বিৰুদ্ধে ষড়যন্ত্ৰ | ১২৭-২৮ |
| মুখ্য মুখ্য ষড়যন্ত্ৰকাৰীসকল | ১২৮ |
| ষডযন্ত্ৰৰ বিৰুদ্ধে বুঢ়াগোহাঁইৰ সতৰ্কতা ... | ১২৮-২৯ |
| ষড়যন্ত্ৰকাৰীইঁতৰ শাস্তি | ১২৯-৩১ |
| সতৰামৰ শাস্তি ... | ১৩১-৩২ |
| বদনচন্দ্ৰক ধৰিবৰ ফন্দী | ১৩২ |
| লাট চাহাবৰ ওচৰত বদনৰ সহায় ভিক্ষা | ১৩২ |

| | পিঠি |
|---|---|
| বদনলৈ লাট চাহাবৰ পৰামৰ্শ ... | ১৩২-৩৩ |
| দিহিঙ্গীয়া ন-ফুকনৰ বৰফুকন বাব ... | ১৩৩-৩৪ |
| মান দেশত বদন ফুকন | ১৩৪ |
| বদনলৈ মান ৰজাৰ সহায়দান | ১৩৪-৩৫ |
| বুঢ়াগোহাঁইৰ মৃত্যু ... | ১৩৫ |
| চন্দ্ৰকান্ত সিংহলৈ বদনৰ আশ্বাস দান ... | ১৩৫ |
| বুঢ়াগোহাঁই পৰিয়ালৰ পলায়ন ... | ১৩৫-৩৬ |





| | পিঠি |
|---|---|
| চন্দ্ৰকান্ত সিংহৰ দিহিঙ্গীয়া গোসাঁইত আশ্ৰয় গ্ৰহণ | ১৩৬-৩৭ |
| গোসাঁইৰ কেপকৰা প্ৰাপ্তি | ১৩৭-৩৮ |
| যোৰহাটত মান সেনা | ১৩৮-৩৯ |
| চন্দ্ৰকান্ত সিংহৰ ওচৰত বদন বৰফুকন | ১৩৯ |
| মানলৈ আহোম-কুঁৱৰী | ১৩৯-৪০ |
| ডাঙ্গৰীয়া ভঙ্গা-পতা ... | ১৪০-৪১ |
| বদনৰ বিৰুদ্ধে ৰাজমাৱৰ ষড়যন্ত্ৰ ... | ১৪১-৪২ |
| বদন বধ ... | ১৪২ |
| মহাৰাজাৰ ক্ৰোধ ... | ১৪২-৪৩ |

| | পিঠি |
|---|---|
| বুঢ়াগোহাঁইৰ পুতেকসকলৰ আক্ষেপ ... | ১৪৩ |
| পুৰন্দৰ গোহাঁইক ৰজা পাতিবৰ মন্ত্ৰণা ... | ১৪৩-৪৪ |
| ব্ৰজনাথৰ যুদ্ধৰ যো-জা | ১৪৪-৪৫ |
| চন্দ্ৰকান্তৰ পাট-গ্ৰহণ ... | ১৪৫ |
| চন্দ্ৰকান্তৰ পাট-হৰণ আৰু অঙ্গক্ষত ... | ১৪৫-৪৬ |
| গ্ৰন্থকাৰৰ মন্তব্য ... | ১৪৬-৪৭ |
| চন্দ্ৰকান্তক তৰাতলীলৈ নিওঁতে ৰাইজৰ শোক ... | ১৪৭-৪৯ |


## ১১ শ আধ্যা।

### স্বৰ্গদেৱ পুৰন্দৰ সিংহ


| | পিঠি |
|---|---|
| স্বৰ্গদেৱ পুৰন্দৰ সিংহ ... | ১৫০ |
| বিষয়া ভঙ্গা-পতা ... | ১৫০-৫১ |
| ৰজাদেৱৰ বিয়া ... | ১৫১ |
| মান দেশত জন্মি আৰু পিয়লি ... | ১৫১-৫২ |
| মান ৰজাৰ আশ্বাস-বাণী | ১৫২ |
| অসমলৈ মান সেনাৰ আগমনৰ যো-জা ... | ১৫২-৫৩ |
| মান সেনাৰ অসম-যাত্ৰা | ১৫৩-৫৪ |
| মান সেনাৰ খোৱাবস্তু ... | ১৫৪-৫৫ |
| মানৰ সৈনিক ৰীতি ... | ১৫৫-৫৬ |

| | পিঠি |
|---|---|
| অসমীয়াৰ মানৰ আগন্তুকৰ আশঙ্কা ... | ১৫৬ |
| মানৰ বেশ ... | ১৫৬ |
| মৰঙ্গীখোৱাক মান-ৰণলৈ সেনাপতি বৰণ ... | ১৫৭ |
| মৰঙ্গীখোৱাৰ দৰ্প ... | ১৫৭ |
| মান সেনাৰ উপদ্ৰব ... | ১৫৮ |
| মান-আহোমৰ যুদ্ধ ... | ১৫৮-৫৯ |
| মৰঙ্গীখোৱাৰ ৰণ-ভঙ্গ ... | ১৫৯ |
| আহোমৰ পৰাজয় ... | ১৫৯ |

পিঠি

বুঢ়াগোহাঁইৰ আগত মৰঙ্গীখোৱাৰ উত্তৰ ১৫৯-৬০
ৰজা আৰু বুঢ়াগোহাঁইৰ পলায়ন ১৬০
মানৰ ৰণলৈ গুৱাহাটীয়া ফুকন-বৰুৱাসকল ১৬০-৬১


## স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ

দ্বিতীয় বাৰ ৰাজত্ব।


পিঠি

চন্দ্ৰকান্ত সিংহ পুনৰ ৰাজপাটত ১৬১
চন্দ্ৰকান্তৰ ন-বিষয়াসকল ১৬১-৬২
জয়পুৰত গড় ... ১৬৩-৬৪
মিঙ্গিমাহাৰ অসম-যাত্ৰা ১৬৪-৬৫
পাতালঙৰ লগত মান সেনাৰ বিশ্বাসঘাতকতা ... ১৬৫
চন্দ্ৰকান্তৰ পলায়ন ... ১৬৫-৬৬
চন্দ্ৰকান্তলৈ মানৰ কটকী ১৬৬
মানৰ অসম অধিকাৰ ... ১৬৬-৬৭


## ১২ শ আধ্যা।

স্বৰ্গদেৱ যোগেশ্বৰ সিংহ


পিঠি

যোগেশ্বৰ সিংহ ... ১৬৮
মান আৰু চন্দ্ৰকান্তৰ যুদ্ধ ১৬৮-৬৯
চন্দ্ৰকান্তৰ পৰাজয় ... ১৬৯


### মানৰ দিনৰ কথা


পিঠি

আলুঙ্গমিঙ্গি ... ১৭০
মিঙ্গিমহা বান্দুলা ... ১৭০-৭১
মানৰ যোগনীয়া ৰজা চন্দ্ৰকান্ত ... ১৭১
হাওবৰাৰ ৰণোদ্যম ... ১৭১
মান আৰু বাচকটীয়াৰ ৰণ ১৭২
মান সেনাৰ নিষ্ঠুৰতা ১৭২
গ্ৰন্থকাৰৰ মন্তব্য ... ১৭৩
মানৰ অত্যাচাৰ ... ১৭৩-৭৫
দোৱনীয়া মানৰ নিষ্ঠুৰতা ১৭৬-৮০
শ্যাম আৰু মানৰ কন্দল ১০০
ডেভিড্ স্কট চাহাবৰ হাতত মানৰ পৰাজয় ... ১৮০-৮১
গ্ৰন্থকাৰৰ প্ৰাৰ্থনা ... ১৮১-৮২




### গ্ৰন্থকাৰৰ অত্মপৰিচয়


পিঠি

গ্ৰন্থকাৰৰ বংশপৰিচয় ১৮৩-৮৫
আত্ম-গ্লানি ... ১৮৬


## ১৩শ আধ্যা।

আসামত কোম্পানিৰ আমোল।


পিঠি

মানে পতা বিষয়া ... ১৮৭-৮৮
ইংৰাজৰ আগমন ... ১৮৮-৮৯
পিয়ল আৰু সীমা নিৰ্ণয় ১৯০
বিষয়াৰ ক্ষমতা ... ১৯০-৯১
বিষয়া ভঙ্গা-পতা ... ১৯১-৯২
কোম্পানিয়ে পতা ৰজা পুৰন্দৰ সিংহ ... ১৯২-৯৩
পুৰন্দৰ আৰু দিহিঙ্গীয়া গোসাঁইৰে কথোপকথন ১৯৩-৯৫
পুৰন্দৰ সিংহে পতা বিষয়া ১৯৫-৯৬
কামেশ্বৰ সিংহৰ দিহিঙ্গীয়া গোসাঁইৰে মিত্ৰতাৰ সূচনা ১৯৬
দিহিঙ্গীয়া গোসাঁইৰ থান পৰিদৰ্শন ... ১৯৭
গোসাঁইৰ টোকোলাই থান প্ৰবেশ ... ১৯৭-৯৯
গোসাঁইৰ পুৰন্দৰ সিংহৰে সাক্ষাৎ ... ১৯৯-২০০
পুৰন্দৰ সিংহ আৰু যুবৰাজ ২০০-১
গোসাঁই আৰু কামেশ্বৰ সিংহৰ মিত্ৰতা ... ২০১-২
টোকোলাই থানত কামেশ্বৰ সিংহৰ দিহিঙ্গীয়া গোসাঁইৰে মিলন ২০২-৪
পুৰন্দৰ সিংহৰ ৰাজ্য নাশ ২০৫
কেছাৰী ঘৰ ... ২০৫-৯
পুৰন্দৰ আৰু কামেশ্বৰ সিংহৰ পৰলোক ... ২০৯
কন্দৰ্পেশ্বৰ ... ২০৯-১০
মণিৰাম দেৱানৰ ফাঁচি ২১০-১১
বিষয়াৰ বৃথা শাস্তি ... ২১১
পিতৃবৎসল প্ৰিয়লাল ... ২১১-১২
গ্ৰন্থকাৰৰ মন্তব্য ... ২১২

# বিশ্বেশ্বৰ বৈদ্যাধিপৰ বুৰঞ্জী

## ১ম আধ্যা ঃ

### স্বৰ্গদেৱ গৌৰীনাথ সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| অসমত কোম্পানিৰ সৈন্য | ২১৩-১৪ | ভৰথিৰ নগৰ ত্যাগ ... | ২২২ |
| ইংৰাজৰ হাতত মৰাণৰ বিভঙ্গ | ২১৪-১৫ | ভৰথি আৰু সৰ্ব্বানন্দৰ আলাপ ... | ২২২-২৩ |
| ৰজা আৰু ৰাজমন্ত্ৰীৰ দেখা-সাক্ষাৎ | ২১৫-১৭ | সৰ্ব্বানন্দৰ যুদ্ধ-যাত্ৰা ... | ২২৩ |
| স্বৰ্গদেৱৰ বিলাপ ... | ২১৭ | মৰাণ আৰু ইংৰাজৰ যুদ্ধ | ২২৩ |
| গ্ৰন্থকাৰৰ পৰিচয় ... | ২১৭-১৮ | মৰাণৰ দম্ভবাণী ... | ২২৪ |
| মটকৰ দেশ বিভ্ৰাটৰ বিৱৰণী | ২১৮-১৯ | মৰাণৰ ভয়ত ৰজাৰ কান্দোন ... | ২২৪-২৫ |
| ৰংপুৰ নগৰৰ বৰ্ণনা ... | ২১৯-২০ | ইংৰাজৰ গুলীত মৰাণৰ বিভঙ্গ ... | ২২৫-২৬ |
| মোহনমালা বৰজনা গোহাঁইৰ পৰিচয় ... | ২২০-২১ | বিজয়ী কাপ্তানৰ বিদায় | ২২৬ |
| মৰাণৰ প্ৰতিপত্তি ... | ২২১ | দিচৈ কোখৰত যোৰহাট নগৰ ... | ২২৬-২৭ |
| স্বৰ্গদেৱক লৈ কাপ্তানৰ ৰংপুৰ যাত্ৰা ... | ২২১-২২ | গৌৰীনাথ সিংহৰ অন্তিম-বাণী | ২২৭ |


## ২য় আধ্যা ঃ

### স্বৰ্গদেৱ কমলেশ্বৰ সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| কমলেশ্বৰ সিংহৰ আমোল ... | ২২৮ | পূৰ্ণানন্দৰ গুণ-কীৰ্ত্তন ... | ২২৮ |
| | | নুমলী ৰাজমাও ... | ২২৯ |




## ৩য় আধ্যা ঃ

### স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ


| | পিঠি | | পিঠি |
|---|---|---|---|
| বদনলৈ কোম্পানিৰ উপদেশ ... | ২৩০-৩১ | ব্ৰজনাথ কোঁৱৰ ... | ২৪১-৪২ |
| মান দেশত বদন ... | ২৩১ | স্বৰ্গদেৱ পুৰন্দৰ সিংহ | ২৪২ |
| মান-ৰাজধানীৰ শোভা বৰ্ণনা ... | ২৩১-৩২ | চন্দ্ৰকান্ত সিংহৰ ৰাজ্য আৰু সম্পত্তি হৰণ ... | ২৪৩ |
| বদনৰ সাহায্যে মান সেনা | ২৩২ | পুৰনাৰীৰ বিলাপ ... | ২৪৩-৪৪ |
| মান সেনালৈ ৰাজ-আজ্ঞা | ২৩৩ | তৰাতলীত চন্দ্ৰকান্ত সিংহ | ২৪৪-৪৫ |
| মান ৰজাৰ আঁতি-গুৰি | ২৩৩ | শ্ৰীকৃষ্ণ ভজিবলৈ ৰাজমাৰৰ ব্যৱস্থা ... | ২৪৫-৪৬ |
| কামিনী ফুকন আৰু গম্ভেচিং ৰজা ... | ২৩৪ | চন্দ্ৰকান্তৰ জগন্নাথ মূৰ্ত্তি দৰ্শন ... | ২৪৬-৪৮ |
| অসমত মান, আৰু পূৰ্ণানন্দৰ মৃত্যু ... | ২৩৪-৩৫ | চন্দ্ৰকান্তলৈ মান ৰজাৰ বেথা | ২৪৮ |
| অসম-সৈন্যৰ ৰণভঙ্গ ... | ২৩৫-৩৬ | হেমো মাপায়াৰ মোহিনী মায়া ... | ২৪৮-৪৯ |
| গগৈ সেনাপতিৰ নিৰ্য্যাতন | ২৩৬ | অসমত পুনৰ মান ... | ২৫০ |
| মানেৰে মিত্ৰতা ... | ২৩৭-৩৮ | ঘিলামৰাত মান ... | ২৫০-৫১ |
| কবিৰ উপদেশ ... | ২৩৮ | লাদৈগড়ত মান ... | ২৫১ |
| বদনৰ নিজ-কথা ... | ২৩৮-৩৯ | চন্দ্ৰকান্তক বধিবৰ মন্ত্ৰণা | ২৫১-৫২ |
| মান ৰজাৰ কুঁৱৰী ৰঙ্গিলী | ২৩৯ | শূলপানীচিগাত ৰণ ... | ২৫২ |
| মন্ত্ৰীফুকন বদন ... | ২৩৯-৪০ | গগৈ সেনাপতি আৰু কিয়মিঙ্গি ... | ২৫২-৫৪ |
| বদন হত্যা ... | ২৪০ | মান আৰু আহোমৰ ধুমাজয় ৰণ ... | ২৫৪ |
| পূৰ্ণানন্দৰ গাভৰুসকলৰ বিলাপ ... | ২৪০-৪১ | মৃত আৰু আহত সৈন্যৰ দৃশ্য | ২৫৪-৫৫ |
| সৰুগোহাঁই কোম্পানিৰ সহায় প্ৰাৰ্থী ... | ২৪১ | ৰঘুবৰ চুপাদাৰৰ বীৰত্ব | ২৫৫-৫৬ |

| | পিঠি | | পিঠি |
|---|---|---|---|
| মানৰ ৰণজয় ... | ২৫৬-৫৭ | অৰণ্যবাসী চন্দ্ৰকান্ত সিংহ | ২৬০ |
| ভৃগুৰা-পোৱালি মমাই বৰুৱাৰ পৰিচয় ... | ২৫৭-৫৮ | মানৰ সহায়েৰে চন্দ্ৰকান্তৰ ৰাজপদ লাভ ... | ২৬০-৬২ |
| অসমীয়া প্ৰজাৰ হাহাকাৰ ও পলায়ন ... | ২৫৮-৫৯ | হাবিত লুকুৱা প্ৰজাৰ বিলৈ | ২৬২-৬৩ |
| | | নামৰূপীয়া বৰুৱাৰ বেথা | ২৬৩ |
| বুঢ়াগোহাঁইৰ পলায়ন | ২৫৯ | মানৰ অত্যাচাৰ সম্বৰণ | ২৬৩-৬৪ |


স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ

দ্বিতীয়বাৰ ৰাজত্ব।


| | পিঠি | | পিঠি |
|---|---|---|---|
| ৰংপুৰত চন্দ্ৰকান্তৰ ৰাজ্যাভিষেক ... | ২৬৪-৬৫ | মমাই সেনাপতিৰ যুদ্ধযাত্ৰা | ২৬৯-৭০ |
| মান সেনাপতিৰ দেশলৈ ওভোতনি ... | ২৬৫-৬৬ | মানৰ হাতত ৰংপুৰীয়া বিষয়াৰ নিৰ্য্যাতন | ২৭০-৭২ |
| প্ৰভু শ্ৰীকৃষ্ণৰ মহিমা-কীৰ্ত্তন | ২৬৬ | খাগৰিজানত ৰণ ... | ২৭২-৭৪ |
| নতুন বিষয়া ... | ২৬৬-৬৮ | মান সেনাৰ ৰণভঙ্গ ... | ২৭৪ |
| শত্ৰুক জিনিবলৈ মমাইৰ প্ৰতিজ্ঞা ... | ২৬৮-৬৯ | মমাইৰ হাতত গগৈৰ পৰাজয় | ২৭৪-৭৬ |
| | | মৰঙ্গিখোৱাৰ সৈতে ব্ৰজনাথৰ ৰণ ... | ২৭৬-৭৮ |


APPENDIX.

SYNOPSIS OF ASAMAR PADYA-BURANJI


| | | Pages |
|---|---|---|
| 1. Dutiram Hazarika's Buranji | ... | 279-301 |
| 2. Visweswar Vaidyadhipa's Buranji | ... | 301-311 |


# অসমৰ পত্ত-বুৰঞ্জী।

## শ্ৰীকৃষ্ণায় নমঃ।

### প্ৰস্তাৱনা।

পদ৲

প্ৰস্তাৱনা। জয় জয় কৃষ্ণ প্ৰভু তুমি আদি দেৱ।
তুমি পৰম্ ব্ৰহ্ম হৰি তুমি সদাশিৱ॥
সৃষ্টি-স্থিতি-প্ৰলয় কটাক্ষে হোৱে যাৰ।
হেন হৰি-চৰণত কোটি নমস্কাৰ॥ ১॥
সত্ব-ৰজ-স্তম প্ৰকৃতিৰ তিনি গুণ।
স্ৰজাহা পালাহা আৰো কৰা সংহাৰণ॥
তিনিয়ো গুণৰ প্ৰভু আপুনি ঈশ্বৰ।
বিহি আছা ভক্তৰ কুশল দামোদৰ॥ ২॥
যেন কল্পতৰুৱে সবাৰো পূৰে মন।
যেহি যিবা ফল চাৱে তাকে কৰে দান॥
নমাগিলে বৃক্ষে ফল নিদিয়ে কখন।
এতেকে বিষম বুলিবেক কোন জন॥ ৩॥
কোনো হস্তী-কন্ধে চৰে নৃপতি হোৱয়।
কোনো কোনো লোকে খুজি অন্ন নপাৱয়॥
কোনো লক্ষপতি হোৱে ধন-অধিকাৰী।
নাহি ধন কোনো লোকে ফুৰে চুৰি কৰি॥ ৪॥

যদিবা গৃহস্তে পাৰে দুখ দিয়ে গাত।
তভো নচাৰয় দিয়ে নৃপতি আগত॥
নিহল লগাই পোতাশালে থৰে তাৰে।
সেহিসে স্বভাৱ তভো নেৰয় তস্কৰে॥ ৫॥
তথাপিতো প্ৰভু তুমি সম সমস্ততে।
তোমাক নভজি দুখ ভুঞ্জে শৰীৰতে॥
এহি পৃথিবীত যত হৈ গৈলা নৃপতি।
চন্দ্ৰবংশী সূৰ্য্যবংশী ত্ৰিজগতে খ্যাতি॥ ৬॥
তেৰাসবে ৰাজা হুয়া নাথাকিলা ৰৈই।
মহাদান পুণ্য কৰি স্বৰ্গবাসে যাই॥
ইন্দ্ৰবংশে দৈত্যকুলে সৌমাৰ-পীঠত।
তেৰাসবে ৰাজ্য ভুঞ্জে কৰি অন্যায়ত॥ ৭॥
নিৰ্দ্দয়া নিষ্ঠুৰ আতি হিংসক প্ৰধান।
নিবিচাৰে দোষ-গুণ ধৰে-মাৰে প্ৰাণ॥
সেহি হেতু বহু বহু কাল নুভুঞ্জিল।
পুণ্য ক্ষয় হুয়া মৰি গৈলা ৰসাৰ্তল॥ ৮॥
ইসব কথাক মোৰ নাছিল মনত।
কেনমতে লিখিলোঁহো কাহাৰ সম্মত॥
ৰুদ্ৰসিংহ সুত ৰাজেশ্বৰ বংশে জাত।
পুৰন্দৰ মহাৰাজা জগততে খ্যাত॥ ৯॥
কামেশ্বৰ যুৱৰাজ তাহান নন্দন।
আছিলেক সিটোজন মহা গুণবান॥
পিতৃৰ আজ্ঞাতে মোত কহিলা কাহিনী।
সেহি হেতু ইসব কথাক আছোঁ জানি॥ ১০॥
এতেকেসে মন ভৈলা কহিবাক মোৰ।
আদি-অন্ত কথা কেনে কৈবো পূৰ্ব্বাপৰ॥



যেন বালকৰ তৃষা হোৱে বৰ টান।
নিশেষ সমুদ্ৰখান পিবে কৰে মন॥ ১১॥
মই অল্পমতি যেন হেনয়ে শুষিবোঁ।
উদৰে ধৰয় যিবা তাহাকেসে খাইবোঁ॥
তভো কি ঢুকাইবে কিছু জল সমুদ্ৰৰ।
এতেকে প্ৰপঞ্চি কেনে কৰিবোঁ প্ৰচাৰ॥ ১২॥
নোহোঁ চাৰি-বৰ্ণ মই স্বৰ্ণ-বণি জাতি।
নোহোঁ মই পণ্ডিত মূৰ্খতো মূৰ্খ আতি॥
হৃদয়ে থাকিয়া হৰি ভৈলা কণ্ঠোগত।
এতেকেসে ৰচিবাৰ ভৈলোঁ মই পাত্ৰ॥ ১৩॥
মোহোৰ ৰচনা বুলি নধৰিবা দায়।
পুৰাতন কথা শুনিবাক যোগ্য হয়॥
শাম্বুক উদৰে যেন থাকয় মানিক।
তাক কি শাম্বুকী বুলি এৰে কোন লোক॥ ১৪॥
যদিবা শাম্বুক হন্তে মানিকক পায়।
আতি হাবিয়াষ কৰি কণ্ঠত পিন্ধয়॥
এতেকেসে নিন্দা-বাণী নুবুলিবা মোক।
ৰাজাসবে যি কৰিলা তাক শুনিয়োক॥ ১৫॥

---

# প্ৰথম আধ্যাঃ

## লৰাৰজা।

### পদঃ

বুৰঞ্জীৰ পাতনি।

খুঙ্গলুঙ্গ অদি ৰাজা আৰো ভৈলা যত।
সিসবৰ কথা মই কহিবোঁহো কত॥
অল্পমাত্ৰ কহোঁ মই গদাধৰ কথা।
কেনমতে ৰজা ভৈলা কি কৰিলা এথা॥ ১৬॥
কাহাক মাৰিয়া ৰাজ্য কাঢ়ি লৈলা কেন।
পুত্ৰ ৰুদ্ৰসিংহ কেনে ভৈলা বলবান॥
কেনমতে পুত্ৰ-নাতি ভৈলা ৰাজোৱান।
ৰাজ্য কাঢ়ি লৈয়াছিলা কিমতে মৰাণ॥ ১৭॥
পুনু ৰাজ্য লৈলা কেনে মৰাণক মাৰি।
কি কাৰণে ম্লেচ্ছে আসি খাইলা লুৰি-পুৰি॥
প্ৰাণীৰ বিকল যত যত হুয়া যায়।
শ্বেত-যৱনেয়ো লৈলা মানক খেদাই॥ ১৮॥
অদ্যবধি মহাৰাণী ভুঞ্জে বসুন্ধৰী।
ইটো কথা লীলাৰাম শুনা মন কৰি॥

লৰাৰজাৰ আতঙ্ক।

পূৰ্ব্বে চামগুৰীয়াৰ ৰাজা আছিলেক।
চুলিক্‌ফা নামে লৰাৰজা বোলে তাক॥ ১৯॥
বুঢ়াগোহাঁই আছিলেক নামত দীঘলা।
চুডৈফা দিনৰ জানি তাক ৰাখি থৈলা॥

লাইথেপেনা বৰগোহাঞি আছিলেক।
দিলিহীয়া আলন-বুঢ়া বৰবৰুৱা তাক ॥ ২০ ॥
লুখুৰাসনৰ মৰঙ্গিয়াল নাম যাৰ।
তাকো পুনৰপি বৰবৰুৱা পাতে আৰ ॥
মাধা ভোটায়ে, আলন-বুঢ়া, সোলাক মাৰিলা।
ভাতৃ ভাৰ্ধৰাক বৰফুকন পাতিলা ॥ ২১ ॥
তভো তাহানেসে মনে নুগুচিল ডৰ।
পলাই যাই ৰহিলেক বঙ্গালৰ পাৰ ॥
পুনু লাম্মাখৰুৰ বন্দৰক পাতে।
বৰফুকন হুয়া যায় নৃপতি আজ্ঞাতে ॥ ২২ ॥
এহিমতে ৰাজা হুয়া আছিলেক খাই।
মৰণক ডৰে সিটো কৰিলা অন্যায় ॥
যত যত ৰাজকুমৰক ধৰি মাৰে।
কোনো কোনো জন অঙ্গ খুন কৰি এৰে ॥ ২৩ ॥
তুঙ্গখঙ্গীয়া ৰাজা হুয়া মৰিলা গোবৰ।
লাঙ্গি-গদাপাণি নামে তাহান কোঁৱৰ ॥
মহাবলী পৰাক্ৰমী কেহো সম নুই।
তাক মাৰিলেসে গুচিবেক মোৰ ভয় ॥ ২৪ ॥

গদাপাণিৰ শঙ্কা।

এহি বুলি মন্ত্ৰীৰে আলচ কৰি আছে।
ইটো কথা গদাধৰে জানিলেক পাছে ॥
মাৰিলেক যত যত আছিল কোঁৱৰ।
মোক ধৰি মাৰিবাৰ মন আছে তাৰ ॥ ২৫ ॥
কেনমতে সাৰিবোঁহো তাহানেসে হাত।
ধৰি নিয়া মাৰিবেক থাকিলে গৃহত ॥
জীয়া-ভাৰ্য্যা দুইকে মই ইথানত এৰি।
কিছুদিনমানে মই থাকোঁহো অন্তৰি ॥ ২৬ ॥



গাদপাণিৰ পলায়ন।

এহি বুলি গদাধৰে এৰিলেক ঘৰ।
নিশাভাগে পলাই গৈলেক থানান্তৰ ॥
স্নেহৰ জীয়াৰীখানি ভাৰ্য্যা আদৰৰ।
পন্থত যাহন্তে ভৰি নচলয় তাৰ ॥ ২৭ ॥
যাইবোঁ কি নযাইবোঁ মই দুইহানক এৰি।
এহি বুলি চক্ষুৰ লোতক পৰে জৰি ॥
সেহিমতে গদাধৰে অন্তৰিয়া যায়।
বেশ-ছন্ন কৰি গৈয়া থাকিলা লুকাই ॥ ২৮ ॥

গদাপাণিৰ ভাৰ্য্যাৰ সমিধান।

লৰাৰজা কহে দূতসবক মতাই।
শীঘ্ৰকৰি গদাধৰ ধৰি আন যাই ॥
শুনি দূতসবে তাতে নথাকিল ৰৈই।
বিলম্ব নকৰি যায় গদাৰেসে ঠাই ॥ ২৯ ॥
যেহি দিনা গদাপাণি ভৈলেক অন্তৰ।
সেহি দিনা নিশা যাই পশিলেক ঘৰ ॥
আতি অন্ধকাৰ নিশি একো নেদেখয়।
অগ্নিক জ্বালিয়া গৃহে প্ৰবেশিলা যাই ॥ ৩০ ॥
দেখিলা দুগুটি প্ৰাণী শুতি আছে তাতে।
জীয়াৰী, ঘৰিণী তাৰ গদা নাহি আতে ॥
জাগ জাগ বুলি দুইকো তোলে সিবেলাত।
একলে দুইগুটি আছা তোৰ স্বামী কৈত ॥ ৩১ ॥
ৰাণী বোলে অন্ন ভুঞ্জি আছিলেক শুই।
কৈক লাগি গৈয়া আছে নাজানোঁহো মই ॥
দূতসবে বোলে তই ভাণ্ডি আছ কেন।
পেটে ভাত দিয়া তই ৰাখ অন্য থান ॥ ৩২ ॥
তোহোৰ স্বামীক যদি নেদেখাৱ ভালে।
দুইজনীক ধৰি নিবো জৰী দিয়া গ'লে ॥

বোলে ৰাণী নেদেখি দেখাইবোঁ কেনে আমি।
মা-জীয়া দুইহানকো কাটা যদি তুমি ॥ ৩৩ ॥
অনেক প্ৰকাৰে ভাল-মন্দ কৈলা বাণী।
গদাক পাইবাৰ আশা মনে নাহি জানি ॥
শুণিলেক মনে কিবামতে পালা জান।
সেহি হেতু গৃহ এৰি গৈলা অন্য থান ॥ ৩৪ ॥
ইটো কথা নৃপতিৰ আগত জনাওঁ।
যদি বিচাৰিবে দিয়ে অন্য ঠাই যাওঁ ॥
এহি বুলি দূতসৱে পালটি আসয়।
পতি পাবে বুলি ৰাণীৰেসে ধাতু নাই ॥ ৩৫ ॥

কুঁৱৰীৰ স্তুতি।

নৃপতিৰ আজ্ঞা আছে গদাৰ নিমিত্তে।
সিকাৰণে তান ভাৰ্য্যা এৰি আইলা তাতে ॥
সেহি বেলা ৰাজ-ৰাণী গাৰে নাহি তত।
কিজানি স্বামীও পৰে ইসৱৰ হাত ॥ ৩৬ ॥
স্বামীক দণ্ডিবে বুলি শুনিছিলোঁ কাণে।
সেহি হেতু আসিছিলা আমাৰ ভবনে ॥
নপাইলা ইহাতে তাঙ্ক গৈলেক অন্তৰি।
যদি পন্থে পাৰে লাগ জোনো নিবে ধৰি ॥ ৩৭ ॥
ইহেন শঙ্কটে কোনে কৰিবেক ত্ৰাণ।
কৃষ্ণ বিনে নেদেখোঁহো আমাৰ জীৱন ॥
তুমি জগতৰ ঈশ তুমি জগজীৱ।
এহি আপদত ৰাখিয়োক সদাশিৱ ॥ ৩৮ ॥
স্বামীসে ভাৰ্য্যাৰ গুৰু স্বামী ইষ্ট দেৱ।
স্বামী বিনে প্ৰাণ-বন্ধু আন নাহি কেৱ ॥
হেন স্বামী পলাই আছে মৰণক ভয়।
অনাথক প্ৰভু ৰাখিয়োক কৃপাময় ॥ ৩৯ ॥



ANANDARAM DHEKIALPHOOKAN COLLEGE LIBRARY No ........ Date ........ NOWGONG

এহি বুলি ঈশ্বৰক কৰিলা ধিয়ান।
সেহিহেতু গদাধৰ কেহো নিচিনিল ॥
যদি দেখা পায়ে যিবা চক্ষু পৰে ছাই।
কিমতে ধৰিবে হৰি ৰাখে ঠাই ঠাই ॥ ৪০ ॥

দূতসবৰ সমাচাৰ।

দূতসব সেহিমতে পালটি আসিলা।
নপাইলোঁ গদাক বুলি নৃপতিত কৈলা ॥
শুনিয়োক মহাৰাজ বচন আমাৰ।
তুঙ্গখঙ্গক গৈয়াছিলোঁ গদাৰেসে ঘৰ ॥ ৪১ ॥
নিশাভাগে বেঢ়িলোঁহো তাহানেসে বাৰী।
নপাইলোঁ তাহাতে গদা গৃহ গৈলা চাৰি ॥
আছে তান ভাৰ্য্যা মাত্ৰ একখানি জীয়া।
তাহাক নপায়া ভাৰ্য্যা আসিছোঁ এৰিয়া ॥ ৪২ ॥

গদা কোঁৱৰৰ পুনৰ অন্বেষণ।

দূত-মুখে শুনি ৰাজা বিষাদ মনত।
নেগুৰ কাটিয়া ব্যঘ্ৰ মেলিলোঁ চোঙ্গত ॥
নিবিচাৰি থকা হলে আছিলেক ভাল।
বিচাৰি নপাইতে বহু মিলিল জঞ্জাল ॥ ৪৩ ॥
এহি বুলি পুনু বিচাৰিবে আজ্ঞা দেই।
ভালমতে বিচাৰি ফুৰিবি ঠাই ঠাই ॥
কহি হেন চতুৰ্পাশে টেকেলা পাঞ্চিলা।
বৰফুকনক লাগি পত্ৰ পঠাই দিলা ॥ ৪৪ ।
গদাধৰ পলাই আছে কৈক লাগি যায়।
প্ৰবন্ধে ধৰিয়া তাক দিবাহা পঠাই ॥
যদিবা নধৰা তাহাঙ্কেসে লাগ পাই।
শুনিলে তোমাৰ গাৰে বৰ হৈবে দায় ॥ ৪৫ ॥

সেহি পত্র বৰফুকনে দেখাৱে ভাৰ্য্যাক।
নপাইলা ধৰিবে গদাধৰ পলাইলেক ॥
হৰিষ-বিষাদ মনে থাকে ফুকননী।
ফুকনেও ৰহিয়া থাকিলা মনে গুণি ॥ ৪৬ ॥

ছদ্মবেশে গদাপাণি।

গদাক বিচাৰি ফুৰে চাৰিও দিশতে।
বেশ-ছন্ন কৰি আছে পায় কেনমতে ॥
যদিবা পাৱয় লাগ তাঙ্ক নিচিনয়।
খৰেখোৱা গাৰ ৰাজ-চিন নেদেখয় ॥ ৪৭ ॥
ভাৰক বহন্তে কন্ধে আছে ছুট উঠি।
তাতে লৈয়া ফুৰে দলো কান-মাৰি গুটি ॥
এহিৰূপে পলাই আছয় চিন মাৰি।
পাণ-ভাৰ বৈয়া খাৱে ভাৰ্য্যা-পুত্ৰী এৰি ॥ ৪৮ ॥

পোহাৰীৰ ঘৰত গদাপাণি।

ৰমণী পোসাৰী বোলে তাইক পাণ দেই।
মূল্য-কড়ি দিয়া ভালমতে তাই লয় ॥
ভোজন কৰিতে দিয়ে চাউল এক দোণ।
কচু-কোমোৰাক দিয়ে আৰো তেল-লোণ ॥ ৪৯ ॥
এক সাঞ্জে খাৱে যাই নদী নিকটত।
নিশাগোট বঞ্চি থাকে ৰমণী ঘৰত ॥
প্ৰভাততে যায় সিটো নগাৰ পৰ্ব্বত।
পাণক লৱয় তাৰ কড়ি দিয়ে তাত ॥ ৫০ ॥
বেচান্তে কিনন্তে হই গধূলা সময়।
নগাৰ চাঙ্গত থাকে পৰি নিদ্ৰা গৈই ॥
ৰাত্ৰি পুহাইলেয়ো পাণ বান্ধি লৈয়া যায়।
চাৰি-পাঞ্চে ধৰিলে দাঙ্গিবে নপাৰয় ॥ ৫১ ॥



পুনৰপি দিয়ে যাই তাই পোসাৰীক।
ভোজনৰ দ্ৰব্য থৱে গদায়ে খাইবাক ॥
শাল বা পুঙ্গা বা নেৰিয়াকো পালে থয়।
দশ-আঠ জনৰো বেঞ্জন যোগ্য হয় ॥ ৫২ ॥
তৈল-লৱণ-কুষ্মাণ্ডকো তাৰ লগে।
সকলো সম্ভাৰ চাউল দোণ দিয়ে আগে ॥
পৰম সন্তোষে নিয়া কৰয় ভোজন।
এহিমতে গদাধৰ আছে কিছুদিন ॥ ৫৩ ॥

ৰাজদূত আৰু কোঁৱৰ।

পুনৰপি একদিনা পৰ্ব্বতক যায়।
দূতসবে বাটতে গদাক দেখা পায় ॥
সোধয় তাহাক দূতে শুনিয়ো বচন।
কান-মাৰি লৈয়া ফুৰ তই কোন জন ॥ ৫৪ ॥
তোহোৰেসে নাম কিবা থাক কোন ঠাই।
গদাৰ বাতৰি কহিবাক পাৰ তই ॥
গদা বোলে মই থাকো নগা পৰ্ব্বতত।
পাণ আনি বিকি খাওঁ এহি ভৈয়ামত ॥ ৫৫ ॥
মোৰ নাম গোথোৰ গদাৰ নামে যায়।
যাক গদা বুলি আছ ফুৰিছে পলাই ॥
মহাবলী পৰাক্ৰমী ফুৰে গদা লৈই।
কিমতে ধৰিবা তাঙ্ক জোনো প্ৰাণ লয় ॥ ৫৬ ॥
দূতে বোলে সিটোজন ফুৰিছে পলাই।
লাগ পাইলে নিবো ধৰি কিছু ভয় নাই ॥
পাণ-ভাৰ বৈয়া খাৱ কিবা পাৱ কড়ি।
এক কুৰি টাকা দিবো দিয় তাক ধৰি ॥ ৫৭ ॥
এহি বুলি গদাকেসে ধৰি লৈয়া যায়।
কৈত আছে গদাধৰ দেখায়োক যাই ॥

গদাপাণিৰ ছলনা। গদা মনে গুণে কোন কহিলোঁ বাতৰি।
দেখাইবোঁহো কৈত মিছা মোক নিবে ধৰি ॥ ৫৮ ॥
মই গদা মোকে কৰিবেক প্ৰতিকাৰ।
কেনমতে সাৰিবোঁহো ইহাৰ হাতৰ ॥
কহে শুনিয়োক দূত মোহোৰ বচন।
সিটো গদা বোলা যাক পৰম দুৰ্জ্জন ॥ ৫৯ ॥
মোক সিয়ো অপকাৰ কৰে একবাৰ।
যদি ধৰি নিবা মোহোৰেসে প্ৰতিকাৰ ॥
সৰ্ব্বকালে মই পাণ-ভাৰ বৈয়া খাই।
কোনো লোকে মোক কিছু নকৰে বেজাই ॥ ৬০ ॥
একদিনা আসিছিলোঁ কান্ধে লৈয়া ভাৰ।
পন্থৰে পাইলেক লাগ সেহি দুৰাচাৰ ॥
বোলে মোক পাণ আৰো দেঞা চালি-চূণ।
আমি কৈলোঁ ভাৰক থৈবাৰ বৰ টান ॥ ৬১ ॥
নুশুনিলে সিটো কাঢ়ি নিলে পাণ-চালি।
ভাৰ থৈবে নপাৰিলোঁ গাৱ আছে হালি ॥
যদি শূন্য গাৱ হোৱে কিবা ভয় তাক।
পুনু নকৰিবে হেন দিলোঁহন্তে সেক ॥ ৬২ ॥
সিহেন শত্ৰুক যদি ফুৰিছা বিচাৰি।
দেখায়া দিবোঁহো মই চল শীঘ্ৰ কৰি ॥
দূতে জানিলেক ইটো দেখাইবে নিশ্চয়।
জৰী দিয়া লৈয়া যাইবো নৃপতিৰ ঠাই ॥ ৬৩ ॥
লুকাইবে বুলিয়া তাৰ নভৈলা মনত।
জল খাওঁ বুলি গদা ৰহিলা পাচত ॥
বহুদূৰ গৈয়া দূতে পাচক চাহিলা।
নেদেখি গদাক বোলে আমাক ভাণ্ডিলা ॥ ৬৪ ॥



দূতৰ বাতৰি। তথাপিতো গদাধৰ বুলি নিচিনিলা।
পন্থত যাহান্তে দূতসবেয়ো গুণিলা ॥
গদাক বিচাৰি ফুৰন্তেও এত দুখ।
ভাৰ্য্যা-পুত্ৰ এতদিনে নেদেখিলোঁ মুখ ॥ ৬৫ ॥
গদাধৰ পাইবোঁ হেন মনে আশ নাই।
নাপাইলোঁ বুলিয়া নৃপতিত কহোঁ যাই ॥
এহি বুলি দূতসব ফিৰিয়া গৈলেক।
দণ্ডৱতে পৰি নৃপতিত কহে বাক ॥ ৬৬ ॥
ফুৰিলোঁ বিচাৰি যত আমাৰ ৰাজত।
অৰাজতো বিচাৰিলোঁ আৰো পৰ্ব্বতত ॥
খুজিয়া নপাইলোঁ তাঙ্ক কিবা গৈল মৰি।
নজানিয়া ৰাজ্য চাৰি ভৈল দেখান্তৰী ॥ ৬৭ ॥
সেহি হেতু তয়ু আগে জনাইলোঁহো আমি।
যেহি মনে ইচ্ছা তাকে কৰিয়োঁক তুমি ॥

মাক-জীয়েকৰ শাস্তি। ৰাজা বোলে হোক নপাইলিহি ফিৰি-ফুৰি।
শীঘ্ৰ কৰি আন যাই ভাৰ্য্যা-পুত্ৰী ধৰি ॥ ৬৮ ॥
আজ্ঞা পায়া দূতসবে নথাকিল ৰৈই।
গদাৰ ভাৰ্য্যাক ধৰি আনিবাক যায় ॥
মহা সুকুমাৰী কন্যা পতিব্ৰতা আতি।
সৰ্ব্বকালে আছে তান স্বামীতে ভকতি ॥ ৬৯ ॥
স্বামীৰ নেওচনি মই যাওঁ আগ হুই।
এহি বুলি ঈশ্বৰক চিন্তে সৰ্ব্বদায় ॥
একখানি জীয়া আছে বহু আদৰৰ।
পিতৃৰো আছিলা স্নেহ কন্যাতেসে বৰ ॥ ৭০ ॥
সেহি দুইক পাইলা যাই আছিলেক ঘৰে।
দূতে ধৰি আনিলেক নৃপতি ওচৰে ॥

দিলা আগ কৰি গদা-ঘৰিণী-জীয়াক।
ৰাজা আজ্ঞা দিলা দুইকো শাস্তি কৰিয়োক ॥ ৭১ ॥
কৈত আছে দেখায় যদি তাহান স্বামীক।
নকৰিবা দণ্ড ভালে এৰি দিবা দুইক ॥
ৰাজ-আজ্ঞা পায়া দূতে শাস্তি কৰে ধৰি।
দেখায়ো স্বামীক তোৰ বিলম্ব নকৰি ॥ ৭২ ॥
ৰাণী বোলে আমি নিচিনিয়া আছোঁ ঠাই।
মৰিলে বা জীয়া কৈত আছয় লুকাই ॥
ৰাজকুমাৰীকো শাস্তি মাতৃৰ লগত।
দেখায়া দিয়োক তোমাসাৰ পিতা কৈত ॥ ৭৩ ॥
বোলে কুমাৰীয়ে পিতা কৈক লাগি যায়।
নপাইলোঁহো দেখা মই আছিলোঁহো শুই ॥
কৈক গৈল কি কৰিল নাজানিলোঁ কথা।
সেহিহেতু হুয়া আছে ইহেন অৱস্থা ॥ ৭৪ ॥
নুশুনে ইহাক পুনৰপি শাস্তি কৰে।
বৈয়া যায় ৰুধিৰ মাংসও যায় গাৰে ॥
সুকোমল কোমল লাৱণ্য অঙ্গ তাৰ।
কেনমতে কোৰ সহিবেক চাবুকৰ ॥ ৭৫ ॥
নভৈলেক দায়া কিছু দণ্ড কৰে ধৰি।
সহিবে কিমতে তিনি দিনে গৈলা মৰি ॥
তথাপি নভৈল শান্ত নৃপতিৰ মন।
ৰাণীকো কৰিবে শাস্তি দিলা দিনে দিন ॥ ৭৬ ॥
দূতসবে নিয়া শাস্তি কৰে দিনে দিনে।
লুকায়া ৰাখিছ স্বামী নেদেখাৱ কেনে ॥
ৰাণী বোলে নেদেখিলে দেখাও কেনমতে।
মাৰ মাৰ প্ৰাণ যাউক জীৱ লগতে ॥ ৭৭ ॥



স্বামী এৰি গৈলা জীকে আছিলোঁহো চাই ;
হেন জীয়া-প্ৰাণ মোহোকেসে এৰি যায় ॥
এহি বুলি কান্দে ৰাণী ভূমিত পৰিয়া।
জীৰ্ণ শৰীৰ তাতে ধাকুৰয় হিয়া ॥ ৭৮ ॥
কোঁৱৰ-কুঁৱৰীৰ সাক্ষাৎ।
জীৱ মৃত্যু ভাৰ্য্যা-দণ্ড ৰাজায়ে শুনিলা।
বেশ-ছন্ন কৰি যাই আগতে ৰহিলা ॥
ৰাজাৰ কোঁৱৰ গদা কেহো নিচিনয়।
পিতৃ মৰি গৈলা অল্প দিন ৰাজা হুই ॥ ৭৯ ॥
থাকে সিটো তুঙ্গখঙ্গত বহুত অন্তৰে।
কেনমতে চিনিবেক দেখা নাহি তাৰে ॥
দেখে মাংস ছিন্দিলে ৰুধিৰ আছে বৈই।
চিন নাহিকয় গাৰ প্ৰাণ ৰহিছয় ॥ ৮০ ॥
বিপত্তি দেখিয়া বুলিলেক গদাধৰ।
স্ত্ৰীজাতি একো নজানস দুৰাচাৰ ॥
আপোনাৰ শৰীৰক আত্মা বুদ্ধি কৰি।
দেখাই দিয় স্বামী তোৰ বিলম্ব নকৰি ॥ ৮১ ॥
বোলে ক্ৰোধ কৰি ৰাণী কৈৰ আস তই।
মই শাস্তি খাই মৰোঁ তোৰ কিবা দায় ॥
কৈৰ কোন লোক আসে এহেৰ তেহেৰ।
সিয়ো মোত কথা কহে ঠেহেৰ ঠেহেৰ ॥ ৮২ ॥
জীৱন্তে থাকিয়া মই কি কৰিবোঁ আৰ।
যদি স্বামী থাকে কৰিবেক প্ৰতিকাৰ ॥
এহি বুলি ৰাজাৰ পাশক পিঠি দিলা।
দূতে দণ্ড এৰি নিয়া বন্দী কৰি থৈলা ॥ ৮৩ ॥
পুনু দিনে দিনে শাস্তি কৰে দূতে আনি।
তথাপি স্বামীক নেদেখাৱে ৰাজ-ৰাণী ॥

পতি-প্ৰেমৰ দূতে নৃপতিৰ আগে কহিলেক যাই।
চিনাকি। কত শাস্তি কৰিবোঁহো গাৰ মাংস নাই॥ ৮৪॥
প্ৰাণমাত্ৰ আছে তভো নেদেখায় স্বামীক।
নৰপতি কহিলেক মাৰি পেলায়োক॥
শুনি দূতে লৈয়া যায় মাৰিবাৰ ঠাই।
ভাৰ্য্যাৰ দেখিয়া দুখ আগতে ওলায়॥ ৮৫॥
দেখিয়া ৰাণীৰ ভয়ে ধাতু উৰি যায়।
মোক এৰি কিবা আক কাটে চিনি পাই॥
স্বামীসে জীৱন স্বামীয়েসে গুৰু হয়।
সেহি সমন্ধসে পেহা বুলিয়া মাতয়॥ ৮৬॥
মৃত্যু সময়তে পেহা দেখিলোঁ তোমাক।
নকৰিবা চিন্তা তাপ লাগি আমাসাক॥
তোমাৰ সমান পেহা আমি কৈত পাওঁ।
ভৈলোঁ দেখা-দেখি আজি পৰলোকে যাওঁ॥ ৮৭॥
এহি বুলি স্বামীকেসে কৰিলা ধিয়ান।
গলে চেপিলেক দূতে মৰি গৈল প্ৰাণ॥
ৰাখিলা স্বামীক আপুনাৰ দিয়া জান।
সেহি হেতু মৰিয়া স্বৰ্গত ভৈলা থান॥ ৮৮॥

কুপত্নীৰ চৰিত্ৰ। আজি কালি ভাৰ্য্যা-স্বামী নাহিকয় চিন।
নিজ পতি তেজি অন্য পতি দিয়ে মন॥
স্বামী যদি গালি দিয়ে তাতো পাৰে দুখ।
তাহাক লাগিয়া তাই হোৱয় বিমুখ॥ ৮৯॥
দ্বন্দ্ব-বাদ কৰি তাক নিদিৱয় ভাত।
সহিবে নপাৰি মাৰ দিৱয় গাৱত॥
যদি মাৰ পাৰে তাই নথাকয় ৰৈই।
গাৰে চিন লৈয়া নৃপতিত কৰে যাই॥ ৯০॥



হোৱয় খালাচ যাই তাহাৰ হাতৰে।
সেহিসে নাৰীয়ে স্বামী কাটিবাক পাৰে॥
পুত্ৰকো জীয়াকো নিজ স্বামীক তেজয়।
সিকাৰণে সেহি নাৰী অধোগতি যায়॥ ৯১॥
সেহি হেতু নাৰী নকৰিবা অন্যমন।
স্বামীসে ভাৰ্য্যাৰ গুৰু স্বামীসে জীৱন॥
স্বামী তপ স্বামী জপ স্বামীয়েসে ৰতি।
ইহ পৰলোকে হৈবে স্বামীয়েসে গতি॥ ৯২॥
স্বামীৰ জীৱন যিবা জন কৃষ্ণদেৱ।
কহে দুতি তান পাৱে কৰিয়োক সেৱ॥ ৯৩॥

---

## দুলৰী।

গদাপাণিৰ গদাৰ ঘৰিণী মহা বিচৈক্ষণী
আক্ষেপ। তাহাক দূতে মাৰিল।
আছিলেক চাই কিকৰিবোঁ মই
ভৈল আপদৰ কাল॥
ইসবক ধৰি মাৰিবাক পাৰি
কোনে ৰাখিবেক আত।
জানোঁ বিশেষত দোষ নাহি গাত
মাৰিলা ৰাজ-আজ্ঞাত॥ ৯৪॥
যদি মাৰোঁ আক লোকে বুলিবেক
আৰ কি লাগিল গাৰ।
গদা বুলি কয় এহি জন হয়
ভাৰ্য্যাৰ দেখি অভাৰ॥

নসহিলা গাই মাৰিলা সবাই
লোকে মোক চিনিবেক।
যি হোক সি হোক বিধি লিখিলেক
কোন জনে খণ্ডাইবেক॥ ৯৫ ॥
এহি মনে গুণি ৰাজা গদাপাণি
মন কৰিলেক থিৰ।
ধীৰ ধীৰ কৰি গৈলেক অন্তৰি
অগনি নুগুচে গাৱ॥ ৯৬ ॥

---

## লেচাৰী।

গদাপাণিৰ বিলাপ।

গদাধৰ ৰাজা বলবান তাহানেসে গতি ভৈলা কেন
ভাৰ্য্যা-পুত্ৰী এৰি পাণ-ভাৰ বৈই খায়।
পতিব্ৰতা ভাৰ্য্যা আপুনাৰ একখানি জীয়া আদৰৰ
মাৰিলা আগতে থাকিলা কিসক চাই॥
তাহান দুখৰ কাল ভৈলা থাকিলেক সিটো কৰি হেলা
প্ৰমত্ত বাঘৰ ছাগে চেলেকয় মুখ।
যেখনে হইবেক তাৰ কাল তাৰ প্ৰতিকাৰ দিবে ভাল
ইহাক নুবুজি দিলেক ইহেন দুখ॥ ৯৭ ॥
অৰণ্যে পশিয়া কান্দে আতি হৃদয়তে ঘনে হানে মুষ্ঠি
শোকাকুল হুয়া মাটিত ফুৰে বাগৰি।
নয়নৰ জল ধাৰে বয় ধূলায়ে ধূসৰ হুয়া কায়
হা বিধি মোক নিনিয়া কিসক মাৰি॥
ভাৰ্য্যা-পুত্ৰী মোৰ মৰি যায় মই পাপী তাতে আছোঁ চাই,
মোত পৰে জানোঁ নিদাৰুণ নাহিকয়।
এহি পাপে নৰ্কে যাইবোঁ মই কোনো কালে মোৰ গতি নাই
জীয়াই আছোঁ মূঢ়মতি দুৰাচাৰ মই॥ ৯৮ ॥



ইহেন স্বৰূপে কান্দি আতি পৃথিবীত পৰি আছে লুটি
গদাধৰ নৃপতিৰ ভৈল কেন গতি।
হেন জানি বিষয়ৰ সুখ তেজি হৰি নাম লোৱা মুখ
বিষয়-জঞ্জাল এৰি কৰা কৃষ্ণে ৰতি॥ ৯৯ ॥

---

## পদ

সেহিমতে কান্দিয়া থাকিয়া নৰপতি।
গদাপাণিৰ ভিনীয়েকৰ ঘৰলৈ যাত্ৰা।
গুণি-গান্থি মন থিৰ কৰিলেক আতি॥
যি ভৈলা সি ভৈলা জানোঁ মোহোৰ কপাল।
এহিসে ৰাজত বঞ্চিবাক নোহে ভাল॥ ১০০ ॥
ভাৰ্য্যা মোৰ পতিব্ৰতা নাজানিল আন।
আপুনি মৰিল আমাসাৰ ৰাখি জান॥
এগুটী জীয়াৰী মোৰ দেহৰ সমান।
নভৈলেক দায়া দুষ্টে মাৰিলা পৰাণ॥ ১০১ ॥
কাহাৰ আশায়ে মই থাকিবোঁ ইঠাই।
যদি মোক লাগ পাৱে মাৰিবে নিশ্চয়॥
এহি বুলি গদাপাণি ভূমিৰ উঠিয়া।
পাইলেক উপায় এক মনত ভাবিয়া॥ ১০২ ॥
বৰ যে বহিনী আছে কলিয়াবৰত।
বিহা কৰাই নিয়া আছে বৰফুকনে তাত॥
মোৰ হৱে ভিনী সিটো তাকে লাগি যাওঁ।
তেবেসে মোহোৰ ভালে প্ৰাণ ৰক্ষা পাওঁ॥ ১০৩॥

গদা আৰু পোহাৰীৰ কথোপকথন।

এহি কথা মনে গদা কৰিলেক থিৰ।
লাসে লাসে পাইলা যাই ৰমণী ওচৰ॥

তাইক কহি আছয় গোথোৰ নাম মোৰ।
সেহি নাম ধৰি মাতিলন্ত ধীৰে ধীৰ ॥ ১০৪ ॥
পোসাৰী বোলয় বাপ শুনিয়ো গোথোৰ।
আজি মই মলিন বদন দেখোঁ তোৰ ॥
কিবা জানোঁ দুষ্ট লোকে কৈলা অপকাৰ।
জৰ-তাপ হোৱে কিবা শৰীৰে তোমাৰ ॥ ১০৫ ॥
দেখিছোঁ শুখান মুখ নসহয় গাৱ।
থৈয়াছোঁ সন্তাৰ তোৰ জান্টে ভাত খাৱ ॥
গদা-গোথোৰেও বোলে নখাইবোঁহো ভাত।
আজিসে মোহোৰ গাৱে নাহিকয় তত ॥ ১০৬ ॥
শুতিয়া থাকিবোঁ মই দিয়া এক ঢাৰি।
তাহাতে পৰিয়া থাকোঁ সুখে নিদ্ৰা কৰি ॥
পোসাৰী বোলয় থাক জলপান খাই।
গোথোৰে বোলয় তুমি নকৈবাহা, বাই ॥ ১০৭ ॥
ঢাৰিক পাৰিয়া গদা শুতিলেক তাত।
সেহি দিনা ৰমণীৰ নৰান্ধিল ভাত ॥
গোথোৰ বোপাই তোৰ দেখিয়া বিমন।
আমাৰো গুচিল ভোক নুভুঞ্জিবো অন ॥ ১০৮ ॥
গোথোৰে বোলয় বাই কেনে কহা বাণী।
আলহীৰ লগে দুখ ভুঞ্জা কি কাৰণি ॥ ১০৯ ॥
এতেকেসে বাই তুমি ভাত খাৱা যাই।
পোসাৰী নহৈবে বোলে গোথোৰ বুপাই ॥
এহি বুলি গদা-পোসাৰীয়ে নখাই ভাত।
চিন্তা-জুই গদাৰেসে নিদ্ৰা নাসে তাত ॥ ১১০ ॥
ভৈলেক দোভাগ নিশা উঠি গদাধৰ।
ধীৰে ধীৰে ৰমণীক মাতিলা ওচৰ ॥



শুনিয়ো পোসাৰী বাই আমাৰ বচন।
ইহাতে আমাৰ থাকিবাৰ নাহি মন ॥ ১১১ ॥
স্বৰূপত কহোঁ মই তোমাৰ আগত।
যদি অন্য আগে কহ স্বামীৰ শপত ॥
গদাধৰ ঘৰিণী মোহোৰ হৱে বাই।
ভাগিনকো মাৰিলেক চাবুকে কোবাই ॥ ১১২ ॥
বহিনীকো শাস্তি কৈলা নথাকিল বাঙ্কী।
আজি মাৰিলেক মই চায়া থাকোঁ কাকি ॥
এতেকে জানিবা বাই নথাকোঁ ইহাত।
কান-মাৰিগুটি দিছোঁ থৈয়োক চাঙ্গত ॥ ১১৩ ॥
পুনৰপি আসি মই এহি ঠাই পাইবোঁ।
ইটো কান-মাৰিৰেসে পাণ আনি দিবোঁ ॥
পিতৃৰ দাহন মোৰ কান-মাৰিদালি।
যদি ভাল কৰি ৰাখ মোহোকেসে পালি ॥ ১১৪ ॥
এহি বুলি কান-মাৰি তাইৰ হাতে দিলা।
নিয়া ভালমতে তাই চাঙ্গে তুলি থৈলা ॥
পুনৰপি কহে তাই গোথোৰ বুপাই।
তোৰ দুখ দেখি মোৰ গাৱ নসহয় ॥ ১১৫ ॥
মনৰ সন্তাপে তই যাৱ কোন থান।
আস বা কেতিয়া দেখিবোঁহো কোন দিন ॥
এহি বুলি পোহাৰীয়ে বিমনে ৰহিলা।
প্ৰভাত সময়ে গদা ভটীয়াই গৈলা ॥ ১১৬ ॥

দৈৱজ্ঞৰ ভৱিষ্যৎ বাণী।

পন্থত যাহান্তে দৈৱজ্ঞয়ে দেখা পায়।
গদাৰ ওপৰে ছত্ৰ-ছায়া পৰি যায় ॥
কহিল দৈৱজ্ঞ জানোঁ তই বৰলোক।
নৰপতি হুইবে যোগ্য দেখিছোঁহো তোক ॥ ১১৭ ॥

শুনি গদাধৰে টঙ্গা-তলত বসিয়া।
ভাল কৰি চাহা বাপু বেদক মেলিয়া॥
চাহি কহিলেক মোৰ বাণী সত্য হুই।
নভৈলে মোহোৰ বেদ পুৰিবোঁহো জুই॥ ১১৮॥
কৈলা গদা যদি মই ৰাজা হুইবে পাৰি।
দিবো টঙ্গা-দলৈ নাম সবাৰো উপৰি॥
এহি বুলি গদাধৰ পন্থে চলি যায়।
ব্ৰাহ্মণেও ৰহিল আপোন ঘৰ পাই॥ ১১৯॥

ভিনীহেয়েকৰ ঘৰত গদাপানি।

পাঞ্চ দিনে গৈয়া কলিয়াবৰ পাইলা।
বৰ বহিনীক বিৰলেয়ো দেখা দিলা॥
বহিনীয়ো ভাইৰ গলে ধৰিয়া কান্দই।
কোনমতে প্ৰাণক ৰাখিয়া আছ তই॥ ১২০॥
মই জানিছিলোঁ তোক মাৰিলে বা কৈত।
স্বামীক লাগিয়া পত্ৰ দিয়াছে ইহাত॥
গদাধৰ পলাই গৈল ইঠাৰতে নাই।
বিচাৰি ধৰিয়া দিবা আমাসাৰ ঠাই॥ ১২১॥
ইটো কথা স্বামী কহি আছে আমাসাক।
কিজানিয়া দেখা পাইলে ধৰি দিয়ে তোক॥
এতেকেসে বাপু তই থাকিয়ো লুকাই।
ফুকনৰ আগে মই জিজ্ঞাসিয়া চাই॥ ১২২॥
এহি বুলি ভাতৃক ৰাখিলা আৰ কৰি।
বিস্তৰ কান্দিলা স্বামীৰেসে পাৰে পৰি॥
পিতৃ অবিহনে ভৈল ইহেন বিলাই।
ভাৰ্য্যা-পুত্ৰী মাৰিলে ভাতৃ বা কৈক যাই॥ ১২৩॥
আমাৰ কপালে বিধি লিখিলা ইহাক।
তোমাৰেসে খুলশালি ৰাজ্য নেদা তাক॥



বৰফুকনে বোলে প্ৰিয়া নকান্দস তই।
ভায়েৰক পাইলে ৰাজা পাতিবোঁহো মই॥ ১২৪॥
ফুকননী বোলে জোনো ধৰি দিয়া পাই।
প্ৰতিজ্ঞা কৰিলে স্বামী বুজিবোঁহো মই॥
শুনি হেন বৰফুকনে কৈলা সত্যবাণী।
বায়েকেয়ো গদা যে ধৰক দিলা আনি॥ ১২৫॥
দুখৰ বৃতান্ত যত কৈলা গদাধৰ।
ৰাজা পাতিবাক লাগি কৰিলেক থিৰ॥
খুৱাই-বুৱাই গদাক ৰাখিলা ভাল কৰি।
বায়েকে সন্তোষে ৰৈলা সেহি দিনা ধৰি॥ ১২৬॥

গদা কোঁৱৰক ৰজা পতাৰ মন্ত্ৰণা।

বৰফুকনে ৰাজা পাতিবাৰ মন হই।
সলাল গোহাঁইক তেন্তে কৰিয়া আশ্ৰয়॥
ফুকন বৰুৱা ৰাজখোৱা যত হয়।
সিসবক বৰফুকনে অনাইলা মতাই॥ ১২৭॥
সিপাৰত সন্দিকৈ ফুকনৰ ঘৰ।
পত্ৰ দিয়া পাঠাইলেক আসোক সত্তৰ॥
একজনা ৰাজা আমি পাতোঁ ইথানত।
শীঘ্ৰ কৰি আসিবাহা মোহোৰ সম্মত॥ ১২৮॥
শুনিলেক সিটো কথা সন্দিকৈ ফুকন।
বোলে ইটো কথাত মোহোৰ নাহি মন॥
একজনা ৰাজা হুয়া আছয় পাটত।
আউৰ একজনা লৈবে নাহি মোৰ মত॥ ১২৯॥
নযাইবোঁ নযাইবোঁ মই কৈলোঁ নিষ্ঠ কৰি।
বৰফুকনক তুমি কৈয়ো আজি ধৰি॥
শুনি দূতে কহিলেক বৰফুকন আগে।
ক্ৰোধ কৰি বোলে সিটো আসিবে নলাগে॥১৩০॥

ৰাজা পাতিবোঁহো মই চাহিয়া থাকোক।
পাচে যিবা কৰিয়া সোপন দেখাইবেক॥
এহি বুলি দূত পাঞ্চিলেক ঠাই ঠাই।
ফুকন বৰুৱা ৰাজখোৱা যত হই॥ ১৩১॥
পাটগিৰি চৌধাৰী হাজাৰী ঠাকুৰীয়া।
আৰো যত যত আছে বৰা শইকীয়া॥
সবাৰো আগত কহিলেক বৰফুকন।
একজনা ৰাজাক লৈবাৰ মোৰ মন॥ ১৬২॥
শুনি সৰ্ব্বলোকে তাতে দিলা অনুমতি।
আপোনাৰ বাক্য কোনে লঙ্ঘিবে শকতি॥
যি কৰিবে মন ইচ্ছা তাকে কৰা তুমি।
তোমাসাৰ সহশ্রয় হুয়া আছোঁ আমি॥ ১৩৩॥
ফুকনেয়ো সিসবত কহিলা যুগুতি।
গৃহে গৈয়া বাজ হুয়া আসা শীঘ্রগতি॥

গদা কোঁৱৰৰ শপত।

শুনি সিসবেয়ো তাতে নথাকিল ৰই।
নিশাগোট বঞ্চি মাত্র আসে বাজ হুই॥ ১৩৪॥
গদাধৰ আগে কথা কয় বৰফুকন।
পাট হন্তে ৰাজা হুয়া আছে একজন॥
আমি আনি আছোঁ তোৰ বৰ বহিনীক।
সেহি হেতু ৰাজা মই পাতোঁ তোমাসাক॥ ১৩৫॥
ছাগৰ বাঘৰ কিবা আছয় ধেমালি।
বিৰালৰ আগে মূষকৰ কুলিমালি॥
সেহিমতে জোনো অমাসাৰ মাৰা জান।
সত্য কৰি কহিয়োক বুজোহোঁ প্রমাণ॥ ১৩৬॥
শুনি গদাধৰে কৰিলেক অঙ্গীকাৰ।
বহিনী সমন্ধে হোৱা ভিনীহি আমাৰ॥



বিশেষত আপদ-সমুদ্রে কৰা পাৰ।
কেনমতে তোমাৰেসে চিন্তিবোঁহো মাৰ॥ ১৩৭॥
সেহি হেতু তোমাৰেসে নলৈবোঁহো প্রাণ।
কৰিলোঁ শপত মই তযু বিদ্যমান।
পিতৃ-দেৱতাসব ইন্দ্রবংশে জাত।
সিসবো আসিয়া পৰিবেক নৰকত॥ ১৩৮॥
এহি বুলি শপত কৰিলা গদাপাণি।
মোক নমাৰিব হেন বৰফুকনে জানি॥

গদাপাণিৰ ৰাজপদত অধিস্থান।

ৰাজা পাতিবাক লাগি কৰিলা উদ্‌যুগ।
সকলো সম্ভাৰ গোটাই আনিলেক আগ॥ ১৩৯॥
চাপিয়া অনেক লোক সীমা-সংখ্যা নাই।
সৰিষতলিক লাগি সমদলে যায়॥
পণ্ডিত ব্রাহ্মণ আসিলেক আগধৰি।
শুভক্ষণ বেলা চাহি দিলা যত্ন কৰি॥ ১৪০॥
চাপৰিত লোকে সৰিয়হ আছে বৈই।
মাঘ মাসে ফুলি জকমক আছে হুই॥
তাহাৰ মাজত নিয়া বৈশায়া আসনে।
ৰাজা পাতি সেৱা কৰিলেক সৰ্ব্বজনে॥ ১৪১॥

গ্রন্থকাৰৰ মন্তব্য।

দেখা দেখা কালৰ ভৈলেক কেন গতি।
এক ৰাজা থাকে আউৰ পাতে নৰপতি॥
সেহি হেতু বিষয়ত আছয় জঞ্জাল।
নৰহিবে চিৰদিন যাইৱে অল্পকাল॥ ১৪২॥
এতেকে বিষয় সুখে নকৰিবা ৰতি।
ইহ পৰলোকে বুজিবাহা কৃষ্ণে গতি॥ ১৪৩॥

---

# দ্বিতীয় আধ্যা।

## স্বৰ্গদেৱ গদাধৰসিংহ।

### ঝুমুৰি।

ৰাজ-অভিষেক আৰু মঙ্গলাচৰণ।

গদাধৰ মহামানী।
বৰফুকনেও জানি॥
পাতিলেক মহাৰাজা।
নাহি তান সম তেজা॥ ১৪৪॥
সধৰা অবলা নাৰী।
উৰুলি জোকাৰ কৰি॥
সিঞ্চয়ই ঘটৰ জল।
মাথে সৰিয়ষ ফুল॥ ১৪৫॥
এহি বুলি উচ্চ কৰি।
হাতে কমণ্ডলু ধৰি॥
ঢালয় তাহাৰে জল।
ৰাজ্য পাউক অবিকল॥ ১৪৬॥
বিপ্রসবে পাঠ গায়।
দূৰ্ব্বা তুলসি লৈই।
বেদসব উচ্চৰয়।
নৌকা উঠিবাক যায়॥ ১৪৭॥
যত পুৰবাসী লোক।
জয়ধ্বনি কৰিলেক॥
বৰফুকন দানী-মানী।
গদা যে ধৰক আনি॥১৪৮॥



নৃপতি পাতিয়া লৈই।
সকলো সম্ভাৰ দেই॥
যাই গড়গাওঁ-পাটে॥
লৰাৰাজা আছে তাতে॥ ১৪৯॥
তাহাক নৈৰাশ কৰি।
পাউক যেন সেহি পুৰি॥
সঘনে উৰুলি দেয়।
গদাধৰ হৌক জয়॥ ১৫০॥
দুই পাশে ঢাক-ঢোল।
বজাৱে মৃদঙ্গ-তাল॥
আৰো কালী-ভেৰু বায়।
দণ্ড-ছত্র ধৰি যায়॥ ১৫১॥
এহিমতে নৌকা পায়।
তাতে আৰোহিলা যাই॥
সৰ্ব্বলোকে কৰে জয়।
ধন্য গদাধৰ ৰায়॥ ১৫২॥
তোৰ আশা পূৰ্ণ হোক।
ৰাম ৰাম বুলিয়োক॥ ১৫৩॥

---

### পদ।

গদাধৰসিংহৰ গড়গাওঁ যাত্রা।

সেহিমতে ৰাজা পাতি লৈয়া গদাধৰ।
উজাই ধৰিলা তাতে কৰি মাৰ-মাৰ॥
গধূলা সময় ভৈলে চপাৱে বালিত।
যাৰ যেহিৰূপে হয় অন্ন ভুঞ্জে তাত॥ ১৫৪॥

প্ৰভাত সময় ভৈলে মেলি দিয়ে নাৱ।
কোনো দিনা দিবা ভাগে অন্ন নুভুঞ্জয়॥
খাৱে জলপান তাতে কিছু নুজুৰাই।
ধৰ-মাৰ বুলি পুনু নৌকা মেলে যায়॥ ১৫৫॥
এহিমতে উজাই আসিলা সবে ঠাট।
পাঞ্চ দিনে পাইলা আসি দেখি বাট-ঘাট॥
গদা যে ধৰক ৰাজা পাতিবাক আনে।
ইটো কথা দক্ষিণপাটৰ গুৰু শুনে॥ ১৫৬॥

গুৰু-শিষ্যৰ বিবাদ।

বৰফুকন হোৱয় তাহান নিজ দাস।
সেহি হেতু মতাই নিলা তাহানেসে পাশ॥
ভোজন সম্ভাৰ সবাহাকে দিলা জুৰি।
নৃপতিয়ো খাইবাক দিলেন ভিন কৰি॥ ১৫৭॥
ফুকনকো লাগি দিলা মিঠৈও নিৰ্ম্মালি।
আপোনাৰ হাতে মালা পিন্ধাই দিলা আনি॥
শুনিয়ো ফুকন তুমি মোহোৰ সেৱক।
সেহি হেতু এক ভিক্ষা মাগোহোঁ তোমাক॥ ১৫৮॥
লৰাৰাজা নাম মাত্ৰ আছে ৰাজা হুই।
সৰ্ব্বলোকে আমাকেসে ৰাজা বুলি কয়॥
মই গুৰু হওঁ তাৰ তুমিয়ো সেৱক।
সিকাৰণে এহি দক্ষিণাক দিয়া মোক॥ ১৫৯॥
ফুকনে বুলিলা যদি হোৱা মোৰ গুৰু।
ইটো কথা মোত নকৈবাহা কল্পতৰু॥
মই একলৰ কথা নোহে এহি বুজা।
সকলো মিলিয়া তাঙ্ক লৈয়া আসে ৰাজা॥ ১৬০॥
সেহিমতে গদাকেসে লৈয়া আসো আমি।
কেনমতে গুচাইবাক কোৱা প্ৰভু তুমি॥



নকৈবা নকৈবা প্ৰভু ইথা আমাত।
পুনৰপি কহা ভাল নপাইবাহা মাত॥ ১৬১॥

গুৰু-শিষ্যৰ শাপাশাপি।

শুনি হেন ফুকনৰ নিষ্ঠুৰ বচন।
প্ৰভুৰ ভৈলেক তাতে মলিন বদন॥
মই গুৰু তই শিষ্য হৰ আমাসাৰ।
তথাপিতো হেন বাক্য বোল দুৰাচাৰ॥ ১৬২॥
নৃপতি পাতিয়া তই আনিয়াছ ভাল।
এহিমতে ভুঞ্জিবে নপাইবি কোনো কাল॥
তোৰ পুত্ৰ নাতি নহৈবক বৰফুকন।
নিষ্ঠ নিষ্ঠ কাৰি মই বুলিলোঁ বচন॥ ১৬৩॥
বৰফুকনে বোলে পুনু পায়া হেন শাপ।
অকাৰণে দিয়া শাপ কৰিলাহা পাপ॥
তোমাৰ বংশত নহৈবেক অধিকাৰী।
ইটো কথা মই বুলিলোঁহো আজি ধৰি॥ ১৬৪॥
সৰ্ব্বকালে শৰীৰে হুইবেক জড়াপ্ৰায়।
এহি শাপ দিলোঁ যদি নিজ শিষ্য হই॥
গুৰুৰে শিষ্যৰে সেহিৰূপে ভৈলা দ্বন্দ।
সেহি হেতু ফুকনৰ পৰিলেক মন্দ॥ ১৬৫॥
ফুকনৰ শাপে শৰীৰত কিছু হয়।
পুনৰপি তান বংশে অধিকাৰী নাই॥

গড়গাওঁত গদাধৰসিংহ।

দক্ষিণবাটৰ ঘাটে থাকি এক দিন।
প্ৰাতসতে সৰ্ব্বলোকে কৰিলা ভোজন॥ ১৬৬॥
নৌকা আৰোহণ হুয়া ধৰিলা উজাই।
গধূলা সময়ে আসি দিখৌমুখ পায়॥
নৃপতি সহিতে তাতে ৰৈলা সৰ্ব্বলোক।
ভোজন কৰিয়া নিশাগোট বঞ্চিলেক॥১৬৭॥

প্ৰভাততে উঠিলেক ৰাজা ও ফুকন।
নৌকা মেলিবাক সবাহাকে দিলা জান॥
দিখৌয়ে সোমাই চলে মাৰ মাৰ কৰি।
ইপাৰে সিপাৰে নৌকা চলিলেক জুৰি॥ ১৬৮॥
লৰাৰাজা লগে যত বৰুৱা ফুকন।
ডাঙৰীয়াসব আছিলেক তিনিজন॥
গদা যে ধৰৰ যিবা বুজি আছে বল।
সেহি হেতু সিসবে এৰয় মূত্ৰ-মল॥ ১৬৯॥
কোনো পলাই ৰহিলেক কোনো হুয়া আগ।
খেদি আসি ধৰিলেক গদাধৰ লাগ॥
কতিপয় দিনে যাই পাইলা সেহি ঠাই।
ঠাট-কটকে যে ভৰিলেক গড়গাওঁ॥ ১৭০॥

গাড়গাওঁত লৰাৰাজা লগে যত লিগিৰাও হয়।
ৰাজপাটত তাক এৰি সিসবেও দিশাদিশি যায়॥
গদাধৰসিংহ। একলশৰে ৰৈলা ৰাজা কাৰেঙ্গ ভিতৰে।
কি কৰিবোঁ কৈক যাইবোঁ বুদ্ধি নাহি তাৰে॥ ১৭১॥
সেহি সময়তে যিবা কৰিলা ফুকন।
ৰাজা পাতিবাক লাগি কৰিলা যতন॥
গড় যে গাৱঁৰ বৰচৰাত বসিলা।
ফুকন বৰুৱা যত তাহাতে চাপিলা॥ ১৭২॥
বিষয়া আসিয়াছিলো লগে যত যত।
লৰাৰজা এৰি লাগ ধৰি আছে কত॥
সবে মিলি গদা যে ধৰক তুলি নিয়া।
পূৰ্ব্বৰ নিৰ্ব্বন্ধৰূপে আসনে তুলিয়া॥ ১৭৩॥
সৰ্ব্বলোকে ৰাজা পাতি কৰিলেক সেৱা।
লৰাৰাজা তাঙ্ক নগৰৰ বাজে থৈয়া॥



লৰাৰজা পুনৰপি নামৰূপত ৰাখিলেক যাই।
বধ। কিছুদিনমানে যোগানক আছে খাই॥ ১৭৪॥
পুনৰপি ৰাজা হৈবে চিন্তিলা উপায়।
সিসব কথাক গদাধৰে জনা যায়॥
মৰাইলা যিমতে তাঙ্ক নভৈলেক দায়া।
পাট যে সূত্ৰৰ আছে টঙ্গালি বুলিয়া॥ ১৭৫॥
ধৰিলেক লৰাৰাজা তাৰ জ্ঞান নাই।
লগায়া টঙ্গালি গলে দুজনে টানয়॥
যেন কোনো গিৰি টেকেলিত দুগ্ধ ভৰি।
ডিঙ্গিত লগায়া বান্ধে টমালৰ জৰী॥ ১৭৬॥
সেহিমতে ৰাজাৰ গলত দিয়া টানে।
সহিব কিমতে মৰি গৈলা তেতিক্ষণে॥

ৰাজভোজ। সেহি পাটে গদাধৰ ভৈলা ৰাজোৱান।
তাহাৰ সমান কোন আছে বলবান॥ ১৭৭॥
একদিনা শুনিলেক লোকে নাম গায়।
সোধে গদাধৰে আত কোনে পাৰে হায়॥
কহিলা ফুকনে নাম গাৱে ভক্তলোকে।
অহোমে কি শূদিৰে বা নাহি বুজো তাকে॥১৭৮॥
শুনি ৰাজা বুলিলে গুচিলে মোৰ ৰাজ।
হাতে তালি বায়া মৰে কিবা আছে কাজ॥
যি হৌক সি হৌক আৰ আছয় উপায়।
কালি প্ৰভাততে বৰভোজ পাত যাই॥ ১৭৯॥
সাত গাই মাৰিয়া ৰন্ধাস ভালমতে।
আহোম লোকক মাতি আনিয়ো চ'ৰাতে॥
সকলো একত্ৰ হুয়া খাইবোঁ মই ভাত।
শুনি বৰফুকনেও ৰন্ধায় সেহিমত॥ ১৮০॥

বুজিলেক মন্ত্ৰী হেন নকৰিলা একো।
বৰফুকন পাতি পঠাই দিলা তাকো ॥
একজনা ৰাজা যদি থাকে পাটে হুই।
আউৰ একজনা ৰাজা লৈবাক নপায় ॥ ১৯৪ ॥
পুনৰ্ব্বাৰ যদি কোনো কৰে এহিমতে।
তাৰো এহি গতি হৈব নৃপতি আজ্ঞাতে ॥
এহিসে ঘোষণা শুনাইলেক সেহি বেলা।
সন্দিকৈ-ফুকন বৰফুকন হৈয়া গৈলা ॥ ১৯৫ ॥
বন্দৰেয়ো গুৰুৰেসে বাক্য নুশুনিলা।
সিকাৰণে তাৰ মান লোকে কাঢ়ি লৈলা ॥
উপকাৰ কৰে তভো অপকাৰ হয়।
আসোমৰ কথা কোনে বুজিবে পাৰয় ॥ ১৯৬ ॥
ভাঙ্গিল ভিনীহি তাৰ নাচাহিল বাই।
হেন জানি উপকাৰ কৰা ভাল নয় ॥

চাংমাই বধ। এহিমতে সবাহাকো মাৰি কৈলা ছাই।
পুনৰপি বিচাৰ কৰিলা চাঙ্গমাই ॥ ১৯৭ ॥
বলবান ৰাজা থুলন্তৰ কলেৱৰ।
তাহাক লাগয় জানা বিস্তৰ আহাৰ ॥
পূৰ্ব্ব-ৰাজাসকলৰ আছে চাঙ্গমাই।
যেহিৰূপে আছে দিয়া সেহিৰূপে দেই ॥ ১৯৮ ॥
বাচি বাচি চাউল লৰে ৰান্ধে তাৰে অন।
ভাল সুপকৰ কৰি দিৱয় ব্যঞ্জন ॥
সেহিমতে মেল আনি দিৱয় আগত।
দুই-চাৰি গ্ৰাস খাইলে ধুকাই যায় ভাত ॥ ১৯৯ ॥
নভৰয় পেট ৰাজা মনে ক্ৰোধ হয়।
সেহিগোট চাঙ্গমাই কাটিবে দিৱয় ॥



অন্য একজন পুনু দিয়ে ৰান্ধিবাক।
সিয়ো সেহিৰূপে দিয়ে কাটে নিয়া তাক ॥ ২০০ ॥
এহিমতে চাঙ্গমাই বহুত কাটয়।
নৃপতিক ভাত দিতে আগ নবাঢ়য় ॥
যাৰ যিবা বাব আছে এৰাব কিমতে।
বৃদ্ধ চাঙ্গমাই এক আনি দিলা তাতে ॥ ২০১ ॥
সিয়ো পূৰ্ব্বৰতে ৰান্ধি আগে দিলা নিয়া।
কাটিবাক দিলা তাকো লৈ যাই ধৰিয়া ॥

চাংমাইৰ প্ৰতি পোহাৰীৰ উপদেশ। তাৰ পুত্ৰ কান্দয় বাপৰ গলে ধৰি।
দেখিয়া সোধয় তাকে ৰমণী পোসাৰী ॥ ২০২ ॥
চিনি আছোঁ মোক প্ৰাণ দিয়াছিলা সিটো।
অলপ আহাৰ দিয়ে কাটে তাৰ হেতু ॥
পুছিলেক দুয়ো জনে কান্দ কি কাৰণে।
তোহোৰ বিকল দেখি দুখ লাগে মনে ॥ ২০৩ ॥
কহিলেক তাৰ পুত্ৰে আমি চাঙ্গমাই।
যত ৰাজা হুয়া গৈলা ভাত ৰান্ধি দেই ॥
তথাপিতো এহিৰূপে জগৰ নহয়।
ইটো ৰাজ চাঙ্গমাই কাটি ধুকুৱায় ॥ ২০৪ ॥
ৰমণী বোলয় বাপ কাটিবেক তোৰ।
যদি তুই ৰাক্ষস মোহোৰ বোল কৰ ॥
নাবাচিয়া চাউল ৰান্ধিবিহি এক দোণ।
তাহাতে বিস্তৰ কৰি দিবিহি ব্যঞ্জন ॥ ২০৫ ॥
ডাল-শাক ভাজি দিবি ডাল ডাল কৰি।
এক পোসা মান জলকীয়া দিবি পুৰি ॥
পোৰা কাঠীৰৰা তাৰো দিবি কিছুমান।
তেবেসে তোহোৰ ভালে ৰহিবেক জান ॥ ২০৬ ॥

উপদেশ অনুযায়ী ৰান্ধোন।

শুনি হেন কথা সিটো গুণিলা মনত।
যদি মাৰে হুইব ভাল বাপৰ লগত॥
পালটিয়া যায় সিটো চাঙ্গমাই শালে।
বাৰে কঠামান চাউল ভাতক ৰান্ধিলে॥ ২০৭॥
গাই মাৰি পাচপিৰা কৰিলা ব্যঞ্জন।
আগপিৰা এক গোট কৰিলা ভাজন॥
আৰো তাতে কৰিলেক পিঠা পৰমান।
ডাল-শাক ৰান্ধিলেক উধান সমান॥ ২০৮॥
সবাকো বাটিত ভৰি থৈলেক পূৰাই।
দুই মাইহাঙ্গত ভাত দিলেক দমাই॥
জানাইলেক নৃপতিক হুয়া আছে মেল।
ভোক পায়া আছিলেক তত্তকালে গেল॥ ২০৯॥
দেখা পাইলা যাই মোৰ আছে মন পুৰি।
নৰহিলা অন্নসব খাইল পেট ভৰি॥

ৰজা আৰু চাংমাই।

সেহি দিনা চাঙ্গমাইক হৰিযে পোশয়।
এহিৰূপে অন্ন দিবে কোনে কহিছয়॥ ২১০॥
ভাত দিয়া তাহাৰ শৰীৰে তত্ত নাই।
বিস্তৰ দিয়াছ বুলি কিজানি কাটয়॥
দণ্ডৱতে পৰি কহিলেক নৃপতিত।
বিস্তৰ দিবাক মোৰ নাছিল মনত॥ ২১১॥
কৈলা এক পোসাৰীয়ে আমাসাৰ আগে।
অন্ন আৰু ব্যঞ্জন বিস্তৰ দিব লাগে॥
অলপ খাইবাক পাই কাটে চাঙ্গমাই।
সেহি হেতু বিস্তৰ কৰিয়া দিবি তই॥ ২১২॥
ইহাক বিচাৰি কাটিলেসে হোৱে ভাল।
পৰি নৰপতি আগে বিস্তৰ কান্দিল॥



শুনি গদাধৰে বোলে নকৰিবি ভয়।
মোৰ যোগ্য ভোজনক দিয়া আচ তই॥ ২১৩॥
যত চাঙ্গমাই সিসবৰ অধিকাৰী।
তোহোক বৰুৱা পাতিলোঁহো আজি ধৰি॥

পোহাৰীৰ সংশয়।

যি পোসাৰী ভাত দিতে আছিলেক কৈই।
সেহি পোসাৰীক শীঘ্ৰে আনিয়োক যাই॥ ২১৪॥
চাঙ্গমাই-বৰুৱা হৈই যায় বেগ ধৰি।
ৰমণী পোসাৰী ধৰি আনে জাণ্ট কৰি॥
পোসাৰীয়ো মনে বৰ পায়াছিলা ভয়।
চাঙ্গমাই লগে জোনো মোহোক কাটয়॥ ২১৫॥
আপোনাৰ মুখে কহি লগাইলোঁ জগৰ।
আউৰ কেনমতে প্ৰাণ ৰহিবে আমাৰ॥
যি হোক সি হোক মোৰ বিধিৰ লিখন।
ৰাজা ভৈলে পূৰ্ব্ব কথা নপৰয় মন॥ ২১৬॥
এহিমতে গুণি-গান্থি গৈলেক পোসাৰী।
নৃপতিৰ সমুখে দিলেক আগ কৰি॥

পোহাৰীৰ প্ৰতি ৰাজ-অনুগ্ৰহ।

দেখি গদাধৰ ৰাজা তাইক চিনি পাই।
বুলিলা পোসাৰী বাই নকৰিবি ভয়॥ ২১৭॥
তোৰ উপকাৰ মই যত আছোঁ পাই।
তইসে মোহোক চিনি আচ বা কি নাই॥
বোলয় পোসাৰী সৰ্ব্ব কথা আছোঁ পাই।
তথাপিতো নৃপতিক চিন দিবে ভয়॥ ২১৮॥
যদি দাসী হেন মোক মানি আছা মনে।
তোমাৰ কথাক মই পাসৰিবোঁ কেনে॥
বুলিলেক গদাধৰে শুনিয়োক বাই।
তোক বৰপোসাৰী পাতিয়া দিলোঁ মই॥ ২১৯॥

তোহোৰেসে নামে হৈবে ৰমণী-বজাৰ।
সৰ্ব্বলোকে বেহাইবেক তোক দিলোঁ ভাৰ॥
আৰু তাইক বস্ত্ৰ অলঙ্কাৰ দিলা ভাল।
ইহাতে পিন্ধিয়া তই গৃহে লাগি চল॥ ২২০॥
মোৰ পূৰ্ব্ব কথা তই নকৈবি আনত।
কান-মাৰি ডালি আনি দিবি মোৰ হাত॥
শুনিয়া পোসাৰী চলি গৈলা তেতিক্ষণে।
দিলা কান-মাৰি নিয়া ৰাজা বিদ্যমানে॥ ২২১॥
সেহি দিনা ধৰি চাঙ্গমাইৰ ৰৈলা প্ৰাণ।
ৰমণী-বজাৰ নাম ভৈলা সেহি দিন॥

গদাধৰ-সিংহৰ পূৰ্ব্ব-জন্ম কাহিনী।

বকাসুৰে আসিয়া ভৈলেক গদাধৰ।
ভক্ষাভক্ষি একো তাৰ নাহিকে বিচাৰ॥ ২২২॥
গো-মহীষ-বৰাহকো আদি কৰি।
যিসব ভুঞ্জিলে তাক কহিতে নপাৰি॥
ভক্ষ্য অভক্ষ্য যত জন্তু পৃথিবীত।
সবাকে ভুঞ্জিলা বাক্কী নথাকিল আত॥ ২২৩॥

ৰজাৰ নৰমাংসলৈ ইচ্ছা।

মনুষ্যৰ মাংসে আশা আছিলেক মনে।
চাঙ্গমাই-বৰুৱাত কহিলা গোপনে॥
শুনি চাঙ্গমাই কৈলা মন্ত্ৰীৰ আগত।
সেহি কথা শুনি মন্ত্ৰী মুণ্ডে দিলা হাত॥ ২২৪॥
মনুষ্যৰ মাংস আছে অতি সুকোমল।
তাৰ স্বাদ পাইলে নেৰিবেক কোনো কাল॥
এই বুলি অন্য মাংস ৰন্ধাই ভাল মতে।
নৰ বুলি দিলা নিম্ব মিসলাই তাতে॥ ২২৫॥
ভুঞ্জি তিক্ত পায়া বোলে নুহি কয় ভাল।
সেহি দিনা নৰ-মাংস আসা দূৰে গেল॥



আলি, পুখুৰী আৰু দ'ল নিৰ্ম্মাণ।

এহিমতে গদাধৰসিংহ ৰাজা হৈই।
দিজৈখনাত শিলাসাঁকোক বন্ধায়॥ ২২৬॥
ৰহদৈ পুখুৰী দ'ল আলিকো বান্ধিল।
তাতো শিলাসাঁকো দিয়া আলি কৰি দিল॥
অকাৰ আলি, ধোদৰ আলি তাহাকো বন্ধাইলা।
দিহিঙ্গীয়া বৰবৰুৱা আলি কৰি দিলা॥ ২২৭॥
হলো ফুকনে বন্ধা আলি আৰো খৰাদ'ল।
খৰাগড় চৰাইদেওত গোটা দ'লকো বন্ধাইল॥
পুখুৰী পৰ্য্যন্তে আৰো দিলা তাতে কৰি।
উপদ্ৰৱ নভৈলেক সেহি দিনা ধৰি॥ ২২৮॥

ইটাখুলিতে মঞ্জুৰ-খাঁৰ সৈতে যুদ্ধ।

মঞ্জুৰ-খাঁ নবাবেৰে শুক্ৰেশ্বৰ ঘাটে।
ৰণ লাগিলেক যাই ইটা যে খুলিতে॥
ভৈল যুদ্ধ বঙ্গাল তাহাতে হাৰিলেক।
খেদি নিয়া ৰঙ্গামাটিতেসে এৰিলেক॥ ২২৯॥
সেহি দিনা হন্তে তাৰে ৰণক নহয়।
মনাহাকে সীমা কৰি আসয় উজাই॥

উমানন্দৰ দ'ল নিৰ্ম্মাণ।

উমানন্দতেসে দ'ল বান্ধে সিবেলাত।
আসি তাৰ হন্তে পশিলেক নগৰত॥ ২৩০॥
গদাধৰসিংহ ৰাজা মহা বলবান।
নুহিবেক পুনৰপি তাহাৰ সমান॥

গদাধৰসিংহৰ মৃত্যু।

সন্ত-মহন্তক সিটো দিয়া আছে তাপ।
সেহি হেতু তান গাৰে সিজি আছে পাপ॥ ২৩১॥
শতেক বিংশতি আয়ু আছিলেক যাৰ।
অৰ্দ্ধেক গৈলেক ক্ষয় কাল আইল তাৰ॥
নৃপতিৰ মৃত্যু ভৈলে স্বৰ্গী বুলি কয়।
মহা পাপ গাৰে যাৰ নৰ্ক-বাসে যায়॥ ২৩২॥

আয়ু পাত ভৈল পৰলোকে গদাধৰ।
লাই লেচাই দুই পুত্ৰ ৰৈলা তাৰ॥
দেখা দেখা কেনে ইটো কালৰ পৰাই।
খেণেকতে পাৰে দেখা খেণেকতে নাই॥ ২৩৩॥
বিজুলী চটক যেন জীৱন অথিৰ।
হেন জানি ভজিয়োক চৰণে কৃষ্ণৰ॥ ২৩৪॥

## ছবি।

ৰাজপাটত ৰুদ্ৰসিংহ।

পৰলোকে গদাধৰ গৈল যিবেলাত আৰ
যি কৰিলা শুনিয়ো ব্যৱস্থা।
ফুকন বৰুৱা যত তিনি ডাঙ্গৰীয়া তাত
ৰাজা পাতিবাৰ হুয়া কথা॥
জ্যেষ্ঠপুত্ৰ লাই তান মহা সিটো গুণবান
তাহাক কৰিলা মনে থিৰ।
পূৰ্ব্বৰ ব্যবস্থা কৈয়া ৰুদ্ৰসিংহ নাম দিয়া
সেৱা কৰিলেক সাত বাৰ॥ ২৩৫॥

গদাধৰসিংহৰ মৈদাম।

তান্ক পাটে তুলি থৈয়া মৃতক ৰাজাক লৈয়া
নগৰৰ কৰিলেক বাজ।
চৰাইদেও পৰ্ব্বতক মৈদাম বান্ধিবাক
লৈয়া গৈলা যত সমৰাজ॥
পৰ্ব্বত সমান কৰি মৈদাম আছে কৰি
বান্ধিছে বহুত লোকে গৈই।
তাহাৰ ভিতৰে ভৰি আসন তাহাতে পাৰি
থৈলা নিয়া ৰাজাক শুৱাই॥ ২৩৬॥



সুবৰ্ণৰ পাত্ৰ যত অন্নক ভুঞ্জয় তাত
মাইহাঙ্গ-ভৃঙ্গাৰ-বাটি-বেলা।
সিসবকো দিয়া আছে নৰপতি চতুৰ্পাশে
ধন-সোণ পেৰা ভৰি দিলা॥
তিনিজনা ডাঙ্গৰীয়া ভিনে ভিনে আছে দিয়া
ৰজতৰ অনেক ভাজন।
লোটা-বাটি-কাঁহী আৰু বস্ত্ৰ-অলঙ্কাৰ-বাৰু
মৃতক ৰাজাক দিয়ে তান॥ ২৩৭॥
ফুকন বৰুৱা হয় সিসবেয়ো দিয়াছয়
কাংস-লোটা বাটিও অনেক।
ভাল ভাল লোক যত সিসবেও দিয়ে তাত
মৈদাম ভিতৰ ভৰিলেক॥
লিগিৰা পাচনি ভাল নৰপতি ধৰে আল
তাকো দেই ৰাজাৰ লগত।
মাৰিলা কপাট দ্বাৰ ৰহিলা ভিতৰে তাৰ
দিলা মাটি তাৰ ওপৰত॥ ২৩৮॥
দ'ল পূৰ কৰি থৈয়া ইসবে বাহিৰ হুয়া
মৃতকৰ লগে দিলা জীয়া।
লক্ষে লক্ষে দিলা ধন সোণা দিলা যত মান
তাক কোনে আছয় গণিয়া॥
সেহিমতে দিয়া থৈই সবে ঘৰা-ঘৰি যায়
মৃতককো এৰিলা তথাত।
কৈত শুনি আছা হেন মৰাকে কি লাগে ধন
থাকিলেক মাটিৰ তলত॥ ২৩৯॥
এহিসব কথাক নাজানি আছিলা লোক
কোনে কহিলেক অভিপ্ৰায়।

খানিয়া মৈদাম মান নিলা যত ধন সোণ
মৃতকক থৈয়া বগৰাই ॥
সেহি ধন সোণ খানে আনিছিলা যত জনে
বহুকাল কি ভুঞ্জিবে তাক।
লোকক কৰিয়া সুখী আপুনি ভৈলেক দুখী
যমেৰ যাতনা ভুঞ্জিবেক ॥ ২৪০ ॥
হেন জানি পৰ ধন তাহাত নিদিবা মন
ইসে মহা অনৰ্থৰ ঘাই।
সব আশা পৰি হৰি কৃষ্ণক হৃদয়ে ধৰি
ঘুষিয়োক চৰণে সদায় ॥ ২৪১ ॥

গদাধৰসিংহ মহাৰাজাৰ কাহিনী সমাপ্ত।

---

# তৃতীয় অধ্যায়।

## স্বৰ্গদেৱ ৰুদ্ৰসিংহ

শ্ৰীকৃষ্ণায় নমঃ

পদ

বন্দনা। জয় জয় কৃষ্ণৰ চৰণে কৰোঁ সেৱ।
জীৱেৰ জীৱন প্ৰভু তুমি আদি দেৱ ॥
সত্য সনাতন সদাশিৱ দামোদৰ।
তোমাৰ চৰণে কৰোঁ কোটি নমস্কাৰ ॥ ২৪২ ॥
মই অল্পমতি একো নজানোঁ ভকতি।
অপৰাধ ক্ষেমা কৰিবাহা যদুপতি ॥
গদাধৰ উপাখ্যান ভৈলা অৱসান।
আৰো পুনৰপি কহিবাক আৰম্ভন ॥ ২৪৩ ॥

স্বৰ্গদেৱ শ্ৰীশ্ৰীৰুদ্ৰসিংহ নাম যাৰ খ্যাতি।
ৰুদ্ৰসিংহ। গদাপাণিৰেসে সুত গোবৰৰ নাতি ॥
তাহান কাহিনী কিছুমান কহোঁ মই।
এক মনে সভাসদে শুনিবে লাগয় ॥ ২৪৪ ॥
মহাপৰাক্ৰমী তাত পৰে নাহি আৰ।
গহীনত যেন মেৰু গম্ভীৰে সাগৰ ॥
গড়গাওঁ পাটে ৰাজা ভৈলেক প্ৰধান।
শিঙ্গৰিঘৰ উঠি চুখুংফা নাম তান ॥ ২৪৫ ॥

বিষয়া ফুকন বৰুৱা আগে যতেক আছিলা।
ভঙ্গা-পতা। কেতোকো ভাঙ্গিলা আৰু কেতোকো পাতিলা ॥

খামপিঙ্গ ফুকন আৰো লাইচেঙ্গ কুঞৈগঞা।
দিলিহীয়াৰ আৰো খাম্পাত আফুৰা॥ ২৪৬॥
এহি তিনিক ক্রমে পাতে বুঢ়াগোহাঁই।
কেন্দুগুৰীয়া চেংকঙ্গক ৰাজমন্ত্রী পাতি দেই॥
লাইথেপেন বৰগোহাঁই মৰিলেক।
তাৰ পুত্র পাতি দেই কমলাকান্তক॥ ২৪৭॥
দিলিহীয়াল বুঢ়া এক কোটা পাতৰৰ।
দিহিঙ্গীয়া ডেকা আৰু বৰাগী সন্দিকৈৰ॥
এহি যে চাৰিক ক্রমে বৰবৰুৱা পাতে।
সন্দিকৈৰ বৰফুকন পূৰ্ব্বহন্তে তাতে॥ ২৪৮॥
সেহি বৰফুকনেও হিলৈচৰাক সজাই।
ছুই মূৰে ভালৰূপে মগৰ লগাই॥
বাইবাক লাগিয়া নাৱৈচাক শিকাই।
লাচ লগাই নৃপতিক ৰঙ্গ দেখাৱয়॥ ২৪৯॥
মগৰীচৰা আৰো বহৰি ও শেন।
ছুইৰো ৰঙ্গ দেখাইলেক সেহিসে ফুকন॥
ছুৰবাৰ বৰজনা পাতৰৰ এক।
ক্রমৰূপে বৰফুকন পাতে ছুহান্তক॥ ২৫০॥

ৰুদ্রসিংহৰ সপোন।

এহিমতে ৰাজা হুয়া আছয় ভূপাল।
সোপ্নত আসিয়া গদাধৰে দেখা দিল॥
সন্ত-মহন্তক মই কৈলোঁ অপকাৰ।
সেহি দোষে দেখা বাপু শৰীৰ আমাৰ॥ ২৫১॥
যমৰ শাস্তিত মোৰ গাৱ জীর্ণ হয়!
তাহাতে আসিয়া কীট-পটঙ্গেও খায়॥
এতেকেসে বাপু তই বিলম্ব নকৰি।
মহন্তসৱকো আনিয়োক মান্যকৰি॥ ২৫২॥



যাৰ যিবা ভূমি আছিলেক পূৰ্ব্বৰতে।
তামাফলি কৰি দিয়া পাতিয়োক তাতে॥
ইহাক নকৰি যদি অৱহেলা কৰ।
আতো কৰি শাস্তি গাৱে বাঢ়িবে আমাৰ॥ ২৫৩॥
পিতৃৰ অৱস্থা দেখি নৃপতি কান্দিলা।
কান্দি থাকন্তেয়ো পাচে নিদ্রাৰ জাগিলা॥
চেতন লভিয়া ৰাজা গুণয় মনত।
মোহোৰেসে পিতৃ কৰিলেক অযুগুত॥ ২৫৪॥

নিজ নিজ ঠাইত মহন্তসকলৰ সংস্থাপন

ব্রাহ্মণ কায়স্থ যত মহন্ত সবাক।
ৰগুভণ্ড কৰি ছুখ বিস্তৰ দিলেক॥
সেহি দোষে শৰীৰে হুয়াছে হেন গতি।
আমি মান্য দিয়া থওঁ পূৰ্ব্বৰতে পাতি॥ ২৫৫॥
ইহাক কৰিবোঁ মই পিতৃৰ আজ্ঞাত।
তেবেসে পিতৃৰ ছুখ গুচিবেক যত॥
এহি বুলি দূত পাঞ্চিলেক সেহি ঠাই।
মহন্তসৱক শীঘ্রে অনাইলা মতাই॥ ২৫৬॥
আদৰ কৰিলা বহু কৰিয়া সম্মান।
পূৰ্ব্বৰতে আজ্ঞা দিলা যাৰ যিবা থান॥
গো-ভূমি দিলা আৰো সুৱৰ্ণ-ৰজত।
তামৰ ফলিক কৰি দিলা সিবেলাত॥ ২৫৭॥
কহিলেক মোৰ পিতৃ কৈলা অপকাৰ।
মোক চাই সব দোষ কৰ পৰিহাৰ॥
যমৰ যাতনা সবে গুচোক নিকাৰ।
এহি অনুগ্রহ কৰিবাক লাগে মোৰ॥ ২৫৮॥
শুনিয়া মহন্তসৱে কৰে আশীৰ্ব্বাদ।
তযু পিতৃ শৰীৰৰ গুচোক আপদ॥

ধন্য ধন্য ৰুদ্ৰসিংহ তুমি ৰাজ ধাৰী।
অকণ্টকা ভাৰে ভুঞ্জিবাহা বসুন্ধৰী॥ ২৫৯॥
তোমাৰেসে তনয় হুইবেক চাৰিজন।
ভুঞ্জিবেক ৰাজ্য ভোগ তোমাৰ সমান॥
এহি বুলি গৈলা সবে আপুন ভবনে।
সত্ৰ অধিকাৰী ভৈলা নিজ নিজ থানে॥ ২৬০॥
মূৰ্ত্তি ভাগৱত লৈয়া সত্ৰ সভা কৰি।
মহা মহোৎসৱ কৰে সেহি দিনা ধৰি॥
মহন্তসৱৰ বাক্য কি হবে খণ্ডিত।
নৃপতিৰ চাৰিয়ো তনয় ভৈলা জাত॥ ২৬১॥

**ৰুদ্ৰসিংহৰ পুত্ৰসকল।**

শিৱসিংহ, প্ৰমত্তসিংহ আৰো ৰাজেশ্বৰ।
আৰো এক ভৈলা বৰজনা নাম তাৰ॥
বাঢ়িলেক দিনে দিনে ৰাজাৰ কুমাৰ।
পিতৃৰ মনত বহু হৰিষ আপাৰ॥ ২৬২॥
ব্ৰাহ্মণ বৈষ্ণৱ সবাহাকো কৰে দান।
মহন্তসৱকো পুনৰপি দিয়ে মান॥
সেহিমতে হৰিষে আছয় নৃপমণি।
পুনৰপি যি কৰিলা শুনিয়ো কাহিনী॥ ২৬৩॥

**গড়, দ'ল, পুখুৰী আদি।**

প্ৰথমতে তেজিত বান্ধিলা বৰগড়।
মেটেকাত সজাইলেক ৰংপুৰ নগৰ॥
মাতৃ-বহিনীক যৈত কৰি আছে হত।
জয়সাগৰ দ'ল পুখুৰীয়ো তাত॥ ২৬৪॥
ৰঙ্গনাথৰ দ'ল খনায়া পুখুৰী।
সজাইলা ফাকুৱা দ'ল আতি বিপৰীত কৰি॥
নামদাঙ্গত শিলাসাঁকো বান্ধিলেক ভাল।
দিমৌৰ ছুই শিলাসাঁকোক বান্ধিল॥ ২৬৫॥



মেটেকাৰ আলি ভালমতে বান্ধি আছে।
খৰিকটীয়া আলি বান্ধে তাৰ পাছে॥
ছুবৰিয়নী আলি তাহাকো বান্ধিল।
সৰ্ব্বে কৰ্ম্মহুয়া গৈল বাকী নাথাকিল॥ ২৬৬॥

**মেটেকাত ৰংপুৰ নগৰ।**

মেটেকাত কি কাৰণে ভৈলেক নগৰ।
সিটো কথা বুজিবাহা কহোঁ পুনৰ্ব্বাৰ॥
বৰফুকনে বহৰিৱ উলিয়াইলা মেল।
তাহাকে মেলিবে তাত চোঙ্গক পাতিল॥ ২৬৭॥
শেনক মেলিবে নৃপতিক লৈয়া যায়।
উৰিয়া কোনোৱা যাই মলয়াক পাই॥
দেখোঁ নেদেখোঁ হেন হোৱে যি বেলাত।
দিলা বহৰিক মেলি উঠিলা পাকত॥ ২৬৮॥
কনোৱাক পায়া তাৰ ধৰিল ডিঙ্গিত।
ঘূৰি ঘূৰি পৰে আসি নৃপতি আগত॥
পাইলেক আনন্দ ৰাজা কি কহিবোঁ কথা।
বৰফুকনক ভালে পিন্ধাইলেক বঁটা॥ ২৬৯॥
সেহি দিনা তাতে ৰাজা বহু ৰঙ্গ পাইলা।
নগৰ সজায়া ৰঙ্গপুৰ নাম দিলা॥
সেহি নগৰত ৰাজা থাকে সৰ্ব্বদায়।
তাত পাচে যি কৰিলা শুনা অভিপ্ৰায়॥ ২৭০॥

**জয়ন্তা দেশ আক্ৰমণৰ আয়োজন।**

জয়ন্তা দেশক আক্ৰমণ কৰিবাক।
সেনা সমন্বিতে নৰপতি চলিলেক॥
নগাৰঁৰ মিছামুখে সজায়া বাহৰ।
তাহাতে ৰহিলা সম দলে নৰেশ্বৰ॥ ২৭১॥

**জয়ন্তা আৰু কছাৰী ৰজালৈ কটকী।**

জয়ন্তাৰ ৰামসিংহ, তাম্ৰধ্বজ কছাৰীৰ।
ৰাজা ছুইকো লাগি দূত পাঞ্চে নৃপবৰ॥

গদাধৰসিংহ ৰাজা মহা বলবান।
মানাহাকে সীমা কৰিলেক যিবাজন॥ ২৭২॥
তাহাৰ তনয় মোৰ ৰুদ্ৰসিংহ নাম।
দুষ্টৰ নিমিত্তে মই যেন কাল যম॥
স্ব ইচ্ছাতে আসে যদি আমাসাৰ ঠাই।
তেবেসে তাহাৰ ভালে প্ৰাণ ৰক্ষা যায়॥ ২৭৩॥
যদিবা নাসয় নিদিবয় কৰ-ধন।
সপুত্ৰ বান্ধৱে তাৰ নৰহিবে জান॥
এহি বুলি কটকী পাঞ্চিলা দুইৰো ঠাই।
কহিলেক গৈয়া দুয়ো ৰাজাকেসে যাই॥ ২৭৪॥
বুজিলেক দুয়ো ৰাজা সম নোহোঁ তান।
কিমতে যুজিবোঁ আমি দিবোঁ কৰ-ধন॥

জয়ন্তা আৰু কছাৰী ৰজাৰ বিৰুদ্ধে যাত্ৰা।

আসিবাক লাগি দুয়ো কৰিলেক মন।
অকস্মাৎ ভৈলা তাৰ দুই চাৰি দিন॥ ২৭৫॥
ক্ৰোধ ভৈলা মহাৰাজা জলন্ত অগনি।
সেনাসকলক পাঞ্চিলেক তেতিক্ষণি॥
জয়ন্তাক যায়ো শীঘ্ৰে নথাকিবি ৰৈই।
নাসিলেক সিটো ৰাজা ধৰি আন গৈই॥ ২৭৬॥
এহি আজ্ঞা দিয়া ৰাজা ধৰিলা উজাই।
ৰহিলেক আসি বিশ্বনাথ ঘাট পাই॥
আসিলেক ৰামসিংহ জয়ন্তাৰ পতি।
কছাৰীৰো ৰাজা আসে তাহান সঙ্গতি॥ ২৭৭॥
সেনাসবে নপাইলেক আসিলেক আগ।
বিশ্বনাথতেসে নৃপতিক ধৰে লাগ॥
তাহাতে সম্ভাষা ভৈলা ৰাজা দুই জন।
মহাৰাজা দুই হানকো দিলা তাতে মান॥ ২৭৮॥



RAM DHEKIALPHOOKAN COLLEGE LIBRARY
No
Date
NOGWONG

কটকসকলে সেই জয়ন্তা পুৰত।
দেখিলেক ৰাজা নাই তাহান গৃহত॥
দেখন্ত জয়ন্তা দেবী আছে তাৰ ঠাই।
সিসবেয়ো গোসাঁনীক আনে ছল পাই॥ ২৭৯॥

আহোমৰ পৰাজয়।

আছিলেক দুই পুত্ৰ ৰাম যে সিংহৰ।
দেখে গোসাঁনীক কাঢ়ি লৈ যায় আমাৰ॥
এহি বুলি খেদিয়া ধৰিলা আগবাঢ়ি।
মাৰিলেক সেনা গোসাঁনীকো নিলা কাঢ়ি॥ ২৮০॥
ৰণ হাৰি আসি মহাৰাজা আগে কৈলা।
ৰাম যে সিংহৰ চাই ৰাজা খেমা দিলা॥
দুয়ো ৰাজা সঙ্গে লৈয়া আসিলা উজাই।
ৰহিলেক গৈয়া ৰঙ্গপুৰ পাট পাই॥ ২৮১॥

জয়ন্তা আৰু কছাৰী ৰজাৰে মিলা-প্ৰীতি।

ৰামসিংহ তাম্ৰধ্বজ ৰাজা দুই জন।
নৃপতিক উপাসিয়া আছে কিছু দিন॥
জয়ন্তাৰ ৰামসিংহ ৰাজা যাক বোলে।
আউ থিন ভৈল সিটো পৰলোকে চলে॥ ২৮২॥
কছাৰীৰ তাম্ৰধ্বজ ৰাজা আছিলেক।
যুগ্য অনুসাৰে চাই বঁটা দিলা তাক॥
খাইবাকো লাগয় যিবা দিয়াইলা সম্ভাৰ।
আপুন গৃহক লাগি পঠাই দিলা তাৰ॥ ২৮৩॥

ভাতৃ-বৈৰী লেচাইৰ দণ্ড।

লেচাই নামত আছে নৃপতিৰ ভাই।
তাক যি কৰিলা শুনিয়োক অভিপ্ৰায়॥
গৈয়াছিল ৰাজাৰে আপুন এৰি পুৰি।
দুই ৰাজা বশ কৰি আসিলেক ঘূৰি॥ ২৮৪॥
নৃপতিৰ আগে কহিলেক শত্ৰু লোক।
আপুনাৰ ভাতৃ কেনে বোলা লেচাইক॥

ৰাজ্যক বিচাৰি গৈয়া আছা পাট এৰি।
পাচতে আলচে ৰাজা হুইবে মন কৰি॥ ২৮৫॥
নুবুজিয়া ৰাজা অনুমতি দিলা তাক।
তেতিক্ষণে লেচাইক দণ্ড কৰিলেক॥
দুই চকু, দুই ঘিলা কাঢ়িলেক তাৰ।
অনাথ ভৈলেক যেন জীৱন্ততে মৰা॥ ২৮৬॥
পুনৰপি বুজে ৰাজা কথা অকাৰণ।
আপুন ভাতৃক মই কৰিলোঁ এমন॥
নুবুজিলোঁ পাপী মই পৰম দুৰ্ম্মতি।
সহোদৰ জনৰ কৰিলোঁহো হেন গতি॥ ২৮৭॥
যি হোক সি হোক ইটো মোহোৰ কপাল।
ভালৰূপে থৈলা দিয়া নামৰূপীয়া মেল॥
নৃপতিও মাহে মাহে দিৱয় যোগান।
এতেকেসে নামৰূপীয়া মেলও প্ৰধান॥ ২৮৮॥

হাতী-যুঁজ। সেহিমতে ভাতৃক থৈলেক ভালমতে।
পুনৰপি যি কৰিলা শুনিয়ো পাচতে॥
মহীষে মহীষে যুজে আছে ইটো ঠাই।
হস্তীৰ যুজক ইঠাৱতে দেখা নাই॥ ২৮৯॥
তাহাকো কৰাইলা ৰুদ্ৰসিংহ নৃপবৰ।
তান সম ৰাজা নহৈবেক পুনৰ্ব্বাৰ॥
আছিলেক হস্তী তান চাৰি পাঞ্চ শত।
দন্তালো আছিলা এক শত মান তাত॥ ২৯০॥
ভাল ভাল বৰ দন্ত থূলন্তৰ কায়।
সিসব দন্তাল যুজাইবাক বাচি লয়॥
মদ জল বাহিৰ হোৱয় যি বেলাত।
কৰাৱয় মদ্য পান হোৱয় প্ৰমত্ত॥ ২৯১॥



মেলি দিয়ে দুই হস্তী মাহুত উপৰে।
হস্তিনীক দেখাৱয় তাহাৰ ওচৰে॥
খেদি যাই দুইকে দুই মাৰে দন্ত ভিৰে।
ঠাক্-ঠিক্ বাজে দন্ত কোবাকুবি কৰে॥ ২৯২॥
দন্ত ঘৰিষণে যেন অগণি জলয়।
মাহুতৰ তাত জীৱনৰ আশা নাই॥
দন্তৰ ভিৰত কেতো পৰি চিহৰয়।
কেতো পলাৱই তাৰ পাচক নচাই॥ ২৯৩॥
অৰণ্যে পশয় যাই ৰাখে কেন কৰি।
মাহুতৰো প্ৰাণ ৰাখে গাছ-ডালে ধৰি॥
সেহিমতে হস্তীকো যুজাইলা নৰপতি।
দেখি ভাৰ্য্যা-পুত্ৰেও আনন্দ কৰে আতি॥ ২৯৪॥

ৰুদ্ৰসিংহৰ শৰণ লবলৈ ইচ্ছা। সেহিমতে নৰপতি আছে কিছুদিনে।
শৰণ লৈবোঁহো বুলি আসিলেক মনে॥
মোহোৰ ৰাজত গুৰু আচয় অনেক।
কেনমতে মই সেৱা কৰিবোঁহো তাঙ্ক॥ ২৯৫॥
মই মহাৰাজা মোহোৰেসে সব তল।
বিদেশৰ পৰা গুৰু আনিলেসে ভাল॥
এহি বুলি ৰাজা মন কৰিলেক থিৰ।
খাওন্দ পাতিয়া দিল খেলে বৰাগীৰ॥ ২৯৬॥
পাঞ্চিলেক যাহা নদীয়া ও শান্তিপুৰে।
ভালক চাহিয়া গুৰু আনি দেহ মোৰে॥
শুনি খাওন্দ-বৰাগীয়ে নথাকিল বৈই।
গুৰু বিচাৰিতে লাগি গঙ্গা তীৰে যায়॥ ২৯৭॥
শিমলা গ্ৰাম্যৰ গঙ্গাতীৰে যাৰ থান।
কৃষ্ণৰাম ন্যায় ভট্টাচাৰ্য্য গুণবান॥

তাঙ্ক পায়া কহিলেক সকলো যুগুতি।
ৰুদ্ৰসিংহ মহাৰাজা জগততে খ্যাতি॥ ২৯৮॥
শিষ্য হুব্যে লাগি আপুনাক আছে মাতি।
শীঘ্ৰে কৰি যাব্যে লাগে আমাৰ সঙ্গতি॥
শুনি হেন কৃষ্ণৰাম ন্যায়-বাগীশে।
বিলম্ব নকৰি সিসবৰ লাগে আসে॥ ২৯৯॥

ৰুদ্ৰসিংহৰ দেশ-জয়ৰ আয়োজন।

ভট্টাচাৰ্য্য আসি আছে সঙ্গে বৰাগীৰ।
ৰুদ্ৰসিংহে যি কৰিলা কহোঁ পুনৰ্ব্বাৰ॥
চাৰিগুটি তনয় বাঢ়য় দিনে দিনে।
আমাসাৰ ৰাজ তাঙ্ক নাটিলেক মনে॥ ৩০০॥
মানাহাকে সীমা কৰিলেক পিতৃ ছলে।
মই গঙ্গা সীমা কৰিবোঁহো বাহুবলে॥
সকলো কটক ৰাজা লৈয়া সাজু কৰি।
চাৰি হেজাৰেক মানে কোঁৱৰ-হিলৈদাৰী॥ ৩০১॥
গঠিয়া-জুমুৰি আৰো পহুলঙ্গীয়ো তাৰ।
পাথৰো-কলায়ো লৈলা চিপাহীসবৰ॥
কাঁড়ী বাৰুৰতি সমে অঠেৰ হাজাৰ।
সিসবক যতায়া লৈলেক নৃপবৰ॥ ৩০২॥
প্ৰথমৰ পুত্ৰ শিৱসিংহ নাম যাৰ।
তাঙ্ক যুবৰাজ কৰি লই নৰেশ্বৰ॥
চাৰি কোঁৱৰ এক ৰাণীও লগত।
শুভক্ষণ চাই যাত্ৰা কৰে সিবেলাত॥ ৩০৩॥
সবাকো কৰয় আজ্ঞা শীঘ্ৰে চল যাওঁ।
গণন নযায় নৌকা জুৰিলে দিখৌউ॥
তিনি ডাঙ্গৰীয়া মন্ত্ৰীকেসে দিয়া ভাৰ।
সপুত্ৰ-বান্ধৱে নৌকা উঠে নৃপবৰ॥ ৩০৪॥



লিগিৰা পাচনি যত চৰা যে নাৱত।
ভাটী মুখ কৰি বাহি দিলে সি বেলাত॥
বৰ্ফুকনে নাওবৈচা শিকাই আছে আগে।
চলিলেক হিলইচৰা যেন বায়ুবেগে॥ ৩০৫॥

গ্ৰন্থকাৰৰ মন্তব্য।

দেখা দেখা কেনে ইটো বিষয় জঞ্জাল।
ৰাজ্য ধনতেসে আসে নৃপতি আকুল॥
কালে চাপিলেক পাশ তাক নেদেখয়।
মোৰ পুত্ৰ ভাৰ্য্যা ধন বুলিয়া বেঢ়ায়॥ ৩০৬॥
যতেক দেখাহা মিছা সবে অকাৰণ।
থাকিবেক ইঠাৰতে নিবে কোন জন॥
আসিচা একলে আগে যাইবা এক প্ৰায়।
শৰীৰ থাকিবে পৰি দন্ত নিকোটাই॥ ৩০৭॥
হেন জানি কৃষ্ণৰ চৰণে দিয়া চিত।
তেবেসে গুচিবে বিষয়ৰ দুখ যত॥
হৃদয়তে ধৰা ৰূপ মুখে লৈয়ো নাম।
তৰিবা সংসাৰ সুখে বোলা ৰাম ৰাম॥ ৩০৮॥

---

## ছবি।

ৰুদ্ৰসিংহৰ গুৱাহাটীলৈ আগমন।

পুনৰপি কহোঁ মই শুনা সভাসদচয়
নৃপতিৰ কহোঁ মই কথা।
কটকসকল লৈই গৈলা ৰাজা ভটীয়াই
তাত পাচে যি ভৈলা ব্যৱস্থা॥
গঙ্গা সীমা কৰোঁ বুলি নৰপতি গৈলা চলি
মনে খেদ কৰিয়া বহুত।

বতাহী চৰাত যাই তাতো মাৰ মাৰ কই
নিশা ভৈলে নিদ্ৰা নাহি তাত ॥ ৩০৯ ॥
সেহিমতে নৰৰায় সাত পাঞ্চ দিনে যাই
পাইলা গুৱাহাটীৰ ওচৰ।
উমানন্দ দেখি দ'ল নৃপতি আনন্দ ভৈল
দূৰতে কৰিলা শতকাৰ ॥
লতাশিল ঘাট পাই ৰাখিবাক আজ্ঞা দেই
চৰা নাও তাহাতে বান্ধিল।
যত লোক আছে গৈই ৰহিবাৰ ঠাই নাই
গুৱাহাটী নগৰ ভৰিল ॥ ৩১০ ॥

বৰফুকনৰে সৈতে দেখা-দেখি।

বৰফুকনে আগবাঢ়ি নৃপতিক আছে চাহি
যি বেলাত চাপিলা ঘাটত।
দণ্ডৱতে পৰে গৈ চৰণ তুখানি চুই
সেৱা কৰিলেক সি বেলাত ॥
হাত জোৰ কৰি কয় শুনিয়োক স্বৰ্গদেৱ
থাকিবাৰ কিবা কাম আত।
আপুনি আসিবে জানি বাহৰক এক খানি
সাজিয়া আছোঁহো মই ভৃত ॥ ৩১১ ॥
গুৱাহাটি পশ্চিমত নীলাচল সমীপত
তাতে গৃহ কৰি আছোঁ মই।
গোসাঁনীক সেৱিবাৰ যাইবাক নোহয় দূৰ
তাহাকে চলিলে ভাল হয় ॥

লক্ষীসিংহৰ জন্ম-বৃত্তান্ত।

শুনি বৰফুকন বাক মহাৰাজা গৈলা তাক
পশিলেক সেহি বাহৰত।
কালশিলা নাম তাত আছিলেক পূৰ্ব্বে যত
লক্ষীসিংহ জন্মিলে তথাত ॥ ৩১২ ॥



প্ৰথম যৌবনী হয় ৰাজ সঙ্গে নচাৰয়
গৰ্ভজান হুয়া আছিলেক।
দশ মাস ভৈলা গত বুঝিবাহা সি বেলাত
ৰাণীৰ সন্তান জন্মিলেক ॥
সেহি যে কালশিলা লক্ষীসিংহ জন্ম ভৈলা
বোলে কালশিলীয়া গোহাঁই।
ৰুদ্ৰসিংহ নৃপমণি পুত্ৰ জন্মিবাৰ শুনি
মনে আনন্দৰ পাৰ নাই ॥ ৩১৩ ॥
ৰাজ্যক বিচাৰি মই আসি পাইছোঁ এহি ঠাই
আতে মই পাইলোঁহো তনয়।
নিশ্চয়ে বুজিলোঁ আৰ কাৰ্য্য সিদ্ধি হৈল মোৰ
মোহোক জিনন্তা কেহো নাই ॥

ৰুদ্ৰসিংহৰ কামাখ্যা দৰ্শন

এহি বুলি নৰপতি গোসাঁনী পূজিবে প্ৰতি
কৰিলা সকল আয়োজন।
সকলো কটক লৈই নীলাচলে উঠে গৈই
কামাখ্যাক ভৈলা দৰিশন ॥ ৩১৪ ॥
পৰ্ব্বতৰ উপৰত লোক উঠিলেক যত
গণন কৰিতে সংখ্যা নাই।
বৰহিলৈ সৰুহিলৈ গঠিয়া জুমুৰি লৈ
আছয় সকলো সাজু হুই ॥
আজ্ঞা দিলা নৰপতি শিখণ্ডিসকল মাতি
সুদা খাৰ উৰায়োক যাই।
মই আসিবাৰ জান পাউক লোক যতমান
তেবে শত্ৰু আগ নবাঢ়য় ॥ ৩১৫ ॥
শুনি হিলৈদাৰীসবে বিলম্ব নকৰি তবে
ফেৰ কৈলা নৃপতি আজ্ঞাই।

বৰ দল-দোপা ভৈল        পৰ্ব্বত লৰিয়া গেল
যেন বৰ ভূমিকম্প যায়॥
সমীপে পৰ্ব্বত যত        শবদ উঠিল তাত
যেন পৰিলেক বজ্রপাত।
সকলো ভৈলেক ভোল        হুলস্থূল লাগি গৈল
কামাখ্যাৰো ক্রোধ ভৈল তাত॥ ৩১৬॥
গোসাঁনীক কৰি সেৱা        নৃপতি ঘৰক গৈয়া
ভাৰ্য্যা পুত্রে আছে ৰঙ্গমনে।
গঙ্গা লৈবে কৰে আশ        কালে চাপিলেক পাশ
নৰিয়া ভৈলেক সেহি দিনে॥
দেখা দেখা কেনে ভাগী        বিষয় সুখক লাগি
কৰিলেক হেন অপকাৰ।
মনে পাতি আসে যিটো        কৰিতে নপাৰে সিটো
গৰ্ব্বহাৰী গৰ্ব্বকৰে চূড়॥ ৩১৭॥

---

## দুলৰী

ৰুদ্রসিংহৰ অন্তিমবাণী

কহোঁ পূৰ্ব্বাপৰ        শুনিয়োক আৰ
নৰপতি যিবা হয়।
আজি কালি কৈই        টান হুয়া যায়
জীৱনৰ আশা নাই॥
চাৰি তনয়ক        মাতি আনিলেক
কহে সিসবৰ আগে।
চাৰি জন তোৰ        ভাই আপোনাৰ
ভালে থাকিবাক লাগে॥ ৩১৮॥



তোমাসাক ভাল        কৰি প্রতি পাল
শিকাইবে নপাইলোঁ নীতি।
ৰাজ্যক বিচাৰি        আসন্তেয়ো মোৰ
ভৈলেক ইহেন গতি॥
নকৰিবা দ্বন্দ        হুইবে বৰ মন্দ
লোক জনে আশ পাই।
জ্যেষ্ঠ অনুসাৰ        মই দিলোঁ ভাৰ
ৰাজা হইবা চাৰি ভাই॥ ৩১৯॥
শিৱ যে সিংহক        চাহি কহিলেক
বুজিবিহি এহি কাজ।
তই ৰাজা হৈই        মোৰ বাক্য লৈই
প্রমত্তক যুবৰাজ॥
কৰি এহিমতে        ৰাজা হুইবি পাটে
চাৰিজন সসোদৰ।
অকণ্টকা ভাবে        ভুঞ্জিবি সি ঠাৱে
কৈলোঁ মই সাৰে সাৰ॥ ৩২০॥
ইহাক নকৰি        মোৰ বাক্য এৰি
যদিবা পাত জঞ্জাল।
চিৰদিন ৰাজ        ভুঞ্জিবে নপাইবি
লোকৰ হুইবিহি তল॥
শুনিয়োক শিৱ        তই মোৰ জীৱ
কহোঁ কথা তোত আৰ।
বৈমাৰত জাত        লক্ষ্মী নামে সুত
সিয়ো কাল ভৈল মোৰ॥ ৩২১॥
তুঙ্গৰ চৰাল        তাক প্রতিপাল
কৰিবাহা মোক চাই।

বিশেষত মোৰ শেষৰ কুমৰ
তোমাৰ কোমল ভাই ॥
এহি বুলি কৈয়া প্ৰবোধক দিয়া
আছা ৰাজা সি বেলাত।
সেহি সময়েতে ভট্টাচাৰ্য্যে আসি
পশিলেক গুৱাহাট ॥ ৩২৯ ॥
নৃপতিৰ হেন শুনিল যেখন
যেন বজ্ৰাঘাত কৈলা।
যাক আশা কৰি আসিছোঁ লৰৰি
তাৰো হেন গতি ভৈলা ॥
এহি বুলি পাছে নৰপতি কাছে
গৈলা ন্যায় কৃষ্ণৰাম।
দেখি নৰপতি শুদ্ধ ভাৱে আতি
কৰিলা তাঙ্ক প্ৰণাম ॥ ৪২৩ ॥
পুত্ৰসকলক চাহি কহিলেক
শুনিয়োক মোৰ বাণী।
শৰণ লৈবাক মনে আছিলেক
নপাইলোঁহো গুৰু মানী ॥
কণ্ঠোগত প্ৰাণ হুয়া আছে জান
লৈবো কেনমতে জানি।
তোৰা চাৰিজন লৈবাহা শৰণ
ইহাঙ্কেসে গুৰু মানি ॥ ৩২৪ ॥
এহি বুলি কৈই নমাতিয়া ৰৈই
চাহি আছে পুত্ৰ-ভাৰ্য্যা।
কাল প্ৰাপ্ত ভৈল স্বৰ্গক চলিল
ৰুদ্ৰসিংহ মহাৰাজা ॥



গ্ৰন্থকাৰৰ মন্তব্য।

দেখা দেখা দেখা কালৰ মহত
কোনে বুজে অভিপ্ৰায়।
পুত্ৰ-ভাৰ্য্যা বেঢ়ি আছিলেক ধৰি
তাতে আসি লৈয়া যায় ॥ ৩২৫ ॥
হেন জানি মনে পুত্ৰ-দাৰা-ধনে
নহৈবাহা বিয়াকুল।
সিসবক তেজি হৰি পাৱে ভজি
কৰিয়োঁ জন্ম সাফল ॥
তেবেসে সংসাৰ গুচিবে নিকাৰ
হুইবেক নিৰ্ম্মল মতি।
কৃষ্ণৰ চৰণে ধৰা একমনে
লভিবা পৰম গতি ॥ ৩২৬ ॥

## জুনা ঃ

ৰজাদেৱৰ মৃত্যুত কোঁৱৰ, আই-কুঁৱৰীৰ শোক।

ৰুদ্ৰসিংহ স্বৰ্গে যায়।
কান্দে ভাৰ্য্যা-পুত্ৰে চাই ॥
আমাক অনাথ কৰি।
তুমি কৈক গৈলা এৰি ॥ ৩২৭ ॥
গঙ্গাক লৈবাক চাইলা।
ইথানত ঠাই লৈলা ॥
ইহাকে কৰিলা তুমি।
তাকে নজানিলোঁ আমি ॥ ৩২৮ ॥
এহি বুলি চাৰি ভাই।
কান্দে বিয়াকুল হুই ॥
ৰাণীও ভূমিত পৰি।
কান্দয় আত্ৰৰাৰ কৰি ॥ ৩২৯ ॥

নৃপতিৰ গুণ যত।
সুমৰি কান্দন্ত তাত॥
দুঙ্কৰ চৰাল দিয়া।
মোক এৰি কৈক যোৱা॥ ৩৩০॥
ৰাণী বিয়াকুল দেখি।
সকলো বুজাৱে আসি॥
নকান্দাসা মাৰ আত।
নৃপতিক পাইবা কৈত॥ ৩৩১॥
গৈল সবাহাকে এৰি।
পুনু কি আসিবে ঘূৰি॥
সকলো বিষাদ বৰ।
হেন ৰাজা নাহি আৰ॥ ৩৩২॥

শিৱসিংহৰ প্ৰতি বৰফুকনৰ উপদেশ।

শিৱ যে সিংহক চাই।
বৰফুকনে কহে যাই॥
অপমান কৰা কেন।
ইটো কথা অকাৰণ॥ ৩৩৩॥
নৃপতিয়ো পুণ্য ভাগী।
আসিল গঙ্গাক লাগি॥
বেলা ভৈল ইথানত।
আচে ক্ষেত্ৰথান আত॥ ৩৩৪॥
দাহ কৰিবাক লাগে।
আজ্ঞা কৰিয়োক আগে॥
শুনি শিৱসিংহ ৰায়।
বৰফুকন আগে কয়॥ ৩৩৫॥
ৰুদ্ৰেচল নাম যৈত।
দাহ কৰিলেক তৈত॥
ৰুদ্ৰসিংহ কথা যত।
অৱসান ভৈলা আত॥ ৩৩৬॥

---

# চতুৰ্থ আখ্যা

## স্বৰ্গদেৱ শিৱসিংহ

### শ্ৰীকৃষ্ণায় নমঃ

### পদ

বন্দনা।

জয় জয় জগত জনক কৃষ্ণ ৰাম।
সত্য সনাতন প্ৰভু তুমি গুণ-ধাম॥
পৰম ব্ৰহ্ম হৰি তুমি জগত জীৱন।
কৰোঁ নমস্কাৰ মই তোমাৰ চৰণ॥ ৩৩৭॥

স্বৰ্গদেৱ শিৱসিংহ

ৰুদ্ৰসিংহ কথাক থৈলোঁহো এহিমান।
তান পুত্ৰ শিৱৰ কহিবোঁ বিবৰণ॥
শ্ৰীশ্ৰীশিৱসিংহ ভৈলা মহাৰাজ।
পিতৃৰ তাহাতে কৰিলেক প্ৰেত কাজ॥ ৩৩৮॥
ভট্টাচাৰ্য্যে অনুমতি দিছিল যেমন।
সকলো কৰ্ম্মক কৰিলেক অৱসান॥
সমদলে মহাৰাজা আসিল উজাই।
পিতৃ-বাক্যে ভট্টা যে চাৰ্য্যক সঙ্গে লৈই॥ ৩৩৯॥
আসিছে যতেক লোক নৌকাৰ উপৰি।
ৰাত্ৰি দিন নজানয় মাৰ মাৰ কৰি॥
সেহিমতে আসিয়া আছয় বেগ ধৰি।
দশ আঠ দিনে পাইলা আপুনাৰ পুৰি॥ ৩৪০॥

শিৱসিংহৰ শিঙ্গৰিঘৰ আৰোহণ।

সবেও বহিল যাই স্বকী স্বকী থানে।
ভট্টাচাৰ্য্যক বাসা দিলা তেতিক্ষণে॥

শিঙ্গৰিঘৰক উঠিবাৰ মন কৰি।
সকলো সম্ভাৰ গোটাইলেক শীঘ্ৰ কৰি॥ ৩৪১॥
পূৰ্ব্বৰ নিবন্ধ লৈয়া লোক যত যত।
শিঙ্গৰিঘৰ উঠি চুপাত্‌ফা নাম তাত॥
পায়া সেহিমতে কৰিলেক অবসান।
পাটে যাই আসনত কৰে আৰোহণ॥ ৩৪২॥
প্ৰমত্তসিংহক যুবৰাজ কৰি আছে।
ভ্ৰাতৃসকলক তাতে মেল দিয়া আছে॥
সেহিমতে শিৱসিংহ ভৈলেক প্ৰধান।
ভট্টাচাৰ্য্যক অনাইলেক তেতিক্ষণ॥ ৩৪৩॥

ভট্টাচাৰ্য্য/ বাপুত শৰণ।

কহিলেক পিতৃ মোৰ অনায়া তোমাক।
নপাৰিলা মন্ত্ৰ লৈবে গৈলা পৰলোক॥
আমি শিষ্য হুইবে লাগে পিতৃৰ বচন।
দিয়া মন্ত্ৰ মোক মই কৰোহোঁ গ্ৰহণ॥ ৩৪৪॥
শুনি ভট্টাচাৰ্য্যৰ আনন্দ ভৈলা তাত।
মন্ত্ৰ দিয়া শিষ্য কৰিলেক সি বেলাত॥
ভাতৃসকলেও সেহি বেলা মন্ত্ৰ লৈই।
যুগ্য অনুসাৰে দিলা যেহি যিবা চায়॥ ৩৪৫॥
যেমনে নৃপতি ভৈল তাহান সেৱক।
ব্ৰাহ্মণ আসোম কিছু যায় ভাল লোক॥
মহাৰাজা পাইবে ভাল দিবেক বিষয়।
সেহি হেতু সিসবেও শিষ্য হোৱে যাই॥ ৩৪৬॥
নৰপতিৰেসে যিবা আছিলেক বাণী।
লৈলে মন্ত্ৰ আপুনাৰ ঘৰে গুৰু আনি॥

অসমত বঙ্গালী গান।

আৰো বঙ্গলাৰ গান নাছিলেক আত।
ভট্টাচাৰ্য্য বাগীশেয়ো শিকাই দিলা তাত॥ ৩৪৭॥



সেহি হেতু নৃপতি আগত কৰে গান।
অদ্যবধি আছে গাই বুজিবা প্ৰমাণ॥

পৰ্ব্বতীয়া গোসাঁইৰ স্থাপনা।

সেহি বেলা ৰাজা কহে গুৰুৰ আগত।
ভালমতে বহ কৰি দিওঁ মই আত॥ ৩৪৮॥
বালে ভট্টাচাৰ্য্যে মোক নথৈবা ইহাত।
দিয়া বাসা মোক মই থাকোঁ কামাখ্যাত॥
শুনি ৰাজা আজ্ঞা দিয়া সজাই বাসা ঘৰ।
গুৰুক ৰাখিলা নীলাচলৰ উপৰ॥ ৩৪৯॥
কামৰূপত মাটি দিলা ব্ৰহ্মত্তৰ কৰি।
থাকিলেক পৰ্ব্বতীয়া গুৰু নাম ধৰি॥
তাহাতে সজায়া আৰো দিলা দেৱালয়।
অশ্বক্ৰান্ত দীৰ্ঘেশ্বৰী দ'ল যাক কয়॥ ৩৫০॥
সেহি দেৱ পূজিবাৰ বিধি ব্যৱহাৰ।
দিলা ভট্টাচাৰ্য্যে যত যত দেৱতাৰ॥
সেহিমতে পূজি আছে যত দেৱচয়।
মহাৰাজা কল্যাণক চিন্তে সৰ্ব্বদায়॥ ৩৫১॥

বিষয়া ভঙ্গা-পতা।

সেহিমতে ভট্টাচাৰ্য্য আছয় সি ঠাই।
মহাৰাজা যি কৰিলা শুনা কহোঁ মই॥
ৰাইলুঙ্গীয়া বায়ন আৰু যে ডোমাই।
পুখুৰীপৰীয়া চেঙ্গমুন্‌ বুলি কয়॥ ৩৫২॥
ক্ৰমেও তিনিক পাতে বুঢ়া যে গোহাঁই।
নৰপতি আজ্ঞাতে সিসবো ভাল হয়॥
কেন্দুগুৰীয়াৰ চেঙ্গকঙ্গ আছিলেক।
পৰমানন্দ নামে তাহান পুত্ৰক॥ ৩৫৩॥
বৰগোহাঁই বাব গুচাই পাতে বৰপাত্ৰ।
ৰাজমন্ত্ৰী বাব দিয়া ৰাখিলেক তাত॥

কালুগঞা হৰিনাথ বৰৰজা ভাই।
পুনৰপি বুজা সিয়ো বৰপাত্ৰ হয়॥ ৩৫৪॥
প্ৰথমে কমলাকান্ত বৰ যে গোহাঁই।
ৰাজমন্ত্ৰী হুয়াছিল নৃপতি আজ্ঞাই॥
সিয়ো মৰিলতে হৰিনাথ হুইবে পাইলা।
হুয়া বৰগোহাঁই ৰাজমন্ত্ৰী বাব লৈলা॥ ৩৫৫॥
সেহি মন্ত্ৰী বাবে পুনু বৰপাত্ৰ হয়।
সিকাৰণে অনুনাথ বৰ যে গোহাঁই॥
বুঢ়া দদাই বুলি আছিলেক এক।
প্ৰথমতে বৰবৰুৱাও পাতে তাক॥ ৩৫৬॥
বকতিয়ালৰ ৰূপচন্দ্ৰ নাম যাৰে।
পুনৰপি বৰবৰুৱাকো পাতে তাৰে॥
তৰুণ দুৱৰা বোলে আছিল বিজয়।
দিহিঙ্গীয়াৰেসে ডেবেৰা যাক কয়॥ ৩৫৭॥
এহি দুইক ক্ৰমৰূপে পাতে বৰফুকন॥
পুনৰপি বিজয়ৰ পুতেকেও হ'ল॥
এহিমতে ফুকন বৰুৱা পাতিলেক।
তাত পাচে যি কৰিলা শুনা কহোঁ তাক॥ ৩৫৮॥

ধাই-আলি নিৰ্ম্মাণ আৰু মানুহ পিয়ল।

ধাই একজনী আছিলেক নৃপতিৰ।
তাইৰো নামে ধাই-আলি বান্ধি দিলা বৰ॥
ভগীৰথ টেকেলা বৰুৱা নাম যাৰ।
তাকো আজ্ঞা দিলা পিয়লক কৰিবাৰ॥ ৩৫৯॥
ভাটী কামৰূপ আৰো উজাই বকত।
গণন কৰস যাই লোক আছে কত॥
শুনি ভগীৰথে পাচে নথাকিল বৈই।
কামৰূপে পিয়লক কৰিলেক যাই॥ ৩৬০॥



পুনৰপি আসি কৰিলেক ইঠাৰত।
সেহিমতে বুজিলেক লোক যত যত॥

নৃপতিৰ ছত্ৰ-ভঙ্গ যোগ।

এহিমতে শিৱসিংহে আছে ৰাজা হুই।
পণ্ডিতেও নৃপতিৰ ছত্ৰভঙ্গ কয়॥ ৩৬১॥
শুনি মহাৰাজা তাতে কৰি অভিমান।
দেওধাই, বাইলুঙ্গ আৰো জুতিষীয়াগণ॥
সবাকো অনায়া চোৰাইলেক ভালমতে।
ভঙ্গ হুইবে বুলি সিসবেয়ো কৈলা তাতে॥ ৩৬২॥
সিসবৰ বাক্যে নৰপতি বৰ ভয়।
গুৰুক সুধিবে লাগি লোক পাঞ্চি দেই॥
দূতে সুধিলেক যাই ভট্টাচাৰ্য্য আগে।
ছত্ৰভঙ্গ বুলি কয় কি কৰিবে লাগে॥ ৩৬৩॥
কহিলেক ন্যায়-বাগীশ কৃষ্ণৰাম।
কৰিবাক লাগে নৰপতি এহি কাম॥
আপুনাৰ ছত্ৰ-দণ্ড ৰাণীক দিবেক।
বৰৰাজা ৰাণীকে বুলিবে সৰ্ব্বলোক॥ ৩৬৪॥
মহাৰাজা বশ হুই থাকিবে ৰাণীৰ।
তেবে ছত্ৰভঙ্গ জানা নহৈবেক আৰ॥
সেহি অনুমতি দিয়া লোক পাঞ্চি দেয়।
আসিয়া নৃপতি আগে সেহিমতে কয়॥ ৩৬৫॥

ৰাজপাটত ফুলেশ্বৰী।

শুনিয়া গুৰুৰ বাক শিৱসিংহ তেজা।
ছত্ৰ-দণ্ড দিয়া ৰাণীকেসে পাতে ৰাজা॥
আপুনাৰ দণ্ড-পাট দিলা ঘৰিণীক।
প্ৰথমেশ্বৰী ফুলেশ্বৰী বুলিছিলা যাক॥ ৩৬৬॥
এক নাৰীৰেসে দুই নাম আছে থৈই।
সেই নামে ৰূপা সোণা মোহৰ মৰায়॥

দ'ল পুখুৰী নিৰ্ম্মাণ।

পাচে বৰৰাজা গৌৰীসাগৰৰ দ'ল।
পুখুৰীকো খনাই দেৱালয় পাতি দিল॥ ৩৬৭॥
ভায়েক হৰিনাথ ডাঙ্গৰীয়া হয়।
কালুগাৱঁতেসে ঘৰ ভালমতে লৈয়॥
সেহি হেতু কালুগঞা বৰপাত্ৰ বোলে।
খনায়া পুখুৰী তাতে দ'ল বন্ধাই লৈলে॥ ৩৬৮॥

মহন্তৰে মনান্তৰ।

এনে সময়তে আসি দুৰ্গেশ্বৰ হয়।
দুষ্টসবে আসি বৰৰাজা আগে কয়॥
মহন্তসকলে গোসাঁনীক নমানয়।
সিসবেও ভগৱতী প্ৰসাদো নখায়॥ ৩৬৯॥
শুনি বৰৰাজা সিসবক ধৰি আনে।
ভৱানীৰ প্ৰসাদক নোখোৱাহা কেনে॥
কহিলা মহন্ত সবে ইটো কথা হয়।
সাধু ভৈলে ভৱানীৰ নাম নুশুনয়॥ ৩৭০॥
বৰৰাজা বোলে মোৰ গুৰু কৰে সেৱা।
শূদ্ৰ-মহন্তক লাগি কেনে ভৈল বেয়া॥

মহন্ত বন্দী।

থৈয়ো বন্দী কৰি ঠাকুৰাণীৰ গৃহত।
খাইবাক নিদিবি ভাত-পানী একো তাত॥ ৩৭১॥
শুনি দূতে সেহিমতে বন্দী কৰি থয়।
থাকিল মহন্তসবে অন্নক নখায়॥

শিৱসিংহৰ মহন্তলৈ শ্ৰদ্ধা।

শুনি শিৱসিংহে কয় বৰৰাজা আগে।
মহন্তসবক এনে কৰিবে নলাগে॥ ৩৭২॥
ইসবৰ গায়ে গায়ে মহিমা আছয়।
সেহি হেতু দুখ দিলে বুজা ভাল নয়॥

মহন্তৰ মহিমাৰ পৰীক্ষা।

শুনি বৰৰাজা পুনু পাঞ্চি দিলা দূত।
খাউক ভাত-পানী থয়ো ফাকুৰা দ'লত॥ ৩৭৩॥



আৰু কথা সুধিবাহা সিসবৰ ঠাই
আঠ মাস গৰ্ভ মোৰ হুয়া যে আছয়॥
তনয় হুইবেক কিবা হৈবেক জীয়াৰী।
ইটো কথা কহিবাক লাগে থিৰ কৰি॥ ৩৭৪॥
তেবে সিসবৰ মই বুজিবোঁ মহত।
যদি কৈতে নপাৰে নেৰিবোঁ স্বৰূপত॥
সেহিমতে দূতে যাই সুধিলা যেখন।
শুনিয়া মহন্তসব ভৈলেক বিমন॥ ৩৭৫॥
কিসে পাইলে তাইক সুধি আছে অকাৰণ।
কোনে কহিবেক গৰ্ভে কি আছে সন্তান॥
এহি বুলি সাধুসবে চাৰে মুখা-মুখি।
পৰম ঘাতিনী তাইক কালে পাইলে আসি॥ ৩৭৬॥
হুই নুই এক কথা কহিলেসে ভাল।
যদি নুহিবেক বহু মিলিবে জঞ্জাল॥
হৃদয়ে থাকিয়া হৰি যি বোল বোলাই।
তাক কহিবাৰ আমাসাৰ কিবা ভয়॥ ৩৭৭॥
এই বুলি সাধুসবে কহে সি বেলাত।
আমাসাৰ বোল কৈবি বৰৰজা আগত॥

মহন্তৰ ভবিষ্যৎ বাণী।

নহৈবেক পুত্ৰ আৰো নুহিবেক জীয়া।
আমি সৰ্ব্বজনে আক আছোঁহো বুলিয়া॥ ৩৭৮॥
নুহিবেক হাত মুখ নুহিবেক ভৰি।
প্ৰসৱ হুইবেক যিবা সিয়ো বেয়া কৰি॥
অৰ্দ্ধেক বাহিৰ হুইব অৰ্দ্ধ উদৰত।
সেহিমতে মৰিবেক কৈলোঁ স্বৰূপত॥ ৩৭৯॥
শুনি দূতে যাই কহিলেক সেহিমত।
শুনি শিৱসিংহৰ মনত ভৈলা ভীত॥

"বৰৰজা"— বৰৰজা ভৈল যেন জ্বলন্ত অগনি।
প্ৰথমেশ্বৰীৰ শূদ্ৰ-মহন্তে মোৰ কহে মিছা বাণী ॥ ৩৮০ ॥
কোপ। পুত্ৰ হুইবে বুলি মোৰ গুৰু আছে কৈই।
ইসবে কহিছে যিবা বুজিছোঁ অন্যায় ॥
মহন্তৰ বাক্য কেনে বুজিবোঁহো আৰ।
যদি নুহিবেক কৰিবোঁহো প্ৰতিকাৰ ॥ ৩৮১ ॥
এহি বুলি মহন্তসবক বন্দী কৰে।
সাধুসকলেও হৰি চৰণত ধৰে ॥
পূৰ্ব্বে নিজ ভৃত্য-বাণী কৰি আছা সত্য।
আমাকো ৰাখিবা হৰি এহি আপদত ॥ ৩৮২ ॥
এহি বুলি হৰিক চিন্তন্ত সৰ্ব্বদায়।
বৰৰজাৰেসে দশ মাস হুয়া যায় ॥
সাত দিন আছিলেক প্ৰসৱ নহৈই।
মহন্তসবক নিয়ে নৃপতি মতাই ॥ ৩৮৩ ॥

মহন্তৰ স্ত্ৰীজাতি একো নুবুজিলে দুৰাচাৰী।
ওচৰত মোক চাই ক্ষমা কৰা সব দোষ এৰি ॥
নৃপতিৰ তাহাতে মহন্তসবে কহে নৃপতিক।
ক্ষমাভিক্ষা। আমাসাৰ নোহে দোষ আমি এৰিবাক ॥ ৩৮৪ ॥
ঈশ্বৰৰ ইচ্ছাতেসে যাৰ যিবা হয়।
প্ৰসব হুইবেক কিছু নকৰিবা ভয় ॥

ভবিষ্যৎ এহি বুলি ৰহিলেক বন্দীৰেসে ঠাই।
বাণীৰ বৰৰজাৰেসে পাচে প্ৰসৱ যে হয় ॥ ৩৮৫ ॥
সাফলতা। নাহি হাত নাহি ভৰি নাহি চক্ষুমুখ।
গাৰি গোট জন্ম ধূমকেতুৰ সদৃশ ॥
দশ আঠ দিন মানে যাতনা ভুঞ্জায়।
সেহিমতে বৰৰাজা যমপুৰে যায় ॥ ৩৮৬ ॥



শিৱসিংহৰ সেহি বেলা মহন্তসবক দিয়ে এৰি।
২য় কুঁৱৰী নৃপতিও দ্ৰোপদীক আনে বিহা কৰি ॥
অম্বিকা। বৰৰজাৰেসে ভনী আতি সুলক্ষণী।
বায়েকৰ ছত্ৰ-দণ্ড দিলা তাইক আনি ॥ ৩৮৭ ॥
অম্বিকা নামক দিয়া মৰাইলা মোহৰ।
মহন্তসবক নকৰিলা অপকাৰ ॥

আই-কুঁৱৰীৰ শিৱসাগৰৰ দ'ল খনাইলা পুখুৰী।
মৃত্যু। তাহাতে থৈলেক ভালে দেৱালয় কৰি ॥ ৩৮৮ ॥
তথাপিতো ৰাজ্যভাৰ কেনে সহিবেক।
অলপ কালতে পৰলোকে চলিলেক ॥

মহাৰাজাৰ দেখি হেন নৰপতি দুখ বৰ তাত।
৩য় কুঁৱৰী অনাদৰী আছে সলাল গোহাঁইৰ ঘৰত ॥ ৩৮৯ ॥
সৰ্ব্বেশ্বৰী। তাইকো আনি ৰাজা পাতিলেক পূৰ্ব্বৱতে।
সৰ্ব্বেশ্বৰী নামে মোহৰক মাৰে তাতে ॥
আৰো ৰাজমাৱ দ'ল নৃপতি বন্ধাইলে।
কেৰী ৰাজমাৱ দ'ল অদ্যাবধি বোলে ॥ ৩৯০ ॥
এহিমতে নৰপতি আছে কিছু দিন।
কৰ্ম্মৰ নিমিত্তে তান আয়ু ভৈলা ক্ষীণ ॥

শিৱসিংহৰ পৰিল নৰিয়া ৰাজা গাৱ নোহে ভাল।
মৃত্যু। বুজিলেক মোহোক আসিয়া পাইলে কাল ॥ ৩৯১ ॥
এহি বুলি প্ৰমত্তক দিয়া ৰাজ্যভাৰ।
সৰ্ব্বেশ্বৰী ভাৰ্য্যাকো দিলেক আপুনাৰ ॥
স্বৰ্গক চলিলা শিৱসিংহ নৃপবৰ।
ইটো কথা বুজিবাহা মই কৈলোঁ সাৰ ॥ ৩৯২ ॥

গ্ৰন্থকাৰৰ দেখা দেখা কেনে ইটো বিষয় জঞ্জাল।
মন্তব্য। মিছা ধন দাৰা আশে সদায় আকুল ॥

আনৰ ভাৰ্য্যাক আন জনে কৰে জায়া।
অন্যৰ ধনক অন্যে খাৱয় বসিয়া ॥ ৩৯৩ ॥
নাটেক টাটক যেন সোপনৰ নয়।
জানি হেন হৰি পাৱে ভজিবে লাগয় ॥
তেবেসে গুচিবে সংসাৰৰ দুঃখ যত।
জাণ্ট কৰি ভজিয়োক কৃষ্ণ চৰণত ॥ ৩৯৪ ॥

---

### ছবি ৷

(শিৱসিংহৰ অন্তিমবাণী।)

শিৱসিংহ নৃপবৰ রাজ্য ভাৰ আপুনাৰ
এৰি গৈলা অমৰ ভুবন।
ভ্ৰাতৃসকলক তাত কহিলেক সিবেলাত
শুনিয়োক মোহোৰ বচন ॥
ৰাজা ভৈলোঁ ধৰণীত ঐশ্বৰ্য্য ভৈলেক কত
হয়-হস্তী-ৰথ-বাজী-যান।
ভণ্ডাৰে ভণ্ডাৰে ধন হুয়া আছে অগণন
ইসব বুজিলোঁ অকাৰণ ॥ ৩৯৫ ॥
ভাই বন্ধু পৰিবাৰ সবেয়ো থাকিবা ঘৰ
আমি আত থাকোঁ কেনে কৰি।
মায়া পাশে বান্ধি মোক লৈয়া যায় পৰলোক
কোনে ৰাখিবাক পাৰা ধৰি ॥
আসিলোঁ একলে মই ইঠাৱে সবাক পাই
আছিলোঁহো মোৰ মোৰ বুলি।
যাওঁ শুদা হাত দুই থাকা পৰিবাৰ ভাই
পৰলোকে মই যাওঁ চলি ॥ ৩৯৬ ॥

---

... RAM DHEKIALPHOOKAN COLLEGE LIBRARY ... NOBOI ...

# পঞ্চম আধ্যা ৷

## স্বৰ্গদেৱ প্ৰমত্তসিংহ।

### পদ ৷

(স্বৰ্গদেৱ প্ৰমত্তসিংহ।)

পুনৰ্ব্বাৰ কহোঁ মই শুনা এক মন।
প্ৰমত্তে নৃপতি হুয়া যি কৰিলা কাম ॥
উঠিয়া শিঙ্গৰিঘৰ চুনেন্‌ফা নাম লৈলা।
ৰাইলুঙ্গীয়া সোণাইক বুঢ়াগোহাঁই পাতিলা ॥ ৩৯৭ ॥
কেন্দুগুৰীয়া মৃত্যুঞ্জয় বৰপাত্ৰ হন।
খামচেঙ্গ দ'লবন্ধা আছিল এজন ॥
তাহাকো পাতিলা জানা বৰ যে গোহাঁই।
ৰাজমন্ত্ৰী বাব তাহাকেসে দিয়া থয় ॥ ৩৯৮ ॥
বকতিয়ালৰ যাক বোলয় গেন্ধেলা।
তাক বৰবৰুৱা জানিবা পাতি থৈলা ॥

(গড়গাৱঁৰ শোভা বৰ্দ্ধন।)

তাত পাচে যি কৰিলা শুনিয়োক আৰ।
গড়গাওঁ নগৰৰ দুৱাৰৰ ঘৰ ॥ ৩৯৯ ॥
কৰাইলেক পকা কৰি ইটা-পাথৰৰ।
তেবেসে নগৰখান ভৈলা জাতিকাৰ ॥

(ৰংপুৰত ৰংঘৰ।)

ৰংপুৰে ৰংঘৰ কৰাইল যেমন।
কাঠৰে বাঁহৰে ভৈলে নপাৰে ইতেন ॥ ৪০০ ॥
ইটাৰেসে গৃহ কৰি ৰঙ্গ আছে ঢালি।
দেখিতে দৃপিতি আজি হন্তে আছে জলি ॥
তাহাতে উঠিয়া নৰপতি ৰঙ্গ চায়।
সেহিমতে কৈত ঘৰ আছা দেখা পাই ॥ ৪০১ ॥

দ'ল, দেৱালয় আৰু গুৱাহাটীতেসে দ'ল বন্ধাইলেক।
আৰু পিয়ল। শুক্রেশ্বৰ নাম দ'ল বুজিবাহা তাক॥
তান পিতা ৰুদ্রসিংহ যৈত এৰে প্ৰাণ।
তাহাতো বন্ধাইলা দ'ল আতি বিচৈক্ষণ॥ ৪০২॥
নাম ৰুদ্রেশ্বৰ তাতে শিৱক থাপিলা।
ভালমতে তাতে দেৱালয় পাতি থৈলা॥
কামৰূপত পিয়ল কৰাইলা পুনৰপি।
ভালমতে বুজিবাক নপাইলা তথাপি॥ ৪০৩॥
আয়ুপাত হুয়া ৰাজা স্বৰ্গক গমন।
ৰাজা হয় তাহানেসে ভাতৃ যিবাজন॥

---

# ষষ্ঠ অধ্যায়।

## স্বৰ্গদেৱ ৰাজেশ্বৰসিংহ।

### পদ।

স্বৰ্গদেৱ শ্ৰীশ্ৰীৰাজেশ্বৰসিংহ যাৰ খ্যাতি।
ৰাজেশ্বৰ- ৰুদ্রসিংহ হন্তে জাত গদাধৰ নাতি॥ ৪০৪॥
সিংহ। ইহান উপৰি এক আছিল গোহাঁই।
নপায় ৰাজা হুইবে বৰবৰুৱা মন্ত্ৰণায়॥
নগৰৰ বাজ কৰি থৈলা অন্তৰাই।
শিঙ্গৰিঘৰ উঠি চুৰেম্ফা নাম পায়॥ ৪০৫॥
মহাৰাজা ৰাজেশ্বৰ নৃপতি প্ৰধান।
তাহান সমান ৰাজা নহৈবেক আন॥
মহাশান্ত দাতাৱন্ত গুণৱন্ত বৰ।
স্বভাৱত যেন মেৰু গম্ভীৰে সাগৰ॥ ৪০৬॥
খাট চোৰ ডকাইতৰ কাল যম যেন।
সন্তসকলক ভালে কৰাহা পালন॥
কৈৱল্যৰ পতি যিটো জগতৰ ঈশ।
তাহানে সখিত কৰিলাহা মহা যশ॥ ৪০৭॥
তাহান দিনত বহু আছিল আচাৰ।
নভৈল হুৰ্ভিক্ষ একো প্ৰাণীসকলৰ॥
প্ৰাণীৰ হিতক চিন্তে থাকা সৰ্ব্বদায়।
সেহিমতে নৰপতি আছন্ত তথাই॥ ৪০৮॥

নতুন লাঙ্গমাই-কলীয়া এক, ভুগী কুৰৈগঞা।
বিষয়া। এহি হুইক ক্ৰমে বুঢ়াগোহাঁই পাতিয়া॥

মৃত্যুঞ্জয়ৰ পুত্ৰ কম্বুকণ্ঠ এক।
প্ৰথমতে বৰপাত্ৰ পাতিলেক তাক ॥ ৪০৯ ॥
তাত পাচে লেচেঙ্গিয়াল আছিল এজন।
নৃপতি আজ্ঞাতে পুনু বৰপাত্ৰ হ'ল ॥
দ'লবন্ধাৰ ভাতৃ তাক বোলয় নুমলি।
মাহুৰিয়ালৰ বৰজনা যাক বুলি ॥ ৪১০ ॥
বৰগোহাঁই ভৈলা দুয়ে আগা-পাচা দুই।
তাত পাচে যি কৰিলা শুনা অভিপ্ৰায় ॥
তৰুণ দুৱৰা নামে আছিল বিজয়।
তাহানেসে নাতি বহিখোৱা যাক কয় ॥ ৪১১ ॥
সিয়ো বৰফুকন ভৈলেক প্ৰথমতে।
দদায়েক তামূলীজনা ভৈলেক পাচতে ॥
বৰগোহাঁই নুমলীও ৰাজমন্ত্ৰী হয়।
নথাকিল বহুদিন পৰলোকে যায় ॥ ৪১২ ॥
লেচেঙ্গিয়াল আছে হই বৰপাত্ৰ।
দিলা ৰাজমন্ত্ৰী কৰি তাহাৰেসে গাত ॥

তলাতল ঘৰ নিৰ্ম্মাণ।

আৰো ৰঙ্গপুৰ গড়গাওঁ নগৰত।
তলাতল পকা কৰি দিলেক তলত ॥ ৪১৩ ॥
সোমাইবাক পাৰি ওলাইবাৰ সন্ধি নাই।
অচিন জন ভৈলে দেখিতে ডৰাই ॥
যদি কোনো লোকে অজিজ্ঞাসে পশে যাই।
আছোক ওলাইবে জীৱনৰ আশা নাই ॥ ৪১৪ ॥

সৰু ৰংঘৰ নিৰ্ম্মাণ।

সেহিমতে তলাতল ভৈলেক যেখন।
পুনৰপি নৰপতিৰেসে ভৈল মন ॥
জ্যেষ্ঠ ভাই ৰঙ্ঘৰ কৰি আছে আগে।
তাৰ কাষে এক গুটি কৰিবাক লাগে ॥ ৪১৫ ॥



দ'লৰ সদৃশ কৰি সজায় ৰঙ্ঘৰ।
আগৰ সমান তাক নকৰিলা বৰ ॥

তিনি আলি নিৰ্ম্মাণ।

আলি বন্ধাইবাৰ মন ভৈলেক নৃপতি।
বৰফুকন বৰবৰুৱা মাতি কাঠ কাটি ॥ ৪১৬ ॥
শুন বহিখোৱা আৰো ডেকা বৰবৰুৱা।
কাঠ কাটি লুথুৰি তিনিৰ আগে কৈয়া ॥
তিনি জনে তিনি আলি বান্ধ কৰি ভাল।
তিনি নামে তিনি আলি ৰৈবে সৰ্ব্বকাল ॥ ৪১৭ ॥
বান্ধিলেক তিনি আলি সিটো তিনি জন।
সিসবৰ নামে আলি আছে এহি দিন ॥
সেহিমতে কৰি ৰাজা আছিলেক তথা।
তাত পাচে যিবা ভৈলা শুনা সেহি কথা ॥ ৪১৮ ॥

মণিপুৰৰ ৰজালৈ সহায় দান।

মণিপুৰ ৰাজ তাৰ ৰাজা আছে খাই।
মানতৰা কাঢ়ি লৈলা তাহাক খেদাই ॥
ভয়ে মণিপুৰ-ৰাজা পুত্ৰ-ভাৰ্য্যা লৈই।
পলাই আসি কছাৰীৰ ৰাজত সোমায় ॥ ৪১৯ ॥
কছাৰী ৰাজায়ে সমে আলচিয়া চায়।
নপাইলেক বুদ্ধি লৈবে মানতৰা খেদাই ॥
ৰাজেশ্বৰসিংহ আছে বুদ্ধিৰ সাগৰ।
তাহান কটক লোক আছয় বিস্তৰ ॥ ৪২০ ॥
যদি লৈয়া দিয়ে ৰাজ তেবে মই পাওঁ।
এতেকে তাহান পাশে জনায়া পঠাওঁ ॥
এহি বুলি পঠাইলেক তাহাৰেসে ভাই।
নিবেদন-পত্ৰ দিয়া কহিলেক যাই ॥ ৪২১ ॥
শুনি ৰাজা পত্ৰতে সন্তোষ ভৈলা বৰ।
আপদত পৰি পাঞ্চে আমাৰ ওচৰ ॥

হুইবে ধৰ্ম্ম খ্যাতিও থাকিবে সংসাৰত।
এহি বুলি সেনাসকলক পাচে তাত ॥ ৪২২ ॥

লতাকটা ৰণ।

হুৰৰাৰ হৰনাথ ভিতৰ ফুকন।
সেনাপতি পাতি লগে দিলা সেহি জন ॥
বেগ ধৰি ফৌজ লৈয়া গৈলা সেনাপতি।
মৰঙ্গিয়ে পাৰ হুয়া যায় হাবি কাটি ॥ ৪২৩ ॥
সেহিমতে যাহান্তে ভৈলেক বহু দিন।
খাইবাক নপাই লোকসব ভৈল ক্ষীণ ॥
লতা হাবি কাটি লোক হাৰাশাস্তি হই।
অৰ্দ্ধেক মৰিয়া যায় পেটে ভাত নাই ॥ ৪২৪ ॥
দেখি হেন একজন লোক পাঞ্চি দেই।
সিয়ো গৈয়া নৃপতিৰ আগে তাকে কয় ॥
শীঘ্ৰে কৰি পঠাই দিয়া খাইবাৰ সমল।
তেবে হাবি কাটি ৰণ কৰিবাৰ বল ॥ ৪২৫ ॥
বোলে নৰপতি সেনাপতি সিয়ো কেনি।
মণিপুৰে যাইতে বাট নপাইলেক চিনি ॥
হাবি লতা কাটি এত লোক মাৰিলেক।
যুধে যাইবে নলাগিবে ফিৰি আসিবেক ॥ ৪২৬ ॥
শুনি সেহি লোকে ফুকনত কহে যাই।
আছে অনুৰূপ সেনা লৈয়া আসিচয় ॥
নভৈলেক ৰণ মৈল খাইবাক নপাই।
তথাপিতো লতাকটা ৰণ বুলি কয় ॥ ৪২৭ ॥

মানতৰাৰ মণিপুৰ ত্যাগ।

ৰাজা দণ্ড কৰে ভিতৰুৱাল ফুকনক।
হাবিক সুমাই মাৰিলিহি এত লোক ॥
পুনৰপি পাঞ্চিলেক বৰবৰুৱাক।
কটকসকল লৈয়া তেওঁ চলিলেক ॥ ৪২৮ ॥



বহু সেনা লৈয়া বৰবৰুৱা ভটীয়াই।
কছাৰীৰ সীমা ৰহা-চকী পাইলা যাই ॥
সেহি বেলা মণিপুৰ-ৰাজা লোক পাচে।
মোক ৰাজ লৈয়া দিবে বৰুৱা আসিছে ॥ ৪২৯ ॥
প্ৰথমে যি সেনাপতি আসে ফৌজ লৈই।
সিটো কথা মানতৰাএসে জান পায় ॥
অহমৰ সৈন্য আনে মণিপুৰেশ্বৰে।
কেনমতে সম হুয়া যুজিবোঁহো তাৰে ॥ ৪৩০ ॥
বৰহিলৈ পহলঙ্গী গঠীয়া জুমুৰি।
মাৰিবেক বুলি গৈল আপনাৰ পুৰি ॥
নভৈলেক যুধ আৰো নপাইলা ওচৰ।
তথাপিতো ভয় পাই গৈল দেশে তাৰ ॥ ৪৩১ ॥

মণিপুৰৰ লগত বৈবাহিক মিত্ৰতা।

সেহিমতে সৈন্য যদি নপাঞ্চিল হন্তে।
মোৰ ৰাজ মই ভালে পায়ো কেনমতে ॥
মোকে লাগি প্ৰজাসব কৰিলেক হানি।
পুনৰপি পঠাই দিছে আসিছা আপুনি ॥ ৪৩২ ॥
এহি উপকাৰে মই কিবা দিবোঁ আৰ।
কুৰঙ্গনয়নী নামে জীয়া আছে মোৰ ॥
সেহি কন্যা দিয়া মিত্ৰ কৰোঁ গৈয়া আমি।
ইটো কথা স্বৰ্গদেৱে জনায়োক তুমি ॥ ৪৩৩ ॥
শুনি বৰবৰুৱা ইটো কথা থিৰ কৰি।
মাতিয়া পঠাইলা লৈয়া আসোক জীয়াৰী ॥
শুনি মণিপুৰ-ৰাজা তান জীয়া লৈই।
ধৰি বৰবৰুৱা লাগ আসিলা উজাই ॥ ৪৩৪ ॥
সোণাৰী নৈ বাহৰতে ৰাজা আছিলেক।
মণিপুৰ ৰাজা নিয়ে ভেট কৰাইবাক ॥

নৃপতিক বিহা দিল জীয়াৰীক তাত।
ধন-সোণ দাসী-দাস দিলা যৌতকত॥ ৪৩৫॥
মহাৰাজা শ্বশুৰক কৰিয়া আশ্বাস।
পঠায়া দিলেক তাৰ আপুনাৰ দেশ॥

কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱালৈ ৰাজ-অনুগ্ৰহ।

গেন্ধেলা বৰবৰুৱা হন্তে কন্যাৰত্ন পাই।
সেহি হেতু কীৰ্ত্তিচন্দ্ৰ নাম তাঙ্ক দেই॥ ৩৩৬॥
জাপিতো দিলেক তাক সোণাৰ যে চূলা।
বসিবাক বৰচ'ৰাত তলচাক দিলা॥
ৰাণীৰ যৌতকে দাসী-দাস যত হয়।
দিচৈৰ কাষতে খাত পাতি তাক দেয়॥ ৪৩৭॥

মগলু খাত।

মণিপুৰীয়াক মগলুক কহে আত।
সেহিহেতু লোকে কহে মগলুৰ খাত॥
সেহি কুঁৱৰীয়ে পুখুৰীক খনাই আৰ।
কহে নাম পুখুৰী মগলু জীয়েকৰ॥ ৪৩৮॥
মহাৰাজা হৰগৌৰী দেৱাল কৰায়।
তাহাতে পূজিয়া বিপ্ৰে থাকে সৰ্ব্বদায়॥

বৰবৰুৱাৰ বুৰঞ্জী-দাহ।

এনে সময়তে পাচে বৰ যে গোহাঁই।
চকৰিফেঁটী এক বুৰঞ্জী উলায়॥ ৪৩৯॥
বকতিয়ালৰ ঘৰ জলমবটা বোলে।
লাজ পায়া নৰাৰ বংশক আনি দিলে॥
বুজিলেক মহাৰাজা হোৱয় অহম।
মিছা কথা বৰগোহাঁই কহে কিবা কাম॥ ৪৪০॥
বৰবৰুৱা নৃপতিৰ ধৰে চৰণত।
মই থাকন্তেও এই কি কৰে পাচত॥



অহম বুৰঞ্জী আছে যাৰ যাৰ ঘৰে।
আনিয়া চাহিলে পুনু কৈবাক নপাৰে॥ ৪৪১॥
শুনি আজ্ঞা দিয়ে বুৰঞ্জীক আনিবাৰে।
যাৰ যৈত আছে আনে ৰাজাৰ ওচৰে॥
যাৰ বুৰঞ্জীত ভাল বকতিয়ালৰ।
চাহিয়া তাহাৰ হাতে দিলে পুনৰ্ব্বাৰ॥ ৪৪২॥
বিষম কহিয়া আছে যাৰ বুৰঞ্জীত।
নৰাখিলা পুৰিবাক দিলেক জুইত॥

বৰবৰুৱাৰ ওপৰত প্ৰতিশোধ।

সেহি হেতু খঙ্গ ভৈলা বকতিয়ালত।
এক দিনা আধাকটা কৰিলেক গাত॥ ৪৪৩॥
আধামৰা হুয়া বৰবৰুৱা আছে পৰি।
নৰপতি বিচাৰিয়া ঢেকিয়াল ধৰি॥
সাত পাঞ্চ জন দণ্ড কৰে তাৰ লগে।
বৰবৰুৱা জনায় টাঙ্গনধৰা মোক লাগে॥ ৪৪৪॥

বৰবৰুৱাৰ লগত টাঙ্গনধৰা।

গাৰ ভাল ভৈলে মোৰ যাইতে লাগে ভয়।
শুনি নৰপতি লগে টাঙ্গনধৰা দেয়॥
গড়-ভিতৰক যান্তে ঘৰক আসন্তে।
বিংশতি টাঙ্গন ধৰি আনে নিয়ে তাতে॥ ৪৪৫॥
বৰজাপি ধৰি যায় গড়-ভিতৰতে।
লৈলা চালি টুপ দৰে পানীচোৰতে॥

কামাখ্যাত মহাৰাজা।

সেহিমতে বৰুৱাকে ভাল কৰি থয়।
কামাখ্যাক সেৱা কৰিবাক ৰাজা যায়॥ ৪৪৬॥
কৰ্ণেশ্বৰ চিত্ৰাচল এইসকলতো।
দ'ল দেৱালয় কৰি লোক দিলা তাতো॥

আছিলা বাহৰ কৰি বঠা যে খনাই।
কামাখ্যাত সেৱা কৰি আসিলা উজাই ॥ ৪৪৭ ॥

নেঘেৰী-টিঙ্গত ন দ'ল। দশ বাহ্র দিনে আসি দেৰৰগাওঁ পাই।
পুৰণি দ'লক ব্ৰহ্মপুত্ৰে ভাঙ্গি নেই ॥
নেঘেৰীটিঙ্গতে নৱ দ'ল কৰোঁ বুলি।
ইটা পাথৰক দিয়া বান্ধি আছে তুলি ॥ ৪৪৮ ॥

মালৌত মোৱামৰাৰ ভেঁটি। সেহি সময়তে মোৱামৰাৰ মহন্তে।
কাকতল এৰি আসে স্নুতীয়াপতাতে॥
শিষ্যসব আসে যত সীমা সংখ্যা নাই।
সিসবৰ আগে তাৰ মহন্তেও কয় ॥ ৪৪৯ ॥
ব্ৰহ্মপুত্ৰ দখিণে মালৌউ পথাৰত।
এক গুটি ভেঁটি মোক বান্ধি দিয়া আত ॥
ইহাতেসে গৃহ কৰিবাৰ মন আছে।
নেদেখিয়া ভূমি জল আছে তাৰ কাছে ॥ ৪৫০ ।
গাৱে গাৱে এক চপৰাক দিয়া মাটি।
সেহি চপৰাৰে হুইবে লাগে বৰ ভেঁটি ॥
শুনি শিষ্যে এচপৰা কৰি মাটি দিল।
যেহেন পৰ্ব্বত সম বৰ ভেঁটি ভৈল ॥ ৪৫১ ॥

মহাৰাজাৰ শঙ্কা। দেখি নৰপতিৰ মনত শঙ্কা ভৈলা।
একজনে এক চপৰাক মাটি দিলা ॥
আউৰ একবাৰ মাটি নেদিলাহা কাটি।
তথাপিতো ইহেন ভৈলেক বৰ ভেঁটি ॥ ৪৫২ ॥
কৰিল কীৰ্ত্তন তাতে সাজি বৰঘৰ।
ইটো আমাসাত কৰি বুজিলোঁহো চাৰ ॥



বৰ ভাই আকে কৰি আছে অপকাৰ।
কিজানি আমাক তাৰে স্নুজে পূৰ্ব্বধাৰ ॥ ৪৫৩ ॥

দিহিঙ্গৰ মহন্তৰে আসিল মৰাণ যত সীমা সংখ্যা নাই।
স্নুতীয়াপোতাৰ কোষে নুজুৰিলে ঠাই ॥

স্বৰ্গদেৱৰ মিত্ৰতা প্ৰস্তাৱ। আৰো থাকিলে বা কত কাকৰ তলত।
আমাত কৰিয়া চাৰ বুজিলোঁহো আত ॥ ৪৫৪ ॥
দিহিঙ্গৰ যিবা জন আছয় গোসাঞিঃ।
তাহাঙ্ক আনিয়া মই কৰোঁহো আশ্ৰয় ॥
তাহান বিভূতি দেখি আছোঁ যতমান।
শিষ্যসব আত কৰি হৈবেক দুগুণ ॥ ৪৫৫ ॥
সিসবেও গুৰুকেসে থাকয় ধিয়াই।
গুৰু বিনে তাহান বান্ধৱ আন নাই ॥
যদি কোনো কালে মই পৰোঁ আপদত।
গুৰু শিষ্য এক হুয়া নেৰিবেক তাত ॥ ৪৫৬ ॥
এহি মনে ভাবি থিৰ কৰিলেক আতি।
চিকণ গোসাঁইৰে মিত্ৰ কৰিবোঁ সম্প্ৰতি ॥
বৈকুণ্ঠৰ নাথ যিটো প্ৰভু দামোদৰ।
তাহাঙ্কেসে পাইলা চিনি মিত্ৰ কৰিবাৰ ॥ ৪৫৭ ॥
ৰাজেশ্বৰ মহাৰাজা গুণে যাৰ খ্যাতি।
ৰুদ্ৰসিংহৰে স্নুত গদাধৰ নাতি ॥
পৰম বৈষ্ণৱ সিটো মহাগুণ যাৰ।
স্বভাৱত যেন মেৰু গম্ভীৰে সাগৰ ॥ ৪৫৮ ॥
ৰঙ্গপুৰ নগৰত থাকে মহীপাল।
খণ্ট চৌৰ ডকাইতৰ যেন যমকাল ॥
পৰম দয়ালু ৰাজা কাকো হিংসা নাই।
প্ৰাণীৰ হিতক চিন্তি থাকে সৰ্ব্বদায় ॥ ৪৫৯ ॥

যত দিন মহাৰাজা আছিলা ধৰণী।
একো উপদ্ৰব একো নভৈলা বিঘিনি॥
যত যত নৰপতি হুয়া গৈল মৰি।
ৰাজেশ্বৰেসে সম হুইবে কেন কৰি॥ ৪৬০ ॥
এক দিনা মহাৰাজা গুণয় মনত।
অনেক মহন্ত আছে মোহোৰ ৰাজত॥
তাৰাসবে কাকো নকৰয় অপকাৰ।
আশ্ৰয় কৰিলে ভাল আছয় আমাৰ॥ ৪৬১ ॥
মোৰামৰা মহন্ত যি সিসবৰ বাজ।
তাহাতে নাহিকে আমাৰেসে কিছু কাজ॥
ব্ৰাহ্মণ মহন্ত যত আছে ঠাই ঠাই।
সিসবৰ মুখ্য চাৰিসত্ৰ বুলি কয়॥ ৪৬২ ॥
আউনিআটি, দক্ষিণপাট, কুৰুৱা যে বাসী।
গৰমূৰেসে চাৰিসত্ৰ ভৈলা আসি॥
চাৰিসত্ৰ নাম ধৰে একডাল গুৰি।
তিনিৰ সংযোগে আসি হোৱে অধিকাৰী॥ ৪৬৩ ॥
শিষ্যসকলক যিবা গুৰু মন্ত্ৰ দেই।
সি মন্ত্ৰক এৰি অন্য ঠাইৰ গুণ গায়॥
বিশেষত সিসবৰ সম নোহে আন।
জাতিতো ব্ৰাহ্মণ আৰো হোৱে উদাসীন। ৪৬৪ ॥
দিহিঙ্গৰ যিবাজন আছে অধিকাৰ।
সিজন যোগ্য হোৱে মিত্ৰ কৰিবাৰ॥
শ্ৰীযদুদেৱ নাতি বুলি কহে লোক।
দেখিতে সন্তোষ হওঁ গুচে মোৰ ভোক॥ ৪৬৫ ॥
গুৰুৰেসে পুত্ৰ সিটো আছে গুৰু হুই।
ঈশ্বৰৰ চিন যত শৰীৰে আছয়॥



ভক্তসকলকো দেখি ভকতৰ চিন।
কাকৰ মাজত দেখো বগুলি যেহেন॥ ৪৬৬ ॥
গুৰুৰ শিখাক যেৰাসবে আছে পাই।
সিসবক দেখি যেন সমুদ্ৰপৰায়॥
তান সমে মিত্ৰ কৰিলেসে মোৰ ভাল।
তেবে চিৰকালে মোক নপাইবে জঞ্জাল॥ ৪৬৭ ॥

ৰাজপুৰীলৈ গোসাঁইৰ নিমন্ত্ৰণ।

এহি বুলি প্ৰভুকে মাতিবে মন কৈয়া।
পাঞ্চিয়া দিলেক সিটো কুপতি বৰুৱা॥
জানাইলা বৰুৱা গৈয়া প্ৰভুৰেসে ঠাই।
নৰপতি মাতি আছে যাইতে ভাল হয়॥ ৪৬৮ ॥
শুনিয়া প্ৰভুৱে আসিলেক শীঘ্ৰ কৰি।
পশিলেক গৈয়া ৰঙ্গপুৰ যে নগৰী॥
নৰপতি আছিলেক কাৰেঙ্গ ঘৰত।
প্ৰভুক যাইবাৰ শুনি নিয়াইলেক তাত॥ ৪৬৯ ॥
বসিবাক লাগি দিলা কাপৰ পৰাই।
দেখিয়া প্ৰভুক আনন্দৰ পাৰ নাই॥
দেখা দেখা ৰাজেশ্বৰ নৃপ-গুণমণি।
বৈকুণ্ঠৰ নাথ যিবা তাঙ্ক পাইলা চিনি॥ ৪৭০ ॥
হেন জানি গুৰুচৰণতে কৰা ৰতি।
গুচিবে দুৰ্গতি যত পাইবা সদগতি॥ ৪৭১ ॥

---

## দুলৰী ঃ

প্ৰভুকেসে চাই নৰপতি কয়
শুনিয়ো তুমি গোসাঞি।

গোসাঁইৰ ওচৰত ৰাজেশ্বৰ-সিংহৰ অনুনয়।

আমাৰ ৰাজত যতেক মহন্ত
আপোনাৰ সম নাই॥
নামো চিকণ গুৰু যে চিকণ
চিকণ তযু চৰিত্ৰ।
সেহিসে নিমিত্তে মোৰ দেহে চিতে
কৰোঁহো তোমাৰে মিত্ৰ॥ ৪৭২॥
মোহোৰেসে মন যত মহাজন
অল্প অল্প আছে দাই।
তোমাৰ সমান নোহে অন্যজন
আমি তাকে জনা যায়॥
তযু গুণগণ দেখি বিচৈক্ষণ
কৰি আছোঁ মই সখি।
সৰ্ব্বকালে মোক লাগে নেৰিবাক
এহি বাঞ্ছা আছোঁ ৰাখি॥ ৪৭৩॥
ইহ পৰলোকে ধৰিছোঁ তোমাকে
নেৰিবাহা ভিন কৈই।
স্বতন্ত্ৰ ঈশ্বৰ জানিয়া তোমাৰ
লৈয়াছোঁ আমি আশ্ৰয়॥
তোমাৰ সেৱক আছয় অনেক
তাৰে আমি একজন।
বুলিয়া আমাই নচাৱা সদাই
কৰিবাক লাগে ত্ৰাণ॥ ৪৭৪॥
আমি ৰাজা হৈই আছোঁ দীখা লৈই
হংস ছাগ আছোঁ কাটি।
আৰ উপক্কাৰ নহৈবে আমাৰ
ইটো কথা আছোঁ ঘাটি॥



এতেকেসে মই তেজিয়া সবাই
কৰোঁ মই পৰিহাৰ।
তুৱা ভক্তি-দান দিয়া অল্পমান
তেবে মই পাইবোঁ পাৰ॥ ৪৭৫॥

গোসাঁইৰ আশ্বাসবাণী।

নৰপতি মতি বুজি যদুপতি
বোলে নকৰিবা ভয়।
গুৰু যিবা দেই শিচে তাকে লয়
তাৰে উপকাৰ হয়॥
আবো ভক্তি-বাস নকৰিবা আশ
নোহে নৰপতি কৰ্ম্ম।
যত ৰাজা হয় দুৰ্গাক পূজয়
নৰপতি এহি ধৰ্ম্ম॥ ৪৭৬॥
কিবা গুণ দেখি কৰি আছা সখি
তাৰ ঋণ শুজিবাৰ।
মনে গুণি চাই নেদেখোঁ উপায়
কি কৰিবে পাৰোঁ আৰ॥
এতেকেসে মই নেৰিবো সদায়
আমাৰো তোমাতে আশা।
তুমি নৃপমণি আমি কোন গণি
তথাপি কৰা ভাৰসা॥ ৪৭৭॥
এহিসে ৰাজৰ তুমি নৰেশ্বৰ
সকলি তোমাৰ কাষে।
আমাক ভাৰসা কৰি আছা আশা
আশীৰ্ব্বাদ মাত্ৰ আছে॥
যত মহাজন তোমাৰ পালন
তাৰে আমি একজন।

যত বলে আটি নেদিবোহোঁ ভাটী
কহিলোঁ এহি বচন ॥ ৪৭৮ ॥

গোসাঁইৰ লগত ৰাজাৰ মিত্ৰতা।

প্ৰভুৰ উত্তৰ শুনি নৰেশ্বৰ
মনত হৰিষ কৰি।
দুই হাতে ধৰি কহে নৰপতি
সখি ভৈলোঁ আজি ধৰি ॥
ফুকন বৰুৱা যত ভিতৰুৱা
সবেয়ো আনন্দ পাইলা।
নিৰ্পতি যুগ্যৰ বস্ত্ৰ অলঙ্কাৰ
প্ৰভুকেসে বঁটা দিলা ॥ ৪৭৯ ॥

তাত পাচে আৰ ভিতৰ শালৰ
চকচিঙ্গ দন্তাল হাতী।
তেখনে অনাই প্ৰভুকেসে দেই
বুজিবাহা পৰিপাটি ॥
অনেক আদৰ কৰি নৰবৰ
প্ৰভুক গৃহে পঠায়।
সোপনত হই প্ৰভুক দেখয়
ৰাজেশ্বৰ মহাৰায় ॥ ৪৮০ ॥

হাতীৰ যুজৰ শেন মেলিবাৰ
যিবেলা হোৱে ৰাজাৰ।
প্ৰভুক লাগিয়া লোক পাঞ্চি দিয়া
মাতিয়া আনে সত্তৰ ॥ ৪৮১ ॥

যিবেলাত পাই ৰাজাও ওলাই
বোলে চিকণ গোসাঁই।
তুমি আমি দুই ৰঙ্গ দেখো গৈই
আগবাঢ়িয়োক যাই ॥ ৪৮২ ॥



প্ৰভুৰে গমন আবলখ যান
পাচে নৰপতি যায়।
ঠাট-কটকৰে হস্তীৰ উপৰে
গৈয়া দুয়ো ৰঙ্গ চায় ॥
হাতীয়ে হাতীক দন্তে দন্ত ঠক-
ঠকি মাৰি কোনো ভাগে।
কোনোৱা উৰয় শেন পক্ষী যায়
ধৰিয়া পেলায়ে আগে ॥ ৪৮৩ ॥

এহিমতে ৰঙ্গ হুয় যায় ভঙ্গ
প্ৰভু নৰপতি চায়।
পুনু আগ কৰি যায় ঘৰাঘৰি
তেবেসে প্ৰভু এৰায় ॥
নৰপতি মনে নেৰিব যেহেনে
সিমতে কৰিলা ভক্তি।
পৰম বৈষ্ণব সিটো জন হয়
স্বৰ্গত হৈবে বসতি ॥ ৪৮৪ ॥

---

## ছবি

নেঘেৰীটিঙৰ দ'ল উছৰ্গা।

এহিমতে নৰেশ্বৰে প্ৰভুক সৰ্ব্বদা নেৰে
যৈকে তৈকে কৰে আগমন।
যদি পাচ হুয়া থাকে মাতিয়া লৱয় আগে
কিনো মোহে মুহিলে ৰাজন ॥
এক দিনা নৰপতি প্ৰভুক আনিয়া মাতি
বোলে শুনা চিকণ গোসাঞি।

নেঘেৰীটিঙ্গত মই    দ'ল বান্ধি আছোঁ থৈই
উছৰ্গা কৰিয়া আসোঁ যাই ॥ ৪৮৫ ॥
তোমাসাক এৰি আত    যাইবাৰ নাহিকে চিত
আপুনিয়ো যাইবা কেন কৰি।
নোহে আপুনাৰ চিত    নিবোঁ মই কেনমত
এতেকেসে আমি যাওঁ এৰি ॥
প্ৰভু দিলা অনুমতি    ৰাজা গৈলা শীঘ্ৰগতি
দ'লৰ গাৰক ৰাজা পাই।
অনেক সম্ভাৰ যত    উছৰ্গিয়া দিলা তাত
সুবৰ্ণ ৰজত যত হয় ॥ ৪৮৬ ॥

---

## দুলৰী ৷

ৰাজেশ্বৰ সিংহৰ মৃত্যু।

কহোঁ পুনৰ্ব্বাৰ    কথা নৃপতিৰ
উছৰ্গা কৰি সিথান।
আপুনাৰ পুৰী    যাইবে মন কৰি
আছে দুই চাৰি দিন ॥
সেহি সময়তে    নৃপতিৰ তাতে
গাৰত ভৈলেক জ্বৰ।
মনে জানিলেক    কাল আসিলেক
চাপিলা মোৰ ওচৰ ॥ ৪৮৭ ॥
পাত্ৰ মন্ত্ৰী যত    মতাই আনি তাত
কহিলা ৰাজা সবাত।
এহি ভাৰতত    হুয়া জন্ম জাত
চিৰকালে কোন আত ॥



থাকিবাক পাৰি    যাইবে লাগে মৰি
মোৰো আসি বেলা হয়।
লক্ষ্মী যিটো ভাই    ৰাজ্য দিলোঁ মই
লৈবাহা তাক সবাই ॥ ৪৮৮ ॥
এহি বুলি কৈই    ৰাজেশ্বৰ ৰাই
অমৰ লোকক যায়।
ভাৰ্য্যা-পুত্ৰ আৰ    যত পৰিবাৰ
কান্দন্ত গুণ বৰ্ণাই ॥

ৰজাদেৱৰ মৃত্যুত পৰিয়ালৰ অনুতাপ।

হা পুত্ৰ ৰত্নেশ্বৰ    আছিলে তাৰ
নিদিলেক কি কাৰণি।
দিলেক ভাতৃক    ৰাজ্য পালিবাক
কিনো নৃপ গুণমণি ॥ ৪৮৯ ॥
হা নৰেশ্বৰ    তেজিলা আমাৰি
কৰে কোনে প্ৰতিপাল।
অনাথ কৰিয়া    কৈক এৰি যোৱা
ইহেন বিধি লিখিল ॥
মাটিত বাগৰি    কান্দে লুটি পাৰি
ভাতৃ বন্ধু যত হয়।
সিসবৰ লগে    কান্দে প্ৰজাসবে
নৰপতি গুণ গাই ॥ ৪৯০ ॥
তোমাৰ সমানে    আউৰ কোন জনে
কৰিবে আমাক দায়া।
সিসব কথাক    সুমৰি আমাৰ
ফুটয় আমাৰ হিয়া ॥
এহি বুলি কৈই    দীৰ্ঘ গেৰি দেই
সবাৰো আকুল মনে।

যত উপকাৰে কৰিলা আমাৰে
পাসৰিবোঁ কোন দিনে ॥ ৪৯১ ॥
ক্রন্দনৰ বোল ভৈলা হুলস্থূল
কাৰো পানী নাসে মুখ।
ৰাজা স্বৰ্গে যায় কেনমতে পায়
অকাৰণে কৰে দুখ ॥
পাত্র-মন্ত্রী সবে বুজায়া সবাকে
কৰিলেক তাতে থিৰ।
লক্ষ্মী যে সিংহক ৰাজা পাতিলেক
পূৰ্ব্বৰেসে ব্যৱহাৰ ॥ ৪৯২ ॥
মৃত ৰাজা লৈই চৰাইদেৱে যাই
বান্ধিলা মৈদাম তাত।
ধন সোণ আৰ দিলেক বিস্তৰ
তাৰ লেখা আছে কত ॥ ৪৯৩ ॥

---

# সপ্তম অধ্যায়।

## স্বৰ্গদেৱ লক্ষ্মীসিংহ।

### পদ।

স্বৰ্গদেৱ লক্ষ্মীসিংহ।

পুনৰপি কহোঁ মই শুনিয়ো সবাই।
শ্রীশ্রীলক্ষ্মীসিংহ মহাৰাজা হয় ॥
শিঙ্গৰিঘৰত উঠিবাৰ কৰি মন।
পাত্র-মন্ত্রী সমে কৰিলেক আয়োজন ॥ ৪৯৪ ॥
উঠিলেক যাই চুন্মেউফা নাম পাই।
ৰমানন্দ আচাৰ্য্য তাহান মন্ত্র লয় ॥
বৃত্তি-বিধান ৰাজা দিলন্ত অনেক।
পহুমৰীয়া মহন্ত নাম দিলা তাঙ্ক ॥ ৪৯৫ ॥
নৃপতিৰ ভৈলা গুৰু আছে সবে দেখা।
আসোম ব্ৰাহ্মণ কিছু লোকে লৈলে দীখা ॥
ভৈলা ৰাজাৰেসে গুৰু নৰ যে মহন্ত।
গৃহসব কৰিয়া দিলেক ভালমত ॥ ৪৯৬ ॥
গো-ভূমি ধন-ৰত্ন দিলা বহু কৰি।
নৰজনা গুৰু হয় সেহি দিনা ধৰি ॥
তান ভাতৃসব পৰ্ব্বতীয়াৰ সেৱক।
তাঙ্ক এৰি নৰ গুৰু লৈলেক কিসক ॥ ৪৯৭ ॥

ভিন গুৰু গ্ৰহণৰ কাৰণ।

তাহাৰ কাহিনী শুনিয়োক মন কৰি।
ৰুদ্রসিংহ ৰাজাৰ যে চাৰি পটেশ্বৰী ॥
প্ৰথমৰ শিৱসিংহ প্ৰমত্তসিংহ হয়।
দ্বিতীয় জনাৰ বৰজনা যে গোহাঁই ॥ ৪৯৮ ॥

তৃতীয় ৰাণীৰ ৰাজেশ্বৰ বোলে যাক।
শেষে লক্ষ্মীসিংহ ভৈলা তুঙ্খেৰ বালক॥
পিতৃ স্বৰ্গে যায় চাৰি তনয়ত কৈই।
গুৰু মানি শিষ্য ভৈল চাৰিজন ভাই॥ ৪৯৯॥
ক্ৰমৰূপে লক্ষ্মীসিংহ ভৈলেক ডাঙ্গৰ।
জ্যেষ্ঠ ভাই ৰাজা হৱে নকৰে আদৰ॥
আলাগীৰ পুত্ৰ বুলি কৰে অৱহেলা।
সেহি হেতু পৰ্ব্বতীয়া মন্ত্ৰকো নিদিলা॥ ৫০০॥
পঢ়াইবাৰ অধ্যাপক আছিল এজন।
শাস্ত্ৰ ভাগৱতে আছিলেক বিচৈক্ষণ॥
গুৰুৰেসে যুগ্য হেন দেখি তাসম্বাত।
সেহি হেতু শিষ্য ভৈল সেহি আচাৰ্য্যত॥ ৫০১॥
যদি সেহি পাটে ৰাজা হুইবাক পাৰিবোঁ।
তোমাসাক নৰ যে গোসাঁই নাম দিবোঁ॥
এহি বুলি নৰপতি আগে আছে কৈই।
সেহি হেতু ৰাজা তাহানেসে শিষ্য হয়॥ ৫০২॥
সেহিমতে লক্ষ্মীসিংহ আছে ৰাজা হুই।
তাত পাচে যিবা ভৈলা শুনা কহোঁ মই॥

মৰাণৰ আক্ৰমণ।

অল্প দিন ৰাজা হুয়া আছয় পাটত।
মৰাণেও খেদি লৈলা সেহি সময়ত॥ ৫০৩॥
ৰাঘ নাহোৰখোৱা দুই কিছু ফৌজ লৈই।
খেদিখোৱা বৰজনা গোহাঁইক দেখাই॥
কিকাৰণে মৰাণেও ৰাজ্য লৈবে তাক।
অনা যুদ্ধে আমাসাৰ পুৰী তুলিলেক॥ ৫০৪॥
খোৱাৰ তনয় ৰমাকান্ত ৰাজা হয়।
ৰাঘ যাক বোলে বৰবৰুৱা তাকে কয়॥



লক্ষ্মীসিংহ বন্দী।

নৃপতিক নিয়া জয়সাগৰ দ'লতে।
বন্দী কৰি ৰাখিয়া থৈলেক ভালমতে॥ ৫০৫॥
তথাপিতো তাৰ মন শান্ত নভৈলেক।
ৰাণীকো কাঢ়িয়া লৈলা মগলুৰ জীক॥
কুৰৈগঞা ভগী বুঢ়াগোহাঁই বোলে যাক।
মাহুৰিয়ালৰ বৰগোহাঁই আছিলেক॥ ৫০৬॥
দুই ডাঙ্গৰীয়াক যে মাৰিলা মৰাণ।
বকতিয়ালৰ বৰবৰুৱা যিবা জন॥
কীৰ্ত্তিচন্দ্ৰ নামে তাঙ্ক দিলেক শালত।
পুত্ৰসকলকো কাটিলেক সিঠাইত॥ ৫০৭॥
নৃপতি মোহৰ আছে আঠ যে চুকীয়া।
নৰচুকীয়াক মাৰে ভিন যে কৰিয়া॥

মগলু জীয়ৰী কুৰঙ্গনয়নীৰ কৌশল।

সেহিমতে ৰাজা হুয়া আছে ৰমাকান্ত।
মগলীৰ জীয়ে দেখি বিষাদ মনত॥ ৫০৮॥
আছে ৰাজ-ৰাণী হুয়া তভো আসে দুখ।
স্বভাৱে মৰাণ জাতি কিবা হুইবে সুখ॥
পাঞ্চে নৃপতিৰ পাশে লোক একজন।
আমাক ৰাখয় যদি নকৰিয়া ঘিণ॥ ৫০৯॥
তেবে মৰাণক মাৰিবাক পাবোঁ মই।
ঘৰিণী বুলিয়া মোক ৰাখিবে লাগয়॥
শুনি নৰপতিয়ে কহিলা সত্যবাণী।
যদি মাৰিবাক পাৰে হৈবে মোৰ ৰাণী॥ ৫১০॥
শুনি মগলিনীৰ মনত গুচে ভয়।
মৰাণক মাৰিবাৰ চিন্তিলা উপায়॥
বৈশাগৰ বিহু আসি ভৈলা সিবেলাত।
মাতিয়া পঠায় আপু আছে লোক যত॥ ৫১১

হিচৰি গাইবাৰ ছলে আসিবাহা ৰাতি।
ছল কৰি মই তাকে লাগি নিবোঁ মাতি॥
তাতে নমাৰিলে মাৰিবাৰ নাহি ছল।
শুনি সিসকলে হিচৰিক গায়া গৈল॥ ৫১২॥
তিনি ডাঙ্গৰীয়া আৰো ফুকন বৰুৱা।
বেশছন্ন কৰি সিসবৰ লগে গৈয়া॥
তুৱাৰত ৰহি আপনাৰ জয়ধ্বনি।
ৰমাকান্তে সোধে ইটোসব আসে কোনি॥ ৫১৩॥
মগলিনী কহিলা আমাৰ জ্ঞাতিলোক।
বিলম্ব নকৰি শীঘ্ৰে যাইবে লাগে তাক॥
সুবৰ্ণে ৰজতে তুইগোটা চৰু ভৰি।
দিবাক লাগয় সিসবক আগ বাঢ়ি॥ ৫১৪॥
গৈলা ৰাঘ, নৰপতি লৈয়া সেহিমতে।
একখান খৰ্গ গৈয়াছিল তাৰ হাতে॥
মগলীৰ জীয়ে কৈল নপাই খৰ্গ লৈতে।
হাতে অস্ত্ৰ জ্ঞাতি সেৱা কৰিবা কিমতে॥ ৫১৫॥
শুনি হেন ৰমাকান্তে ৰাণী হাতে দিল।
জ্ঞাতি বুলি সিসবৰ ওচৰ চাপিল॥
পাচ হন্তে মগলী ফান্দনে ঘাৰ দিলা।
গিৰিসিত কৰি ৰমাকান্তয়ো পৰিলা॥ ৫১৬॥
ইসবেয়ো তেতিক্ষণে মাৰিলেক তাক।
মাৰিলেক ধৰি আৰো ৰাঘ বোলে যাক॥
ইসব মৰাণ মাৰে যাকে যৈতে পায়।
কোনো কোনো প্ৰাণ ৰাখি গৈলেক পলাই॥ ৫১৮॥
আপুনাৰ কাক যে তলত ফিৰি চায়।
মগলিনী হন্তে লক্ষ্মীসিংহে ৰাজ পায়॥



“নবীন খুটা।” সেহিমতে ৰাজা হুয়া আছে নৰেশ্বৰ।
মগলীৰ জীক নকৰিয়া অনাদৰ॥ ৫১৮॥
মুখ্য পটেশ্বৰী কৰি ৰাখিলেক ঘৰে।
পুনৰপি যি কৰিলা তাত অনন্তৰে॥
কুৰৈ যে গাৱঁৰ যাক বোলে ঘনশ্যাম।
বুঢ়া যে গোহাঁই পাতি থৈলা তাৰ নাম॥ ৫১৯॥
বাইলুঙ্গ বৰ গোহাঁই হই সিবেলাত।
ৰাজ-মন্ত্ৰী বাব জানা তাহানেসে গাত॥
মৰাণৰ বৰপাত্ৰ পাতিলা বুজিয়া।
বকতিয়ালৰ ভদ্ৰসেন বৰবৰুৱা॥ ৫২০॥
এহিমতে সিসবক পাতি ভিন্নে ভিন্নি।
মোৱামৰা মহন্ত সপৰিবৰ্গে আনি॥
মাৰিল মৰাণসব মুখকো নচাই।
কেতো ভয় পায়া কাকতলো এৰি যায়॥ ৫২১॥
ইসবকো মাৰি পাচে ৰাজা গুণি চাই।
মৰাণ পুত্ৰক বৰপাত্ৰ পাতি দেয়॥
তাত পাচে কেন্দুগুৰীয়াৰ ৰুদ্ৰেশ্বৰ।
তাকো বৰপাত্ৰ পাতিলেক পুনৰ্ব্বাৰ॥ ৫২২॥
আগে আছিলেক ভদ্ৰসেন বৰবৰুৱা।
পুনৰপি পাতিলেক আদা যে বৰীয়া॥
সন্দিকৈ ঘৰৰ সিয়ো বৰবৰুৱা হয়।
তাত পাচে বৰফুকন যাহাক পাতয়॥ ৫২৩॥
দিহিঙ্গীয়াৰ কাশী এক, লাহন এজন।
এহি তুইক ক্ৰমৰূপে পাতে বৰফুকন॥

দ'ল দেৱালয় নিৰ্ম্মাণ। দেৱগাৱঁৰ ন যে দ'ল কৰা আছে।
নিৰ্পতিয়ে উছৰ্গা কৰিয়া দিলা পাচে॥ ৫২৪॥

ৰঙ্গপুৰে গৰ্ভিতৰে সজাই তাম-ঘৰ।
আপুনাৰ ইষ্টদেৱতাক পূজিবাৰ॥
গড় ভিতৰতে আৰো ঈশাণ কোণত।
পুখুৰীকো খনাই দ'ল কৰাইলেক তাত॥ ৫২৫॥
ৰোৱাইলা অনেক ফুল চাৰিও কাষৰি।
প্ৰবন্ধে থৈলেক তাতো দেৱালয় কৰি॥
পহুমৰীয়াৰ ডেকা বৰজনা মাতে।
গৌৰীবল্লভ দ'ল দেৱালয় পাতে॥ ৫২৬॥
পুনু ৰাজমাৰে এক দ'ল কৰাইলেক।
তেওঁৰো নাম বগীদ'ল বোলি কহিবাক॥
পুনু ৰাজা গুৱাহাটী অশ্ব যে ক্ৰান্তত।
নাম জনাৰ্দ্দন দ'ল কৰাইলেক তাত॥ ৫২৭॥
ইহাতো খনাইলা ৰুদ্ৰসাগৰ পুখুৰী।
দ'লকো বন্ধাই থৈলা দেৱালয় কৰি॥

লক্ষ্মীসিংহৰ পৰলোক। সেহি সময়তে নৃপতিৰ ভৈলা কাল।
আজি কালি কৰি ৰাজা নৰিয়া পৰিল॥ ৫২৮॥
পুত্ৰ লোকনাথ গোঁই যুৱৰাজ পাতি।
লক্ষ্মীসিংহ মহাৰাজা স্বৰ্গে কৰে গতি॥
দেখা দেখা কেনে ইটো বিষয় জঞ্জাল।
অথিৰ জীৱন যেন পদ্মপত্ৰ-জল॥ ৫২৯॥
পুত্ৰ-ভাৰ্য্যা ধন-জন সম্যেকে সপন।
হেন জানি ভাই নকৰিবা অন্যমন॥
হৰিক হৃদয়ে ধৰি মুখে লৈয়ো নাম।
তৰিবা সংসাৰ সুখে বোলা ৰাম ৰাম॥ ৫৩০॥

---

# অষ্টম অধ্যায়।

## স্বৰ্গদেৱ গৌৰীনাথসিংহ।

### ছবি।

স্বৰ্গদেৱ গৌৰীনাথ-সিংহ। কহোঁ পুনৰ্ব্বাৰ মই লক্ষ্মীসিংহ স্বৰ্গে যাই
আপুন পুত্ৰক ৰাজ্য দিলা।
পাত্ৰ-মন্ত্ৰী এক হুই যুৱৰাজ ৰাজা লই
পাচে ৰাজা যি কাম কৰিলা॥
শিঙ্গৰিঘৰ উঠে যাই চুহিত্‌পঙ্গফা নাম লই
শ্ৰীশ্ৰীগৌৰীনাথ নাম।
মহা পৰাক্ৰমী হই তাত পৰে ৰাজা নাই
খট চোৰ ডকাইতৰ যম॥ ৫৩১॥
ধৰি দণ্ড দেৱে তাৰে সন্তক পালন কৰে
সেহিমতে আছে ৰাজৰায়।
পিতৃৰেসে গুৰুজন মধ্যম তনয় তান
আনি তাঙ্ক তান শিষ্য হয়॥

দ'ল পুখুৰী নিৰ্ম্মাণ। পাচে ৰুদ্ৰসাগৰৰ দ'ল পুখুৰীয়ো তাৰ
নৰপতি উছৰ্গা কৰিল।
আছিল বৈমাতৃ যিটো দ'লক বন্ধায় সিটো
নাফুকত ৰাজমাৰ দ'ল॥ ৫৩২॥
তাত পাচে মহাৰায় গড়মূৰ যিটো ঠাই
তাতো বাহৰক কৰে যাই।

আসি পুনৰপি পাটে ফুকন বৰুৱা পাতে
সিসবৰ বুজা অভিপ্ৰায়॥

ন-বিষয়া সকল।

বাইলুঙ্গ বৰগোহাঁই সিয়ো আগে মৰা যায়
ৰাজমন্ত্ৰী নাহিকয় আৰ।
ৰুদ্ৰেশ্বৰ বৰপাত্ৰ তাহাক আনিয়া পাচে
ৰাজমন্ত্ৰী পাতে পুনৰ্ব্বাৰ॥ ৫৩৩॥
মাত্থৰিয়ালৰ সৰু- জনা ভিচুনাৰায়ণ
আছিলেক বৰগোহাঁই হুয়া।
মৰাণে লুকাই আসি নামডাঙ্গ কোঁঠত দেখি
ধৰি তাক আছয় মাৰিয়া॥
তান পুত্ৰ যিবা জন বোলে নিৰ্ভয়নাৰায়ণ
তাক বৰগোহাঁই পাতিলেক।
পুনু চতায়লীয়াক বৰগোহাঁই কৰিলেক
পুনৰ্ব্বাৰ গঙ্গা যে ৰামক॥ ৫৩৪॥
তাহাতো পাইলেক হানি নিৰ্ভয়নাৰায়ণ আনি
বৰগোহাঁই তাঙ্ক পাতি থৈয়া।
এদাবৰীয়াক ভাঙ্গি খেদিলেক নৃপমণি
আছিলেক সিয়ো বৰবৰুৱা॥
সন্দিকৈৰ ভাগতীক পাতে বৰবৰুৱা তাক
তাহাতো পাইলেক কিবা দায়।
আৰো বকতিয়ালৰ জয়নাথ নাম তাৰ
বৰবৰুৱা তাক পাতি দেয়॥ ৫৩৫॥
জগৰ ভৈলেক তাত মহাৰাজা সিঠাইত
লাহনৰ আনি বাছকটীয়া।
তাহাকো পাতিয়া দেন ক্ৰমৰূপে কেউজন
আছিলেক বৰবৰুৱা হুয়া॥



শিঙ্গৰিঘৰত জুই আৰু ৰুদ্ৰেশ্বৰ বৰপাত্ৰৰ আতঙ্ক।

সেই সময়তে আসি মৰাণে নিশাত দেখি
শিঙ্গৰিঘৰত দিলা জুই।
জুই দেখিলেক মাত্ৰ ৰুদ্ৰেশ্বৰ বৰপাত্ৰ
ভয় পাই গৈলা ভটীয়াই॥ ৫৩৬॥
আগ-পাচ নচাৱয় মল-মূত্ৰ এৰি যাই
গুৱাহাটীতেসে ফিৰি চায়।
ৰাজা-প্ৰজা এৰি তাত কিসক আসিলোঁ আত
খেদি মৰাণেও অহা নাই॥
কিছুদিন থাকি তাতে উজাই ধৰিলা আতে
তভো তাৰ ভয় আছে গাত।
সিয়ো যাই যি বেলাত নৰপতি চাৰে তাত
মৰাণক মাৰোঁ কেনমত॥ ৫৩৭॥

মৰাণৰ ভঙ্গ।

ঘনশ্যাম বুঢ়াগোহাঁই তাঙ্ক মন্ত্ৰী পাতি দেই
মৰাণৰ ৰণে সিটো গৈলা।
খেদি মৰাণক যাই কাটিলা বহুত পাই
কোনো প্ৰাণ ৰাখিয়া পলাইলা॥

ৰুদ্ৰেশ্বৰৰ প্ৰতি ৰজাৰ দয়া।

ছয় মাস ভৈল পৰ আসি পাইলা ৰুদ্ৰেশ্বৰ
নৃপতিৰ ধৰে চৰণত।
মৰাণেও জোনো পাই মাৰে গাৰে তত্ত নাই
সেহি হেতু পলাইলোঁ দূৰত॥ ৫৩৮॥
শুনি নৰপতি পাচে অনুগ্ৰহ হুয়া আছে
পুনু বৰপাত্ৰ পাতি তথা।
ৰুদ্ৰেশ্বৰ পাত্ৰ ভৈল ৰাজমন্ত্ৰী বাব গৈল
পুনু ৰাজা যি কৰিলা কথা॥

বিষয়া বাচনী।

ঘনশ্যাম বুঢ়াগোহাঁই    সিবেলাত মৰি যায়
পুত্ৰ পূৰ্ণানন্দ নাম যাৰ।
তাঙ্ক পাতে বুঢ়াগোহাঁই    ৰাজমন্ত্ৰী বাবো দেয়
পাচে যি কৰিলা ৰাজা আৰ ॥ ৫৩৯ ॥
দুৰবাৰ হৰনাথ    সেনাপতি বোলে তাক
সন্দিকৈৰ গগৈ নাম যাৰ।
ক্ৰমৰূপে দুজনক    বৰফুকন পাতিলেক
সেহিমতে আছে নৰেশ্বৰ ॥

গ্ৰন্থকাৰৰ মন্তব্য।

দেখা দেখা কেনে হয়    কলি আছে ছল চাই
লগাই কন্দল কেন কৰি।
পাতিলেক ভৰা হাট    বেসাইবে নপাইলা তাত
লোকে কাঢ়ি লৈলে আসি পুৰী ॥ ৫৪০ ॥
বিষয় অনিত্য জানি    ভজিয়োক চক্ৰপাণি
গুচিবে সংসাৰ-দুখ-ভয়।
লভিবা পৰম গতি    কৃষ্ণৰ চৰণে ৰতি
নেৰিবাহা চৰণ সদায় ॥ ৫৪১ ॥

---

## পদ

মৰাণৰ আক্ৰমণ।

কহোঁ পুনৰপি শুনা সভাসদচয়।
সেহিমতে গৌৰীনাথ আছে ৰাজা হুই ॥
তাত পাচে যিবা ভৈলা শুনা কহোঁ মই।
মৰাণক অপকাৰ কৰিয়া আছয় ॥ ৫৪২ ॥
সেহি হেতু সিসবৰ বৰ দুখ মন।
নৰম খোলাৰ যত গোটাই মৰাণ ॥



পুনৰপি সবেও আসিলা সাজু হুই।
ভৰথি বোলয় তাহাকেসে ৰাজা লৈই ॥ ৫৪৩ ॥

মৰাণ সেনাপতি।

তাহাৰেসে মুখ্য সেনাপতি ছই জন।
সিসবৰ নাম কহোঁ শুনা ভিন্নে ভিন ॥
টুবুৰি, টকছ আৰো মেখিলি, খগুণ।
মেঘাই বোলয় আৰো বোলে কলিধন ॥ ৫৪৪ ॥
এহি ছয় সেনাপতি নাম কৈবো কত।
ৰাধা-ৰুকুণীয়ো আসে তাহাৰ লগত ॥
আসি আছে ভৰিপুৰি মৰাণ বহুত।
কটকী আসিয়া কৈলা নৃপতি আগত ॥ ৫৪৫ ॥

মৰাণৰ সৈতে যুদ্ধ।

শুনি ৰাজা সেনা দিলা অঠেৰ হেজাৰ।
চিপাহীকো দিলা চিপাদাৰ জেমাদাৰ ॥
বৰহিলৈ দিলা আৰো গঠিয়া জুমুৰী।
পহলঙ্গী দিলা তাতো কোঁৰৰ হিলৈদাৰী ॥ ৫৪৬ ॥
সেনাপতি দিলা বৰপাত্ৰ ডাঙ্গৰীয়া।
গৈলা মৰাণক খেদি সেনাসব লৈয়া ॥
সেহিমতে গৈয়া মৰাণেৰে লাগে ৰণ।
মৰে আমাসাৰ তাৰ নমৰে এজন ॥ ৫৪৭ ॥
মৰাণক লাগি বৰহিলৈ ফেৰ কৰে।
ৰাধা-ৰুকুণীয়ে গুলি কোঁচ পাতি ধৰে ॥
অউ হেন গোট গুলি কোঁচ ভৰি লয়।
গঠিয়া জুমুৰী পহ্লঙ্গীয়ে কি কৰয় ॥ ৫৪৮ ॥

আহোমৰ পৰাজয়।

নপাৰি যুজিতে সবে সেনায়ো ভাগিল।
সেহি বেলা মৰাণেও নগৰ বেঢ়িল ॥

দেখি নৰপতিৰ মনত হুয়া ভয়।
ধোন্দে সৰকিয়া সিবেলাত পলাই যায়॥ ৫৪৯॥
মহা দানী মানী গৌৰীনাথ নৰেশ্বৰ।
দণ্ড-পাট এৰিয়া ভৈলেক দেশান্তৰ॥
ৰাণীকো লগতে নিলা আউৰ কেহো নাই।
আপুনাৰ গুৰু যিবা তাঙ্ক লগে লৈই॥ ৫৫০॥
মহাত্ৰাসে নৰপতি গৈলা ভটীয়াই।
ৰহিলেক গৈয়া পাচে গুৱাহাটী পাই॥
পাত্ৰ-মন্ত্ৰী সমে সেনা ৰহিলেক আত।
যুধত মৰাণে কাটিলেক বৰপাত্ৰ॥ ৫৫১॥
সেনাসকলকো তাত কাটিল বহুত।
সিসবৰ লেখা আমি কহিবোঁহো কত॥

বুঢ়াগোহাঁই পূৰ্ণানন্দ।

বুধিত পাৰ্গত পূৰ্ণানন্দ যে গোহাঁই।
মৰাণে সহিতে ৰণ কৰে ছল চাই॥ ৫৫২॥
নপাৰে ধৰিবে তাঙ্ক থাকয় অন্তৰি।
তথাপি মৰাণে তাক ফুৰয় বিচাৰি॥
পুনৰপি বিবুধি-গড়ক বান্ধে যাই।
কিছু সেনা লৈয়া তাতে ৰহিলা সোমাই॥ ৫৫৩॥
এহিমতে বুঢ়াগোঁহাই ৰহিছে ইঠাই।
নৃপতিয়ে যি কৰিলে শুনা কহোঁ মই॥

আহোম ডাঙ্গৰীয়াৰ ৰণ-ভঙ্গ।

মৰাণেও বৰপাত্ৰ কাটিলেক জানি।
অনিকেসে বৰপাত্ৰ পাতি দিলা আনি॥ ৫৫৪॥
ৰণ কৰিবাক পাঞ্চি দিলেক তাহাক।
আসিলেক ৰণে কি কৰিবে মৰাণক॥



গগৈ বৰফুকন যিবা হুয়া আছিলেক।
মৰাণ-ৰণক ভয়ে সিয়ো পলাইলেক॥ ৫৫৫॥
দিহিঙ্গীয়া মেধি বুলি আছিল এজন।
তাকো পঠাইলেক পাচে পাতি বৰফুকন॥
সিয়ো পলাইলেক ৰণকেসে কৰি ভয়।
তুৰবাৰ শিৱনাথ সৰ্ব্বলোকে কয়॥ ৫৫৬॥
বৰফুকন পাতিয়া তাহাকো পঠাই দেয়।
সিয়ো ৰণ কৰিবাক আসে আগ হুই॥
দেখিয়া মৰাণ তাৰ লাগিলেক ভয়।
আপুনাৰ প্ৰাণ ৰাখি গৈলেক পলাই॥ ৫৫৭॥
বুঢ়া চেটিয়াল বুলি কৰে নাম তাৰ।
তাহাকো মাতিয়া আনে নৃপতি ওচৰ॥
তাকো বৰফুকন পাতিলেক পুনৰ্ব্বাৰ।
সিয়ো আসি মৰাণৰ নপাইলা ওচৰ॥ ৫৫৮॥
কলিয়াবৰক পাই সিয়ো উলটিল।
বুদ্ধিতো ঘাটিয়া মল-মূত্ৰকো এৰিল॥
সেহিমতে নৰপতি যিসব পাঞ্চিল।
মৰাণৰ আগে থিৰ হুইবে নপাৰিল॥ ৫৫৯॥
ইসব কথাক কিছু পাচ কৰি থওঁ।
মৰাণেও যি কৰিলা শুনা তাকে কওঁ॥

ৰংপুৰত মৰাণ।

মহাৰাজা-নগৰ বেড়িলা যিবেলাত।
পাইবোঁ নৃপতিক বুলি আনন্দ মনত॥ ৫৬০॥
নগৰৰ ভিতৰতে ৰাজা আছে বুলি।
পাইলোঁ পাইলোঁ বুলি হাসি তোলে খলখলি॥
পশিলেক যাই মহাৰাজাৰ ঘৰত।
পিত পিত কৰি চাহে গৃহ আছে যত॥ ৫৬১॥

সেহিমতে চাহি তাতে ৰাজাক নপাই।
ধোন্দে গৈল বুলি মৰাণেও নজানিল॥
নগৰ বাহিৰ হুয়া কৈক গৈল বুলি।
নপাইলোঁ বুলিয়া তাতে পাৰয় টকালি॥ ৫৬২॥

মৰাণ ৰজা ভৰথি। ৰাজা পাতি লৈলা ভৰথিক পাটে তুলি।
উজনিৰ খণ্ডে ৰাজা ভৈলেক সমূলি॥
ৰূপ-সোণ-মোহৰক মৰাইলা বহুত।
ভৰথিৰ নাম তাত জানিবা প্ৰখ্যাত॥ ৫৬৩॥
পূৰ্ব্বে মহাপুৰুষে ৰাজাৰ গুৰু লয়।
অনিৰুদ্ধ বংশতে ভৰথি ৰাজা হয়॥
মোৱামৰা মহন্তৰ সিয়ো নাতি হয়।
মৰাণৰ স্বভাৱ তাহাৰো দেখা যায়॥ ৫৬৪॥
প্ৰাণীসকলৰো তাত নাহিকে বিচাৰ।
সেহিমতে মৰাণো ভৈলেক অধিকাৰ॥
তাহাৰে সহিতে যাৰ থাকে আয়া-যাত।
সিসবক অপকাৰ নকৰয় তাত॥ ৫৬৫॥
ইসব লোকৰ কিছু মুখকো নচায়।
লুৰি-পুৰি খাৱে ধৰি মাৰে ঠাই ঠাই॥
দেখা দেখা কেনে ভৈলা কালৰেসে গতি।
ৰাজ্য ধনতেসে আশে ভৈলেক ছুৰ্ম্মতি॥ ৫৬৬॥
এৰিলা আচাৰ ধৰ্ম্ম ভৈলেক পাগল।
এতেকে বুজিবা সমূলঞ্চে যাইবে তল॥
হেন জানি কৃষ্ণৰ চৰণে দিয়া চিত।
তৰিবা সংসাৰ সিটো পৰলোক বিত॥ ৫৬৭॥

---



## দুলৰী ৷

ভৰথিৰ আমোলত প্ৰজাৰ বিলৈ।

ভৰথিয়ে আসি আমাসাৰ পুৰী
পায়া ৰাজা ভৈলা আতে।
গেধা ৰৰবৰুৱা তাক মন্ত্ৰী লৈয়া
থাকে সিটো ৰঙ্গপুৰতে॥
ধান্য সিজাইবাক নেদয় লোকক
ৰাধা-ৰুকুণীৰ বোল।
ধান্য যদি আকে তাইৰ গাৱ ফাটে
ইহেন গাৱ কোমল॥ ৫৬৮॥

আছে সেহিমতে ৰাজা হুয়া তাতে
প্ৰাণীৰ নিচিন্তে হিত।
স্বভাৱত হয় মৰাণ বোলয়
তাহাৰ কঠিন চিত॥
আমাসাৰ লোক যত আছিলেক
সবে দশোদিশে যাই।
যাক যৈতে পায় মাৰে ঠাই ঠাই
তাহাকো বাধন্তা নাই॥ ৫৬৯॥

কাৰো ভাৰ্য্যা-পুত্ৰ ধৰিয়া নিশাত
ছুৱাৰ বান্ধিয়া তাৰে।
সপুত্ৰ বান্ধৱ কৰি একঠাৰ
গৃহে জুই দিয়া মাৰে॥
এহিমতে ৰাজ্য কৰে ৰণ্ড-ভণ্ড
যাইবে লাগি নাহি থান।
খাইবাক লাগিয়া অন্ন নাইকীয়া
কিমতে ৰহিবে জান॥ ৫৭০॥

আলু কচু হয় ঢেকীয়াকো খায়
বন-ফল যত পায়।
অৰণ্যত পশি থাকে দিনে ৰাতি
তাতো পায়ে বুলি ভয়॥
কোনো কোনো লোকে বান্ধিয়া অন্নকে
ধন হেন সাঞ্চি নেয়।
টেমিৰ মূৰতে জুখিয়া তাহাতে
টকা ভাৰে ধন লয়॥ ৫৭১॥

শাক-পাত আৰ লৱয় বিস্তৰ
বেঞ্জন সমান ভাত।
কেতো ধোঁৱা দেখি শীঘ্ৰে খেদি আসি
কাঢ়িয়া লৱে তাহাত॥
যাৰ বল হয় সেয়ে কাঢ়ি খায়
তাতো মাৰামাৰি কৰে।
জাতি-কুল তাৰ কি আছে বিচাৰ
পেটৰ বিকলে মৰে॥ ৫৭২॥

এহিমতে মৰে যাইবাক নপাৰে
আপুনাৰ ৰাজ এৰি।
যদি কোনো যায় নগা ডফলাই
পালাএ তাহাক মাৰি॥
এহিমতে প্ৰাণী বহু ভৈল হানি
কি কৈবোঁ ত্বখৰ কথা।
খাইবাক নপাই যত মৰি যায়
লেখা কৰে কোনে এথা॥ ৫৭৩॥

---



**পদ৷**

ভৰথিৰ মৃত্যু। সেহিৰূপে ভৰথিয়ে আছে ৰাজা হুই।
প্ৰাণীক লাগিয়া তাৰ দায়া নাহিকয়॥
দণ্ড-বন্ধ কৰি ধন লৱে যত পায়।
লোকসকলৰো কিছু মুখকো নচায়॥ ৫৭৪॥
সেহিমতে ভৰথিয়ে দিয়া অপমান।
পঞ্চ বৰিষেক ভুঞ্জি গৈলা যম-থান॥

ৰাজপাটত সৰ্ব্বানন্দ। পুনৰপি পাটে সৰ্ব্বানন্দ নাম তান।
কুলত আসোম সিটো বুজিবা মৰাণ॥ ৫৭৫॥
সিয়ো ৰাজা হুয়া পুনু যি কৰিলা কাম।
মোহৰ মৰাইলা সৰ্ব্বানন্দ দিয়া নাম॥
প্ৰাণীসকলকো নকৰিলা উপকাৰ॥
মৰাণৰ জানিবা সেহিসে ব্যৱহাৰ॥ ৫৭৬॥

সৰ্ব্বানন্দৰ অত্যাচাৰ। ৰাজা হুয়া ৰাজ্য প্ৰতিপাল নকৰয়।
ম্লেচ বুলি লোকক মাৰয় ঠাই ঠাই॥
চতুৰ্দ্দিশে অন্তৰে আছয় লোক যত।
ধৰি বান্ধি ধন লৱে ত্বখ দিয়ে গাত॥ ৫৭৭॥
সেহি হেতু লোকসব অন্তৰিয়া যায়।
থাকে অৰণ্যত তথাপিতো ধাতু নাই॥
মৰাণেও দেখে গৈয়া তাৰ শূন্য বাস।
ঘৰে জুই দিয়া তাৰ কৰে সৰ্ব্বনাশ॥ ৫৭৮॥
পোৰয় সকলো তাৰ ভঁৰালৰ ধান।
খেত কৰি আৰ্জ্জিবে পাৰিবে কেতমান॥
সেহিমতে পুৰিয়া ফুৰয় ঠাই ঠাই।
কিৰিষিৰ কালে লোকে ৰুইবাক নপায়॥ ৫৭৯॥

সিকাৰণে খাইবাৰ আকাল ভৈল আত।
পেটৰ বিকলে লোক মৰিলা বহুত॥
যাৰ অল্প থাকে ধান্য থৰে আৰ কৰি।
তাহাতো মৰাণে যাই পাৱয় বিচাৰি॥ ৫৮০ ॥
কাহিঁ লৈয়া যায় তাৰে নেদে এক মুঠি।
আউৰ যোনো আছে গৈয়া চাৰে চাঙ্গে উঠি॥
সেহিমতে লুৰি-পুৰি মৰাণে খাইলেক।
আকাল ভৈলেক ৰাজে সাত বৰিষেক॥ ৫৮১ ॥

**যোৰহাটত পূৰ্ণানন্দ**

ৰাজ্যৰ দুখৰ কথা কি কহিবোঁ আৰ।
বুঢ়াগোহাঁই যি কৰিলা কহোঁ পুনৰ্ব্বাৰ॥
মৰাণেও তাহাঙ্ক দেখিয়া ফুৰে দেখি।
গড়ক বান্ধিয়া তাতে থাকে প্ৰাণ ৰাখি॥ ৫৮২ ॥
সেহিমতে বুঢ়াগোহাঁই ফুৰি ঠাই ঠাই।
শেষত ৰহিল আসি যোৰহাট পাই॥
কোঁঠ মাৰি ৰহি আছে মৰাণ ভয়ত।
মৰাণেও বেঢ়ি আছে চাৰিও পাশত॥ ৫৮৩ ॥
ওলাইবে নপাৰে কেহো পেটে ভাত নাই।
গাৰৰ যে তেজ-মাংস গাৱতে শুকায়॥
হাড়-ছাল মাত্ৰ আছে আঠু হৈল বৰ।
উঠিবে নপাৰে পৃথিবীত দিয়া ভিৰ॥ ৫৮৪ ॥

**দিচৈ নৈৰ ধল।**

দেখি হেন ডাঙ্গৰীয়া নিশা ছেগ চাই।
হাতে তাম্বুলক দিয়া দিচৈক মাতয়॥
প্ৰাণীসব মৰে মোৰ একো খাইতে নাই।
দেখি সিসবৰ দুখ মোৰ প্ৰাণ যায়॥ ৫৮৫ ॥



দায়া হুয়া দিচৈৰেসে বাঢ়ি যায় ধল।
কোঁঠৰ ভিতৰ হন্তে নিয়াইলেক তল॥
কচু ঢেকীয়া অউটেঙ্গা দিয়ে তাত।
খৰিকো দিৱয় আনি তাহাৰ লগত॥ ৫৮৫ ॥
সিসব ঢুকাইলে পুন্থু খোজয় বাৰীত।
বিস্তৰ দিৱয় আনি কোঁঠ ভিতৰত॥
তাকে খাই লোকসব ৰহিছিলা প্ৰাণ।
সেহিমতে বুঢ়াগোহাঁই আছে কিছু দিন॥ ৫৮৭ ॥

**বৰফুকন বদনচন্দ্ৰ**

ইসব কথাক কিছু পাচ কৰি থওঁ।
গৌৰীনাথো যি কৰিলা প্ৰপঞ্চিয়া কওঁ॥
যিবেলাত মৰাণেও ৰাজ্য কাঢ়ি লৈলা।
তাকে খেদিবাক যাক যাক পাঞ্চি দিলা॥ ৫৮৮ ॥
সিসবে পলাইলা মৰাণক কৰি ডৰ।
সেহিমতে হুয়া গৈলা সপ্তম বৎসৰ॥
সেহিবেলা নৰপতি চাইলা মন কৰি।
মৰাণক মাৰি ৰাজ্য লৈবোঁ কেন কৰি॥ ৪৮৯ ॥
হৰনাথ সেনাপতি আছিল ফুকন।
তান পুত্ৰ ঘিনাই বদনচন্দ্ৰ নাম তান॥
তাহাক আনিয়া বৰফুকনদেও পাতি।
মৰাণৰ ৰণে সিয়ো নাসিবেক ঘাটি॥ ৫৯০ ॥
এহি বুলি তাহাঙ্ক ফুকন পাতি দেয়।
মৰাণক মাৰিবাৰ কৰিয়ো উপায়॥
পূৰ্ণানন্দ বুঢ়াগোহাঁই আছে সেহি থান।
শীঘ্ৰে তুমি গৈয়া সহাশ্ৰয় হোৱা তান॥ ৫৯১ ॥
শুনি বদনচন্দ্ৰে কহিলেক নৃপতিতে।
আমি গৈয়া মৰাণ জিনিবোঁ কেনমতে॥

সিসবেও গৈয়া যেনমতে ফিৰিলেক।
আমাৰো হুইবেক সেই লোকে হাসিবেক ॥ ৫৯২ ॥
ইহাৰ উপায় এক দেখি আছোঁ মই।
কহিবাক লাগে লাট চাহাবৰ ঠাই ॥
বঙ্গালী চিপাহী যদি লোৱাহা বিচাৰি।
তেবে মৰাণক মাৰি ৰাজ্য লৈবে পাৰি ॥ ৫৯৩ ॥

কোম্পানীৰ সহায়প্ৰাপ্তি

শুনি নৰপতি তাতে বুলিলেক ভাল।
বিকা মজুমন্দাৰ, দত খাউন্দক পাঞ্চিল ॥
কলিকতা গৈল দুই হুয়া উকীলক।
খুজিয়া আনিলা ওৱালিচ্ কাপ্তানক ॥ ৫৯৪ ॥
অল্প চিপাহীক লৈয়া চাহাবো আসিল।
দুয়ো উকিলেও আনি নৃপতিক দিল ॥
চিপাহী কাপ্তান যেবে পাইল নৰেশ্বৰ।
সিসবক লৈয়া ৰাজা আসিলা সত্তৰ ॥ ৫৯৫ ॥
নৃপতিও উঠিয়াছ পাঞ্চে নাৱত।
চিপাহী চাহাব লালডিঙ্গি বজৰাত ॥
বোলে স্বৰ্গীৰাজা নাম শুনি আছোঁ আমি।
কিবা ফাঁকি কৰি আমাসাক নিয়া তুমি ॥ ৫৯৬ ॥
যদিবা নহৈবা তুমি সেহিসে ভূপাল।
তেবে তোমাসাৰ কিছু নহৈবেক ভাল।
এহি বুলি চাহাবে ৰাজাক আসে লই।
দশ দিনমানে আসি ই থানক পায় ॥ ৫৯৭ ॥
সেহি বেলা গৌৰীনাথে চাপি চেচা-বাটে।
পত্ৰ দিয়া পঠাইলেক মন্ত্ৰীৰ নিকটে ॥
আসি আছোঁ ফৌজ লৈয়া আৰো কাপ্তান।
ৰাজা নোহ বুলি সিও নকৰয় মান ॥ ৫৯৮ ॥



এতেকেসে তুমি আসিবাহা ভালমত।
তেবেসে বুলিবে ৰাজা বুজিবে সঞ্জাত ॥
শুনি বুঢ়াগোহাঁই সমদলে সাজি যায়।
চেচা-ঘাটে নৃপতিৰ নৌকা দেখা পায় ॥ ৫৯৯ ॥
নামিল দোলাৰ পৰা হুয়া ভূমি গত।
দণ্ডৱতে পৰি কান্দে ধৰি চৰণত ॥
জানিল চাহাবে ইটো স্বৰ্গীৰাজা হয়।
আপুনিয়ো সাতবাৰ চেলাম কৰয় ॥ ৭০০ ॥

কেপ্‌টেইন ওয়েল্‌চৰ হাতত মৰাণৰ ভঙ্গ।

তেতিক্ষণে দোলাত তুলিল নৃপতিক।
কোঁঠক লাগিয়া সমদলে আসিলেক ॥
যৈতে তৈতে মৰাণ আছিলা ঠাই ঠাই।
কাপ্তান আসিল জানি ভাগিয়া পলায় ॥ ৬০১ ॥
নগৰতে ৰাজাক ৰাখিল ভাল কৰি।
চাহাবেও ৰহিল কাপৰ-ঘৰ তৰি ॥
বিবি চাহাবৰ দুইৰো কপাস বৰণ।
লোকে বেঢ়ি চাহিছে দেখিছে কোন দিন ॥ ৭০২ ॥
সেহি নিশাগোট কাপ্তানেয়ো ৰৈলা আত।
পুনু দিনা চলিলেক ৰঙ্গ যে পুৰত ॥
নগৰ ভিতৰে কিছু আছিল মৰাণ।
হিলৈ ফেৰ কৰি সিসবৰো লৈলা প্ৰাণ ॥ ৬০৩ ॥
একগুটি নৰহিল সেহি নগৰত।
পুনৰপি বিচাৰিলা গড় যে গাৱঁত ॥
জনেকো নপাইলা তাতো গৈলা দেশ ছাৰি।
ঘূৰি আসি ৰঙ্গপুৰে ৰৈলা জাগ্যা মাৰি ॥ ৬০৪ ॥
যৈতে তৈতে আছিলেক সিয়ো পাইলা জান।
আমাসাৰ বাঘ আসি পাইলা কাপ্তান ॥

ত্ৰাস হুয়া মূত্ৰ-মল এৰি পলাই যায়।
কাকতল পায়া চাৰে মুণ্ড সেপিয়াই॥ ৬০৫॥
খেদিল মৰাণসব কাপ্তানেয়ো পাই।
ভাণ্ড কৰি ৰাজ্য সিয়ো আছিলেক খাই॥

গ্ৰন্থকাৰৰ মন্তব্য। দেখা দেখা কেনে ইটো কালৰ মহত।
চিৰকালে কোনে ভুঞ্জিবেক পৃথিবীত॥ ৬০৬॥
জীৱন চঞ্চল যেন পদ্মপত্ৰ-নীৰ।
কৈত কেতিক্ষণে পৰে মনুষ্য শৰীৰ॥
হেন জানি কৃষ্ণৰ চৰণে কৰা ৰতি।
জন্মৰ সাফল হৈব পাইবা সদগতি॥ ৬০৭॥

---

## ছবি ঃ

পোতা ধন কেপ্টেনৰ পুৰস্কাৰ। তাত পাচে মহাৰায় মন্ত্ৰী সমন্বিতে যায়
আপোনাৰ পুৰী দেখা পায়।
ইটা পাথৰৰ ঘৰ আছে মাত্ৰ নাহি আৰ
মৰাণেও পুৰি কৈল ছাই॥
ধন সোণ ভণ্ডাৰত ভৰি থৈয়াছিল তাত
তাকো ভাঙ্গি মৰাণে লৈ যায়।
শূন্য হুয়া আছে গোলা নৃপতি আকুল ভৈলা
শৰীৰত অগণি জলয়॥ ৬০৮॥
কাপ্তানেও কহিলেক বহু ধন দিবে মোক
আসি দিছোঁ মৰাণ খেদাই।
ৰাজ্য দিলোঁ তোমাসাক শীঘ্ৰে ধন দিয়া মোক
লৈয়া যাই লাটত জনায়॥



শুনি হেন নৃপতিৰ মুণ্ডত পৰিল মাৰ
দিবোঁ কিবা নাহিকে উপায়।
কাপ্তানে দূৰ্ব্বীণ চাই বোলে যদি ধন নাই
ভূমি এৰি দিয়া লওঁ চাই॥ ৬০৯॥
শুনি নৰপতি মনে স্বৰ্গ ঢুকি পাইলা যেনে
কহে ভূমিতল দিলোঁ মই।
হেন শুনি কাপ্তানে গোলাৰ তলক খানে
ৰূপা সোণা পালাইলা দমাই॥
উপৰত কৰি তাৰ তলত দুগুণ বৰ
কৰে গোলা ঘঞ্চাম বঙ্গালে।
ৰুদ্ৰসিংহে সোণা পাই সকলো ৰাজ্যৰ লৈই
ভৰি থৈয়াছিল তাৰ তলে॥ ৬১০॥
ওপৰত আছে যত সকলো লোকৰ জ্ঞাত
সিটো কথা ৰাজা নজানয়।
সেহি হেতু দিলা এৰি চেনা সোণা দম কৰি
লৈলা ডিঙ্গা বজৰা ভৰাই॥
দেখি নগৰীয়া লোকে অন্য অন্যে কৰে তাকে
কি দেখিল আমাৰ ৰাজনে।
এত ধন সোণ মানে এৰি দেই কি কাৰণে
আউৰ ঘটিবেক কোন দিনে॥ ৬১১॥
সেহি ধন ভৰি লৈই কাপ্তান ভাটীক যায়
তাৰ বাসা কলিকতা পাইলা।
দেখি হেন নৰপতি মন দুখ কৰি আতি
যোৰ-কোঁঠে আসিয়া ৰহিলা॥

গৌৰীনাথ-সিংহৰ মৃত্যু ছয় মাস ভৈল গত নৃপতিৰ ইঠাইত
পৰলোকে যাইবে ভৈল বেলা।

ৰূপপুৰ সিন্ধুৰাৰ পানীখেলি বৰুৱাৰ
মন্ত্ৰীত তিনিৰ কথা কৈলা॥ ৬১২॥
ৰূপপুৰ কুঠাৰত সিন্ধুৰাক যে শালত
পানীখেলি দিবা কৰতত।
এই তিনি কথা কৈ নৃপতি স্বৰ্গক যায়
গৌৰীনাথ কথা সমাপত॥
বিষয় অনিত্য সুখ জানি হেন এৰা আশ
তেজি ভজা হৰিৰ চৰণে।
সংসাৰ চক্ৰৰ যত নাহি পাইবে উপতাপ
ৰাম কৃষ্ণ বোলা ঘনে ঘনে॥ ৬১৩॥

---

# নৱম আধ্যা।

## স্বৰ্গদেৱ কমলেশ্বৰসিংহ।

### পদ্য

স্বৰ্গদেৱ কমলেশ্বৰ-সিংহ।

আউৰ পূনৰ্ব্বাৰ কহোঁ শুনা কিবা নাম।
পুৰ্ণানন্দ বুঢ়াগোহাঁই যি কৰিলা কাম॥
মৃতক ৰাজাক দাহ কৰে সিবেলাতে।
প্ৰেতকৰ্ম্ম যতেক কৰায় বিধিৰতে॥ ৬১৪॥
ৰাজা পাতিবাক লাগি বিচাৰে কোঁৱৰ।
যোনো মোক সিটো নকৰিবে অপকাৰ॥
গদাধৰেসে যিটো কনিষ্ঠ তনয়।
নামৰূপীয়া ৰাজা সিটো নামত লেচাই॥ ৬১৫॥
তান হন্তে ভৈলা জাত গোহাঁই আয়ুসুত।
কদম-দীঘলা আয়ুসুত হন্তে জাত॥
দীঘলা নন্দন কিনাৰাম যে গোহাঁই।
ৰাজা পাতিবাক তাঙ্ক আনিলেক পাই॥ ৬১৬॥
মহা ৰূপৱন্ত সিটো বয়সে তৰুণ।
বুদ্ধিত সুধীৰ আতি মহা গুণবান॥
নৃপতি হুইবাৰ যুগ্য আছে শৰীৰত।
দেখিয়া মন্ত্ৰীৰ ভৈলা আনন্দ মনত॥ ৬১৭॥
তিনি ডাঙ্গৰীয়া আৰো ফুকন ৰৰুৱা।
সবে মিলি ৰাজা পাতি কৰিলেক সেৱা॥
শিঙ্গৰিঘৰক যেবে উঠিবে নাপাৰি।
সিংহাসন হন্তে বসিবেক কেন কৰি॥ ৬১৮॥

A.D.P. COLLEGE NAGAON



ৰাজা পাতিবাক লাগি যি আছে নিয়ম।
হেঙ্গলাঙ্গত তুলিবাক লাগয় প্ৰথম॥

হেঙ্গলাঙ্গ। বাঁহৰ হেঙ্গলাঙ্গ সিটো চাৰি খুৰা তাৰ।
তাহাৰ উপৰে পাৰি দিৱয় কাপৰ॥ ৬১৯॥
দুইবে ৰাজা যি গোহাঁই তাহাতে তোলয়।
মৃতক ৰাজাৰ আজ্ঞা সিবেলাত কয়॥
স্বৰ্গী ভৈল নৰপতি আঙ্ক দিয়া ভাৰ।
দেওবোৰে সেৱা কৰিবাক লাগে আৰ॥ ৬২০॥
সেহি বেলা তিনি ডাঙ্গৰীয়া কৰে সেৱা।
ইটো কথা শুনাইবাক লাগে বৰবৰুৱা॥

বৰবৰুৱা অভাব। সেহি বৰবৰুৱা নভৈলেক সিবেলাত।
সিটো কথা কহোঁ মই বুজা স্বৰূপত॥ ৬২১॥
লাহনৰ বাছকটীয়াৰ বৰবৰুৱা বোলে।
নৃপতি ভৈলেক স্বৰ্গী তাহাকো মাৰিলে॥
কিবা দোষ পায়া মাৰে বুঢ়া যে গোহাঁই।
কথা শুনাইবাক লাগি বৰবৰুৱা নাই॥ ৬২২॥
শিৱনাথ তামূলী-ফুকন যাক বোলে।
সেহিজনে নৃপতিৰ কথাক শুনাইলে॥
নুঠিলা শিঙ্গৰিঘৰ বৈল সেহি কাম।
শ্ৰীশ্ৰীকমলেশ্বৰসিংহ পাইলা নাম॥ ৬২৩॥

বিষয়া ভঙ্গা-পতা। পিতৃ দীঘলাকো চাৰিঙ্গীয়া ৰাজা পাতে।
পুনৰপি যি কৰিল শুনিয়োক আতে॥
মহা বুদ্ধিমন্ত পূৰ্ণানন্দ যে গোহাঁই।
শিশু ৰাজা তাহাঙ্কেসে সাথী কৰি থয়॥ ৬২৪॥



যাক মাৰে যাক কাটে যাক ভাল কৰে।
মহাৰাজা আজ্ঞা বুলি নাম মাত্ৰ ধৰে॥
অনিক ভাঙ্গিয়া বৰপাত্ৰ পাতে যাক।
কেন্দুগুৰীয়া দুৰ্গেশ্বৰ নামে আছিলেক॥ ৬২৫॥
তাহাৰ তনয় ৰুদ্ৰেশ্বৰ নাম যাৰ।
তাহাকেসে বৰপাত্ৰ পাতিলেক আৰ॥
নিৰ্ভয়নাৰায়ণ বৰগোহাঁই আছিলা।
তাহাক ভাঙ্গিয়া গঙ্গাৰামক পাতিলা॥ ৬২৬॥
কিছুদিন পৰে তাক ভাঙ্গিয়া গুচাই।
কপৌমৰীয়া নৰহৰিক পাতে বৰগোহাঁই॥
সন্দিকৈৰ ভদৰি শ্ৰীনাথ দুৱৰাৰ।
ক্ৰমৰূপে দুইক বৰবৰুৱা পাতে আৰ॥ ৬২৭॥
দুৱৰাৰ বদনচন্দ্ৰ আছে বৰফুকন।
তাহাক ভাঙ্গিয়া পাতিলেক যিবা জন॥
সন্দিকৈৰ গেন্ধেলা ৰাজখোৱাই।
বৰফুকন কলিয়াভোমোৰা নাম পায়॥ ৬২৮॥
হৰদত্ত দুন্দীয়া কামপুৰতে মাৰিলা।
সেহি হেতু তাহাঙ্ক ত্ৰিতিৰ নাম দিলা॥
প্ৰতাপবল্লভ নাম নৃপতি আজ্ঞায়।
সেহিমতে আছিলেক কামপুৰ ঠাই॥ ৬২৯॥
স্বদেশী বিদেশী চিপাহীক জমা কৈই।
সিসবৰ হাতে পাথৰকলা যে হিলৈই॥
সেহিমতে পঠাইলেক ৰাজা-মন্ত্ৰী ঠাই।
দেখি নৰপতি তাহাকেসে ভাল পায়॥ ৬৩০॥
ইঠাৰতো পছিমৰ আনিয়া বঙ্গাল।
চিপাদাৰ জেমাদাৰে শিকাইলেক ভাল॥

সেহিমতে পূৰ্ব্ব কৰি আছিল পল্টন।
চন্দ্ৰা গোহাঁইক পাতি দিলেক কাপ্তান ॥ ৬৩১ ॥
বুঢ়াগোহাঁইৰেসে ভাতৃ সিটোজন হয়।
সিজনক বোলে জানা কাপ্তান গোহাঁই ॥

খামতি দমন।

উজনিত খামতিয়ে ৰণ পাতিছয়।
তাহাকো ভঙ্গাইলা যাই চিপাহীক লৈই ॥ ৬৩২ ॥
খামতিৰ বুঢ়া ৰাজা কিছু সেনা লগে।
ধৰি আনি সিসবক দিলা মন্ত্ৰী আগে ॥

চন্দ্ৰকান্তৰ জন্ম

সেহি সময়তে জন্ম হয় চন্দ্ৰকান্ত।
ভাতৃ পাইলোঁ বুলি ৰাজা আনন্দ মনত ॥ ৬৩৩ ॥
অল্প দিন থাকি পিতৃ পৰলোকে যায়।
চন্দ্ৰকান্ত গোহাঁইক চাৰিঙ্গী ৰাজা লয় ॥

কছাৰী দমন।

সেহিমতে ৰাজা-মন্ত্ৰী আছে কিছু দিন।
কছাৰীৰ ৰাজা সিয়ো পাতিলেক ৰণ ॥ ৬৩৪ ॥
সেহি ৰণে চিপাহী কাপ্তানে লৈয়া যায়।
প্ৰবন্ধ কৰিয়া তাক আনিলা ভঙ্গাই ॥

চিপাহীলৈ হিলৈ-খাৰ

চিপাহীৰ সৰঞ্জম হিলৈ তোছতান।
সেহিসে ৰণতে বহু ভৈলন্ত লোকছান ॥ ৬৩৫ ॥
সেহি হেতু মন্ত্ৰী মনে চাহিলা বিচাৰি।
সৰঞ্জ নভৈল চিপাহীয়ো কেন কৰি ॥
এহি বুলি লোক পাঞ্চিলাহা ভটীয়াই।
যাহাক পাচিলে বুজিবাহা অভিপ্ৰায় ॥ ৬৩৬ ॥
কাকতীয়া বলোৰাম সঙ্গীয়া ফুকন।
চলিহা কাকতী ভূধৰ নাম তান ॥



OKAN COLLEGE LIBRARY

চাঙ্গকাকতী গোবিন্দ শৰ্ম্মা নাম।
মধু শৰ্ম্মা খাওন্দ খাওন্দ তনুশ্যাম ॥ ৬৩৭ ॥
কমলাবৰীয়া বৰা দোলা কাষৰীয়া।
সবে গৈয়া চিপাহী-সৰঞ্জ আনা গৈয়া ॥
আজ্ঞা পায়া সিসকলে নথাকিল ৰৈই।
শীঘ্ৰে কৰি গৈয়া পাচে কলিকাতা পায় ॥ ৬৩৮ ॥
গৱৰ্ণৰ চাহাবৰ আগত জনায়।
হিলৈই বাৰুদ লৈয়া আসিল উজাই ॥
মন্ত্ৰীৰ আগত দিলা সিসব আহিলা।
আজ্ঞা কৰি চিপাহীসবৰ হাতে দিলা ॥ ৬৩৯ ॥
সঙ্গীয়া ফুকনৰ আপাহ লৈলা বৰ।
দ্বিতীয় কাপ্তান পাতি দিলা পল্টনৰ ॥

দ'ল দেৱালয়।

সেহিমতে পল্টনক ৰাখি আছে আত।
ফুকনেও যি কৰিলা থাকি কামৰূপত ॥ ৬৪০ ॥
ৰাজা-মন্ত্ৰীৰে আজ্ঞা পায়া সিঠাৰতে।
তামা-ঘৰ সজাই দিলেক কামাখ্যাতে ॥
ছত্ৰাকাৰ দ'ল দেৱালয় কৰাই থয়।
কলিয়াভোমোৰা বৰফুকন সেহি ঠাই ॥ ৬৪১ ॥

ভোগদৈ নৈ।

এহি নগৰতে মন্ত্ৰী মনে গুণি চায়।
নৃপতিক লাগি ন বাহৰ সজায় ॥
দিচৈৰ কাটিয়া আনি এসোঁতা বোৱায়।
সেহিসে নদীৰ নাম ভোগদৈ বোলয় ॥ ৬৪২ ॥

দিহিঙ্গীয়া গোসাঁইৰে মিত্ৰতা।

হাতীৰ বান্ধিয়া খোক হাতীক ধৰিলা।
দন্তাল মাখুন্দী বহু শালত বান্ধিলা ॥

প্ৰতিপাল কৰি ভালমতে ৰাখি পাচে।
এক গুটি দিহিঙ্গৰ গোসাঁইক দিয়াছে॥ ৬৪৩॥
যিমতে দিলেক হাতী শুনা অভিপ্ৰায়।
সিটো কথা পুনৰপি কহিবে লাগয়॥
এক দিনা ডাঙ্গৰীয়া মনত বিচাৰি।
দেখয় মোহোৰ কেহো নোহে উপকাৰী॥ ৬৪৪॥
আপুনাৰ হাতে সাজি লয়ো নৰপতি।
পাতিয়া ভাঙ্গিছোঁ কাকো আছো কাকো কাটি॥
ইসবত মোৰ কিছু নাহিকে ভাৰসা।
মহন্তসবত মোৰ কিছু আছে আশা॥ ৬৪৫॥
মোৱামৰা মহন্ত যি আতি নিদাৰুণ।
দিহিঙ্গৰ অধিকাৰতেসে আছে গুণ॥
মৰাণত কৰি দশ গুণে আছে চাৰ।
তথাপিতো কাকো নকৰয় অপকাৰ॥ ৬৪৬॥
শিচসকলৰ আছে আচাৰ বহুত।
ঈশ্বৰ মানিয়া ভক্তি কৰয় গুৰুত॥
সুধা শক্তি নোহে জানোঁ মনুষ্যৰ লয়।
তপস্বীজনেয়ো দিহিঙ্গত জন্ম হয়॥ ৬৪৭॥
ৰূপে গুণে সীমা নাই যেন শশধৰ।
এতেকেসে হোৱে তান বিভূতি বিস্তৰ॥
আকে জানি ৰাজেশ্বৰসিংহ নৰপতি।
মিত্ৰতা কৰিয়া দিলা দন্তাল যে হাতী॥ ৬৪৮॥
কমলেশ্বৰসিংহ ৰাজা মোৰ পুত্ৰ সম।
তান সমে মিত্ৰ ভৈলে হৈবে মিত্ৰ মম॥
এহি বুলি কাঠকাটীয়াৰ হাতে ধৰি।
দিহিঙ্গৰ মাতিয়া আনিয়ো অধিকাৰী॥ ৬৪৯॥



শীঘ্ৰে গৈয়া বৰুৱায়ে প্ৰভুত জনাই।
শুনি প্ৰভু গৈলা ৰাজা ডাঙ্গৰীয়া ঠাই॥
কহিলেক বুঢ়াগোহাঁই পূৰ্ব্বাপৰ কথা।
ৰাজায়ে গোসাঁই মিত্ৰ কৰিলেক তথা॥ ৬৫০॥
কমলেশ্বৰে সখি কৰে পূৰ্ণচন্দ্ৰ পাই।
দেখি ডাঙ্গৰীয়া আনন্দৰ পাৰ নাই॥
ৰাজ যুগ্য বস্ত্ৰ অলঙ্কাৰ বঁটা দেই।
জাপিতো সোণাৰ চূলা দিলেক লগাই॥ ৬৫১॥
সিবেলাত মালতী মাকুন্দী হাতী আনি।
উঠিবাক লাগি দিলা পূৰ্ব্ব কথা জানি॥
আদৰ কৰিয়া বহু গৃহে পাঞ্চি দেই।
বান্ধিলেক নিয়া মালতীক টোকোলাই॥ ৬৫২॥
অন্য বৰ মহন্তেয়ো খুজিয়া নপাই।
কৈলা ডাঙ্গৰীয়া তোমাৰ পূৰ্ব্বে নাই॥
দিহিঙ্গৰ অধিকাৰী হোৱে যিবা জন।
সিজনত বুজা নৰপতিৰেসে চিন॥ ৬৫৩॥
জানি ৰাজেশ্বৰে দিলা দন্তালকো পাই।
দিয়াছোঁ মাকুন্দী আমি ইকোন বৰাই॥
শুনি সিসবেয়ো থাকিলেক ভোঠা হুই।
ইটো কথা স্বৰূপ বুজিবা মিছা নুই॥ ৬৫৪॥

আলি পুখুৰী নিৰ্ম্মাণ।

আলিক বন্ধাইলা আৰো ৰজা-বাহৰৰ।
মহেবন্ধা আলিকো বন্ধাইলা পূৰ্ব্বাপৰ॥
কমাৰে বন্ধোৱা আলি আলি চুচন্দৰ।
পুখুৰী খনাইলা পৰ্ব্বতীয়া কুঁৱৰীৰ॥ ৬৫৫॥
গৌৰীনাথ গৈলা স্বৰ্গে থৈয়া পটেশ্বৰী।
তান নামে পুখুৰী বৈলেক কেন্দুগুৰি॥

হাতীগড় কোষে চেউনী আলি সমীপত।
খনাইলা পুখুৰী এক বুঢ়াগোহাঁই তাত ॥ ৬৫৬ ॥
মন্দিৰ কৰায়া শিৰ থাপি থৈলা আনি।
তাতপাচে যিবা ভৈলা শুনিয়ো কাহিনী ॥

পানীমুৱাৰ খবৰ।

পানীমুৱা নামে এক আছিল আসোম।
অৰীতীয় কৰ্ম্ম কৰি ফুৰয় অধম ॥ ৬৫৭ ॥
মন্ত্ৰীৰ যে শ্ৰীক দেখিবাক নপাৰয়।
লোকসকলক সিটো ফুৰে আউলাই ॥
পূৰ্ণানন্দ বুঢ়াগোহাঁই নৰপতি প্ৰায়।
বালক ৰাজাক লৈয়া চিন দেখাৱয় ॥ ৬৫৮ ॥
সেহি হেতু সিটো মৰিৰেক কেনেকৈই।
তাহাকে ভাবিয়া মোৰ শৰীৰত জুই ॥
এহি বুলি তাৰ লগৰীয়াসব মাতি।
ভিতৰুৱা বন কৰিবাক আছে পাতি ॥ ৬৫৯ ॥
ভক্ষ অভক্ষ জন্তু সাবাকো গোটাই।
সেহিমতে পানীমুৱা ৰাতি ভৈলে খাই ॥
মদ্যপান কৰে সবে দিগম্বৰ হুই।
টোকাৰী বাজায়া তাহাৰেসে নাম গায় ॥ ৬৬০ ॥

পানীমুৱাক ধৰিবলৈ দিহা।

ইটো কথা শুনিলেক বুঢ়া যে গোহাঁই।
ধৰিবাক লাগি দূতসব পাঞ্চি দেয় ॥
ভিতৰুৱা বন কৰি আছিলেক পাপী।
দূতসবে গৈয়া তাতে ধৰিলেক চাপি ॥ ৬৬১ ॥
সবাকো সাঙ্গুৰি আনিলেক যেন গাই।
মন্ত্ৰীৰ আগত আনি দিলেক ভেণ্টাই ॥
বোলে মন্ত্ৰী মোক তই মাৰিবাক প্ৰতি।
পাতিয়া আছিলি অৰীতীয়া সেৱা ৰাতি ॥ ৬৬২ ॥



সেহি বেলা সিয়ো একো কৈবে নপাৰিলে।
জিঞ্জিৰি লগায়ো থৈবে দিলা পোতাশালে ॥
লোহাক লগায়া সিসবক বন্দী কৰে।
ৰাত্ৰি পোতাশালে ৰাখে দিনত দুৱাৰে ॥ ৬৬৩ ॥
সেহিমতে দূতসবে ৰাখিয়া আছয়।
পানীমুৱা যি কৰিলে শুনা কহোঁ মই ॥

বন্দীশালত পানীমুৱা।

থাকে দুৱাৰতে পাপী বন্দীয়াৰ হুই।
লোকসকলেও সেহি পন্থে আসে যায় ॥ ৬৬৪ ॥
তাতে কোনো লোকে তাহাকেসে চায় ফিৰি।
কেনেকুৱা পানীমুৱা আছে বন্দী কৰি ॥
দেখে পানীমুৱা মোহোকেসে চাইলা ঘূৰি।
দূতক দেখায়া দিয়ে মোৰ লগ চুৰি ॥ ৬৬৫ ॥
তাহাক আনিয়া দূতে থৰে বন্দী কৰি।
হুই নুই দোষ তাৰ একো নিবিচাৰি ॥
আৰু কোনো লোকে তাহাকেসে কৰি ভয়।
বেগ ধৰি যায় তাৰ দিকি নচাৱয় ॥ ৬৬৬ ॥
জানে পাপী মোক দেখি অন্তৰিয়া যায়।
কৈক যাস বুলি হাত-বাৰ দি মাতয় ॥
কিসে পাইলে বুলি সিয়ো আগুকাৰ্হে ভৰি।
দূতক কহয় সিসবক আন ধৰি ॥ ৬৬৭ ॥
মোহোৰ লগতে ইটো খায়াছিল ভাত।
অপৰাধী কৰি মোক যায় কেনমত ॥
শুনি দূতে সিসবক গলে দিয়া জৰী।
বন্দী কৰি থৰে নিয়া অপৰাধী কৰি ॥ ৬৬৮ ॥
কোনো লোক আসে তাৰ কথা নজানয়।
মহাপাপী সিয়ো বাটকেসে থাকে চায় ॥

চূণ পাণ দেহ বুলি খোজয় তাহাক।
একখানি চালি খাওঁ শীঘ্রে দিয়া মোক॥ ৬৬৯॥
দেখে সিয়ো নোহে ভাল আছে বন্দীয়াৰ।
আক চূণ দিলে কিবা লাগিবে জগৰ॥
এহি বুলি সেহি জন চলয় অন্তৰি।
দেখায়া দূতক দিয়ে অপৰাধী কৰি॥ ৬৭০॥
ধৰিয়া থৱয় নিয়া তাহাৰ লগত।
সেহিমতে লোকে আসে যায় কেনমত॥
বৰা শইকীয়া সব আসে ভাল হুই।
গাৱত কাপৰ চুৰিয়াক ওলোমাই॥ ৬৭১॥
পানীমুৱা চাৱে তাহাকেসে মন কৰি।
গহ কৰি যায় মোহোকেসে নচায় ফিৰি॥
তাক অপৰাধী কৰি লওঁ মোৰ লগে।
এহি বুলি কৰে কথা দূতসব আগে॥ ৬৭২॥
শুনিয়োক দূতসব মোহৰ বচন।
ইসবৰ লগ হুয়া ভুঞ্জিছিলোঁ অন্ন॥
মোহোতে লগায়া দোষ যাৱে ভাল হুই।
যদি নধৰস দিলোঁ নৃপতি দোহাই॥ ৬৭৩॥
শুনি দূতে তাহাকে আনয় দণ্ডি কৰি।
থৱে পোতাশালে নিয়া জিঞ্জিৰি লগাই॥
সেহিমতে পানীমুৱা বহুত জুটিল।
দূতে বন্দী কৰন্তেয়ো গৰাল ভৰিল॥ ৬৭৪॥
এক দিনা দূতে যাই কহিলা মন্ত্রীক।
নিবিচাৰি দোষ গুণ দিলা কাটিবাক॥
তভো পানীমুৱাৰ কি ৰহিবেক জান।
সিসবৰ লগতে তাহাৰো লৈলে প্ৰাণ॥ ৬৭৫॥



অকাৰণে লোক বহু মৰাইলেক তাত।
সিসবৰ দোষে পচিবেক নৰকত॥

কমলেশ্বৰ-সিংহৰ অকালমৃত্যু।

সেহিমতে লোকসব মাৰে যতমান।
সিটো কথা নৰপতি নপাৰয় জান॥ ৬৭৬॥
তথাপিতো নৃপতিৰ অভিমান নাই।
যাক যিবা কৰে তাহাকেসে থাকে চাই॥
নাহিকয় হিংসা-দ্বেষ নাহিকয় ক্রোধ।
সেহি হেতু মন্ত্রীৰেসে নভৈলা বিৰোধ॥ ৬৭৭॥
মন্ত্রীৰ গাৱত ভাৰ দিয়া দোষ-গুণ।
সেহিমতে মহাৰাজা থাকে সৰ্ব্বক্ষণ॥
ভুঞ্জিলেক ৰাজ্য পঞ্চদশ যে বৎসৰ।
সেহি বেলা কাল আসি ভৈল নৃপতিৰ॥ ৬৭৮॥
শৰীৰত পীড়া বৰ ভৈলা বসন্তৰ।
স্বৰ্গক চলিলা কমলেশ্বৰ নিৰ্পবৰ॥

গ্ৰন্থকাৰৰ মন্তব্য।

দেখা দেখা কেনে ইটো কালৰ মহত।
চিৰকালে কোনে ভুঞ্জিবেক পৃথিবীত॥ ৬৭৯॥
বহুদিন ভুঞ্জিবাৰ আছিলেক মন।
নভৈল্য বয়স বৃদ্ধ আছিল তৰুণ॥
কালৰ আগত কিবা চাৱে বুঢ়া ডেকা।
কেচা ফল সৰি যায় ডালে ৰহে পকা॥ ৬৮০॥
হেন জানি বিষয় সুখক পৰিহৰি।
ভজিয়ো কৃষ্ণৰ পাৱে একমন কৰি॥
তেবেসে তৰিবা ঘোৰ সংসাৰত সুখে।
আলাস তেজিয়া ৰাম ৰাম বোলা মুখে॥ ৬৮১॥

# দশম অধ্যায়।

## স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহ।

### পদ।

চন্দ্ৰকান্ত-সিংহ। পুনৰপি কহোঁ শুনা সভাসদচয়।
পাট শূন্য হুয়া গৈল নৰপতি নায়॥
সেহিবেলা পূৰ্ণানন্দ বুঢ়া যে গোহাঁই।
ফুকন বৰুৱা সব কৰি এক ঠাই॥ ৬৮২॥
মৃতক ৰাজাৰ ভাতৃ ৰাজা চাৰিঙ্গীয়া।
ৰাজা পাতি তিনি ডাঙ্গৰীয়া কৰে সেৱা॥
শ্ৰীশ্ৰীচন্দ্ৰকান্তসিংহ নৰপতি।
চন্দ্ৰৰ প্ৰকাশ যেন শৰীৰৰ জ্যোতি॥ ৬৮৩॥
মৃতক ৰাজাক চৰাইদেৱে লৈয়া যায়।
মৈদাম বান্ধিয়া তাতে আসিলেক থৈ॥
ৰাজা ভৈল চন্দ্ৰকান্ত বয়স কোমল।
দশ বৰিষৰ চৰা দেখিবাক ভাল॥ ৬৮৪॥
পূৰ্ণানন্দ গোঁহাই সততে নচাৰয়।
বাল্য-ক্ৰীড়া দেখাৱে কোলাৰ ননমায়॥
হস্তী মহিষৰো যুঁজ চাহিবাক যায়।
তাতো নৃপতিক নিয়া ৰঙ্গ দেখাৰয়॥ ৬৮৫॥
শেন মেলিবাক লাগি যাৱয় চোঙ্গত।
হস্তীৰ ওপৰে নেয় মন্ত্ৰীৰ আগত॥
সেহিমতে নৃপতিক ফুৰয় আৱৰি।
ৰাজমাৰে একগোটা খনাইলা পুখুৰী॥ ৬৮৬॥



ন-বাহৰৰ চাৰি গড়ৰ ভিতৰে।
বিষ্ণুসাগৰ নাম দিলা পুখুৰীৰে॥
হাতীগড়ে বুঢ়াগোহাঁই পুখুৰী খনাইলা।
থাপিয়া শিৱক দেৱালয় কৰি দিলা॥
প্ৰতাপবল্লভ বৰফুকন মৰিলেক।
পাতিলেক বৰফুকন বদনচন্দ্ৰক॥
সেহিমতে ৰাজা মন্ত্ৰী আছে একে হুই।
তাতপাচে যি কৰিলা শুনা কহোঁ মই॥ ৬৮৮॥

সতৰামৰ প্ৰভাৱ। কুকুৰাচোৱাৰ বৰা ভূতৰ পুতেক।
সতৰাম নাম তাৰ জানিবাহা তাক॥
নৃপতিক কেনমতে লগাইলেক গুণ।
শয়নে ভোজনে তাক নেৰে সৰ্ব্বক্ষণ॥ ৬৮৯॥
মহাপাপী ওষধৰ আছিল তাৰ গাৰ।
নেদেখিলে তাক থাকিবাক নপাৰয়॥
আপোনাৰ ঘৰে সিয়ো যাইবে নপাৰয়।
চাঙ্গমাই শালৰ অন্ন ভুঞ্জিবে দিৰয়॥ ৬৯০॥
একে আসনতে তাক লৈয়া থাকি বসি।
থাকিবে নপাৰে ৰাজা তাহাক নেদেখি॥
সিয়ো যিবা কহে ৰাজা এৰিতে নপাৰে।
চাৰিঙ্গীয়া ফুকনক পাতি আছে তাৰে॥ ৬৯১॥
তথাপিতো মন শান্ত নভৈলেক তাৰ।
ৰাজ্যত জঞ্জাল লগাইলেক হুৰাচাৰ॥

পূৰ্ণানন্দৰ বিৰুদ্ধে ষড়যন্ত্ৰ। নৃপতি মন্ত্ৰীৰ হুইয়ো আছিলেক ভাল।
সিয়ো পাপী হুইজনৰ লগাইলে কন্দল॥ ৬৯২॥
কহে নৃপতিক তুমি আছা সাখী হুই।
সকলো কথাত ৰাজা বুঢ়া যে গোহাঁই॥

মাৰে বা কাটে বা পাতে বৰুৱা ফুকন।
আপোনাৰ আজ্ঞা বুলি কৰে অকাৰণ ॥ ৬৯৩ ॥
ইহেন মন্ত্ৰীক ৰাখি থৈবে কিবা কাজ।
তাহাক মাৰিয়া অকণ্টকা ভুঞ্জা ৰাজ ॥
আপুনাৰ যদি আমি অনুমতি পাওঁ।
চলে বলে মাৰি তাক আপদ গুচাওঁ ॥ ৬৯৪ ॥
শুনি নৰপতিয়ে দিলেক অনুমতি।
লিগিৰাসবেও আলচয় দিনে ৰাতি ॥
ফুকন বৰুৱা কিছু সেহি আলচৰ।
তথাপিতো সিসবেও থাকয় অন্তৰ ॥ ৬৯৫ ॥
মন্ত্ৰীক মাৰিবে বহু লোকে আলচয়।
মুখ্য মুখ্য সকলৰ নাম কহোঁ ময় ॥

মুখ্য মুখ্য ষড়যন্ত্ৰ-কাৰীসকল।

প্ৰথমতে বুহু ওজা লিগিৰাও হয়।
মথন সেনাপতি বোলে তাহাৰ তনয় ॥ ৬৯৬ ॥
মনাই ধনাই আৰো চাৰিঙ্গীয়া হলি।
আৰো একজন বগাদমৰাও বুলি ॥
শিমলুগুৰীয়া আৰো মনসিন্ধু বায়ন।
কলাই নামত আছিলেক একজন ॥ ৬৯৭ ॥
দৈচুঙ্গীয়া বামুণ নাম জগধৰ।
সিয়ো চাৰিঙ্গীয়া বৰুৱাও আলচৰ ॥
কৃষ্ণদাস ভণ্ডাৰী-বৰুৱা একজন।
গন্ধীয়া ফুকন তান নাম চিত্ৰসেন ॥ ৬৯৮ ॥
এহি দুইজন থাকে সেহি আলচত।
গুপ্তৰূপে কৰে আসি মন্ত্ৰীৰ আগত ॥

ষড়যন্ত্ৰৰ বিৰুদ্ধে বুঢ়াগোহাঁইৰ সতৰ্কতা।

শুনি বুঢ়াগোহাঁইৰ মনত ভৈলা ভয়।
নৃপতি মাতিলে তাক লাগি নযাৱয় ॥ ৬৯৯ ॥



সিসবেও আলচয় তাঙ্ক মাৰিবাৰে।
যমুনা খনাইলা চাৰি গড়ৰ ভিতৰে ॥
চৰানাও খেলাইবোঁহো এহি যমুনাত।
মন্ত্ৰীক ধৰিলে ছল সেহি সময়ত ॥ ৭০০ ॥
একজনে গৈয়া ৰাজাৰেসে বোল কয়।
যমুনাত ৰঙ্গ চাহিবাক মাতিছয় ॥
বুঢ়াগোহাঁই বোলে মোৰ গাৰ নোহে ভাল।
নপাৰিবো যাইতে মই কহিয়ো সকাল ॥ ৭০১ ॥
নগৈলেক মন্ত্ৰী সিসবৰ অভিমান।
একদিনা নৃপতি পাশতে পাতে গান ॥
গান চাহিবাক সিটো আসয় যি বেলা।
ধৰিয়া তাহাৰ কাহিঁবোঁহো চক্ষু-ঘিলা ॥ ৭০২ ॥
এহি বুলি সিসবেও আছে বাট চাই।
একজন পাঞ্চে বুঢ়াগোহাঁইৰেসে ঠাই ॥
কৈলা সিও মাতিয়া আছয় নৃপবৰ।
ডাঙ্গৰীয়া বোলে মোৰ গাৰত বেজাৰ ॥ ৭০৩ ॥
সেহিমতে বাৰে বাৰে মন্ত্ৰীক মাতিলা।
কপট জানিয়া বুঢ়াগোহাঁই নগৈলা ॥

ষড়যন্ত্ৰকাৰী-ইতৰ শাস্তি।

বুধিত নিপুন বৰ বুঢ়া যে গোহাঁই।
সিসবক ধৰিবাৰ আছে ছল চাই ॥ ৭০৪ ॥
একদিনা বৰ যে চ'ৰাত পাতি মেল।
ফুকন বৰুৱা যত সবাকে অনাইল ॥
বৰগোহাঁই বৰপাত্ৰ দুই ডাঙ্গৰীয়া।
দুইহানকো মতাই আনি চ'ৰাতে বৈসিয়া ॥ ৭০৫ ॥
তিনিও দুৱাৰ মৰাইলেক দৃঢ় কৰি।
নৃপতি পাশৰ পৰা অনাইলেক ধৰি ॥

যি যি লোকে মাৰিবে আলচ কৰি আছে।
দূতক পঠাই ধৰি ধৰি আনি আছে ॥ ৭০৬ ॥
সবাকো গোটাইলে বৰচ'ৰা কাষৰত।
লিখি থৈয়াছিল পত্ৰে দেখাইলেক তাত ॥
মই কাক কিবা অপকাৰ আছোঁ কৰি ॥
আলছি আছয় মোহোকেসে মাৰে ধৰি ॥ ৭০৭ ॥
ইসবক মাৰিলে মোহোত কিবা দায়।
আপসকলেও আকে বুজা মনকৈই ॥
এহি বুলি সিসবৰ দণ্ড বিহি দিল।
কেতোকো কৰতে দিল কেতো দিলা শাল ॥ ৭০৮ ॥
কুঠাৰে কাটিলা কেতো কেতো পোৰে জুই।
সেহিমতে মন্ত্ৰীৰেসে শক্ৰক মাৰয় ॥
সিসবেও যাক যাক দিয়াছিল যুতি।
সিসবকো তাহাৰ লগতে মাৰে কাটি ॥ ৭০৯ ॥
ব্ৰাহ্মণ যিসব দোষী প্ৰাণ নমাৰিল ॥
নাক-কাণ কাটি তাৰ চক্ষু উঘালিল ॥
বুঢ়ু ওজা লিগিৰা আছিল যাৰ নাম।
মথনৰ পুত্ৰ সিও পৰম অধম ॥ ৭১০ ॥
মন্ত্ৰীৰ বহতা সিও হোৱে লুকুমাই।
নৃপতিৰ লগে ডাঙৰীয়া আছে থৈ ॥
যদি কোনো মোক দ্ৰোহ কৰিবাৰ চায়।
মোহোৰ আগত আসি কৈবিহি বুজায় ॥ ৭১১ ॥
এহি বুলি বুঢ়াগোহাঁই থৈয়া আছিলেক।
সিয়োজনে মন্ত্ৰীকেসে চাৰে মাৰিবাক ॥
সেহি দোষে মাংস জীৱন্ততে কাটি তাৰে।
বাপেৰ মুখে চোবোৱাই ডোখৰে ডোখৰে ॥ ৭১২ ॥



সেহিমতে তাক জীৱন্ততে শাস্তি কৰি।
মাৰিলেক প্ৰাণ তাৰ কোৰে দিয়া কুৰি ॥
লখী হাজৰীকা নামে এজন আছিলা।
একাৰণে যুতিলেক কুঠাৰে ফালিলা ॥ ৭১৩ ॥

সতৰামৰ শাস্তি।

সতৰাম আছিলেক ৰাজাৰ লগত।
তাক আনিবাক মন্ত্ৰী পঠাই দিলা দূত ॥
নৃপতিয়ে তাক সাবটিয়া আছে লৈই।
থৰ-থৰি কাম্পিছে গাৰত তত্ত নাই ॥ ৭১৪ ॥
মহাৰাজাৰেসে চৰণতে আছে ধৰি।
এৰিলেক মূত্ৰ-মল বুধি নাই তাৰি ॥
জনাইলেক দূতে পাচে মহাৰাজা আগে।
ভূতৰ পুতক শীঘ্ৰে এৰি দিবে লাগে ॥ ৭১৫ ॥
কহিলেক নৰপতি নেৰিবোঁ সখিক।
যদি আঙ্ক মাৰে মোহোকেসে মাৰিবেক ॥
দূতে সেহিমতে মন্ত্ৰীতেসে কহে যাই।
সতৰাম লগে নৰপতি জান দেই ॥ ৭১৬ ॥
শুনি মন্ত্ৰী সিটো কথা মনে গুণি চায়।
সতৰাম মৈলে নৰপতি দুখ পায় ॥
ৰাজাৰ লগৰ পৰা থওঁ অন্তৰাই।
এহি বুলি মন্ত্ৰী অঙ্গীকাৰ কৰি কয় ॥ ৭১৭ ॥
নমাৰিবোঁ প্ৰাণ তাৰ দিবোঁ তাক এৰি।
কথা একখানি মই চাহিবোঁ বিচাৰি ॥
সেহিমতে দূতে যাই জানাইলা ৰাজাক।
অঙ্গীকাৰ কৰি আছে নমাৰিবে তাক ॥ ৭১৮ ॥
তেৱে নৰপতিয়ে তাহাক এৰি দিলা।
নগৰৰ বাজ কৰি তাহাক খেদিলা ॥

সিবেলাত নৰপতি বহু দুখ পাইল।
মন্ত্ৰীকেসে কৰি ডৰ কৈবে নপাৰিল ॥ ৭১৯ ॥
তথাপি ভূতৰ পোক নেৰিলেক ভালে।
নৃপতি নপাইলে বুজ তাহাক মৰাইলে ॥

বদনচন্দ্ৰক ধৰিবৰ ফন্দী।

ইসৰক মাৰি মন্ত্ৰী মনে গুণি চায়।
বদনচন্দ্ৰ বৰফুকন আলচ ৰহয় ॥ ৭২০ ॥
তাঙ্ক মাৰিবাৰ বুঢ়াগোহাঁইৰেসে মন।
পঠায়া দিলেক পৰ্ব্বতীয়া যে ফুকন ॥
যাইবি শীঘ্ৰ কৰি তই নথাকিবি ৰৈই।
ধৰি ফুকনক আন ডিঙ্গৰা ভৰাই ॥ ৭২১ ॥
শুনি পৰ্ব্বতীয়া চলিলেক তেতিক্ষণে।
দিন ৰাত্ৰি কৰি যায় ধৰিতে ফুকন ॥
ইটো কথা বৰফুকনেও পাইল জান।
পলাই গৈলেক আপোনাৰ ৰাখি প্ৰাণ ॥ ৭২২ ॥

লাট চাহাবৰ ওচৰত বদনৰ সহায় ভিক্ষা।

জন্মি পিয়ালি দুই তনয়ক লৈই।
চিপাহী খুজিলা লাট চাহাবক যাই ॥
বুঢ়াগোঁহাইৰেসে কথা কহিলা লাটত।
নিদিবোঁহো সৈন্য বুলি কৈলা ফুকনত ॥ ৭২৩ ॥
মিত্ৰ হুয়া আছোঁ মই বুঢ়া যে গোহাঁইৰে।
কটক দিবোঁহো কেনে তাঙ্ক মাৰিবাৰে ॥

বদনলৈ লাট চাহাবৰ পৰামৰ্শ।

তথাপি মোহোত ভাৰসা যে আছা কৈই।
চিৰিলুহিতত তুমি চলিয়ো উজাই ॥ ৭২৪ ॥
গৈয়া পাইবা মলক মগল যত ৰাজ।
সিসবত বুজিবা নাহিকে কিছু কাজ ॥



সিসবক পাচ কৰি যাইবা আগ হুই।
তেবে বামা নৃপতিৰ ৰাজ পাবা গৈই ॥ ৭২৫ ॥
আমাত কৰিয়া সিটো দশ গুণে চাৰ।
সাত লক্ষ মানে তাৰ আচয় চৰাৰ ॥
শ্বেত গজ বাহন আছয় নৃপতিৰ।
সুবৰ্ণৰ পাত্ৰে তাক ভুঞ্জয় আহাৰ ॥ ৭২৬ ॥
শুনি বৰফুকনে তাতে নথাকিল ৰৈই।
উজাই ধৰিলা শ্ৰীলোহিতক যাই ॥
বৰফুকন কথা কিছু পাচ কৰি থওঁ।
পৰ্ব্বতীয়া যি কৰিলা শুনা তাকে কওঁ ॥ ৭২৭ ॥

দিহিঙ্গীয়া ন-ফুকনৰ বৰফুকন বাব।

গুৱাহাটী পাইলা যাই বৰফুকন ঘৰ।
নপাইলে ফুকনক কি কৰিবে আৰ ॥
উজাই আসিয়া ডাঙ্গৰীয়া আগে কয়।
বৰফুকন পলায়া গৈলেক ভটীয়াই ॥ ৭২৮ ॥
শুনি ডাঙ্গৰীয়া ভৈল জ্বলন্ত অগণি।
ব্ৰাহ্মণক নিন্দিয়া বুলিলা বহু বাণী ॥
ধৰি আনিবাক দিলোঁ নপাৰিলি তাত।
নেগুৰ কাটিয়া ব্যাঘ্ৰ মেলিলি চোঙ্গত ॥ ৭২৯ ॥
সেহি বেলা ডাঙ্গৰীয়া মনে গুণি চাই।
শূন্য ভৈলা গুৱাহাটী বৰফুকন নাই ॥
দিহিঙ্গীয়াৰ ন-ফুকন আছিলেক আত।
বৰফুকন পাতি তাক পঠাই দিলা তাত ॥ ৭৩০ ॥
দুৰ্গেশ্বৰ বৰপাত্ৰ আছে ডাঙ্গৰীয়া।
তেওঁ আলচৰ বুলি আছিলেক কৈয়া ॥
দণ্ড কৰিবাক মন্ত্ৰী মনে আছে লৈই।
তাকে জানি বৰপাত্ৰ ভয়ে পলাই যায় ॥ ৭৩১ ॥

বঙ্গাল দেশক পাই এৰিলেক প্ৰাণ।
মাৰিল যতেক প্ৰাণী কৈবোঁ কতমান॥
এহিমতে ৰাজা ডাঙ্গৰীয়া আছে এথা।
বৰফুকনে যি কৰিলে শুনা সিটো কথা॥ ৭৩২ ॥

মান দেশত বদন ফুকন।

শ্ৰীলুহিতে বৰফুকন চলিলে উজায়।
অনাৰাজ হয় কতো কতো ৰাজ পায়॥
খাইবাৰ দ্ৰব্যক তাত লৰে দিহা কৰি।
অনাৰাজ ভৈলে কৈত পাইবেক বিচাৰি॥ ৭৩৩ ॥
আলু বা কচু বা কিবা বন-ফল খায়।
মহা দুখে লুহিতত ধৰয় উজায়॥
সেহিমতে যাহান্তেও চাৰি মাস গৈলা।
বামা নৰপতিৰেসে নগৰক পাইলা॥ ৭৩৪ ॥
নৰপতিৰেসে ঘৰসব বিচৈক্ষণ।
সুবৰ্ণে খচিত গৃহ আছে যতমান॥
স্বেত গজগোট যিবা ভালে আছে থৈয়া।
ঘাঁস-পানী যোগাৱয় নৃপতি আসিয়া॥ ৭৩৫ ॥
সেহিবেলা বৰফুকনে দৰিশন পায়।
কান্দি কান্দি বামা নৰপতিত জনায়॥
বুঢ়াগোহাঁই মাৰিল যতেক লোকচয়।
কেনমতে বৰফুকন গৈলেক পলায়॥ ৭৩৬ ॥

বদনলৈ মান ৰজাৰ সহায় দান।

শুনি বামা নৃপতিৰ দায়া ভৈলা তাত।
কিছু সেনা দিলা বৰফুকন লগত॥
দুই হেজাৰেকমানে সেনা দিলা মান।
তাক লৈয়া শীঘ্ৰ কৰি আসিলা ফুকন॥ ৭৩৭ ॥



মানক দেখাৱে আশ দিবোঁ বহু ধন।
তাৰ আশে মানেও আসয় ৰাত্ৰি-দিন॥
ৰাজা চন্দ্ৰকান্ত মন্ত্ৰী বুঢ়া যে গোহাঁই।
বৰফুকনে মান আনে সিটো বাৰ্ত্তা পায়॥ ৭৩৮ ॥

বুঢ়াগোহাঁইৰ মৃত্যু।

হুয়াছে নৰিয়া মন্ত্ৰী যাইবে নপাৰয়।
মানক ভঙ্গাইতে কিছু সৈন্য পঠাই দেয়॥
সেহি সময়তে তাহানে কাল ভৈলা।
পূৰ্ণানন্দ বুঢ়াগোহাঁই পৰলোকে গৈলা॥ ৭৩৯ ॥
তান বৰপুত্ৰ বিশ্বনাথ যে বোলয়।
তাঙ্ক ৰাজমন্ত্ৰী বাব বুঢ়া যে গোহাঁই॥
এহিমতে নৰপতি আছে ইটো ঠাইঁ।
বুঢ়াগোহাঁই মৈল বৰফুকনে বাৰ্ত্তা পায়॥ ৭৪০ ॥

চন্দ্ৰকান্ত সিংহলৈ বদনৰ আশ্বাস দান।

ৰাজাক লাগিয়া পত্ৰ দিলা শীঘ্ৰ কৰি।
আসিছিলোঁ মই বুঢ়াগোহাঁইক বিচাৰি॥
মই নমাৰন্তে মৰিলেক সিটো জন।
তান পুত্ৰসব মই বুজিবোঁহো কেন॥ ৭৪১ ॥
নাহিকে বেজাৰ মোৰ ইসব লোকত।
নাভাগিয়া ৰাজা থাকিবেক পূৰ্ব্বৱত॥
স্বৰ্গদেৱে মুণ্ডে ফুল পিন্ধিয়া থাকোঁক।
নাহি ভয় নাহি ভয় বুলি কহিলেক॥ ৭৪২ ॥

বুঢ়াগোহাঁই পৰিয়ালৰ পলায়ন।

সেহি হেতু নৰপতি আছে গহকৈই।
বিশ্বনাথ বুঢ়াগোহাঁই নৃপতিত কয়॥
শুনিয়োক মহাৰাজা মোহোৰ বচনে।
মানক জিনিবোঁ হেন নেদেখোঁহো মনে॥ ৭৪৩ ॥

সেহি হেতু তুমি আমি অন্তৰিয়া যাওঁ।
মান বৰফুকন হাত সাৰিবাক চাওঁ॥
শুনি নৰপতি তাতে কৰিলেক হেলা।
জানিলোঁ আমাক লাগি মানক অনাইলা॥ ৭৪৪ ॥
সৰ্ব্বকালে আমাক থাকয় হিংসা কৰি।
যদি আতে থাকোঁ আমাকেসে দিবে ধৰি ॥
মান ফুকনেও পাইলে নেৰিবেক ভালে।
এহি বুলি সাতো ভাই ভটীয়াই গৈলে॥ ৭৪৫ ॥

চন্দ্ৰকান্তসিংহৰ দিহিঙ্গীয়া গোসাঁইত আশ্ৰয় গ্ৰহণ।

দহাখানি মাত্ৰ কৰিলেক ইটো ঠাই।
মুণ্ডত কাপৰ বান্ধি পাচকো নচাই॥
সেহিবেলা নৰপতি বহু ভয় পায়।
মোহোৰ ইহাত কেহো নাহিকে সহায়॥ ৭৪৬ ॥
আসি আছে বৰফুকন মানকেসে লৈই।
তাহাৰেসে মন কোন জনে বুজা যায়॥
মানৰ লগত আসি আছে হুয়া মান।
এতেকেসে চিত্ত বুজিবাক বৰ টান॥ ৭৪৭ ॥
দিহিঙ্গৰ অধিকাৰী আছয় গোসাঁই।
তাহাঙ্ক আশ্ৰয় ভজিলেসে ভাল হয়॥
পূৰ্ব্বে ৰাজেশ্বৰ ৰাজা কৰি আছে সখি।
মোৰ বৰ ভাই ৰাজা কৰে তাক দেখি॥ ৭৪৮ ॥
এতেকে সে তাঙ্ক মই কৰোঁহো ভাৰসা।
উপকাৰ পাইবোঁ হেন থাকিবেক আশা॥
এই বুলি বৰুৱা কাকতী পাঞ্চি দেয়।
মহুৰাৰ পৰা প্ৰভুকে সে আনে যাই॥ ৭৪৯ ॥
দেখিয়া আনন্দ ভৈলা ৰাজাৰ মনত।
বোলে গোসাঁই মই কথা কহিবোঁহো কাত॥



যতেক মহন্ত আমাসাৰ নপাই সঙ্গ।
ৰাজা ভৈলে বিশ্বাসৰ বোলয় দিহিঙ্গ॥ ৭৫০ ॥
ৰাজ ভিতৰতো তুমি থাকা লাগ পাই।
সেহি হেতু তোমাকেসে কৰিছোঁ আশ্ৰয়॥
বুঢ়া যে গোহাঁই মোৰ পিতৃ সমসৰ।
দুৰ্জ্জনৰ বোলে মই কৰোঁ অপকাৰ॥ ৭৫১ ॥
তথাপিতো দ্বেষ ভাৱ নকৰিলা মোক।
কৰ্ম্মৰ অধীনে তেহো গৈল পৰলোক॥
ইঠাৱত মোৰ কেহো উপকাৰী নাই।
বৰফুকনে মান আনে পায়া কি কৰয়॥ ৭৫২ ॥
অন্য মহন্ত যত কাতো নাহি আশা।
পূৰ্ব্ব কথা জানি মোৰ তোমাতে ভৰসা॥
নৰপতি চূড়ামণি যিটো ৰাজেশ্বৰ।
দিহিঙ্গৰে মিত্ৰ কৰে আমি কিবা বৰ॥ ৭৫৩ ॥
বৰভাই ৰাজা মিত্ৰ কৰে তোমাসাৰে।
সেহি গুণে সোহৃদতা তোমাৰে আমাৰে॥
তথাপিতো তুমি আমি কৰিলোঁহোঁ সখি।
চিৰকালে মোক নেৰিবাহা ভিন দেখি॥ ৭৫৪ ॥
দেখা বিষয়ত কেনে মিলিছে বিঘিনী।
যদি বিপদত পৰোঁ ৰাখিবা আপুনি॥

গোসাঁইৰ কেপকৰা প্ৰাপ্তি।

দিবোঁ কি মৰ্য্যদা তুমি সবে আছা পাই।
অল্প মাত্ৰ বাকি আছে কেপকৰা নাই॥ ৭৫৫ ॥
মই ৰাজা কেপকৰা দিলোঁ আজি ধৰি।
অন্য মহন্তেয়ো আক পাইব কেন কৰি॥
ৰাজা যুগ্য বস্ত্ৰ-অলঙ্কাৰ ভাল চাই।
মান্য কৰি বঁটা দিলা চন্দ্ৰকান্ত ৰায়॥ ৭৫৬ ॥

মানৰ শুনিবে যিবা প্ৰভুতো কহয়।
ভালৰূপে থাকিবা মোহোৰ বাত্ৰা লৈই ॥
সেহিমতে প্ৰভুক গৃহক পাঞ্চি দেয়।
অনুমতি পায়া প্ৰভু মহুৰাক যায় ॥ ৭৫৭ ॥
সেহি দিনা ধৰি কেপকৰা দিহিঙ্গত।
অধিকাৰ ভৈলে বসিবাক পাৰে তাত ॥

যোৰহাটত মান সেনা।

সেহিমতে দিয়া ৰাজা আছয় এথাত।
ৰণুৱাসকলে যাই যি কৰিলা তত ॥ ৭৫৮ ॥
মানৰ নহয় সম যুজে কেনে কৰি।
সেনাপতিসবকো মানেও তাতে ধৰি ॥
সবাকো সাঙ্গুৰি লৈলা যেন গাইৰ পাল।
মান বৰফুকন আসি যোৰহাট পশিল ॥ ৭৫৯ ॥
সেহি বেলা নৰপতি দিয়াইল যোগান।
ফুকনেও মানক দিলেক ভিনে ভিন ॥
মান সেনাসব ৰহিলেক জাজ্জা মাৰি।
ভোগদৈৰ পৰা জুৰি ৰৈল কেন্দুগুৰি ॥ ৭৬০ ॥
মানৰ ফুকনসব বামাৰ লগত।
অল্প অল্প বাসা-ঘৰ কৰি ৰৈল তাত ॥
মান আসিবাৰ শুনি কোনো কোনো লোক।
গৃহক এৰিয়া যিবা পলাই আছিলেক ॥ ৭৬১ ॥
শুনিলেক মানে কাকো নকৰে বেজাই।
আনি আছে বৰফুকনে তাকে কৰে ভয় ॥
সেহি হেতু লোকসবে আসি ঘৰলৈই।
কেনেকুৱা মান বুলি সিসবে চিনয় ॥ ৭৬২ ॥
যিসবে ভাগিয়া যাই আছিলেক দূৰে।
মান কেনেকুৱা ঠান নেদেখিলে তাৰে ॥



এহিমতে মানসব ৰহি আছে এথা।
ৰবফুকনে যি কৰিলা শুনা সিটো কথা ॥ ৭৬৩ ॥

চন্দ্ৰকান্তসিংহৰ ওচৰত বদন বৰফুকন।

যেহি দিনা পাইলা আসি এহিসে নগৰ।
সেহি বেলা চলি যায় নৃপতি ওচৰ ॥
লাগ পাই ৰাজাৰ ধৰিয়া চৰণত।
কান্দিয়া দুখৰ কথা কহে নৃপতিত ॥ ৭৬৪ ॥
গুৱাহাটী এৰিয়া গৈলেক কেনমতে।
নৈৰাশা ভৈলেক কেনে জনায়া লাটতে ॥
কেনমতে শ্ৰীলুহিতে গৈলেক উজাই।
ৰাজ অৰাজতো যাই কত দুখ পাই ॥ ৭৬৫ ॥
বামা নৃপতিক লাগ পাইলা কেন কৰি।
মানৰ কটক কেনে লগে দিলা তাৰি ॥
দুখৰ কাহিনী কথা কহে নৃপতিত।
দুই নয়নৰ নীৰ পৰে চৰণত ॥ ৭৬৬ ॥
আশ্বাস কৰিয়া ৰাজা তোলে ফুকনক।
নকৰা বেজাৰ শুনিয়োক মোৰ বাক ॥
যেহিমতে বুঢ়াগোহাঁই সেহিৰূপে তুমি।
ৰাজ্য প্ৰতিপাল কৰি থাকোঁ তুমি আমি ॥ ৭৬৭ ॥
শুনি বৰফুকনে বোলে ইটো কথা হয়।
মই ভৃত থাকন্তে আছয় কাক ভয় ॥
বামা ৰাজ কৈয়া আছে আপুনাৰ ঠাই।
ৰাজকন্যা একখানি দিবাক লাগয় ॥ ৭৬৮ ॥
আৰু ধন-সোণ যদি কিছুমান পায়।
থাকিবে নপাৰে মান দিবোঁহোঁ পঠায় ॥

মানলৈ আহোম কুঁৱৰী।

শুনি নৰপতিয়ে মনত গুনি চায়।
মোহোৰে বংশৰ বগা কোঁৱৰ আছয় ॥ ৭৬৯ ॥

তাহান জীয়াৰী আছে আতি ৰূপৱতী।
মোহোৰ জীয়াৰী বুলি দিবোঁহোঁ সম্প্ৰতি॥
এহি বুলি অনাইলেক সেহি জীয়াৰীক।
দোলা আৰোৱানে দিলা মানৰ ৰাজাক॥ ৭৭০॥
হস্তী-ঘোঁৰা দাসী-দাস ধন-সোণ কত।
মিত্ৰ ভৈলোঁ বুলি দিলা জীয়াৰী লগত॥
মানসকলক ধন গাৰে গাৰে দেই।
তাকে পায়া মান আপুনাৰ দেশে যায়॥ ৭৭১॥
সেহিমতে পঠাইল আসিল যত মান।
তাৰ পাচে যি কৰিলা শুনা বৰফুকন॥

ডাঙ্গৰীয়া ভঙ্গা-পতা।

বুঢ়াগোহাঁই পুত্ৰসবে গৈলা ঘৰ এৰি।
যত দ্ৰব্য-ধন পাইলে অনাইলেক লুৰি॥ ৭৭২॥
অনিৰ ভায়েক তাৰ ধনী নাম কয়।
বৰপাত্ৰ পাতিলেক নিৰ্প্ৰ্তি আজ্ঞায়॥
কপৌমৰীয়া নৰহৰি বুলিছিলা যাক।
বৰগোহাঁই সিয়োজন হুয়া আছিলেক॥ ৭৭৩॥
তাক ভাঙ্গি নিৰ্ভয়নাৰায়নকেসে পাতে।
ৰাজ-মন্ত্ৰী বাবকো দিলেক তাৰ গাতে॥
শ্ৰীনাথ যিবাজন তাহাক ভাঙ্গিল।
সন্দিকৈৰ ধনী বৰবৰুৱা পাতিল॥ ৭৭৪॥
বদনচন্দ্ৰ বৰফুকন নিজে মন্ত্ৰী ভৈল।
বুঢ়াগোহাঁইৰেসে মিত্ৰ যিসব আছিল॥
তাহাক ভাঙ্গিয়া আৰো দণ্ড-বন্ধ কৰে।
নৰপতি তাঙ্ক একো বুলিতে নপাৰে॥ ৭৭৫॥
বুঢ়াগোহাঁই পাতিবাৰ বাকী ৰাখি থৈল।
বিশ্বনাথ গোহাঁইকেসে মাতিয়া আছিল॥



নাসিলেক বুঢ়াগোহাঁই মনে কৰি ভয়।
ছল কৰি নিয়া মোক মাৰিবাক চায়॥ ৭৭৬॥
এহি বুলি নাসে বিশ্বনাথ যে গোহাঁই।
ইঠাৰতে যি কৰিলা শুনা কহোঁ মই॥
বৰগোহাঁই বৰবৰুৱা বৰফুকনে পাতে।
নৃপতিয়ো সাক্ষী মাত্ৰ হুয়া থাকে তাতে॥ ৭৭৭॥
তথাপিতো সিসবৰ মন নোহে ভাল।
ফুকনক মাৰিবাৰ চাই ফুৰে ছল॥
বৰফুকন ৰাজাৰ হুয়াছে একে কথা।
প্ৰাণীৰ হিতক চিন্তি থাকয় সৰ্ব্বথা॥ ৭৭৮॥
হস্তী বা মহিষ আৰো পশু মাৰিবাক।
নৃপতিক লৈয়া যায় ৰঙ্গ দেখাইবাক॥

বদনৰ বিৰুদ্ধে ৰাজমাৰৰ ষড়যন্ত্ৰ।

ৰাজমাৰে বুজে পুত্ৰ ভৈলেক অধীন।
বুঢ়াগোহাঁই যেনে ছিল বৰফুকনো তেন॥ ৭৭৯॥
ছলে বলে ইহাক মাৰিলে হৈবে ভাল।
তেবে চতন্তৰ পুত্ৰ হৈবে সৰ্ব্বকাল॥
এহি মনে ভাবিয়া সোধয় পিয়লিত।
কথা এক সোধোঁ কৈয়ো স্বৰূপ আমাত॥ ৭৮০॥
তোৰ পিতা গাৰে খৰ্গ গুলী নলাগয়।
অদৃশ্য হুইবাক পাৰে শুনি আছোঁ ময়॥
হুই নুই ইটো কথা কৈয়ো আগে মোৰে।
নুবুজিয়া কহিল বালকমতি তাৰে॥ ৭৮১॥
কহিলেক পিয়লিয়ে শুনা ৰাজমাই।
আমাৰ পিতৃক কোনে মাৰিবে পাৰয়॥ ৭৮২॥
অভেদ কবচ আছে পিতাৰ গাৰত।
ইটো কথা দেৱতাই নকৈবা আনত॥ ৭৮৩॥

শৌচক যাহান্তে সখাই থৱয় গলৰে।
সেহি সময়ত ভৈলে মাৰিবাক পাৰে॥
এহি বাণী যেখনে শুনিলা ৰাজমাই।
ৰূপচিং চিপাদাৰ অনাইলা মতাই॥ ৭৮৪ ॥
ধনী বৰবৰুৱা ৰূপচিং ৰাজমাই।
কৰয় আলচ আক কেহো নজানয়॥
মানক ফুকনে আনি বাঢ়ি যায় বল।
বুঢ়াগোহাঁই মৰিল তাতেসে পাইল ছল॥ ৭৮৫ ॥
বজ্রসম গাৰ তাৰ ঔষধ বলতে।
তাহাক সখাই থৰে শৌচক যাহান্তে॥
সেহিসে বেলাত ছুয়ো যাইবা সাজু হুই।
যদি তাতে নমাৰা মাৰিবে ছল নাই॥ ৭৮৬ ॥

বদন বধ

শুনি ছুয়োজন গৈল বৰফুকন কাষে।
শৌচ কৰি আসি মাটি-পানী লৈয়া আছে॥
ধনী বৰবৰুৱা ছলে পাতিছিল কথা।
পাচদিকি গৈয়া ৰূপচিঙ্গে কাটে মাথা॥ ৭৮৭ ॥
হেন ছল কৰি কাটে কোনে আছে জানি।
জন্মি পিয়লি নুমলিও অনাথিনি॥
পিতৃক কাটিল সিসবৰ তত্ত্ব নাই।
কি জানি আমাকো কাটে ভয়ে পলাই যায়॥৭৮৮॥

মহাৰাজাৰ ক্রোধ।

নৃপতি শুনিল কাটিলেক বৰফুকন।
ৰূপচিং চিপাদাৰ অনাই তেতিক্ষণ॥
গৰুখোৱা বঙ্গাল ইমান সাহ হয়।
বৰফুকন কাট তাক নজানেঁাহোঁ মই॥ ৭৮৯ ॥



কহে ৰূপচিং মোত কিছু দায় নাই।
কাটিবাক আজ্ঞা দিলা তোমাৰেসে আই॥
শুনি ৰাজা মাতৃকেসে ভৰ্চ্ছিলা বহুত।
বুঢ়ী দাৰুনীয়ে কৰিলিহি অযুগুত॥ ৭৯০ ॥
মন ছুখ কৰি ৰাজা থাকিলা ইঠাই।
গোহাঁই পুত্রে যি কৰিলা বঙ্গালক যাই॥

বুঢ়াগোহাঁইৰ পুতেকসকলৰ আক্ষেপ।

পিতৃৰ যে প্রেতকৰ্ম্ম কৰিলেক তাত।
মুণ্ডৰ কাপোৰ গুচাইলেক সিবেলাত॥ ৭৯১ ॥
সাত ভাই আলচ কৰিলা সেহি ঠাই।
চন্দ্রকান্ত বৰফুকন ছুয়ো বৈৰী হয়॥
পিতৃক মাৰিবে লাগি অনাইছিল মান।
নপাইল তাহাঙ্ক পৰলোকক গমন॥ ৭৯২ ॥
আসিলোঁ পলাই আমি সিথানক এৰি।
ছলে মাতিছিল মাৰিবাৰ মন কৰি॥
সৰ্ব্বকালে কপট কৰয় আমাসাক।
তাৰ প্রতিফল আমি দিবে লাগে তাঙ্ক॥ ৭৯৩ ॥
এহি গুণি-গান্থি তাতে থিৰ কৰি মন।
পুৰন্দৰ গোহাঁইকেসে ৰাজা লৈবে মন॥

পুৰন্দৰ গোহাঁইক ৰজা পাতিবৰ মন্ত্রণা

দিহিঙ্গীয়াৰেসে যিবা বৰ যে ফুকন।
ৰাজখোৱা বৰুৱা আছিল যত জন॥ ৭৯৪ ॥
সবেও আলচ কৰিলেক সেহি ঠাই।
একজনা ৰাজা পাতি আমি লৈয়া যাই॥
ৰাজেশ্বৰসিংহ মহাৰাজা যিবা জন।
ৰত্নেশ্বৰ নামে ভৈল তাহান সন্তান॥ ৭৯৫ ॥

তান হন্তে বিজয় বৰমূৰা যে গোহাঁই।
বৰমূৰা পুত্ৰ ব্ৰজনাথ বুলি কয়॥
ব্ৰজনাথ সুত ভৈলা নামে পুৰন্দৰ।
তাঙ্ক ৰাজা পাতিবাৰ কৰিলেক থিৰ॥ ৭৯৬॥
ঢেকিয়াল ফুকন ডেকা বুঢ়াগোহাঁই ভাই।
পঠায়া দিলেক ব্ৰজনাথৰেসে ঠাই॥ ৭৯৭॥
কহে ঢেকিয়ালে যাই শুনিয়ো গোহাঁই।
পুৰন্দৰ গোহাঁইকেসে ৰাজা লৈবে চায়॥ ৭৯৮॥
শুনি ব্ৰজনাথে তাতে বুলিলেক ভাল।
পুত্ৰক সঙ্গতে লৈয়া আইল তত্তকাল॥

ব্ৰজনাথৰ যুদ্ধৰ যো-জা।

চিপাহী লৈলেক চিপাদাৰ জেমাদাৰ।
প্ৰথমে দিলেক টকা তাৰ দৰ্ম্মহাৰ॥ ৭৯৯॥
বিশ্বনাথ গোহাঁইৰেসে মিলি কথা হয়।
চন্দ্ৰকান্তৰেসে ৰণ কৰিবাক চায়।
লুখুৰাসনৰ চিকন তামূলী ঘৰৰে।
লুকু গুৱাহাটী ডেকাফুকন বোলে তাৰে॥ ৮০০॥
তাহাকে পঠায় আগে শিখণ্ডি কৰিয়া।
পাচতে আসিছে ব্ৰজনাথ ডাঙ্গৰীয়া॥
ইটো কথা স্বৰ্গদেৱে নাহি জানে আৰ।
যোৰহাট এৰি যায় ৰংপুৰ নগৰ॥ ৮০১॥
কিছুদিন মহাৰাজা আছয় তথাত।
ব্ৰজনাথে পাইলা আসি মহগড় ঘাট॥
লগতে আসিছে ডেকা বুঢ়া যে গোহাঁই।
ফুকন বৰুৱা ইসবেও ভয় পায়॥ ৮০২॥
চন্দ্ৰকান্ত ৰাজাক এৰিয়া এহি ঠাই।
আগ বাঢ়ি গৈয়া পুৰন্দৰ লাগ লয়॥



আসিছে চিপাহী লৈয়া মাৰোঁ মাৰোঁ কৰি।
কিমতে থাকিবে চন্দ্ৰকান্তকেসে ধৰি॥ ৮০৩॥
অল্প লোক সমে ৰাজা আছয় তথায়।
ব্ৰজনাথ পুৰন্দৰ উঠে যোৰহাট॥
ফাকুৱা দ'লৰ কাষে বাহাৰ সজাই।
পিতা পুত্ৰে দুয়ো ৰহিলেক সেহি ঠাই॥ ৮০৪॥
ডেকা বুঢ়া গোহাঁই ৰৈল পূৰ্ব্বৰ ভবনে।
ব্ৰজনাথ সমে আলচিয়া দুয়ো জনে॥

চন্দ্ৰকান্তৰ পাট-গ্ৰহণ।

ঢেকিয়াল ফুকনক পাঞ্চে ৰংপুৰে।
চন্দ্ৰকান্ত নৰপতিকেসে আনিবাৰে॥ ৮০৫॥
গৈয়া ঢেকিয়ালে নৰপতি আগে কয়।
তুমিসে আমাৰ ৰাজা নকৰিবা ভয়॥
আনি আছোঁ পুৰন্দৰ যুৱৰাজ হুব্যা।
মহাৰাজা হুয়া পূৰ্ব্বৰতেয়ো থাকিবা॥ ৮০৬॥
শুনি নৰপতি আসে ইটো নগৰক।
আপোনাৰ পাটতে আসিয়া ৰহিলেক॥
ফুকন বৰুৱা আৰো তিনি ডাঙ্গৰীয়া।
পুৰন্দৰ যুৱৰাজ পাতি কৰে সেৱা॥ ৮০৭॥
তাতে ব্ৰজনাথে ওজৰক কৰি আছে।
মহাৰাজা পাতোঁ বুলি আগে আনি আছে॥
তোমাসাৰ সিটো কথা যদি মিছা হয়।
নহৈবেক যুৱৰাজ যাইবোঁ ভটীয়াই॥ ৮০৮॥
শুনি ডাঙ্গৰীয়া এৰাইবাক নপাৰয়।
পুৰন্দৰসিংহক যে ঘাই ৰাজা লয়॥

চন্দ্ৰকান্তৰ পাট-হৰণ

চন্দ্ৰকান্ত নৃপতিক চাঙ্গৰ নমাই।
বাহিৰ কৰিয়া ন-বাহৰত থয়॥ ৮০৯॥

আৰু অঙ্গক্ষত।

তথাপি সিসবৰ মন শান্ত নভৈলেক।
দূত পঠাইলেক অঙ্গ খুন কৰিবাক॥
পিঠিয়াল বৰা বোলে থাকে দাৰ ধৰি।
আজ্ঞা পায়া সিয়ো তেতিক্ষণে গৈলা লৰি॥ ৮১০॥
চাপিবে নপাৰে ৰাজা আছে খৰ্গ লৈই।
সিবেলাত পিঠিয়ালে বহুত বোলয়॥
অল্প অঙ্গ নেদা এৰি পাতস জঞ্জাল।
প্ৰাণ মৰা যায় যদি তেবে পাইবি ভাল॥ ৮১১॥
শুনি ৰাজমাতাৰ মনত ভৈল ভয়।
আপুনি নিদিলে গাৰ কিবা প্ৰাণ লয়॥
সেহি ভাবি ৰাজমাৱে আঙ্কোৱালি ধৰি।
কহে প্ৰাণ ৰাখা বাপ দিয়া কৰ্ণ এৰি॥ ৮১২॥
আমাসাৰ দিন গৈল পাইলে কাল ৰাতি।
শুনি হেন নৰপতি দিলা অঙ্গ পাতি॥
কৰ্ণত কটাৰী দিল পিঠিয়ালে তাত।
সেহি হেতু তাহাৰ ভৈলেক কন্ধপাত॥ ৮১৩॥

গ্ৰন্থকাৰৰ মন্তব্য।

দেখা দেখা কেনে ইটো বিষয় জঞ্জাল।
সুখী হুয়া কোনে ভুঞ্জিবেক চিৰকাল॥
নৃপতিৰ হেন গতি সিসবে কৰিল।
কতকাল খাইবে এক বৰিষ নভৈল॥ ৮১৪॥
কৈল খুন ৰুধিৰ পৰিল পৃথিবীত।
দুই নয়নৰ নীৰ বহি যায় তাত॥
নৃপতি শোণিত ধাৰে ধৰণী তিতিল।
সেহি হেতু ৰাজ্য পৰলোকে কাঢ়ি লৈল॥ ৮১৫॥
এতেকে বুজিবা ধৰ্ম্মৰেসে বহু বল।
অন্যায় কৰিয়া ভুঞ্জিবাহা কত কাল॥



এতেকেসে বিষয় সুখক কৰা দূৰ।
বিজুলীৰ চটকে কিবা গুচিবে এন্ধাৰ॥ ৮১৬॥
হেন জানি গুৰু পাৱে ভজিবে লাগয়।
গুচিবে এন্ধাৰ তিমিৰেসে দূৰ যায়॥
সেহি হেতু হৰিৰ চৰণে কৰা সাৰ।
তেবেসে তুইবাহা ঘোৰ সংসাৰৰ পাৰ॥ ৮১৭॥

## জুমুৰি।

চন্দ্ৰকান্তক তৰাতলীলৈ নিওঁতে ৰাইজৰ শোক।

চন্দ্ৰকান্ত মহাৰাজা।
চন্দ্ৰৰ সমান তেজা॥
নাম চন্দ্ৰকান্ত কয়।
চন্দ্ৰ যেন প্ৰকাশয়॥ ৮১৮॥
কৰিলা অঙ্গক খুন।
তভো শান্ত নোহে মন॥
নগৰৰ বাজ কৰি।
লৈয়া যায় দূতে ধৰি॥ ৮১৯॥
নাহি একো ৰথ-যান।
মেঘে কৰে বৰিষণ॥
নাহি দণ্ড-ছত্ৰ তাত।
মাথে এক জাপি মাত্ৰ॥ ৮২০॥
পন্থে পঙ্ক আছে দুই।
ভূমি গতি চলি যায়॥
দিচৈ ভোগদৈ পাৰ হয়।
লোকসবে আছে চায়॥ ৮২১॥

প্ৰজা সবে বেঢ়ি যায়।
কতো হিয়ে ধাকুৰয়॥
চিত্ৰৰ পুতলী যেন।
হেন ৰাজা ভৈল কেন॥ ৮২২॥
এহি বুলি কান্দে কতো
কোনো বাধা দিয়ে তাতো॥
নকান্দস বৰ কৰি।
নিব ৰাজ-দূতে ধৰি॥ ৮২৩॥
নৃপতিৰ হেন দুখ।
তোৰ কি চাহিবে মুখ॥
এহিমতে নৃপতিক।
বেঢ়ি যায় বহু লোক॥ ৮২৪॥
লগত নাহিকে কেও।
দুই বহিনী আৰু মাও॥
আবৰিয়া আছে কাযে।
ৰাজ-দূত আগে পাছে॥ ৮২৫॥
চেউনী-আলি পথ ধৰি।
গৈয়া পাইল কেন্দুগুৰি॥
তাহাতে বসিলা ৰাজা।
চাৰে বেঢ়ি সবে প্ৰজা॥ ৮২৬॥
টেকেলা ভাবুকি দেয়।
হাতে বেট তুলি লৈয়॥
ৰাজা বাধা দিয়ে তাক।
নাবাধিবি চাউক মোক॥ ৮২৭॥
দেখিবেক কোন দিনে।
তাত বাধা কৰ কেনে॥



শুনি হেন নবাধিল।
ভালৰূপে সবে চাইল॥ ৮২৮॥
কিছুমান ৰহি তাতে।
চলিয়া গৈলেক বাটে॥
প্ৰজাসবে কান্দি ৰয়।
নৃপতিক লইয়া যায়॥ ৮২৯॥
যাইবাক নপাৰে ভৰি।
দেখি কটোৱালে ঘূৰি॥
জানাইল মন্ত্ৰীৰ আগে।
যান এক দিবা লাগে॥ ৮৩০॥
চলিতে নপাৰে পায়।
তেজ ফুটি বাহিৰায়॥
সেহিমতে নিবোঁ কেনে।
গৈয়া পাইবোঁ কোন দিনে॥ ৮৩১॥
শুনি ঘোঁৰা দিলা এক।
তুনি নিল নিৰ্প্ৰতিক॥
সেহিমতে লৈয়া গৈলা।
তৰাতলী হাট পাইলা॥ ৮৩২॥
তাতে বাসা-গৃহ কৰি।
নৃপতিক থৈলা ভৰি॥
প্ৰহৰী দিলেক তাত।
ৰাখি থাকে দিনে ৰাত॥ ৮৩৩॥
সেমান্তৰ কোন লেখা॥
হৰি পাৰে কৰা আশা॥
গুচিবে দুৰ্গতি দুখ।
নিজানন্দ পাইবা সুখ॥ ৮৩৪॥

# একাদশ অধ্যায়

## স্বৰ্গদেৱ পুৰন্দৰসিংহ

### পদ্য

স্বৰ্গদেৱ পুৰন্দৰ-সিংহ।

কহোঁ পুনৰপি শুনা সভাসদচয়।
ইটো কথা মোতে যুৱৰাজে আছে কৈই॥
শ্ৰীশ্ৰীপুৰন্দৰসিংহ ৰাজা হয়।
চন্দ্ৰকান্ত নৃপতিক তৰাতলী থয়॥ ৮৩৫॥
কোনো ঠাইক যাৰে বুলি দিয়াছে ৰখীয়া।
মাহে মাহে খাইবাৰ যোগান থাকে দিয়া॥
বিশ্বনাথ মন্ত্ৰী আছে বুঢ়া যে গোহাঁই।
ব্ৰজনাথকেসে যুৱৰাজ পাতি লয়॥ ৮৩৬॥

বিষয়া ভঙ্গা-পতা।

অনিৰ ভায়েক ধনী তাহাক ভাঙ্গিলা।
দণ্ডেশ্বৰক বৰপাত্ৰ পাতি দিলা॥
নিৰ্ভয়নাৰায়ণক ভাঙ্গিলা বৰগোহাঁই।
বাৰুকিয়ালৰ মালভোগক পাতয়॥ ৮৩৭॥
ধনী বৰবৰুৱা সিয়ো আছিলেক হুয়া।
তাক ভাঙ্গি সন্দিকৈৰ ঘিণাই বৰবৰুৱা॥
ঘনশ্যাম যাক বোলে সিয়ো বৰফুকন।
তাক ভাঙ্গি গুচাই পাতে পুতেক নিৰ্গুণ॥ ৮৩৮॥
এহিমতে ভাঙ্গে-পাতে ফুকন বৰুৱা।
ৰাজখোৱা হাজৰিকা বৰা শইকীয়া॥
নিৰ্গুণ বৰফুকনৰ আছে উপকাৰ।
নৃপতি হুইবাক কৰিছিলা কাৰবাৰ॥ ৮৩৯॥



সেহি আপ হতে তাৰ মৰ্য্যাদা বঢ়াইলা।
পানীজাপিতেসে দিল সোণাৰেসে চুলা।

ৰজাদেৱৰ বিয়া।

যৌবন ভৈলেক ৰাজা নাহিকয় ৰাণী।
পিতৃ বুঢ়াগোহাঁইৰেসে জীয়া একখানী॥ ৮৪০॥
ৰূপে গুণে নাহি সীমা অতি সুলক্ষণী।
মৰঙ্গীখোৱাৰ হোৱে স্নেহৰ ভগিনী॥
বিবাহ কৰাইলা আনি পুৰন্দৰ ৰায়।
কন্যা পাই নৃপতি আনন্দ পাৰ নাই॥ ৮৪১॥
শশুৰ শাশুৰী দায়া কৰয় বহুত।
মৰঙ্গীখোৱাৰ বৰ আনন্দ মনত॥
জীয়াৰীক দিয়া আছে নৃপতিক লাগি।
কৌতুক কৰয় বহিনীয়ে পুণ্য ভাগী॥ ৮৪২॥
নৃপতিয়ে খানিকেকো নচাৰে ৰাণীক।
কামেশ্বৰ যুৱৰাজ গৰ্ব্ভে ধৰিলেক॥
সেহিমতে আছে ৰাজা বৰিষেক যায়।
তাৰ পাচে যিবা ভৈল শুনা কহোঁ মই॥ ৮৪৩॥

মানদেশত জন্মি আৰু পিয়লি।

বদনচন্দ্ৰ বৰফুকন মাৰিল ইঠাই।
জন্মি পিয়লি দুয়ো মানদেশ পায়॥
বামা নৃপতিত কৈল কৰিয়া বিনয়।
অকাৰণে পিতৃক মাৰিল ছল পাই॥ ৮৪৪॥
মহাৰাজা ইটো কথা নপাইলেক জান।
ধনী বৰবৰুৱা ৰূপচিঙ্গে নৈলা প্ৰাণ॥
আমাৰ দুখৰ কথা কিকৈবোঁ মামাই।
প্ৰাণ ৰাখি পলায়া আসিছোঁ ইটো ঠাই॥ ৮৪৫॥

পিতা বামা-সেনা যত নিয়াছিল খুজি।
পঠাই দিল সিসবক ইহাক নুবুজি॥
সেহি হেতু পিতৃক মাৰিল শূন্য পাই।
কি কহিবোঁ মহাৰাজা আমাৰ বিলাই॥ ৮৪৬॥
প্ৰতিকাৰ নকৰা আমাৰো মাৰা প্ৰাণ।
জিয়ন্তে থাকিতে কিবা আছে প্ৰয়োজন॥
এহি বুলি কান্দি কান্দি কহিলা বহুত।
বামা নৃপতিৰ দায়া ভৈল দুই জনত॥ ৮৪৭॥

মান ৰজাৰ আশ্বাস-বাণী।

নকান্দস নকান্দস ফুকন তনয়।
তোৰ প্ৰতিকাৰ মই কৰিবে লাগয়॥
তোৰ পিতা মোক আগে কৰিছে ভাৰসা।
তাহাকে চাহিয়া মই দিবোঁ তাৰ জোখা॥ ৮৪৮॥
আৰো চন্দ্ৰকান্ত ৰাজা তাঙ্ক ভাঙ্গি থয়।
ব্ৰজনাথ পুৰন্দৰকেসে ৰাজা লয়॥
সিটো কথা লোক মুখে শুনি আছোঁ মই।
তাৰ ফল দিবোঁ সিসবক ভালে চাই॥ ৮৪৯॥

অসমলৈ মান সেনাৰ আগমনৰ যো-জা।

এহি বুলি মান সেনাপতি যিসকল।
মাতিয়া আনিয়া ফুকনক পাতি দিল॥
মানত কৰিয়া চাৰ শাম সেনা যত।
তাহাৰো ফুকন পাতি দিলাহা লগত॥ ৮৫০॥
লৈলা শাম সেনাসব ফুকন যিজন।
মান ফুকনৰো সেনা লৈল ভিনে ভিন॥
সবাৰো উপৰি যাক দিলে মুক্ষ কৈই।
আলুঙ্গমিঙ্গি নামে সিয়ো বৰগোহাঁই॥ ৮৫১॥



নৃপতি দিলেক আজ্ঞা তাহাৰে আগে।
জম্মি পিয়লিৰ লগে শীঘ্ৰে যাইবে লাগে॥
কটক বাচিয়া লৈয়ো বাৰু বাৰু চাই।
মুলুঙ্গীয়া যুধত যেহেন নঘাটয়॥ ৮৫২॥
শুনি বৰগোহাঁই কৈলা ফুকনসবত।
বিচাৰ কৰিয়া লৈল সেহি সেহি মত॥
গাৰে গাৰে লৈলা সবে ৰণৰ সম্ভাৰ।
হেঙ্গদাঙ্গ লৈলা হিলৈ যাঠী জোঙ্গ তাৰ॥ ৮৫৩॥
খাইবাৰেসে দ্ৰব্য যত লৈল দোকানত।
শুকনা মাংস গো বৰাহৰ যত যত॥
আফিঙ্গকো বেঙ্গ বোলে তাকে লৈয়া থয়।
সুৰা পান কৰে ম্লেচে চুঙ্গা ভৰি লয়॥ ৮৫৪॥
সেহিমতে লৈল সবে ভোকোণ্ডাত ভৰি।
ঘৰৰ ভৈলেক বাজ হুয়া ডৰডৰি॥
জনাইল নৃপতি আগে বৰগোহাঁয়ে গৈই।
ছয় হেজাৰেক সেনা আমি আছোঁ লৈই॥ ৮৫৫॥
আজ্ঞা দিলা নৰপতি আসিবাক লাগি।
মাৰিল ফুকন প্ৰতিকাৰ কৰ যাই॥
আৰো চন্দ্ৰকান্ত ভাঙ্গি আছে থৈই।
তাহাঙ্ক পাতিয়া পুনৰপি আস যাই॥ ৮৫৬॥

মান সেনাৰ অসম-যাত্ৰা।

সেই দিনা আসি কিছু অন্তৰতে বৈলা।
পিয়ালিয়ে ফুকনসবৰ আগে কৈলা॥
বিলম্ব নকৰি শীঘ্ৰে যাইতে ভাল হয়।
আমাৰ ৰাজত হাও হাও ধন পায়॥
বগী বগী মিমা আছে আমাৰ ৰাজত।
বেগ ধৰি গৈলে সিসবকো পাইবা তাত॥ ৮৫৭॥

শুনি মানসকলৰ আনন্দ মনত।
ধন ছোৱালীৰ আশে চলিলেক আত॥
ৰাত্রি-দিন নজানয় নাহিকে ভাগৰ।
কেকাও বুলিয়া আসিলেক মাৰ মাৰ॥ ৮৫৮॥
টকালি পাৰয় মনে মন্থৰ জালত।
লেঙ্গলৌ পৰুৱা যেন আসে সেহিমত॥
পৰ্ব্বতৰ মাজে মাজে অৰণ্য তাহাত।
কতো বেলি চন্দ্র-সূৰ্য্য নাকলিয় তাত॥ ৮৫৯॥
কোনো পৰ্ব্বতৰ উপৰেসে কৰে বাট।
পুনৰপি আসে নামি তাহাৰ তলত॥
সেহিমতে আসন্তে গধূলা যৈতে হয়।
সকলো কটক পৰ্ব্বততে জুৰি ৰয়॥ ৮৬০॥
বৰগোহাঁই ফুকনক পত্রঘৰ তাত।
জন্মি পিয়লি ছুইকো থৰে ভালমত॥
মানসকল যত ঘৰ পাইবে কত।
যত মান তত ৰহে বৃক্ষৰ তলত॥ ৮৬১॥

মান সেনাৰ খোৱা বস্তু।

আলু-কচু, বন-শাক লৱয় বিচাৰি।
বন-পশু পাৰে যদি তাকো লৱে মাৰি॥
শৃগাল গাহৰি কিবা মেচেকা বান্দৰ।
নেউল হেপা লৱে ধৰি নচাৰে এন্দুৰ॥ ৮৬২॥
যেহি যিবা পাৰে তাকে লৱয় চপাই।
মতঙ্গত ৰান্ধে ভাত মাংস জুইত দেই॥
নচাৰয় বাট ভাত হৈবাক লাগিয়া।
আধা পোৱা কৰি মাংস থাকয় চোবায়া॥ ৮৬৩॥
ভাত হোৱে যিবেলাত মাংস সমে খাৱে।
কিছুমান থাকে মতঙ্গত ভৰি থৰে॥



নাথাকে যাহাৰ পুনৰপি ৰান্ধি থয়।
পুন্থ দিনে তেবে ভাত খাইবে লাগি পায়॥ ৮৬৪॥
বৰগোহাঁই ফুকনে খাৱয় ভালমতে।
সুখে নিদ্রা যাই তাৰ সেহিসে ঘৰতে॥
মানসব পৰি থাকে বৃক্ষৰ তলত।
তৃণকো নপাৱে ঢাৰি-পটী পায় কৈত॥ ৮৬৫॥
মন্থৰ জালত নিদ্রা নিমিলয় তাৰে।
যিবেলা আসয় নিদ্রা গৰাগৰি পৰে॥
কাৰো মুণ্ডে কাৰো ভৰি কানি-কন্থা নাই।
সেইমতে ম্লেচসবে পৰি থাকে শুই॥ ৮৬৬॥

মানৰ সৈনিক ৰীতি

প্রভাত সময়ে বৰকাংশে দিয়ে বাৰি।
তেবে মানসেনাসব উঠে শীঘ্র কৰি॥
নুঠিয়া বিলম্ব কৰি থাকে যিটো জন।
তাহাকো কৰয় দণ্ড ৰাখে কোন জন॥ ৮৬৭॥
মলো পানীফেৰা তম্বুফেৰা বুলি কয়।
তথাপিতো "দানে খক" বুলি কাটি দেয়॥
সেই ভয়ে উঠি সবে বিলম্ব নকৰি।
খাৱে তুলি থোৱা ভাত শুকা মাংস পুৰি॥ ৮৬৮॥
যদি শৌচ কৰে তাৰ জল পৰ্শ নাই।
মাৰ্গৰ যিবা মল মাৰ্গত থাকয়॥
স্বভাৱত ম্লেচ জাতি কি আছে আচাৰ।
বৰগোহাঁই ফুকনৰো সেহি বেৱহাৰ॥ ৮৬৯॥
নকৰয় স্নান-দান দেৱতাত প্রীতি।
চাৰিয়ো পৰত তাৰ কিবা আছে খতি॥
ঘোঁৰাৰ উপৰে আসে ফুকন গোহাঁই।
মান সেনা সব আসে আগ-পাচ হুই॥ ৮৭০॥

সেহিমতে নিতে নিতে আসয় পন্থত।
বেলা অৱসানে জুৰি ৰহে পৰ্ব্বতত॥

অসমীয়াৰ মানৰ আগন্তুকৰ আশঙ্কা।

ভৈয়ামৰ লোকে দেখে পৰ্ব্বতত জুই।
জুমা জুমি চাৰে লোকে কিবা আছে হুই॥ ৮৭১॥
নিতে নিতে পৰ্ব্বতত কেনে জলে নল।
হেন অসদৃশ কথা দেখোঁ অমঙ্গল॥
এহি গুণি-গান্থি মনে থাকে গৈয়া শুই।
বৃদ্ধসকলৰ তাত নিন্দ্ৰা নিমিলয়॥ ৮৭২॥
একবাৰ মান আসি আছে ধন পাই।
সেহি মান কিবা আসে বুলি কৰে ভয়॥
লোকসকলৰ মন নাহিকয় থিৰ।
সিবেলাত মান আসি পাইলা জয়পুৰ॥ ৮৭৩॥
মান আসিবাৰ বাট এহিসে তুৱাৰ।
দীঘলী-ঘাটক বোলে তাহাৰ ওচৰ॥
তাহাতে আছিল লোকসব যত যত।
ঘৰ-বাৰী এৰি আসে মানৰ ভয়ত॥ ৮৭৪॥
আমাৰ ৰাজাৰ চৰাংচোৱা গৈয়াছিল।
মানক দেখিয়া আসি মন্ত্ৰীত কহিল॥

মানৰ বেশ।

কাকতী-ফৰিং যেন আসয় উজাই।
সেহিমতে মানসব আসিছে ইঠাই॥ ৮৭৫॥
স্ত্ৰীৰ যেহেন মুখ নাহি গোম্ফ-ডাড়ি।
মুণ্ড জুৰি আছে কেশ বান্ধে আগ কৰি॥
বান্ধয় মুণ্ডত আকা-বাকা কাওঁ-বাওঁ।
পিন্ধে একখান আকো বোলয় ফচওঁ॥ ৮৭৬॥
স্ত্ৰীৰ মেখলা যেন নমাৰয় টনা
পুৰুষে বা তিৰী তাক নাহিকয় চিনা॥



মৰঙ্গীখোৱাক মান-ৰণলৈ সেনাপতি বৰণ।

ইটো কথা বিশ্বনাথে ব্ৰজনাথে শুনি।
কি কৰিবোঁ বুলিয়া দুইজনে মনে গুণি॥ ৮৭৭॥
মৰঙ্গীখোৱাক মতাই আনি তেতিক্ষণ।
কহিলেক বাপু শুনা আমাৰ বচন॥
মান আসি আমাসাৰ চাপিলা ওচৰ।
কিমতে পাইবোঁহোঁ ৰক্ষা উপায় বিচাৰ॥ ৮৭৮॥
বুধি বলবান তই আচামৰ ভাই।
তুমি নৰাখিলে আমাসাৰ ৰক্ষা নাই॥
এহি বুলি বুঢ়াগোহাঁই কৈলা ভাতৃ আগে।
সেনাসব সাজি লৈয়া তুমি যাইবে লাগে॥ ৮৭৯॥
মানক মাৰিয়া তুমি ৰাখিয়ো আমাক।
শুনিয়া মৰঙ্গীখোৱা বুলিলেক বাক॥

মৰঙ্গীখোৱাৰ দৰ্প।

আমি থাকন্তেও তোমাসাৰ কিবা ভয়।
কোন ক্ষুদ্ৰ ম্লেচ তাক আসিবোঁ ভঙ্গাই॥ ৮৮০॥
ৰাজা ৰাজ্য মন্ত্ৰীসমে থাকা ৰঙ্গ মনে।
মানক মাৰিয়া আসিবোঁহোঁ এতিক্ষণে॥
বাজ হুয়া যাইবোঁ মই কালি প্ৰভাততে।
নৰাখিবোঁ সঞ্চ মানৰেসে সিঠাৰতে॥ ৮৮১॥
এহি বুলি লৈলা যত কোঁৱৰ-হিলৈদাৰী।
বৰহিলৈ লৈলা আৰো গঠীয়া-জুমুৰি॥
স্বদেশী বিদেশী চিপাহীও যতমান।
লৈয়া মৰঙ্গীখোৱা কৰিলা গমন॥ ৮৮২॥
শুভক্ষণ বেলা চাহি দিলেক পণ্ডিত।
সুমঙ্গল কৰি চলিলেক সিবেলাত॥
সমদলে সাজি যাই গৈয়া জাজী পায়।
কোঁঠ মাৰি সেনা লৈয়া আছে বাট চাই॥ ৮৮৩॥

মান সেনাৰ উপদ্ৰৱ।

দীঘলী-ঘাটৰ চাৰি মান আসিছয়।
যাৰ যৈত পাৰে তাব লুৰি-পুৰি খায়॥
ম্লেচৰ ভয়ত লোকসব ত্ৰাস লাগি।
টালি-টুপলিক বান্ধি সবে আসে ভাগি॥ ৮৮৪॥
ৰণুৱাসকলে সোধে দেখি সিসবক।
মান কোন খানে পাইলি কহিয়ো আমাক॥
কহে সিসবেও সোধাৰেসে কিবা ফল।
নিল লুৰি-পূৰি সবে একো নথাকিল॥ ৮৮৫॥
প্ৰাণ ৰাখি আছোঁ আসি পলাই ৰাত্ৰি-দিনে।
এহি আপদত ৰাখিবেক কোন জনে॥
এহি বুলি কহি লোকে পাচক-নচাই।
শুনিয়া মৰঙ্গীখোৱা গৰ্ভ গেলি যাই॥ ৮৮৬॥

মান-আহোমৰ যুদ্ধ।

মানসবো ওচৰ চাপিল সিবেলাত।
যাজ্ঞা মাৰি ৰহিলেক ফুল্পানীছিগাত॥
ইটো কথা শুনিলেক মৰঙ্গীয়ো খোৱা।
সমদলে চলিলেক জাজী পাৰ হুয়া॥ ৮৮৭॥
মানেও দেখাক পাই আসে মুলুঙ্গীয়া।
ধৰ-মাৰ বুলি গৈয়া ওচৰ চাপিয়া॥
লাগিলেক ৰণখান আতি ভয়ঙ্কৰ।
কেতো বোলে ধৰ ধৰ কেতো বোলে মাৰ॥ ৮৮৮॥
মানৰেসে ছয় হেজাৰেক সেনা হয়।
অষ্টাদশ হেজাৰ আমাৰ বুলি কয়॥
বৰহিলৈ পহলঙ্গী গঠীয়া-জুমুৰি।
দিলা ফেৰ কৰি যায় গিৰ গিৰ কৰি॥ ৮৮৯॥
মেঘৰ গৰ্জ্জনে যেন পৰে বজ্ৰপাত।
প্ৰজাৰ কোহ্লালে নুশুনয় বোল-মাত॥



আৰু সৰুহিলৈ তাতে লেখা-জোখা নাই।
মানৰ বহুত সেনা তাতে মৰি যায়॥ ৮৯০॥
ভাগিয়া আছিল মান ভয় পায়া তাত।
মৰঙ্গীখোৱায়ে কৰিলেক অযুগুত॥

মৰঙ্গীখোৱাৰ ৰণ-ভঙ্গ।

নিদিলেক খাৰ-গুলী ভৈলেক অজ্ঞান।
পাচতে থাকিয়া পলাইবাৰ কৰে মন॥ ৮৯১॥
চাৰি জনে বহে ভাৰ দোলাতে আছিল।
মহাভয়ে তাহাতে এৰিলা মূত্ৰ-মল॥
কহে ডুলীয়াৰ আগে কিবা আছা চাই।
তুমি আমি প্ৰাণ ৰাখি যাওঁহোঁ পলাই॥ ৮৯২॥
শুনি ডুলীয়ায়ে দোলা বাহে বেগ ধৰি।
শীঘ্ৰ কৰি পাইলা যাই আপুনাৰ পুৰি॥

আহোমৰ পৰাজয়।

পাচতে এৰিলা যত ৰণুৱা কটক।
হাতে খাৰ-গুলী নাই কি কৰে মানক॥ ৮৯৩॥
সি কাৰণে মানে সেনা মাৰিলা বহুত।
বঙ্গাল চিপাহীসব তাহাৰ লগত॥
কি কহিবোঁ সিবেলাত প্ৰাণীৰ বিলাই।
মৃতকৰ শৰে সেহি ধৰণী লুকাই॥ ৮৯৪॥
সেহিমতে সেনাসব মাৰিল আমাৰ।
মৰঙ্গীখোৱায়ে আসি পশিলেক ঘৰ॥

বুঢ়াগোহাঁইৰ আগত মৰঙ্গীখোৱাৰ উত্তৰ।

আতুৰে পশিল আসি গাৰ নাহি তত্ত্ব।
অণ্ঠ-কণ্ঠ শুকাই আছে মুখে নাহি মাত॥ ৮৯৫॥
বিশ্বনাথ বুঢ়াগোহাঁই সুধিলেক কথা।
ৰণে গৈয়া কি কৰিলি কহিয়ো বেৱস্থা॥

দেখিয়া মলিন মুখ আছোঁ ভয় পাই।
ভাল কৰি কৈয়া মোৰ গুচায়োক জুই ॥ ৮৯৬ ॥
কহিল মৰঙ্গীখোৱা সোধা কাৰ্য্য নাই।
মানক জিনন্তা লোক পৃথিবীত নাই ॥
যেন হুতাশন মান তাত ৰক্ষা নাই।
আপোনাৰ প্ৰাণ ৰাখি আসিছোঁ পলাই ॥ ৮৯৭ ॥
যদি আসি পাৰে খেদি নেৰিবেক ভালে।
বিলম্ব নকৰি যাইবে লাগে তত্তকালে ॥

ৰজা আৰু বুঢ়াগোহাঁইৰ পলায়ন।

শুনি বিশ্বনাথ গোহাঁই সপ্তজন ভাই।
নৌকাত উঠিল গৈয়া পুত্ৰ-ভাৰ্য্যা লৈই ॥ ৮৯৮ ॥
ব্ৰজনাথে শুনি পাচে কি কৰিল কাজ।
পুৰন্দৰ সমে নগৰৰ ভৈলা বাজ ॥
ভণ্ডাৰৰ ধন-ৰত্ন সব বান্ধি ভাৰ।
নিয়াইলেক যতমান কিবা সীমা তাৰ ॥ ৮৯৯ ॥
লৈয়া পুত্ৰ বেহোৰীক শীঘ্ৰে বেগে গৈই।
উঠিল বঙ্গালী নাৱে পাচক নচাই ॥
বিশ্বনাথ গোহাঁইসমে গৈল ভটিয়াই।
ৰাত্ৰি-দিন নজানিল ভাতকো নখাই ॥ ৯০০ ॥
সেহিমতে ৰাজা মন্ত্ৰী ৰাজ্য এৰি যায়।
গুৱাহাটী পায়া চাইল মুণ্ড সেপিয়াই ॥

মানৰ ৰণলৈ গুৱাহাটীয়া ফুকন-বৰুৱানকল

নিৰ্গুণক বৰ যে ফুকন ভাঙ্গে তাতে।
গগৈ ফুকনক বৰফুকন পাতে ॥ ৯০১ ॥
মানৰ ৰণক লাগি পঠাই দিলা তাক।
খাগৰিজানক পাই সিয়ো মৰিলেক ॥



ঘিণাই বৰবৰুৱাকেসে পাতে বৰফুকন।
লাহন গুৱাহটীয়া ডেকা যে ফুকন ॥ ৯০২ ॥
ভিচো যাক বোলে বৰবৰুৱা পাতি দেই।
ৰণক লাগিয়া সিসবক পাঞ্চি দেই ॥
আসিয়া সিসবে মান ওচৰো নপাই।
মহাত্ৰাস হুয়া কানি-কন্থা এৰি যায় ॥ ৯০৩ ॥
দেখে ৰাজা মানে সমে নাহিকে যুজাৰ।
গুৱাহাটী এৰি ৰৈলা বঙ্গালৰ পাৰ।

## স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহ।

দ্বিতীয়বাৰ ৰাজত্ব।

পদ ।

চন্দ্ৰকান্তসিংহ পুনৰ ৰাজপাটত।

পুৰন্দৰ ৰাজাৰ কথাক থৈলোঁ তাতে।
আলুঙ্গমিঙ্গি বৰগোহাঁই যি কৰিলা আতে ॥ ৯০৪ ॥
চন্দ্ৰকান্ত নৃপতিক বিচাৰিয়া পাই।
পূৰ্ব্বৰতে ৰাজা পাতিলেক ইটো ঠাই ॥
মানসকলক বহু কৰিলা আটক।
যাক লাগি আসিছিলোঁ নপাইলোঁহোঁ তাক ॥ ৯০৫ ॥
ইসবত আমাৰ বৈৰতা কিছু নাই।
নখাইবিহি লুৰি-পুৰি দেশে চলি যাই ॥
এহি বুলি বৰগোহাঁই মানসব লৈই।
পুনৰপি গৈয়া আপুনাৰ ৰাজ পায় ॥ ৯০৬ ॥
নৃপতিৰ আগে কৈলা এহিসব কথা।
শুনি নৰপতি তাহাকেসে পিন্ধায় বঁটা ॥

A.D.P. COLLEGE NAGAON



চন্দ্ৰকান্তৰ ন-বিষয়া-সকল।

পুনৰপি চন্দ্ৰকান্ত হুয়া মহাৰাজা।
পুত্ৰৱতে পালন কৰিল সবে প্ৰজা॥ ৯০৭॥
মটকৰ মাটিবৰ বৰসেনাপতি।
তাৰ ভাতৃ কলীবৰ বুঢ়াগোহাঁই পাতি॥
নিৰ্ব্ভয়নাৰায়ণ বৰগোহাঁই আছিলেক।
নৃপতিৰ দ্ৰোহী বুলি মানে মাৰিলেক॥ ৯০৮॥
সন্দিকৈ ফৈদৰ যে গোবিন্দ যাক কয়।
তাহাক আনিয়া বৰগোহাঁই পাতয়॥
অনিৰ ভায়েক ধনি বুলিছিলা যাৰে।
তাহাক আনিয়া বৰপাত্ৰ পাতে তাৰে॥ ৯০৯॥
হুৰবাৰ বদনচন্দ্ৰ তাহান সন্তান।
জন্মি নাম তাহাক পাতিল বৰফুকন॥
তাতো কিবাৰূপে পাইল নৃপতি জগৰ।
ভদ্ৰচন্দ্ৰ বৰফুকন বকতিয়ালৰ॥ ৯১০॥
আৰু পুনু লাম্মাখুৰ লম্বো যে দৰক।
বহিনীকো দিয়া বৰফুকন পাতে তাক॥
সন্দিকৈৰ ধনী বৰবৰুৱা যে হয়।
জন্মি পিয়লিৰ দ্ৰোহী মানে মাৰি যায়॥ ৯১১॥
হুৰবাৰ যুতকীয়া ভাঙ্গি থৈয়াছিল।
ধনী মৰিলতে বৰবৰুৱা পাতি দিল॥
অল্পদিন সিয়ো বৰবৰুৱা হুইবে পাইল।
তাক ভাঙ্গি পুনৰ্ব্বাৰ পাতিল পাতাল॥ ৯১২॥
সিয়ো আছিলেক খেৰেমিয়াল কছাৰী।
কোনমতে সিয়ো বৰবৰুৱা হুইবে পাৰি॥
মানৰ দেশক পূৰ্ব্বে আছিলেক গৈই।
তাহাৰ লগতে সিয়ো আছিলেক খাই॥ ৯১৩॥



আসিছিলা সিয়ো বৰগোহাঁইৰ লগত।
নৃপতিৰ সখা কৰি থৈয়া গৈল আত॥
দেখিয়ো কম্পাল তাৰ বৰবৰুৱা হয়।
ৰাজাৰেসে বৰবহিনীকো সিটো পায়॥ ৯১৪॥
মাজু আইদেও বোলে পৰম দাৰুণী।
মৰঙ্গীখোৱাৰ পূৰ্ব্বে আছিল ঘৰিণী॥
পিতৃ-বুঢ়াগোহাঁইৰেসে বোহাৰী আছিলা।
নৃপতি সহিতে হুইবো কন্দল লগাইলা॥ ৯১৫॥
ৰাজা মন্ত্ৰীৰেসে দন্দ ভৈলা অকাৰণে।
তাকে জানি কাঢ়িয়া লৈলেক আসি মানে॥
সেহি হেতু ৰাজ্যৰ ভৈলেক এহি গতি।
ইটো কথা কহিলোঁ-হোঁ বুজাহা সম্প্ৰতি॥ ৯১৬॥
এৰিল মৰঙ্গীখোৱা পাতালক যাই।
পতালঙ্গ বৰবৰুৱা সিয়ো নাম পায়॥

জয়পুৰত গড়। সেহি পাতালেও কৈল নৃপতি আগত।
শুনিয়োক মহাৰাজা মোৰ এহি মত॥ ৯১৭॥
মানে হুইবাৰ আসি গৈছে ছল পাই।
পুনৰপি মান আসিবেক ইটো ঠাই॥
সিকাৰণে যিবা পন্থে মান আসিছয়।
আগভেঁটি থাকিলে আসিবে নপাৰয়॥ ৯১৮॥
শুনি নৰপতিয়ে তাহাক আজ্ঞা দেই।
যিমতে নাসিবে মান তাকে কৰ যাই॥
অনুমতি পায়া পতালঙ্গ বৰবৰুৱা।
মাজিও আইদেওক তাহাৰেসে সঙ্গে লৈয়া॥ ৯১৯॥
লগত কটক লৈয়া গৈলেক উজাই।
ৰহিলেক পতাল দীঘলী-ঘাট পাই॥

মান আসিবাৰ হোৱে সেহিসে দুৱাৰ।
আতি দৃঢ় কৰি তাতে বান্ধিলেক গড়॥ ৯২০ ॥
দীঘলী-ঘাট যে নাম সি ঠাইৰ আছিল।
বৰকোঁঠ মাৰিয়া জয়পুৰ নাম দিল॥
কাঁড়ী-হজুৰাও বহু লগে আছে গৈই।
দোকানী পোসাৰী দোকানক দিয়ে খাই॥ ৯২১ ॥
মান আসি আছে বুলি তাৰ মনে নাই।
আইদেৱে সহিতে ৰঙ্গে-ঢঙ্গে আছে খাই॥
সেহিমতে জয়পুৰে আছয় পাতাল।
তাত পাচে শুনা মান ৰাজা যি কৰিল॥

মিঙ্গিমাহাৰ অসম-যাত্ৰা। মিঙ্গিমহা তিলোৱাক আৰু যে বজুক।
সজাতি ফুকন সমে পাঞ্চে সিসবক॥ ৯২২ ॥
চন্দ্ৰকান্ত ৰাজাৰেসে মিত্ৰ আছোঁ হুই।
তাহান মঙ্গল বুজি শীঘ্ৰে আস যাই॥
দিছোঁ অলঙ্কাৰ নৃপতিৰ যোগ্য চাই।
তাকে দিয়া ৰাজাকেসে আসিবি পিন্ধাই॥ ৯২৩ ॥
কিছু সেনা লগে লৈয়া চল শীঘ্ৰ কৰি।
পুনু আসি কহ ভাই-ৰাজাৰ বাতৰি॥
শুনি মিঙ্গি, বজু আৰো বগুলি ফুকন।
নৰপতি আজ্ঞাতে আসিল তেতিক্ষণ॥ ৯২৪ ॥
কত দিন হন্তে আসি জয়পুৰ পায়।
দেখে পতালঙ্গে কোঁঠ মাৰিয়া আছয়॥
জানিলেক আমাসাৰ বাট ভেণ্টে ইটো।
আমাৰ উস্থষ্ট খাই পাসৰিলে সিটো॥ ৯২৫ ॥
তাৰ প্ৰতিকাৰ আক দিবাক লাগয়।
এহি বুলি ৰাজ-অলঙ্কাৰক দেখায়॥



আকে দিয়া নৃপতিৰ কৈয়া আছে ভাল।
বাট ভেঁটি তই কেনে পাতস জঞ্জাল॥ ৯২৬ ॥

DHEKIALPHOOKAN COLLEGE LIBRARY No.

পাতালঙ্গৰ লগত মান সেনাৰ বিশ্বাস-ঘাতকতা। শুনি পতালঙ্গে তাতে আগ বাঢ়ি যায়।
বজু, মিঙ্গি সমে সিয়ো মিত্ৰ কথা কয়।
সেহি বেলা সজাতি ফুকন যাক বোলে।
লম্ফ দিয়া ধৰিলেক পতালঙ্গ চুলে॥ ৯২৭ ॥
মাটিত পেলাইলা তাহাকেসে বগৰাই।
মাৰে কিল ভুকু যত লেখা-যোখা নাই॥
সেহিমতে মাৰি পাচে কাটিলেক শিৰ।
দেখিয়া কটকসবে ভিৰি মাৰে লৰ॥ ৯২৮ ॥
পতালঙ্গ বৰবৰুৱা মাৰে সেহিমতে।
ঘৰিণী ৰহিল তাৰ কোঁঠৰ ভিতৰে॥
স্ত্ৰীজাতি ভাগিয়া যাইবাক নপায় ছল।
সিকাৰণে মানে কৰিবাক পাইল বল॥ ৯২৯ ॥
বহুদিন আছে ম্লেচ্ছে উদাসীন হুই।
মদ্যজালা পাপীসবে একো নজানয়॥
মানসবে জয়পুৰ এৰি আসিলেক।
বামা ৰাজাৰেসে বঁটা দিবে নৃপতিক॥ ৯৩০ ॥

চন্দ্ৰকান্তৰ পলায়ন। ভগনীয়া পাইকে কৈল ৰাজাৰ আগত।
মানে পতালঙ্গ মাৰে জয় যে পুৰত॥
শুনি নৰপতিৰ মনত ভয় ভৈল।
মিলৰূপে মানে আসে বুলি নজানিল॥ ৯৩১ ॥
মান সমে ৰণ কৰিবাৰ মন কৈই।
পাঞ্চি দিলা মটকৰ বুঢ়া যে গোহাঁই॥

ভদ্ৰচন্দ্ৰকেসে বৰবৰুৱা পাতি থৈই।
চন্দ্ৰকান্তসিংহ ৰাজা গুৱাহাটী যায়॥ ৯৩২॥
বৰগোহাঁই-পৰীয়া মিৰি সন্দিকৈই।
ধনঞ্জয়ক পাতিলেক বৰ যে গোহাঁই॥
ধনী বৰপাত্ৰ বোলে সিজন মৰিল।
খৰামল বোলে বৰপাত্ৰ পাতি দিল॥ ৯৩৩॥
ইঠাৰতে বুঢ়াগোহাঁই গৈয়াছিল ৰণে।
নপাৰিল বলে তাক ধৰিলেক মানে॥

চন্দ্ৰকান্তলৈ মানৰ কটকী।

সেহি বুঢ়াগোহাঁইকেসে বন্দী কৰি থৈই।
কটকীক পাঞ্চে চন্দ্ৰকান্তৰেসে ঠাই॥ ৯৩৪॥
বামা ৰাজা আমাক পঠাইলা মিত্ৰৰতে।
ৰাজযোগ্য অলঙ্কাৰ অমাসাৰ হাতে॥
নুবুজিয়া আমাৰেসে কৰিলেক ৰণ।
তথাপিতো পূৰ্ব্বৰতে হৈবেক ৰাজন॥ ৯৩৫॥
ইসব কথাক কটকীয়ে গৈয়া কৈল।
ৰাজা বোলে মোক কৰিবাক চাৰে ছল॥
মজাইবোঁ নজাইবোঁ নিপিন্ধিবোঁ অলঙ্কাৰ।
ম্লেচৰ কথাক কোনে বুজিবেক আৰ॥ ৯৩৬॥
এহি বুলি নৰপতি নাসিল ইঠাই।
ৰণ কৰিবাক কটকক পাঞ্চি দেই॥
কটকীয়ে কৈলা আসি বজু বৰগোহাঁইত।
নিপিন্ধিব বঁটা ৰাজা হুইবে নাসে আত॥ ৯৩৭॥
পাঞ্চি আছে সেনাসব ৰণ কৰিবাৰে।
আকে বুজি যিবা ইচ্ছা কৰা তুমি তাৰে॥

মানৰ অসম অধিকাৰ।

শুনি বজু বৰগোহাঁই গৈল মান লৈই।
আমাৰ কটকসব ভাগিয়া পলায়॥ ৯৩৮॥



আছিলেক চন্দ্ৰকান্ত গুৱা যে হাটীত।
তাৰো পৰা ভাগি যাই ৰৈলা বঙ্গালত॥
সেহিমতে মানেও সমস্তে ৰাজ লৈল।
বামা নৃপতিক লাগি জনায়া পঠাইল॥ ৯৩৯॥
চন্দ্ৰকান্ত ৰাজা মিত্ৰ বুলি আছে কৈই।
আভৰণ দিলা তাহানেসে যোগ্য চাই॥
নিপিন্ধিল বঁটা আমাকেসে ঘৃণা কৰি।
মাৰিবাক খোজে দোষ-গুন নিবিচাৰি॥ ৯৪০॥
শুনি মান ৰাজাৰ মনত ক্ৰোধ হয়।
পুনৰপি আৰো মান সেনাক পঠায়॥
মোৰ ৰাণীৰেসে ভাতৃ যিবা জন হয়।
তাঙ্ক ৰাজা পাতিবি মোহোৰ আজ্ঞা কৈই॥ ৯৪১॥
সিটো কথা শুনি মিঙ্গিমহা তিলোৱাই।
ৰাজা পাতিবাক লাগি মনে গুণি চায়॥

# দ্বাদশ আধ্যা।

## স্বৰ্গদেৱ যোগেশ্বৰসিংহ।

### পদ

যোগেশ্বৰ-সিংহ।

বগা কোঁৱৰৰ পুত্ৰ নামে যোগেশ্বৰ।
তাঙ্ক ৰাজা পাতিয়া থৈলেক অহমৰ ॥ ৯৪২ ॥
লোকদৰ্শকৰূপে ৰাজা বুলি কয়।
নৃপতিৰ যত কৰ্ম্ম কৰে বৰগোহাঁই ॥

মান আৰু চন্দ্ৰকান্তৰ যুদ্ধ।

সেহিমতে মানে ৰাজ্য খাৱে ইঠাৱতে।
চন্দ্ৰকান্তে যি কৰিলা থাকি বঙ্গালতে ॥ ৯৪৩ ॥
সিং-চিপাহী কিছু লৈলেক গোটাই।
বঙ্গাল-হাটক এৰি আসিলা উজাই ॥
আগবাঢ়ি মান হাদিবাক গৈয়াছিল।
সিং-চিপাহীক দেখি উলতি আসিল ॥ ৯৪৪ ॥
চিৰিঙ্গৰ ৰাধানাধ বৰবৰুৱা পাতি।
কিছুদিনে আসিয়া পাইলেক গুৱাহাটী ॥
সিঠাৱতে অল্প কিছু আছিলেক মান।
যুজিবে নপাৰি এৰি আইল সিটো থান ॥ ৯৪৫ ॥
নৰপতি সিং-বঙ্গালক আসে লৈই।
শুনি মানসব আসে ভাগিয়া পলাই ॥
ক্ৰমৰূপে আসন্তে মানক নেদেখিল।
মানক জিনিবোঁ হেন নৃপতি মানিল ॥ ৯৪৬ ॥
মানসবে আসি তাৰ ৰাজা আগে কয়।
কেলামিক লৈয়া আসে চন্দ্ৰকান্ত ৰায় ॥



মানে শুনি আছে বঙ্গালক আসে লৈই।
সকলো কটক সাজি আছে সাজু হুই ॥ ৯৪৭ ॥
ৰাজা যিবেলাত পাইলা মহগড়-ঘাট।
মানসেনাসব গৈয়া ঠেকিলে তথাত ॥

চন্দ্ৰকান্তৰ পৰাজয়।

মানে চিঙ্গে ৰণখান ভৈল সিঠায়তে।
ভাগো ভাগো হুয়াছিল মানসেনা তাতে ॥ ৯৪৮ ॥
সিবেলাত খাৰ-গুলী কেহো নোযোগাইল।
ঢাল-বাৰু লৈয়া কটা-কটি লাগি গৈল ॥
নৰপতি ৰণ কোনোকালে দেখা নাই।
ভয় হুয়া ৰাজাৰ নৌকাক মেলি দেই ॥ ৯৪৯ ॥
শিখণ্ডি সকলে দেখে নৰপতি যায়।
লৰালৰি কৰি নাৱ দিয়ে ভটীয়াই ॥
দেখে মানে ৰাজা সেনাপতিসব নাই।
চিপাহীসবক পাই খচিয়া কাটয় ॥ ৯৫০ ॥
প্ৰচণ্ড বতাসে যেন উভাৰে কন্দলী।
সেহিমতে বঙ্গালক পেলাইলানি দলি ॥
সেহিমতে বঙ্গালক মাৰিলা বহুত।
কতো লৰ মাৰি যাই উঠয় নৌকাত ॥ ৯৫১ ॥
এক উঠিলেও উঠে বাহ্ন-ষোল জন।
সৰু নাৱে ভৰা সহিবেক কতমান ॥
ডুবি যায় নাৱ লোক পৰয় জলত।
ছল পাই মানে খুঁচি মাৰয় পানীত ॥ ৯৫২ ॥
সেহিমতে বহু সেনাসব মৰা যায়।
নৰপতি ভাগি গৈল পাচক নচাই ॥

# মানৰ দিনৰ কথা

## পদ

আলুঙ্গমিঙ্গি। সেহিমতে ৰণ হাৰি গৈল ভটীয়াই।
পাচে যি কৰিল আলুঙ্গমিঙ্গি বৰগোহাঁই ॥ ৯৫৩ ॥
মানত খাটিয়া যেৰাসব আছিলেক।
সিসবৰ টকা-কড়ি একো নলৈলেক ॥
মানৰাজা আজ্ঞা জোঙ্গা কাকতত দেয়।
যেন কৰ তান তাতে লিখিয়া আচয় ॥ ৯৫৪ ॥
পাইক অপাইকান যত চহৰে আছয়।
ঘৰে ঘৰে সিলোকৰ খৰিকা টনায় ॥
খৰিকাৰ হিচাবত কত ধন পায়।
গাৰে গাৰে পাঞ্চ পাঞ্চ টকা ধন লয় ॥ ৯৫৫ ॥

মিঙ্গিমহা বান্দুলা। সেহিমতে আলুঙ্গমিঙ্গি গৈল বৰগোহাঁই।
পুনৰপি মিহিমহা বান্দুলা আসয় ॥
সেহি বৰগোহাঁই লগে আসে বহু মান।
লুৰি-পুৰি খাৰে ৰাজ্য কৰিলেক চূৰ্ণ ॥ ৯৫৬ ॥
মানসকলৰ সেনাপতি যত জন।
নাখাম নাবাক্ক আৰো বগুলি ফুকন ॥
কামিনী ফুকন বোলে তাৰ নাহি সম।
হগুৰা ফুকন বোলে সিয়ো দুষ্টাধম ॥ ৯৫৭ ॥
লোকসবে শৌচ কৰিবাক নপাৰয়।
সিয়ো মহাপাপী তাহাকেসে ফুৰে চাই ॥
যদি লাগ পাৰে সিসবকো নেৰে ভাল।
গাৰতো দিৰয় দুখ গুচুৱায় মল ॥ ৯৫৮ ॥



তাৰ ভয়ে লোকসব ফুৰয় পলায়।
মহাপাপী সৰ্ব্বৰে তথাপি দেখা পায় ॥

মানৰ যোগনীয়া ৰজা চন্দ্ৰকান্ত। এহিমতে মানে ৰাজ ভুঞ্জি আছে আত।
চন্দ্ৰকান্ত ৰাজা থাকি বঙ্গালহাটত ॥ ৯৫৯ ॥
তাত নৰপতি কিছু বেজাৰক পাই।
ফুকন বৰুৱা এৰি আসিল ইঠাই ॥
পুনৰপি মানে তাঙ্ক ৰাজা নপাতিল।
ৰংপুৰ নগৰে যোগান দিয়া থৈল ॥ ৯৬০ ॥
তাকে খাই নৰপতি এথাত আছিল।
তাৰ পাচে মানমন্ত্ৰীসবে যি কৰিল ॥
আসে যায় নদীকাষে লুৰি-পুৰি খায়।
উত্তৰপাৰক উঠি মান নযাৱয় ॥ ৯৬১ ॥

হাওবৰাৰ ৰণোদ্যম। আছিলেক হাওবৰা নামে একজন।
তাৰ লগে বাচকটীয়া হাজাৰেকমান ॥
সিসব কটক লৈয়া আছে সাজু হুয়া।
যদি মান আসে আক নেদিবোঁ এৰিয়া ॥ ৯৬২ ॥
সিসবৰ কথা মান ৰাজা আছে শুনি।
তথাপিতো অৱহেলা কৰি আছে গুনি ॥
ৰাচকটীয়া কটকে চৰাঙ্গ ফুৰে চাই।
দশ-বাহ্ৰ মানে নদীকাষে ভাত খায় ॥ ৯৬৩ ॥
ছল পাই বাচকটীয়া মান কাটিলেক।
একজন সাৰি আসি কহিলা ৰাজাক ॥
আমাক্ক মানক মাৰে বাচকটীয়া পাই।
জলত পৰিয়া আমি আসিছোঁ লুকাই ॥ ৯৬৪ ॥

মান আৰু বাচকটীয়াৰ ৰণ।
শুনি মানসব সমদলে সাজি যাই।
লাগিলেক ৰণখান নদী পাৰ হুই ॥
ধনু-কাঁড়ে বাচকটীয়া মানৰ হিলৈই।
কেনমতে বাচকটীয়া মানক জিনয় ॥ ৯৬৫ ॥
মাৰিল বহুত হাওবৰাৰ সেনাচয়।
ভাগিলেক সেনাপতি পাচক নচায় ॥
নপাৰিলা বলে আছিলেক গৰ্ব্ব কৰি।
প্ৰাণীসকলক মৰাই পলাইল অন্তৰি ॥ ৯৬৬ ॥

মানসেনাৰ নিষ্ঠুৰতা।
সিবেলা প্ৰাণীৰ যত হৈ গৈল বিলাই।
কাটে হাত-ভৰি কিবা থাকিবে জীয়াই ॥
আৰো প্ৰাণীসকলৰ যি কৰিলা গতি।
নিৰ্দ্দয় নিষ্ঠুৰ স্বভাবত ম্লেচ জাতি ॥ ৯৬৭ ॥
চহৰৰ লোকসবে তাক কি কৰয়।
ৰণ কি কৰিবে মানকেসে কৰে ভয় ॥
তথাপি সিসব বিচাৰিয়া আনে ধৰি।
কুৰি-যোলজন লোক এক ঠাই কৰি ॥ ৯৬৮ ॥
ঘৰতে সুমুৱাই দুৱাৰক বান্ধি তাৰে।
নিবিচাৰে দোষ-গুণ জুই দিয়া মাৰে ॥
যুবতী কন্যাক তাত যত যত পাইল।
সিসবক বুজিবা গৃহিণী কৰি লৈল ॥ ৯৬৯ ॥
বৃদ্ধ নাৰীসকলকো নেৰিলেক ভালে।
নলৈয়া ঘৰিণী কুল মাৰি এৰি দিলে ॥
কতো পলাই যাৰে যদি থানান্তৰ হৈই।
নপাৰয় ঠাই কৈতো ডফলা কাটয় ॥ ৯৭০ ॥
সেহিমতে প্ৰাণী বহু মাৰিলা সিঠাই।
সিটো কথা কহিলেও দুখ পাওঁ গাই ॥



গ্ৰন্থকাৰৰ মন্তব্য।
দেখা দেখা কেনে ভৈল প্ৰাণীৰ বিলাই।
অনিত্য সংসাৰ কিঞ্চিতেকে সুখ নাই ॥ ৯৭১ ॥
পুত্ৰ-ভাৰ্য্যা ধনতেসে সদা আশকতি।
হৰিৰ চৰণে মই নকৰোঁ ভকতি ॥
যেন কোনো গিৰি ইক্ষু গাছ ৰোৱে ভাল।
তাতে নিতে ভুঞ্জে আখি শৃগালৰ পাল ॥ ৯৭২ ॥
দেখে গিৰি শহ নষ্ট কৰিলা প্ৰবল।
কৰাই-লাড়ু কৰি মাজে দিৱয় গৰল ॥
ভুঞ্জয় শৃগালসবে বহু স্বাদ পাই।
গাৱে বিষ লাগি মৰে দান্ত নিকোটাই ॥ ৯৭৩ ॥
সেহিমতে বিষয় সুখক স্বাদ মানি।
ভুঞ্জিছোঁ গৰল-বিষ তোমাক নজানি ॥
সিটো বিষ গুচিবাৰ কিবা আছে বুধি।
কৃষ্ণ নাম বিনে নাহিকয় মহোষধি ॥ ৯৭৪ ॥
হেন জানি কৃষ্ণৰ চৰণে কৰা সেৱ।
যতেক দুৰ্গতি গুচায়োক কৃপাদেৱ ॥
জন্মে জন্মে যেন নপাসৰিবোঁ চৰণ।
হেন অনুগ্ৰহ মোক কৰা নাৰায়ণ ॥ ৯৭৫ ॥

## ছবি ।

মানৰ অত্যাচাৰ।
পুনৰপি কহোঁ বাক সভাজন শুনিয়োক
ম্লেচসবে যি কৰিলা পাচে।
প্ৰাণীসব মাৰি তাতে পুনৰ্ব্বাৰ আসি আতে
ৰংপুৰ যোৰহাটে আছে ॥

বজুফেয়া বোলে যিটো মানৰ যে ৰজা সিটো
সিয়ো ৰংপুৰতে আছিল।
মহমিত বোলে যাক দিচৈ-কোঁঠে আছিলেক
লগে মান-শাম যে সকল ॥ ৯৭৬ ॥
নগৰৰ লোক কত পলাই আছিল যৈত
কতো বিদূৰক লাগি যায়।
মানৰ লগত যাৰ খাইলে শঙ্কা নাহি তাৰ
সিসবেও পুনু ঘৰ লয় ॥
মানৰসে ৰাজ হয় সিসবেও ভাল পায়
দোকাম-পোসাৰ কৰি খায়।
যি দ্ৰব্যত অল্প পায় মানেও বিস্তৰ দেই
সেহিমতে বহু ধন লয় ॥ ৯৭৭ ॥
মানক লাগিয়া যিটো জীয়ৰী দিছিলা সিটো
সিয়ো বৰমানুষ হোবয়।
লুৰি-পুৰি যতমান পায়া আনি দিয়ে ধন
তাৰ কাক লাগি আছে ভয় ॥
এহিমতে লোক কত এৰি আপুনাৰ জাত
আছিলেক এহি নগৰত।
জোকাইবে নপাৰে মানে তাক খুন্দা দিয়ে টানে
বামা নৃপতিৰ আগে কয় ॥ ৯৭৮ ॥
মানৰ যে নৃপতিক বুলিবাক লাগে তাক
তম্বু মলৌ পানী আৰো ফেয়া।
ফুকনসবক হয় তাকো ফেয়া বুলি কয়
মানকেসে বোলয় খেমিয়া ॥
বজুফেয়া দেশে যায় মহমিত ৰাজা হয়
আছিলেক আমাৰ ৰাজত।



লুৰি-পুৰি খাৱে যত বিচাৰ নকৰে তাত
মহাপ্ৰেচ নিদাৰুণ চিত ॥ ৯৭৯ ॥
আমাৰ ৰাজক পাই সিয়ো পাপী আছে খাই
ততে কিছু নকৰে বিচাৰ।
গাওঁ ফুৰে মানে যাই যাক যৈত দেখা পায়
ধৰি-বান্ধি ধন লৱে তাৰ ॥
যিবা কলে নাহি বুলি বান্ধে কিলাকতি তুলি
বাহুত লগয়া চুলি-জৰি।
হিয়া ভাগি যাই তাৰে থাও বুলি কিল ধৰে
ধন আনি দিৱয় বিচাৰি ॥ ৯৮০ ॥
কাৰো ধন থৱে পুতি নাহি বুলি মিছা মাতি
ৰাখিবাক নপাৰয় তাৰে।
দুই বাংশ কাটি আনে চেপা-কুন্দা দিয়ে টানে
চিহৰি থাকন্তে মাত হৰে ॥
পুত্ৰ-ভাৰ্য্যা থাকে যাৰে ধনত কি কাম তাৰে
খানি আনি দিৱয় মানক।
যেবে সিয়ো ধন পায় দোৱনীয়া হাতে দেয়
তেবেসে এৰিয়া যায় তাকে ॥ ৯৮১ ॥
বগী ছোৱালীয়ো যাৰে থাকয় তাহাৰ ঘৰে
আৰু তাইৰ দীঘল যে চুলি।
কোনো লোকে দিয়ে কৈই তাহাকে ধৰয় গৈই
এতিক্ষণে মিমা দেহ বুলি ॥
সিও কিলতেসে ডৰে জীয়াৰীক দিয়ে তাৰে
সেহিমতে পাৰয় ছোৱালী।
তায়ো মান পতি পাই আনন্দৰ পাৰ নাই
গোমাংসক খাৱে তাৰে মিলি ॥ ৯৮২ ॥

দোৱনীয়া মানৰ নিষ্ঠুৰতা।

জীয়াৰীক মানে দিল সিয়ো বৰলোক ভৈল
তাৰ সম নোহে অন্য জন।
চুলি বান্ধে আগ কৰি মুণ্ডে কাওঁ-বাওঁ মাৰি
মানৰ লগত সিটো মান॥
যাৰ নাহিকয় চুলি ফটাকানি বান্ধে তুলি
খোপাৰ সদৃশ কৰি তাক।
ফচৌউ নাহিকে তাৰে চুৰিয়াকে ডাঙ্গি মাৰে
উৰুত দেখায়া তাৰ আক॥ ৯৮৩॥
গাওঁ ভাঙ্গিবাক যায় ধন পাৰে যিটো ঠাই
তাহাকে মানক লৈয়া যায়।
এক গোটা জাত-মান দোৱনীয়া পঞ্চজন
সেহিমতে গাৱেঁ প্ৰবেশয়॥
আপুনাৰ এৰে মাত মান কথা কৰে তাত
"চাওঁ পাক মেগ লৌউ" লেখি।
এক গাৱেঁ পশে হয় সাত গাওঁ ভাগে যায়
থাকে গৈয়া অৰণ্যত পশি॥ ৯৮৪॥
ভাৰ্য্যা-পুত্ৰ সমন্বিতে থাকে সেহি অৰণ্যতে
বাঘ-ঘোঙ্গ তাকো নডৰায়।
যদিবা চটক উৰে বন শব্দ উঠে তাৰে
পাইলে মানে বুলি জীৱ যায়॥
গাৱত নাহিকে তত সেহি বন এৰি তাত
লৰৰিয়া অন্য বনে যায়।
চাৰি-পঞ্চ-বৰিষীয়া যাহাৰ থাকয় ছৱা
ধৰি হাতে নিয়ে চোচোঁৰাই॥ ৯৮৫॥
ছাল-মাংস যায় গাৰে তভো নাহি চাৰে তাৰে
সেহিমতে অটব্যে সোমাই।



চাৰি-পাঞ্চ দিন তাত থাকে নাহি পেটে ভাত
ক্ষুদ্ধাএ আকুল কৰে গাৱ॥
যাৰ হয় ডুগ্ধ-ছৱা কান্দে কৰি টেৱা টেৱা
স্তুতিকাৰ ডুগ্ধ নিমিলয়।
খাইবে নপাৰয় কিছু সাত পাঞ্চে হুয়া সাজু
ৰাত্ৰি গাওঁ চাহিবাক যায়॥ ৯৮৬॥
কাঠৰ যে মুৰ্হা থাকে তাকো মান হেন দেখে
ৰহি তাতে জুমা-জুমি চায়।
সেহিমতে ঘৰ পায় কাৰ আছে কাৰ নাই
সোমাই চাহিবাকো কৰে ভয়॥
দেখে নিলে লোটা-বাটি নিলে কাৰো জপা কাটি
কাৰো গোহালিৰ গৰু খায়।
যাৰ ঘৰে নপাই একো ক্ৰোধে গালি দিয়া তাকো
ঘৰে জুই দিয়া ফিৰি যায়॥ ৯৮৭॥
হাটে বাটে যাক পায় কুল মাৰি এৰি যায়
যদি তাৰ মন নখাৱয়।
মন খাই যদি তাৰে হাত কাটিলেয়ো নেৰে
"কেকাও মিমা" বুলি তাইক নেই॥
ৰূপৱন্তী নাৰী হয় তাইৰো কৈতো ভয় নাই
সকলোৰে কৰয় আদৰ।
খুৱাই-পিন্ধাই ভাল চাই যৈতে তৈতে টকা পায়
কৈত আছে মৰণ তাহাৰ॥ ৯৮৮॥
সেহিমতে মান যায় কহে সিসবৰ ঠাই
তেবে আসি ঘৰক লৰয়।
তথাপিতো সিলোকৰ ভয় থাকে পুনৰ্ব্বাৰ
পতুলি ওলায়া থাকে চাই॥

মানৰ দেখিয়া আক দোৱনীয়া যত লোক
বাঘ-ঘোঙ্গ তৰু তলে খায়।
ভুনি ওভোতাই মাৰে লোক দেখায়া ফুৰে
দেখি সৰ্ব্ব লোকেও পলায়॥ ৯৮৯ ॥

গধূলা অন্ধাৰ হয় তেবে লোক ঘৰে যায়
কেতো খাৱে কেতো ৰান্ধে ভাত।
দুষ্টলোক সব মিলে "চাও পাক মেগলৌউ" বোলে
এৰিযায় ভাত-পানী তাত॥

কোনো এধাপেটী হয় খাইবে কোনো নপাৰয়
ৰাৰী-পাচে থাকে আৰ দুই।
সেহিসে ভাতক খাই লোটা-বাটি বান্ধি লৈই
আপোনাৰ ঘৰে চলি যায়॥ ৯৯০ ॥

তথাপিতো তাৰ ঘৰে আসিবাক ডৰ কৰে
বাঁহ তলে পৰি থাকে শুই।
পেটে ভোক আৰু ভয় টোপনি নধৰে গাৱ
ভাৰ্য্যা-পুত্ৰে থাকে দুখ পাই॥

ৰাত্ৰিপুৱা আসে ঘৰে লোটা-বাটি নিলে তাৰে
নথাকিল পঁইতা চৰুত।
সেহিমতে নিতে নিত ঘৰত নাহিকে থিত
বাগৰি ফুৰয় লোক যত॥ ৯৯১ ॥

মান দোৱনীয়া হয় তাত পৰে ভাল নাই
ফুৰে লোককেসে ডাবি মাৰি।
ছোৱালীয়ো মন খায় যদি লোকে খুজি থয়
তথাপিতো তাইক নিয়ে ধৰি॥

মানতো কৰিয়া সেই দুগুণে গৰুক খায়
মন্ত্ৰৰ যে লেখা-জোখা নাই।



তথাপিতো লোকে তাক কোনে মন্দ বুলিলেক
যদি কহে তাৰ চোট দেই॥ ৯৯২ ॥

মান যদি চাৰে মুখ দোৱনীয়া দিয়ে দুখ
তাৰ কিছু দায়া নিমিলয়।
সেহি হেতু লোক যত ৰণ্ড-ভণ্ড ভৈলা আত
কি কহিবোঁ প্ৰাণীৰ বিলাই॥

যদি কোনো মান যাই গাৱেঁ লোক নেদেখয়
বোলে ইয়ো কৈক আছে গৈয়া।
দোৱনীয়া দিয়ে কৈই বনে বিচাৰিয়া পায়
বোলে বনদেওএ আছে দিয়া॥ ৯৯৩ ॥

ধন-সোণ যত পায় সবাকো কাঢ়িয়া লয়
ভাৰ্য্যা-পুত্ৰ জীয়াৰীকো নেই।
তাহাৰ হাতৰ পৰা কোনে ৰাখিবেক পাৰা
আপুনাৰো দেহাকো নেৱাই॥

সিসবক দেখি ভয় সপুত্ৰে-বান্ধব লৈই
লোক সব দেশান্তৰে যায়।
কেন কৰি জানে পাপী আগভেঁটি ধৰে চাপি
সৱাহাকো লৱয় ডকাই॥ ৯৯৪ ॥

বুঢ়া-বুঢ়ী এৰে তাৰ ডেকাক দিৱয় ভাৰ
সিসবৰ বস্তু যত পায়।
যুবতী ভাৰ্য্যাক তাৰে আগতে কুলক মাৰে
তাইৰ স্বামী আগে থাকে চাই॥

অকুমাৰী জীয়াৰীক মানে তাকো নেৰিলেক
কুমাৰী এৰিবে কেনে পাই।
যদি থাকে স্বামী তাৰে চিনা দিবে নাহি পাৰে
"দানে খক" বুলি কাটি দেই॥ ৯৯৫ ॥

সোধে যদি তাইক মান    তোহোৰেসে স্বামী কোন
দেখাৰে স্বামীক জেষ্ট বুলি।
তেবেসে ৰহয় প্ৰাণ    ধৰি লৈয়া যায় মান
ইটো কথা কহিলোঁ সমূলি॥

শ্যাম আৰু মানৰ কন্দল।

আমাসাৰ ৰাজ ত    উজানি ভাটীয়ে কত
এহিমতে ডকা দিয়া খায়।
প্ৰাণীৰ দুখক চাই    কৃপাময় যদুৰাই
শামে-মানে কন্দল লগাইল॥ ৯৯৬॥
নষ্ট ভৈল ভোগ তাৰ    জঞ্জাল লগাইল বৰ
মান ৰাজা শাম ফুকন।
আপোন আপোনে সিয়ো    কটা-কটি কৰে দুয়ো
শামে মাৰিলেক বহু মান॥
মহমিত ৰাজা হয়    পুত্ৰ ডেকাৰাজা কয়
দুই জন শামত হাৰিল।
পলাই গৈলেক ৰাত    শামে খেদি পায়া তাত
বুঢ়া ডেকা দুই জন কাটিল॥ ৯৯৭॥

ডেভিড্-স্কট চাহাবৰ হাতত মানৰ পৰাজয়।

সেহি সময়তে আসি    ইস্কাট চাহাবে দেখি
আমাসাৰ লৈলেক মলুক।
পল্টন আসিল জুৰি    দেখি মানে ধাতু উৰি
বিনা যুধে পলাই গৈলেক॥
যত মান আসিছিল    ততেক মাননী লৈল
তাইহঁতকো এৰিলা ইঠাই।
সেহিসে মাননী যত    মিখল হুয়াছে আত
তাক কোন জনেও চিনয়॥ ৯৯৮॥



মান দোৱনীয়া হৈই    আছিল লগতে খাই
গো-বাৰাহকো নগণিল।
দোৱনীয়া বুলি তাৰি    কোনে চিনিবেক পাৰি
পাইল সিয়ো উত্তম যে কুল॥
মাননীৰ হোৱে সুত    তাহাৰ কলিতা জাত
দোৱনীয়া উত্তম শূদ্ৰ হয়।
ধনক দেখয় তাৰে    কোনে বাচিবাক পাৰে
কায়স্থৰ ছোৱালীক পায়॥ ৯৯৯॥
সিসবত কৰি ভাল    কোন আছে এহি কাল
ইটো কথা আমি আছোঁ জানি।
সেহিসে কাৰণে মই    লিখি আছোঁ এহি ঠাই
দোষ নধৰিবা অনুমানি॥

গ্ৰন্থকাৰৰ প্ৰাৰ্থনা।

হেন জানি সাধুলোক    নিন্দা নুবুলিবা মোক
বেদৰ ৰহস্য নুহি জানি।
নাটক সকলে যথা    কহে বহুৱালি কথা
তাক কোনে নাহি আছে শুনি॥ ১০০০॥
এতেকেসে দোষ আৰ    খেমিবাক লাগে মোৰ
তোমাসাত কহি আছোঁ আমি।
যদি নিন্দা কৰা জানি    তাত কিবা আছে হানি
মোৰ দোষ গুচাইবাহা তুমি॥
মই মহা মূঢ় জন    হৰিক দেখোঁহো ভিন
জগতৰ জনক জীৱন।
তোমাৰ চৰণ দুই    বিক্ৰয় গৈলোহোঁ মই
উদ্ধাৰ কৰিয়ো নাৰায়ণ॥ ১০০১॥
সংসাৰে মায়াৰ জালে    আশা-পাশে বন্দী কৈল
এৰাইবাক নপাওঁ মই সন্ধি।

পুত্ৰ-ভাৰ্য্যা ধন আশ সিয়ো দৃঢ় হুয়া পাশ
তাতে পৰি হুয়া আছোঁ বন্দী ॥
যেহেন বালকে গৈয়া চিটিকাক পাতে নিয়া
কুমটিক দিৱয় তাহাত।
চটকে উৰিয়া আসি আহাৰক তাত দেখি
পৰে গৈয়া তাৰ ওচৰত ॥ ১০০২ ॥
দেখয় পখীয়ে পাচে ডোলৰ ভিতৰে আছে
আহাৰক খাইবোঁ কেন কৰি।
কিবা খোট মাৰো ধৰি গলত লাগিবে জৰি
এহি ভাবি ফুৰে ঘূৰি-ঘূৰি ॥
লোভ এৰিতে নপাৰে কুমটিতে খোট মাৰে
তাতে যায় চিটিকা উফৰি।
চটক বন্ধন হয় এৰাইবাক নপাৰয়
ডিঙ্গিত লাগয় তাৰ জৰি ॥ ১০০৩ ॥
সেহিমতে বন্দী হৈই আছোঁ পাশে পৰি মই
এৰাইবাৰ নাহিকে উপায়।
হে প্ৰভু ভগবন্তে এহি আপাদত হন্তে
উদ্ধাৰ কৰিয়ো কৃপাময় ॥
চৰণ-ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
হৌক যেন তোমাত ভকতি।
সব মায়া চোৰি হৰি লৈয়ো মোক দাস কৰি
জন্মে জন্মে কৃষ্ণে মোৰ গতি ॥ ১০০৪ ॥

---

# গ্ৰন্থকাৰৰ আত্মপৰিচয়।

## পদ।

গ্ৰন্থকাৰৰ বংশ পৰিচয়।

কহো পুনৰপি মই আমাসাৰ কথা।
কাৰ বংশে ভৈলোঁ জাত আছিলোহোঁ কেথা ॥
নভৈলেক জন্ম মোৰ চাৰি জাতি ঘৰে।
অকুলীন বুলি মোক সবে নিন্দা কৰে ॥ ১০০৫ ॥
জাতি-কুল বৰ্ণিক যে নাম হুতিৰাম।
জন্মৱধি বাসা মোৰ যোৰহাট গ্ৰাম ॥
পিতা মোৰ সোণাবৰ হাজাৰি বোলয়।
পিতামহ সমাজে হাজাৰি যাক কয় ॥ ১০০৬ ॥
বচাৰ খেলৰ হেন বুলিছিল আগে।
নৃপতিৰ আগে ধনু ধৰিবাক লাগে ॥
পাঞ্চ-ছয় হাজাৰ আছিল লোক পায়া।
অনুগ্ৰহ কৰি ৰূপা-চূলা আছে দিয়া ॥ ১০০৭ ॥
সিবেলাত মহাৰাজা বৰ দয়া ভৈলা।
ভণ্ডাৰৰ কাকতক মাৰ্জন কৰিলা ॥
দিবাক নলাগে ৰাজকৰ কিছুমান।
লক্ষ্মীসিংহ ৰাজা কৰিলেক অপাইকান ॥ ১০০৮ ॥
সেহি দিনা ধৰি ৰাজকৰ নলাগয়।
ভাল হৈবে লাগি নৃপতিত খাটা যায় ॥
ইসব কথাক সৰ্ব্বলোকে জানি আছা।
আজি-কালি সিটো কথা হুয়া গৈলা মিছা ॥ ১০০৯ ॥
কুলহীন আমাসাৰ ভৈল কেনমতে।
সিটো কথা কহোঁ বুজিবাহা স্বৰূপতে ॥

বলো কাথ নামে ভূঞা আছিল পূৰ্ব্বত।
তান হন্তে আঠজন পুত্ৰ ভৈল জাত॥ ১০১০॥
সিসবৰ জেষ্ঠ যিবা চিৰণ বোলয়।
উত্তৰপাৰত ঘৰ সৰ্ব্বলোকে কয়॥
হুয়াছিল বৰুৱা ৰাজাৰ আজ্ঞা পাই।
চাঙৰ ডফলা বশ কৰিয়া সিঠাই॥ ১০১১॥
পৰ্ব্বতে নিবন ভয়ামতে যে চিৰণ।
দৃঘত মৰুৱা বুলি আছিল এজন॥
বকতিয়াল বৰবৰুৱা ৰংপুৰে ঠাই।
এহি চাৰি নৰপতি যুগ্য বুলি কয়॥ ১০১২॥
তথাপিতো শান্ত তান নভৈলেক মন।
চাইলে আত মোত পৰে আছে কোন জন॥
ঘৰৰ চৌপাশে বান্ধিলেক জোঙ্গাগড়।
দুইটুপীয়া চ'ৰাঘৰ তাহাৰ ভিতৰ॥ ১০১৩॥
যাৰে দুই পাশে ঢাক-ঢোলক কোবাই।
বসয় তাহাতে গৈয়া উচ্ছাসন লৈই॥
সেহিমতে আসে ঘৰে আউৰ ৰাজ হয়।
চাৰিও বিংশতি ভাৰ্য্যা আছিল বিহাই॥ ১০১৪॥
ইসব কথাক লোকসবে নসহিলা।
নগৰে আসিয়া নৃপতিৰ আগে কৈলা॥
শুনিয়োক মহাৰাজা আমাৰ বিলাই।
দণ্ড কৰি কাৰো ভাৰ্য্যা কাৰো ধন লয়॥ ১০১৫॥
আমাসাৰ ৰাজে ৰাজা ভৈলেক চিৰণ।
তাহাৰ বাহিৰে নেদেখোহোঁ অন্য জন॥
নৃপতিৰ যুগ্যসম গৃহ আছে কৰি।
তাহাতে বসৰ যাই ৰাজমূৰ্ত্তি ধৰি॥ ১০১৬॥



কাকো ধৰে কাকো নিয়ে সুৰ্থি-সাৰ্থি নাই।
দিয়ে আগ কৰি মাৰে চাবুকে কোবাই॥
শুনি ৰাজা দূত পাঞ্চিলেক শীঘ্ৰ কৰি।
যত্ন কৰি আন যাই চিৰণক ধৰি॥ ১০১৭॥
তেতিক্ষণে গৈয়া দূতে ধৰি চিৰণক।
ডিঙ্গৰাত ভৰিয়া নগৰে আনিলেক॥
নৃপতিৰ সমুখে দিলেক আগ কৰি।
কান্দিয়া জনাইলা মহাৰাজা-পাৰে পৰি॥ ১০১৮॥
আজ্ঞা দিয়া দুৱাৰপাৰত ৰাখি আছা।
কুকুৰেও ভাল ভৈলে গৃহস্থ-যশস্যা॥
শুনি শিৱসিংহ ৰাজা এৰি দিলা তাত।
ৰূপচন্দ্ৰ বৰবৰুৱা জনাইলা পাচত॥ ১০১৯॥
ভালে এৰি আছা তাক তাৰ মুখ চাই।
নেগুৰ কাটিলে ব্যাঘ্ৰে নকৰয় ভয়॥
আগতো কৰিয়া সিয়ো বাঢ়িবে দুগুণ।
শুনি নৰপতি বোলে দিয়া তাক চিন॥ ১০২০॥
গৈল বৰবৰুৱা পাচে পানীদুৱাৰক।
কাটিলেক কাণ কম্পালত দিলে আঁক॥
আসিয়া আছিলা লগে সপ্তজন ভাই।
সিসবকো দিলা দণ্ড তাতে ছল পাই॥ ১০২১॥
সেহি সপ্তজনৰ কনিষ্ঠ যিটো কয়।
নগা নামে মোৰ পৰপিতামহ হয়॥
ৰূপচন্দ্ৰ বৰবৰুৱা নিদাৰুণ আতি।
তাহানে কৰিলা আমাসাৰ এহি গতি॥ ১০২২॥
তভো নৃপতিৰ মনে কোপ নকৰয়।
সেহি হেতু ডেকা নাম মাত্ৰ আছে কৈই॥

আত্ম-গ্লানি। পুত্ৰ-ভাৰ্য্যা ধনতেসে সদা আশা কৰি।
মায়া পাশে বন্দী হুয়া আছোঁ আমি পৰি॥ ১০২৩॥
বালকসকলে যেন খেকেৰু পাতিয়া।
কণ্টকে বিন্ধিয়া দিয়া আসে উই-পৰুৱা॥
ক্ষুদ্ৰ চটক ফুৰে ডালে ডালে পৰি।
দেখে এক ডালে আছে উই-পৰুৱা ঘূৰি॥ ১০২৪॥
ফান্দক নচাৰে পক্ষী আহাৰ লোভত।
পৰুৱাক খাওঁ বুলি পৰে সি ডালত॥
নপাৰে খাইবাক ডাল খসিয়া পৰয়।
খেকেৰু উফৰি ফান্দ ঠেঙ্গত লাগয়॥ ১০২৫॥
এৰাইতে নপাৰে থাকে চিউ-চিউ কৰি।
সেহিমতে বন্দী হুয়া আছোঁ আমি পৰি॥
তথাপি কৃষ্ণৰ পাৰে নকৰোঁ ভকতি।
মই মহাপাপী আতি পৰম দুৰ্ম্মতি॥ ১০২৬॥
ভাৰতবৰিষে নৰতনু জন্ম ধৰি।
পুত্ৰ-দাৰা ধন আশে নভজিলোঁ হৰি॥
যমৰ কিঙ্কৰে শাস্তি কৰিবেক নিয়া।
সিবেলাত কোন জনে ৰাখিবে আসিয়া॥ ১০২৭॥
কিঙ্কৰৰ যাতনা শুনন্তে ধাতু নাই।
তাহাত নিস্তাৰ কৰিয়োক কৃপাময়॥
ইবাৰ কৰুণাময় নকৰা নৈৰাশ।
জন্মে জন্মে তোমাৰ দাসৰো ভৈলোঁ দাস॥ ১০২৮॥
মুখে তযু নাম যেন কৰ্ণে কৃষ্ণ-কথা।
হৃদয়ত পাদ-পদ্ম নেৰিবোঁ সৰ্ব্বথা॥ ১০২৯॥

---

# ত্ৰয়োদশ অধ্যায়।

## আসামত কোম্পানিৰ আমোল।

### দুলৰি।

মানে পতা বিষয়া। মানে বাজ আত খাইলে যি বেলাত
বৰুৱা ফুকন কত।
যিটো মটকৰ নামে কলীবৰ
আছিল সিয়ো বন্দীত।
মানে এৰি দিল বুঢ়াগোহাঁই ভৈল
পুনু তাক মাৰিলেক।
তপোৰতলৰ বোলে ৰূপেশ্বৰ
বুঢ়াগোহাঁই পাতি তাক॥ ১০৩০॥
তাত পাচে আৰ ভাঙ্গে ৰূপেশ্বৰ
কলী যে মনক তাতে।
পিজলি নামত আছিল এজন
তাক বৰপাত্ৰ পাতে॥
জাইৰৌ কলীয়াৰ নাম যে ফোটাল
পুত্ৰ বৰগোহাঁই তাৰ।
খামতি ৰজাবৰ বৰবৰুৱা আৰ
তাত পৰে দুৱৰাৰ॥ ১০৩১॥
বদনচন্দ্ৰৰ পিয়ালিয়ো আৰ
বৰবৰুৱা হুয়াছিল।
তাহাৰ পাচত সন্দিকৈ ঘৰৰ
বালি বৰবৰুৱা ভৈল॥

ইসবক দেখি উজানিক আসি
ভদ্ৰচন্দ্ৰ বৰবৰুৱা।
লুখুৰাসনৰ বগা যে দমৰা
গৈলা বৰফুকন হুয়া॥ ১০৩২ ॥
আমাসাৰ ৰাজা দেশে নাইকিয়া
মানে পাতে ইসবক।
তথাপি সি লোক বিষয়া ভৈলেক
নাম কহে সৰ্ব্বলোক॥

ইংৰাজৰ আগমন। ইস্কাট চাহাব কৰ্ণিল সহিতে
দিখৌৰ মুখত ৰৈই।
নগৰ বেঢ়িল মানেও ৰৰিল
এৰি দিলা ভাগি যাই॥ ১০৩৩ ॥
আপুন দেশক গৈলা মানলোক
চামনা বাৰু ৰৈল।
দুই ফুকনৰ সেনা যত তাৰ
দুইহানো লগে থাকিল॥
বৰচাহাবেও ধন দিয়া তাৰো
সন্তোষ কৰিয়া মন।
এজেণ্ট নবাব গবৰ্ণৰ জান
বেলডেৰিত থান॥ ১০৩৪ ॥
তাহাকে লাগিয়া দুইকো পঠাই দিয়া
তাৰ লগে শাম মান।
গৈয়া ৰৈল তাত হৰিথ মনত
নাবাৰু শাম ফুকন॥
ইস্কাটে ইহাতে কৰ্ণিল সহিতে
বৰকাকতী আঠ আনি।



ভূমি আছে যত লোক আছে কত
সিসবৰ মুখে জানি॥ ১০৩৫ ॥
দখিণত ধন- শিৰী নদী কৰি
বিশ্বনাথ উত্তৰত।
ভাটীৰ ভৰলী নদী মৈধ্য কৰি
দুই খণ্ড কৰি আত॥
আজ্ঞা সদৰৰ বুলিয়া তাহাৰ
কৰ্ণিলক থৈয়া আত।
নামানি খণ্ডত ৰহিল ইস্কাট
কমিচন ভৈলা তাত॥ ১০৩৬ ॥
নামে চুনিয়ৰ ভৈল অধিকাৰ
আছিল সীমাত খাই।
উজানি খণ্ডত কৰ্ণিল বিচাৰে
কমিচন হুয়া ৰয়॥
বোলে জুনিয়ৰ খিতাপক বৰ
পায়াছিলা সিয়ো আত।
পূৰ্ব্বৰ নিবন্ধে বৰুৱা ফুকন
ৰৰা শইকিয়া তাত॥ ১০৩৭ ॥
হেজাৰে হেজাৰী ভিন্ন ভিন্ন কৰি
পাইকৰ লৰে খাটনি।
যত ভাল লোক ভাগি আছিলেক
বৃত্তি দিলা তাক জানি॥ ১০৩৮ ॥

---

## পদ।

পিয়ল আৰু সীমা নিৰ্ণয়।

পুনৰপি কহোঁ মই কথা শুনিয়োক।
কৰ্ণিল চাহাব হুয়া যি কৰিলা তাক॥
ধনঞ্জয় নামে আছিলেক বৰগোহাঁই।
পিজউ দিহীয়া ফুকন বোলয়॥ ১০৩৯॥
চিৰিঙ্গৰ কাশীনাথ ঢেকিয়াল ফুকন।
বঙ্গালী চন্দ্ৰধৰ ৰায় একজন॥
এহি সকলক বৰকাকতী পাতিয়া।
পাখি-কাকতী সিসবক লগে দিয়া॥ ১০৪০॥
জুনিয়ৰী মোতালক তাবত যে খনি।
তোৰাসবে পিয়ল কৰিয়া আস জানি॥
উত্তৰত দিহাঙ্গ দিবাঙ্গ নদী আছে।
পশ্চিমে দক্ষিণে বুঢ়ীদিহিঙ্গ যে আছে॥ ১০৪১॥
এহিমতে সীমা পাতে উত্তৰখণ্ডত।
এজেণ্টী মোতালক কৰি পৃথকে ৰাখিলন্ত॥
সেহি এজেণ্টী মোতালকৰ ভিতৰ।
মটক খামতি নগা চিংফৌউ আবৰ॥ ১০৪২॥
শদিয়া প্ৰযন্তে আছে মিছিমি যতেক।
আবৰী বুলিয়া কহে ইসব লোকক॥
সিসবকো বশ কৰি থৈলা ঠাই ঠাই।
অপকাৰ কৰিবাৰ তাৰ শক্তি নাই॥ ১০৪৩॥

বিষয়াৰ ক্ষমতা।

চিৰিঙ্গ জনাৰ্দ্দন বোলে বৰবৰুৱা।
লম্বোদৰ বৰফুকন যাহাক বুলিয়া।
সেহি বৰবৰুৱাক পাতিলা তচিলদাৰ।
শত দুই টকা কমিচন চৰ্কাৰিৰ॥ ১০৪৪॥



বৰফুকনক পাতিলা শোধৰ অধিকাৰী।
তিনিশ টকা দৰ্ম্মহাক দিলা আগ ধৰি॥
পঞ্চাশ টকা জৰিমনা ছমাহ ফাটক।
ত্ৰিশ গোট দিবে পাৰে বেতৰ কোবক॥ ১০৪৫॥
অহমীয়া পাস্কুম্পানি চিপাহী আছিল।
তাৰ অধিকাৰী কাপ্তান পাতিল॥
পঞ্চাশ গোট লিকচৌ আছিলেক পাই।
সেহিমতে চৰ্কাৰৰ খেমতাক লয়॥ ১০৪৬॥
এহিমতে ৰাজ্যক কৰিয়া প্ৰতিপাল।
কৰ্ণিল চাহেব পাচে ভটীয়াই গৈল॥
পুনৰপি কপুৰ কৰ্ণিল অধিকাৰী।
পূৰ্ব্বৰ নিবন্ধে ৰাজ্য চৰ্চ্চা আছে কৰি॥ ১০৪৭॥

বিষয়া ভঙ্গাপতা।

চুনিয়ৰ চাহাবেও আসিলা উজাই।
জুনিয়ৰ সমে দুয়ো এক মতি হুই॥
বৰগোহাঁই-পৰীয়া দিহিঙ্গীয়া যে ফৈদৰ।
মাধৰামক বৰগোহাঁই পাতে পুনৰ্ব্বাৰ॥ ১০৪৮।
জনাৰ্দ্দনক বৰবৰুৱা ভাঙ্গে সিবেলাত।
ভদ্ৰচন্দ্ৰক বৰবৰুৱা সেহিসে জাগাত॥
তেওঁ সেহিমতে তচিলত আছে কৰি।
কপুৰ কৰ্ণিল ইঠাৰতে গৈলা মৰি॥ ১০৪৯॥
নবীন চাহাবে আসি হোৱে অধিকাৰ।
ভদ্ৰচন্দ্ৰ বৰবৰুৱা ভাঙ্গে তচিলদাৰ॥ ১০৫০॥
ৰাধানাথক বৰবৰুৱা পাতিলন্ত।
পোন্ধৰ হেজাৰ টকা দিলন্ত মেলত॥ ১০৫১॥
মাধৰাম বৰগোহাঁই ভৈলা তচিলদাৰী।
বৰফুকনক কাপ্তানী গুচাই অধিকাৰী॥

গুচাইলেক অধিকাৰী শোধৰ-পোছৰ।
পঞ্চাশ শকত প্ৰাণী মৰিল বিস্তৰ॥ ১০৫২ ॥
সেহিমতে নবীন চাহাব আছে আত।
কিছু দিন ভুঞ্জে তাৰ আয়ু ভৈলা পাত॥
মৰিল নবীন পাচে যোৰ যে হাটত।
আজিটন মেথী চাহাবেও ভৈলা আত॥ ১০৫৩ ॥
তাত পৰে ওৱাট চাহাব ভৈলা পাচে।
সেহিমতে ওৱাটেও কিছু দিন আছে॥

কোম্পানিয়ে পতা ৰজা পুৰন্দৰসিংহ।

ওৱাটৰ কথা কিছু পাচ কৰি থওঁ।
পুৰন্দৰ ৰাজা যি কৰিলা তাকে কওঁ॥ ১০৫৪ ॥
ইস্কাট চাহাবে দেশ লৈয়া আছে খায়া।
নৰপতি পাচে গুৱাহাটীকে আসিয়া॥
তাতে বাসা কৰি থাকি মনে গুণি চাই।
গৱৰ্ণৰ চাহাবক লাগি পত্ৰ দেই॥ ১০৫৫ ॥
মানে আসি লৈলে ৰাজ গৈলোঁ ভটীয়াই।
আপোনাৰ কুম্পানিয়ে মানক খেদাই॥
পূৰ্ব্বাপৰ ৰাজনীতি আছে ব্যৱহাৰ।
বলহীন জনক কৰিবে উপকাৰ॥ ১০৫৬ ॥
আকে জানি আমাসাক ৰাজ্য দিবে পায়।
নিদিয়া কৰিছে ভোগ তোমাৰ আজ্ঞায়॥
শুনি গবৰ্ণৰে বোলে টকা ভৈল হানি।
কিমতে এৰিয়া দিবোঁ পূৰ্ব্বাপৰ জানি॥ ১০৫৭ ॥
তথাপিতো যেবে মোক খুজিয়া আছয়।
অৰ্দ্ধ-ৰাজ দিলোঁ এৰি অৰ্দ্ধ আমি লৈই॥
ৰাজা হুয়া থাকিবেক আপুন নগৰে।
পঞ্চাশ হাজাৰ টাকা দিবকে আমাৰে॥ ১০৫৮ ॥



বৎসৰে বৎসৰে টাকা কৰিবে আদায়।
এহি বুলি গবৰ্ণৰে হুকুমক দেই॥

পুৰন্দৰ আৰু দিহিঙ্গীয়া গোসাঁইৰ কথোপকথন।

সেহিমতে গবৰ্ণৰ পত্ৰখান পাই।
উজাই আসিল ৰাজা ভাৰ্য্যা-পুত্ৰ লৈই॥ ১০৫৯ ॥
গোহাঁইসকল আৰো আছিলা লগতে।
ফুকন বৰুৱা যত আছে সিঠায়তে॥
সিসবেয়ো গৈয়া লাগ ধৰিলেক তাত।
প্ৰথমতে আসি পাইলা কুৰুৱাৰ ঘাট॥ ১০৬০ ॥
তাহাতে ৰহিয়া ৰাজা মনে গুণি চায়।
ইহাতে আছয় জানো দিহিঙ্গৰ গোসাঁই॥
ৰাজা হুয়া আসি আছোঁ আপোনাৰ ৰাজ।
মহন্তেৰে মিত্ৰ কৰিবাৰ আছে কাজ॥ ১০৬১ ॥
পূৰ্ব্বে ৰাজেশ্বৰ ৰাজা পুলিন আমাৰ।
মিত্ৰ কৰি গৈয়া আছে আমি কিবা বৰ॥
কমলেশ্বৰ চন্দ্ৰকান্তে সখি তাকে জানি।
আমি মিত্ৰ কৰি গৈলে নহৈবেক হানি॥ ১০৬২ ॥
এহি মনে ভাবি ওজা লিগিৰা পঠায়।
আমি গৈয়া দেখিয়া আসোহোঁ ঘৰ চাই॥
শুনি প্ৰভু ডেকা-ভড়ালীক পঠাইলেক।
আতাইসব সঙ্গে লৈয়া তেখনে গৈলেক॥ ১০৬৩ ॥
ৰাজাত জনাইলা ডেকা-ভৰালীয়ে পাই।
নৃপতি উঠিয়া গৈলা কেঁকোৰা-দোলাই॥
প্ৰভু বাট চায়া আছে ঠকুৰমুখত।
চতুৰ্পাশে আতাইসবে বেঢ়ি আছে তাত॥ ১০৬৪ ॥
দোলাৰ নামিলা ৰাজ প্ৰভু মালা দিলা।
বুলনি পাৰিয়া নিয়া চালিত বৈসাইলা॥

ৰাজা বসিলেক কেপকৰা যে পৰাই।
প্ৰভু বসিলেক সৰু কেপকৰা চাই॥ ১০৬৫॥
কথোপকথন ভৈলা ৰাজাৰে প্ৰভুৰে।
ৰাজা বোলে যত যত ৰাজা হুয়া গৈল।
দিহিঙ্গৰে মিত্ৰৰতি সিসবে কৰিল॥
ৰাজেশ্বৰ নৃপ যিটো মোহোৰ পুলিন।
চিকন গোসাঁইৰে সখি অল্প নোহে গুণ॥ ১০৬৬॥
সেহিহেতু তোমাৰে কৰিছোঁ মই সখি।
চিৰকাল নেৰিবা মোহোক ভিন্ন দেখি॥
নৃপতিৰ বিশ্বাসৰ দিহিঙ্গত পৰে নাই।
মহন্তৰ অগ্ৰগণী দিহিঙ্গ গোসাঁই॥ ১০৬৭॥
নৃপতিৰ বাজ-ভিতৰতো বাধা নাই।
এহি সৰ্ব্ব কথা আমিএসে জানা যায়॥
কুম্পানিয়ে ৰাজা পাতে পূৰ্ব্ব কথা চাই।
আসি আছোঁ নগৰক মোৰ নিজ ঠাই॥ ১০৬৮॥
আপোনাৰ পূৰ্ব্ব সত্ৰ আছে সিখানত।
আমি যাইবোঁ তুমি যেন চলিবা পাচত॥
তেবে আমাসাৰ হৈব বাঞ্চিত পুৰণ।
আপোনাৰে মিত্ৰ কৰিবাৰ এহি গুণ॥ ১০৬৯॥
আমি ৰাজা হুয়া থাকিবোঁহোঁ নগৰত।
সৰ্ব্বকালে দেখোঁ যেন মোৰ এহি মত॥
প্ৰভু বোলে মহাৰাজা ইটো কথা হয়।
পূৰ্ব্বৰেসে থান-সত্ৰ আছিল সিঠাই॥ ১০৭০॥
পৰ্ব্বস্থুৰাৰূপে আমি সত্ৰ আছোঁ কৰি।
কি কৰিবে পাৰি আমি মনত বিচাৰি॥
আপুনিসি নৰেশ্বৰ সম নোহো প্ৰায়।
তথাপি কৰিছা মিত্ৰ পূৰ্ব্ব কথা চাই॥ ১০৭১॥



এহিমতে ৰাজা-প্ৰভু কথোপকথন।
নৃপতিক প্ৰভু কৰাইলন্ত ভোজন॥
গোহাঁইসকল আৰো যত গৈয়াছিল।
ভালমতে সিসবক তথাতে খুৱাইল॥ ১০৭২॥
নৃপতিক সেহিমতে সন্তোষিল প্ৰায়।
টকুৰাৰ বাজে থৈলা আগক বঢ়াই॥
তথাতে ৰহিবে বুলি কহিলা প্ৰভুত।
আতাইসবে আনি থৈলা ৰাজাক নাৱত॥ ১০৭৩॥
সেহিমতে নৰপতি আসিলা উজাই।
ফাকুৱা দ'লৰ কাষে বাহৰ কৰাই॥
উঠি আহিলেক ৰাজা এহি যোৰহাটে।
প্ৰবেশ ভৈলেক বুঝিবাহা সেহি পাটে॥ ১০৭৪॥
ওৱাট চাহাব যোৰহাটতে আছিলা॥
গবৰ্ণৰ আজ্ঞা কৈয়া আসনে তুলিলা॥

পুৰন্দৰসিংহে পতা বিষয়।

শ্ৰীশ্ৰীপুৰন্দসিংহ ৰাজা হুয়া।
পূৰ্ব্বৰতে পাতিলেক তিনি ডাঙ্গৰীয়া॥ ১০৭৫॥
বিশ্বনাথৰেসে স্থূত পূৰ্ণানন্দ নাতি।
মুহিধৰকেসে লৈলা বুঢ়াগোহাঁই পাতি॥
বাৰুকিয়াল মালভোগ বৰ যে গোহাঁই।
দণ্ডেশ্বৰ বৰপাত্ৰ জানিবা নিশ্চয়॥ ১০৭৬॥
মেলৰ গোহাঁই যত মেলে মেলে দিয়া।
ৰাজখোৱা হাজৰিকা বৰা শইকীয়া॥
লম্বোদৰক পাতিলেক বৰ যে ফুকন।
বৰবৰুৱা ভৈলে ৰাধানাথ যিবা জন॥ ১০৭৭॥
ঘিণাই বৰবৰুৱাক দিলেক ভাগী কৰি।
তান গাৱে দিলা ভাল আৰো তচিলদাৰী॥

বৎসৰে বৎসৰে টকা দিয়ে কুম্পানিক।
সেহিমতে মহাৰাজা খায়া আছিলেক ॥ ১০৭৮ ॥

কামেশ্বৰ সিংহৰ দিহিঙ্গীয়া গোসাঁইৰে মিত্ৰতাৰ সূচনা।

কামেশ্বৰ যুবৰাজ তাহান সন্তান।
আছিলেক সিটো জন মহাগুণবান॥
মিত্ৰ কৰিবেক লাগি নপাইলেক ঠাই।
দিহিঙ্গৰ নিত্যশোভনচন্দ্ৰ যে গোসাঁই॥ ১০৭৯ ॥
কোন মতে সখি কৰিবাক লাগি পায়।
স্বৰূপত ইটো কথা বুজিবে লাগয়॥
যিবেলাত ৰাজা হুয়া আসিল উজাই।
মিত্ৰ কৰিলেক গৈয়া প্ৰভুৰেসে ঠাই॥ ১০৮০ ॥
দেখিয়া আসিল শোভনচন্দ্ৰ যে দেৱক।
ৰূপ গুণ দেখি কৈলা আপন পুত্ৰক॥
ৰাজা ভৈলে মিত্ৰ হুইবে লাগে দিহিঙ্গৰে॥
সখি কৰিবাৰ যোগ্য দেখিলোঁ তোমাৰে॥ ১০৮১ ॥
ইটো কথা শুনিয়া আছয় পিতা-মুখে।
মম প্ৰাণাধিক সখি বুলি পত্ৰ লেখে॥
তাকে পায়া প্ৰভুৰে দিৱয় সমাচাৰ।
সেহিমতে মিত্ৰতা হুয়াছে বাৰেবাৰ॥ ১০৮২ ॥
অভয়চৰণ দেৱ বৈকুণ্ঠক গৈলা।
নিত্যশোভনচন্দ্ৰ দেৱ অধিকাৰ ভৈলা॥
গুৰুৰ বৎসৰ অন্তে আসিবাৰ মন।
উদাস কীৰ্ত্তনীয়া ভক্ত সব যত জন॥ ১০৮৩॥
উজাই আসিবে লাগি কৈলা সবাহত।
ভাল বুলি ভক্তসবে কহিলেক তাত॥



দিহিঙ্গীয়া গোসাঁইৰ থান পৰিদৰ্শন

প্ৰভু বোলে আশ্বিনতে যাইবোঁহোঁ উজাই।
থান যত আছে আমি বন্দিবে লাগয় ॥ ১০৮৪ ॥
শুনি ভক্তসবে বোলে ইটো কথা ভাল।
প্ৰভু আসিবাৰ আজ্ঞা সমস্তকে দিল॥
নদীয়াল বৃত্তিয়াল যত খেল হয়।
সবেয়ো আসিলা প্ৰভুৰেসে আজ্ঞা পাই॥ ১০৮৫ ॥
শুভেক্ষণ বেলা প্ৰভু নৌকাত উঠিলা।
থানৰ পিনিচ-নৌকা আগ কৰি লৈলা॥
সেহিমতে প্ৰভুনাথ আসিলা উজাই।
আগ পাচে নাৱ যত কোনে গণে প্ৰায় ॥ ১০৮৬ ॥
সেহিমতে আসিয়া ৰহয় যি বালিত।
নাৱ বান্ধিবাক লাগি নোজোৰয় তাত॥
গো বৎস ঘোঁৰা আবলখ আনে তাত।
দেখিতে বিস্ময় হোৱে অন্য লোক যত॥ ১০৮৭ ॥
এহিমতে আসন্তেও তিনি মাস যায়।
যৈতে তৈতে লোক আছে শৰণ লগাই॥
প্ৰভু আসিবাৰ লোকসবে বাৰ্ত্তা পাই।
ধনশিৰীমুখে লাগ ধৰিলেক যায়॥ ১০৮৮ ॥

গোসাঁইৰ টোকোলাই থান প্ৰবেশ।

সেহিমতে আসি মহগড়ঘাট পাল।
যোৰহাটতেসে আছে টোকোলাই থান॥
উঠিবাক লাগি প্ৰভু আছে অভিমত।
ৰাজা ওজা লিগিৰাক পাঞ্চে সিবেলাত॥ ১০৮৯ ॥
আছোঁ হাবিয়াষ কৰি যেন দেখা পাই।
বিলম্ব নকৰি শীঘ্ৰে যাইবাক লাগয়॥
কুশল সমাচাৰ বাৰ্ত্তা সুধি আছে।
প্ৰভু বোলে ভাল আমি চলিবোঁহোঁ পাচে॥ ১০৯০॥

এহি কথা লাহনৰ ওজা লিগিৰাই।
প্ৰভুৰ কুশল বাৰ্ত্তা ৰাজাত জনায়॥
থানকেসে আসিবাৰ প্ৰভু অভিমত।
কহিলেক সৰ্ব্ব আতাইসবৰ আগত॥ ১০৯১॥
প্ৰভাতে উঠিয়া ওলাইলেক খাই-দাই।
নগৰৰ লোকে গৈয়া আগক বঢ়ায়॥
অন্য অন্য লোকেও চাইবাক মন কৰি।
যত লোক হুয়াছিল গণিতে নাপাৰি॥ ১০৯২॥
পিনিচৰ বাজ হুয়া প্ৰভুৰে ওলায়।
প্ৰভাতৰ সূৰ্য্য যেন শোভা কৰে প্ৰায়॥
ৰত্নমালা উপৰত প্ৰভুৰে উঠিলা।
থূলৰেসে ভূঞা আতাই হৰিধ্বনি দিলা॥ ১০৯৩॥
বিংশতি গোটেক হাতী মাকুন্দী দন্তাল।
আগ বাঢ়ি আসি আছে হুয়া এক পাল॥
থূলৰ আতাইসব আগতে আসয়।
গায়ন-বায়ন সবে কীৰ্ত্তন কৰয়॥ ১০৯৪॥
প্ৰভু আসিবেক শুনি অন্য নৰ-নাৰী।
জুমা জুমি ৰহিয়া আছয় বাট জুৰি॥
দেখিল যেখনে প্ৰভু হস্তী উপৰত।
বোলয় ইহেন গোসাঁই দেখি আছোঁ কৈত॥ ১০৯৫॥
কোটি কাম জিনি ৰূপ সুন্দৰ গোসাঁই।
মনুষ্য নোহয় দেখি ঈশ্বৰ পৰায়॥
ঈশ্বৰৰ চিহ্ন যত সবে শৰীৰত।
নতু দেখা শুনা নাহি এ পৃথিবীত॥ ১০৯৬॥
যত ৰাজা হুয়া যায় দিহিঙ্গৰে সখি।
নকৰি থাকিবে কেন ইহেন ৰূপ দেখি॥



বৃদ্ধসব মুখে শুনি আছোঁ পূৰ্ব্বাপৰ।
অল্পজনে দিহিঙ্গৰ নোহে অধিকাৰ॥ ১০৯৭॥
নৃপতি নভৈলে যদি পাট শূন্য প্ৰায়।
এদিন এবেলা ৰাজা দিহিঙ্গৰ গোসাঁই॥
এহিমতে কণাকণি সৰ্ব্বলোকে কৰে।
প্ৰবেশ ভৈলেক প্ৰভু যোৰহাট নগৰে॥ ১০৯৮॥
প্ৰশংসা কৰয় নগৰৰ লোক যত।
অল্পজনে জন্ম নধৰয় দিহিঙ্গত॥
সেহিমতে পাইলা যাই থান টোকোলাই।
ভক্তসবে হৰিধ্বনি কৰিলে সবাই॥ ১০৯৯॥
প্ৰভুক লাগিয়া গৃহ বাহৰ সজাই।
প্ৰবেশ ভৈলেক সেহি মন্দিৰতে যাই॥
ভকতসবক লাগি ঘৰ আছে হুয়া।
ভিন ভিন কৰি পাচে সোমাইলেক গৈয়া॥ ১১০০॥
সিবেলাত সৰ্ব্বলোকে সেৱাক জনায়।
সিসবৰ ভক্তি দেখি সন্তোষিত প্ৰায়॥
থূলৰ যে ভক্তসবে হাটীত সোমাই।
নামঘৰে প্ৰবেশিয়া নামক গাৱয়॥ ১১০১॥
অনেক দ্ৰব্যেৰে ভণ্ডাৰক আছে ভৰি।
নখাইলেক ভাত ভৈলা জলপান কৰি॥
প্ৰভু আইল বুলি যুবৰাজে সিবেলাত।
লোক পাঞ্চি বাৰ্ত্তা লৈলা বুজিবাহা তাত॥ ১১০২॥

গোসাঁইৰ পুৰন্দৰ সিংহেৰে সাক্ষাৎ।

তাত পাচে প্ৰভু ভক্তসব আগে কয়।
নৰপতিৰেসে ঠাই যাইবাক লাগয়॥
মহন্তসবৰ নৰপতিতেসে থাকে আশা।
পূৰ্ব্ব কথা জানি কৰে আমাত ভাৰষা॥ ১১০৩॥

সেহি হেতু আমি যাইবোঁ নৰপতি ঠাই।
খাটনিয়াৰেও আজ্ঞা কহিলা সবাই॥
শুনি সৰ্ব্বলোকে ওলাইলেক তেতিক্ষণ।
কাচ-পাৰ কৰি গৈলা প্ৰভুৰেসে থান॥ ১০০৪॥
প্ৰভু ওলাইলেক যেবে হস্তীৰ উপৰি।
ভক্তসবে বেঢ়ি যায় চৌপাশে আবৰি॥
প্ৰভু-ৰূপ দেখিয়া মোহিত সৰ্ব্বজন।
পাৰিষদ সবে যায় ধৰিয়া যোগান॥ ১১০৫॥
পুৰন্দৰসিংহ ৰাজা আছে ইঠাৰতে।
সাক্ষাত হইবাক লাগি প্ৰভু গৈলা তাতে॥
দেখি মহাৰাজা বহু কৰিয়া আদৰ।
সুধিলেক প্ৰভুৰ কুশল সমাচাৰ॥ ১১০৬॥
শুনিয়া গোসাঁই কৈলা সকলো বাতৰি।
আশীৰ্ব্বাদ কৰি পুনৰপি আসে ঘূৰি॥

পুৰন্দৰসিংহ আৰু যুৱৰাজ

সিবেলাত যুৱৰাজে প্ৰভুক দেখিয়া
আনন্দতে মগ্ন ভৈলা গুণিয়া-গান্থিয়া॥ ১১০৭॥
যত ৰূপ-গুণ প্ৰভুৰেসে শৰীৰত।
বিস্ময় মানিয়া কৈলা পিতাৰ আগত॥
আসি আছে যিবা জন দিহিঙ্গৰ গোসাঁই।
তানে আমি মিত্ৰ কৰিবৰ যোগ্য হয়॥ ১১০৮॥
অনেক মহন্ত আছে তাত সম নাই।
মনুষ্য বুলিয়া তাঙ্ক বুজন নযায়॥
এতেকেসে শীঘ্ৰে তাঙ্ক আনি দিয়া মাতি।
তাহানে সহিতে মই কৰিবোঁ পীৰিতি॥ ১১০৯॥
পুৰন্দৰসিংহে কহিলেক সিবেলাত।
ইটো কথা বাপা মোৰ আছয় মনত॥



আছা যুৱৰাজ দুই পুত্ৰ আমাসাৰ।
আপুনাত কৰি তাহান্তেসে দেখোঁ চাৰ॥ ১১১০॥
ৰাজেশ্বৰ মহাৰাজা নৃপ গুণমণি।
পুলিনে কৰিলা মিত্ৰ আমি কোন গণি॥
কমলেশ্বৰে চন্দ্ৰকান্তে সিসবেয়ো কৰে।
আমিও কৰিলোঁ মিত্ৰ তাহান পিতাৰে॥ ১১১১॥
এতকেসে যুৱৰাজ শীঘ্ৰে কৰিয়োক।
এহি বুলি পাঞ্চে পৰ্ব্বতীয়া বৰুৱাক॥

গোসাঁই আৰু কামেশ্বৰ সিংহৰ মিত্ৰতা।

জনাইলা বৰুৱা যাই প্ৰভুৰেসে ঠাই।
কামেশ্বৰ ৰাজা মিত্ৰ কৰিবাৰ চায়॥ ১১১২॥
মহাৰাজা পঠায়া আছয় আমাসাক।
বিলম্ব নকৰি শীঘ্ৰে যাইবে লাগে তাক॥
শুনি হেন প্ৰভু পাচে মনে গুণি চায়।
পূৰ্ব্বহন্তে ইটো কথা আমাৰেসে হয়॥ ১১১৩॥
যতেক মহন্ত হয় নকৰে বিশ্বাস।
ৰাজা ভৈলে আমাসাৰ ঘৰে কৰে আশ॥
এতেকেসে আমি যাইবে লাগয় সকাল।
এহি বুলি প্ৰভু নৰপতি ঘৰে গৈল॥ ১১১৪॥
যুগ্যাসন দিয়া ৰাজা চাঙ্গত বৈসাই।
সিবেলাত নৰপতি পূৰ্ব্বকথা কয়॥
আমাসাৰ বংশে ৰাজা হুয়া গৈল যত॥
দিহিঙ্গৰে মিত্ৰ বুলি জানয় জগত॥ ১১১৫॥
মোৰ পুত্ৰ যুৱৰাজ কামেশ্বৰ যেন।
মহন্তৰ ভিতৰে তোমাকেসে দেখোঁ তেন॥
দুইহানো কৰিয়ো মিত্ৰ মোৰ এহি বাণী।
মহন্তৰ ভিতৰে আপুনি অগ্ৰগণি॥ ১১১৬॥

সিবেলাত কৰে সখি ছুয়ো একে হুই।
কামেশ্বৰসিংহ শোভনচন্দ্ৰ যে গোসাঁই॥
বোলে ৰাজা চন্দ্ৰকান্তে কেপকৰা দিল।
পুনৰপি দিছোঁ মই কৰিয়া ডবল॥ ১১১৭॥
ৰাজা যুগ্য বস্ত্ৰ-অলঙ্কাৰ দিলা ভাল।
গাঠি কোঁৰৰক দিলা হাতী যে দন্তাল॥
সেহিমত প্ৰভুক গৃহত পাঞ্চি দেই।
দেখি সৰ্ব্বলোক কৰিলেক জয় জয়॥ ১১১৮॥
কামেশ্বৰ যুবৰাজে বৰভাগ্য আতি।
প্ৰিয় ইষ্ট স্বামী নাথে কৰিলা ভকতি॥
সেহি গুণে তাহান স্বৰ্গত হুইবে বাস।
হেন জনে গুৰু পাৰে কৰিয়োক আশ॥ ১১১৯॥

———

## জুমুৰি ঃ

টোকোলাইথানত কামেশ্বৰসিংহৰ দিহিঙ্গীয়া গোসাঁইৰে মিলন।

কামেশ্বৰ সিংহ ৰাজ।
কৰিলেক কোন কাজ॥
নিত্য-শোভনচন্দ্ৰ দেৱ।
নাহি তান বিনে কেৱ॥ ১১২০॥
কৰিলা তানে সে সখি।
সোপনতো আছা দেখি॥
মোৰ সখি শিৰোমণি।
মহন্তৰো অগ্ৰগণি॥ ১২২১॥
ঈশ্বৰৰ চিন যত।
আছে তান শৰীৰত॥



ভুবন মোহন ৰূপ।
দেখি সৰ্ব্বলোকে চুপ॥ ১১২২॥
গুণ যত সীমা নাই।
কৈতো নতু দেখা পাই॥
মই বৰ ভাগ্যবান।
পাইলোঁ সখি সিকাৰণ॥ ১১২৩॥
দেখিবাক হাবিয়াস।
যাইবোঁহোঁ তাহান পাশ॥
গায়ন বৰুৱা ছুই।
সিসবৰ আগে কয়॥ ১১২৪॥
যত গান-বান হয়।
দেখাইবোঁ সখিক মই॥
এহি বুলি খুব ৰায়।
গৈলা সবাহাঙ্কে লৈই॥ ১১২৫॥
প্ৰভুকো নেদিয়া জান।
পাইলেক টোকোলাই-থান॥
দেখি প্ৰভু সিবেলাত।
আগবঢ়াই নিয়া তাত॥ ১১২৬॥
বৈসাইলা চ'ৰাত নিয়া।
কৰ্পূৰ্ৰ তাম্বুল দিয়া॥
কথোপকথন হয়।
প্ৰভুৰেসে আগে কয়॥ ১১২৭॥
বোলে বাদ্য-ভণ্ড যত।
দেখাইবোঁ তোমাক আত॥
লোকাই বৰুৱা গান।
কিনাৰাম বৰবায়ন॥ ১১২৮॥

হাতে তালি মাৰে কেতো।
মাৰে ঘাট খুৱাই তাতো॥
এহিমতে কৰে নৃত্ত।
গাৱয় মঙ্গল গীত॥ ১১২৯॥
তাতে যুৱৰাজে কয়।
যত বিদ্যা আছোঁ লৈই॥
তাহাকো দেখাইবে মন।
বিদ্যাৰেসে প্ৰয়োজন॥ ১১৩০॥
ঢোলোকে নেগেৰা তাত।
বজাৱে আপুন হাত॥
প্ৰভুৰ বদন চাই।
আনন্দৰ পাৰ নাই॥ ১১৩১॥
বোলে চাহি থাকে যেন।
ঘৰে যাইতে নাহি মন॥
আছে হাবিয়াষ যত।
সিটো কথা কৈবোঁ কাত॥ ১১৩২॥
প্ৰভু বুলিলেক ভাল।
পাইবা মোক সৰ্ব্বকাল॥
বহু নিশা গৈল আৰ।
যাওঁ আমাসাৰ ঘৰ॥ ১১৩৩॥
যাইবোঁ কি নাজাইবোঁ বুলি।
গৈলা যুবৰাজ চলি॥
শুনিয়োক যত নৰ।
যুবৰাজ ভাগ্য বৰ॥ ১১৩৪॥
বৈকুণ্ঠৰ নাথ পায়।
বোলে মোৰ সখি হয়॥ ১১৩৫॥

---



## পদ

পুৰন্দৰ-সিংহৰ ৰাজ্য নাশ।

পুৰন্দৰ সিংহ ৰাজা আছিলেক হুই।
কুম্পানিৰ ইটো কথা নসহিল গায়॥
ৰাজাক ভাঙ্গিয়া পুনু ৰাজ্য কাঢ়ি লৈলা।
বৰতি নামত চাহাবক পাতি দিলা॥ ১১৩৬॥
পাইকৰ খাটনি লৱে তাক দিলা চাৰি।
মাটিৰ খাজনা ভৈলা সেহি দিনা ধৰি॥
বৰতি গৈলেক দেশে এৰি ৰাজ কাম।
যত হুয়া গৈয়া আছে কৈবো কত নাম॥ ১১৩৭॥
কোনো চাহাবেও দুই তিন বৰ্ষ খায়।
কোনো এক বৰিষেতে বদলি হোৱয়॥

কেছাৰীঘৰ

সাজিয়া লৈলেক ঘৰ বৰ উচ্চা কৰি।
বঙ্গলা বোলয় আৰো বোলয় কেছাৰী॥ ১১৩৮॥
কেছাৰী বোলয় যিবা আদালত ঘৰ।
দোষ গুণ বিচাৰয় প্ৰাণীসকলৰ॥
হুয়া আছে কলেক্টৰ নকৰে অন্যায়।
আমোলাসকলে মাত্ৰ গাখীৰক খায়॥ ১১৩৯॥
মাহে মাহে কুম্পানিৰ দৰ্ম্মাহাক খায়।
তথাপিতো সিসবৰ পেট ভৰে প্ৰায়॥
গুচৰীয়া পদকীয়া দুইৰো মুখ চায়।
সেহিহেতু সিসবৰ ভয় নুগুচয়॥ ১১৪০॥
ৰাত্ৰি পুহাইলেও তান সুৰ্থি-সাৰ্থি নাই
কানে কাপ ধৰি কেছাৰীক গৈয়া পায়॥
দশ বজা বেলা যদি নোহয় হাজিৰ।
জৰিমনা বুলি কাটি লৱে দৰ্ম্মাহাৰ॥ ১১৪১॥

প্ৰথম চিৰস্তাখান ৰোলে কলেক্টৰী।
যত মাটি-বাৰী হিচাপক আছে ধৰি॥
মাটিৰ খাজানা লৰে কৰি দিছে পটা।
একপুৰা মাটিৰ লবয় আঢ়ৈ টকা॥ ১১৪২॥
পোদাৰে খাজাঞ্চিয়ে ধনকেসে লয়।
চন্দুকত ভৰিয়া খাজনা ঘৰে থয়॥
কাৰো কোনো জনে ঠেলি লবে মাটি-বাৰী।
তাহাক বিচাৰি দিয়ে বোলে কলেক্টৰী॥ ১১৪৩॥
ধনৰ বিচাৰ কৰে দেওৱাণী বোলয়।
তাৰ অধিপক মুঞ্চিফ বুলি কয়॥
ফৌদাৰীত চুৰি খুনি কৰয় বিচাৰ।
পুলিচৰো বুজিবা সেহিসে অধিকাৰ॥ ১১৪৪॥
বোলয় চিৰস্তাদাৰ বোলে পেচকাৰ।
সিয়ান-নবিস বোলে আৰো নকলৰ॥
ফস্তলা-নবিস আৰো আছয় নজিৰ।
টেকেলা পিয়াদা যত তাৰ অধিকাৰ॥ ১১৪৫॥
তিনি মোতালকে আছে তিনি অধিকাৰী।
সিসবক জানিলে আৰ্জ্জিক দিবে পাৰি॥
আৰো সেহি আদালতে আছয় উকিল।
খৰ্চা পাইলে সিসবেয়ো দেখাই দিয়ে ছল॥ ১১৪৬॥
তাতে কোনো লোকে যাই কৰয় গোচৰ।
ধন নিলে ভাৰ্য্যা নিলে মাটি লৈলে মোৰ॥
আৰ্জ্জি মহৰীয়ে আৰ্জ্জি লেখি পইচা লয়।
তাকে নিয়া চন্দুকত থৱয় ভৰাই॥ ১১৪৭॥
ওলাইবে কেতিয়া বুলি থাকে বাট চাই।
ভাবি থাকন্তেও কোনো লোক নিদ্ৰা যায়॥



উলিৱাৰে আৰ্জ্জিখান চন্দুকক মেলি।
দিয়ে ডাক পিয়াদা হাজিৰ হাজিৰ বুলি॥ ১১৪৮॥
যিবা টোপনিত থাকে নুশুনয় ডাক।
সেহিহেতু গৰহাজিৰক বোলে তাক॥
পুনৰপি আৰ্জ্জি কৰি থৱে স্তুমুৱাই।
তেনে ভাল-মণ্ড সমাচাৰ বাৰ্ত্তা পায়॥ ১১৪৯॥
এক মন কৰি যিটো থাকে চক্ষু মেলি।
তাৰ আৰ্জ্জিখান ভালে শুনয় সমূলি॥
নাজিৰে হুকুম দিয়ে খৰ্চা-ধন লয়।
তেৰেসে পিয়াদা যায় আসামীৰ ঠাই॥ ১১৫০॥
চমন চফিনাখান দেখাৱয় তাক।
ম্যাদৰ মৈধ্যে লাগে হাজিৰ হুব্যাক॥
শুনি পদকীয়াৰ গাৰত তত নাই।
কাক ধৰো কৈক যাইবো নপান্ত উপাই॥ ১১৫১॥
শুনিয়া গান্থিয়া পাচে মন কৰে থিৰ।
উপায় বিচাৰি যায় আমোলাৰ ঘৰ॥
কহে মই তাক একো দিবাক নলাগে।
মিছা আৰ্জ্জি দিয়া আছে চাহাবৰ আগে॥ ১১৫২॥
শুনিয়া তাহাৰ কথা দায়া মিলে যাই।
কহে তাক লাগি তই নকৰিবি ভয়॥
সাক্ষী-বাদী শিকায়া দিবিহি ভাল চাই।
তেবে টিচ্‌মিচক কৰিয়া দিব মই॥ ১১৫৩॥
সেহি বাণী কৰি তাৰ মন কৰে ভাল।
নপাৰি কৰিতে বোলে নপাইলোঁহোঁ ছল॥
আসি সাক্ষী দিবি গৈয়া প্ৰথম কেছাৰী।
যাইবি পাচ হুয়া মই যাও আগ বাঢ়ি॥ ১১৫৪॥

শুনিয়া আমোলা বাণী পাচ হুয়া যায়।
মিছা সাক্ষী দিয়ে নিয়া ধনক খুৱাই ॥
ধন আশে সিসবে নকৰে পাচ ভৰি।
সত্য বুলি অসত্যক কৰে আগবাঢ় ॥ ১১৫৫ ॥
গুচৰীয়া পদকীয়া দুইৰো সাক্ষী লয়।
কাৰ কোনৰূপে কহে বুজে অভিপ্ৰায় ॥
ফৈৰাদীৰ তিনি সাক্ষী যদি একে কয়।
তেবে আসামীৰ গাৰে জগৰ মিলয় ॥ ১১৫৬ ॥
ফৌদাৰী কৰিলে এৰে জৰিমনা কৰি।
দেৱানীত মুঞ্চিফেও দিৱয় ডিকিৰি ॥
কৰে কলেক্টৰী মাটি দিৱয় দখল।
এহিমতে ইংৰাজে লগাই আছে ছল ॥ ১১৫৭ ॥
আসামীৰ তিনি সাক্ষী যদি ভাল কয়।
ডিচ্‌মিচ কৰি দুইহান্তক খেদি দেই ॥
ধনত দেৱানী মাটিৰেসে কলেক্টৰী।
পুলিচত চুৰি-খুনি আচয় বিচাৰি ॥ ১১৫৮ ॥
ইষ্টাম্বৰ তুলাপাত দিছে উলিয়াই।
দৰখাস্ত কৰিলে তাহাতেসে টকা লয় ॥
আধাৰাতি পাতৰেসে টিকি ডাকঘৰে।
যদি পত্ৰ দিয়ে দুই পইচা লৰে তাৰে ॥ ১১৫৯ ॥
লোট নামে এক পত্ৰ আসিছে ইহাত।
মহাৰাণীৰেসে চিহ্ন লেখি দিছে তাত ॥
বিংশতি শতেক হুইব হেজাৰেক মূল্য।
একমসা মান জানো যদি কৰে তুল ॥ ১১৬০
এহিমতে আসামৰ ৰাজ্য ভুঞ্জে লোকে।
ঈশ্বৰৰ ইচ্ছা যিবা কোনে বুজে তাকে ॥



চাহৰ বাগিচা ভৈল আমাৰ ৰাজত।
তাক পায়া কুম্পানিয়ে এৰে কেনমত ॥ ১১৬১ ॥

পুৰন্দৰ আৰু কামেশ্বৰ সিংহৰ পৰলোক।

পুৰন্দৰ ৰাজা যিবা পাতি আছিলেন।
ৰাজ্য কাঢ়ি লৈয়া দিয়াছিলা পেন্‌চন ॥
নলৈল আমাৰ ৰাজা তাক ঘৃণা কৈই।
অল্প কালে মহাৰাজা স্বৰ্গবাসে যায় ॥ ১১৬২ ॥
তাহান নন্দন যুবৰাজ কামেশ্বৰ।
তান নখাই আছিলেক টকা কুম্পানিৰ ॥
আপুনাৰ দৌলতক ভোগ কৰিলেক।
কিছুকাল থাকি ৰাজা গৈল পৰলোক ॥ ১১৬৩ ॥

কন্দৰ্পেশ্বৰ।

তাহান তনয় বোলে কন্দৰ্প যে শ্বৰে।
চাৰিঙ্গীয়া ৰাজা পাতি থৈয়া গৈলা তাৰে ॥
সুকোমল কোমল লাৱন্য শিশুমতি।
পিতৃ অবিহনে নজানিল ৰাজনীতি ॥ ১১৬৪ ॥
হৰনাথ পৰ্ব্বতীয়া বৰুৱাক বোলে।
সদৰ-আমিন কুম্পানিয়ে পাতিছিলে ॥
বৰলোক হৈবো বুলি কৰিলা অন্যায়।
লোকসকলৰ বহু হৈগৈলা প্ৰলয় ॥ ১১৬৫ ॥
বেদ্ৰুহী কৰিছে বুলি কুম্পানিত কৈই।
সৰ্ব্বস্ব আগ্ৰহী লৈয়া বিদেশে পঠায় ॥
নিলা কলিকাতাকেসে বন্দীয়াৰ কৰি।
নপাইল চাহাবে তান দোষক বিচাৰি ॥ ১১৬৬ ॥
মাহে পঞ্চ শত টাকা দিলেক ৰাজাক।
তাক পায়া আসি গুৱাহাটী ৰহিলেক ॥
আপুনাৰ দৌলত সবকো এৰি দেই।
ৰহিল কন্দৰ্পেশ্বৰ পেন্‌চন খাই ॥ ১১৬৭ ॥

ৰাজা বুলিবাৰো ঠাই নাহিকে ইহাত।
ইটো কথা সুমৰিয়া দুখ লাগে গাত ॥
সেহিমতে ৰাজাক এৰিয়া দিলা তাই।
ইসবক যি কৰিলা শুনা অভিপ্ৰায় ॥ ১১৬৮ ॥

মণিৰাম দেৱানৰ ফাচি।

মণিৰাম বৰুৱা বোলে কুলত কায়স্থ।
তান গলে ফাচি লগাইলেক কেনমত ॥
ৰাজাৰ কাৰণে ৰাজা কৰি মুক্তিয়াৰ।
পাঞ্চিয়া আছিলা কলিকাতা যে নগৰ ॥ ১১৬৯ ॥
লাট চাহাবত গৈয়া কহিলেক পাচে।
কন্দৰ্পেশ্বৰেও তান ৰাজ্য মাগি আছে ॥
যি বেলা চাৰিঙ্গী ৰাজা ধৰি পঠাই দিলা।
মণিৰাম বৰুৱা কথাহে লাটত কৈলা ॥ ১১৭০ ॥
এহি আলচৰ সিটো আছে সেহি ঠাই।
তৈৰে হস্তে ভাল-মন্দ নৃপতিত কয় ॥
শুনিয়া চাহাবে জনাই পঠায় লাট আগে।
মণিৰাম বৰুৱা ধৰি পঠাইবাক লাগে ॥ ১১৭১ ॥
লাট চাহাবেও ধৰিবাৰ আজ্ঞা দেই।
গোৰা চিপাহীক দিয়া পাঞ্চিলা হঠাই ॥
গাভৰু-মেলৰ বেজবৰুৱা বোলয়।
পিয়ালি নামত তান কনিষ্ঠ তনয় ॥ ১১৭২ ॥
দেৱানক লৈয়া গোৰা পাইলা যিবেলাত।
পিয়ালিক আনি থৈলা দেৱান লগত ॥
দুইজনক ধৰি একে লগে ফাচি দিলা।
সিবেলাত কাৰো মুখে পানী নাসিছিলা ॥ ১১৭৩ ॥
ব্ৰাহ্মণক বধ কৈলা আমাৰ ৰাজত।
গোৰা চিপাহীয়ে গৰু খাইল যত যত ॥



গো বধ ব্ৰহ্ম বধ হুয়া গৈল আত।
সিসবৰ দোষ জোনো লাগে কাৰ গাত ॥ ১১৭৪ ॥

বিষয়াৰ বৃথা শাস্তি।

আৰো যি কৰিলা শুনিয়োক দিয়া মন।
পূৰ্ব্বে পানীমুৱাৰ খবৰ ভৈল যেন ॥
চিন্তায়ে অগনি জলে সমস্তে লোকৰ।
নকৰে ভোজন নিদ্ৰা নিমিলয় গাৰ ॥ ১১৭৫ ॥
পিঠিয়াল মণি ৰাজা লগত আছিল।
গন্ধীয়া বৰুৱা তাহাৰেসে নাম দিল ॥
ঢেকেৰি পণ্ডিত বোলে নজানোঁ হোঁ নাম।
নিৰ্ম্মল হাজৰিকা ব্ৰাহ্মণ অধম ॥ ১১৭৬ ॥
মুহিধৰ মুক্তিয়াৰ সেহিসে কুলত।
ইসবেও বুজিবাহা পানীমুৱা মত।
দুখী জন হোৱে যদি কহিলেসে ভাল।
নিৰ্দ্দুখীৰ কৈয়া কথা লগাইল নিহল ॥ ১১৭৭ ॥
চাৰিঙ্গীয়া কমলা বৰুৱা নাম তাৰ।
শেনচোৱা বৰুৱা বোলে লানমুখৰুৰ ॥
নৃপতি জামাতা পুত্ৰ মৰঙ্গীখোৱাৰ।
ৰূপহী আইদেও আছিলেক তান ঘৰ ॥ ১১৭৮ ॥
দুতিৰাম বৰুৱা নাম চিৰস্তা-যে-দাৰ।
অকাৰণে দ্ৰুহী বুলি দিলে দুৰাচাৰ।
তাৰাসব সঙ্গে আৰো লোক বহু জন।
বাহাদুৰ ফৰ্ম্মুদ দুই মছলমান ॥ ১১৭৯ ॥
ইসবক পঠাই দিলা কৰি গিৰিপদাৰ।
প্ৰবন্ধ কৰিয়া থৈয়াছিলা আলিপুৰ ॥

পিতৃবৎসল প্ৰিয়লাল।

দুতিৰাম বৰুৱাৰ সুত প্ৰিয়লাল।
পিতৃৰ অৱস্থা দেখি ভৈলন্ত বিকল ॥ ১১৮০ ॥

DHEKIALPHOOKAN COLLEGE LIBRARY NOGWONG

এৰিলেক গৃহ-বাৰী নাথাকিল ৰৈই।
দৰ্খাস্ত কৰিলা যাই কলিকাতা পাই॥
পিতৃৰ বন্ধন গুচাইলেক সেহি সুত।
খালাচ পাইলেক দেশ বেদেশৰ যত॥ ১১৮১॥
তানহন্তে বহুলোকৰ গুচিল প্ৰমাদ।
ধন্য ধন্য বুলি কৰিলেক আশীৰ্ব্বাদ॥
যদি প্ৰিয়লালে গৱৰ্ণৰত নকয়।
আৰোবা কতেক লোক আত মৰা যায়॥ ১১৮২॥
সেহিমতে যত লোক খালাচক পায়।
দিহা দিহি গৈলা সবে যাৰ যিবা ঠাই॥
আমাৰ ইঠাইৰ নাসিলেকে তিনি জন।
কমলা শেনচোৰা মৰঙ্গীৰ গৈল প্ৰাণ॥ ১১৮৩॥

গ্ৰন্থকাৰৰ মন্তব্য।

দেখা দেখা কেনে ইটোৰ প্ৰাণীৰ বিলাই।
ধন বিষয়ৰ আশে কৰিলা অন্যায়॥
অধৰ্ম্ম কৰিয়া ইঠাৱতে কত কাল।
নৰহিবে মৰি সমূলঞ্চে যাইবে তল॥ ১১৮৪॥
পৰকালে ধৰি দণ্ড কৰিবে শমন।
হেন জানি লোকে নকৰিবে অন্য মন॥
নকৰাহা হিংসা দ্বেষ কৰা ভূত দায়া।
তেবেসে গুচিবে এহি সংসাৰৰ মায়া॥ ১১৮৫॥
কৰুণা কৰিবে হৰি মোৰ দাস বুলি।
ৰাম ৰাম বুলি বৈকুণ্ঠে যাইবা চলি॥ ১১৮৬॥

এহি বুৰঞ্জি কলিভাৰত
শ্ৰীতুতিৰাম স্বৰ্ণকাৰ হাজৰিকীয়া ডেকাৰ সাতোলাৰ ৰচিত।
শ্ৰীকৃষ্ণ অপৰাধ মৰষণং।
তোমাৰ দুখানি চৰণং॥
সমাপ্ত।

# বেলিমাৰৰ বুৰঞ্জী

## বিশ্বেশ্বৰ বৈদ্যাধিপ বিৰচিত

## প্ৰথম অধ্যায়

### স্বৰ্গদেৱ গৌৰীনাথসিংহ

### পদ

অসমত কোম্পানীৰ সৈন্য।

'মটকে কৰিলা যেবে ৰাজ্যত বিভ্ৰাট।
ৰঙ্গপুৰ ত্যাগ ইচ্ছা কৈলা নৰনাথ॥
সেহিহেতু একদিনা ক্ষেণ-বাৰ গণি।
গৌৰীনাথসিংহে ত্যাগ কৈলা ৰাজধানী॥
গুৱাহাটী নগৰীত বঞ্চিলেক কাল।
আঁতৰাইব যদি পাৰোঁ বিদ্ৰোহ-জঞ্জাল॥
শলগুৰি ৰাজখোৱা আৰু নফুকনে।
প্ৰাণ হেৰুৱাইলা দুয়ো মৰাণৰ ৰণে॥'
সেহি বাৰ্ত্তা স্বৰ্গদেৱে গুৱাহাটীত পাইলা।
পত্ৰ লিখি দূত কলিকতাক পাঞ্চিলা॥
'ইংৰাজৰ বৰচাহাবক দিবা চিঠি।
সৈন্য সেনা কিছু দিব আমাক সম্প্ৰতি॥
দত্তৰাম, বিকা আৰু বিষ্ণুনাৰায়ণ।
এহি তিনি কলিকতা কৰিলা গমন॥
ৰজাৰ পত্ৰক দিলা চাহাবৰ ঠাই।
দেশৰ বিপত্তি কৈলা মুখেৰে বুজাই॥'

অনেক মিনতি কৰি 'চাহাবক' কৈল।
বৃতান্ত শুনিয়া তান 'দায়া' উপজিল॥
হাজাৰেকমান সেনা যুদ্ধক পাঞ্চিল।
অনেক চাহাব তান 'সেনাপতি' দিল॥
আজ্ঞা পাইয়া চিপাহীয়ে তৰিতে লৰিল।
কতো দিনমানে আসি গুৱাহাটী পাইল॥
'ৰাজশ্ৰী-বিহীন স্বৰ্গদেৱক দেখিল।'
ৰাজচিহ্ন না দেখিয়া মনত গুণিল॥
'ছল-ফন্দ কাৰ যদি' আমাক আনিল।
'এহি কাৰ্য্যে অসমৰ দুৰ্গতি মিলিল'॥
ৰাজা নোহে যদি তাঙ্ক জলত ভাসাইবোঁ।
'ভাণ্ডে আমাসাক তাৰ' প্ৰতিদান লৈবোঁ॥
এহি বুলি ক্ৰোদ্ধ কৰি নৌকাত তুলিল।
ফুকনৰ 'সৈন্য' কিছু ভয়ে অন্তৰিল॥
কতিপয় দিনে আসি দেৰগাওঁ পাইল।
বামে তুলি বঙ্গাল চিপাহী পাঞ্চি দিল॥
চাহাব আসিছে বুলি বুঢ়াগোহাঞিত কৈল।
নৌকাশাল গৃহত যে তাহাঙ্ক থোৱাইল॥

ইংৰাজৰ হাতত মৰাণৰ বিভঙ্গ।

চিপাহী আহিছে বুলি মৰাণে জানিল।
ধৰ-মাৰ বুলি সবে খেদিয়া আইল॥
ফিৰিঙ্গৰ অল্প সেনা ৰাৱ 'কৰি' ধৈল।
কাল মেঘ খণ্ডে যেন সূৰ্য্যক ঢাকিল॥
মটকে বোলয় বেটা কৈৰপৰা আইলি।
আমাক যুজিবে আসি মৃত্যুকে লভিলি॥
এহি বুলি অসংখ্যাত কাণ্ড বৰষিলা।
চিপাহীসবৰ নোমগাচ নলৰিলা॥



ফিৰিঙ্গিসবৰ পাচে ক্ৰোধ জ্বলি গৈলা।
বন্দুক উৎচাইয়া শীঘ্ৰে পাথৰ তুলিলা॥
পাথৰৰ পৰা বিস্ফুলিঙ্গ জ্বলিলন্ত।
অগ্নিৰ কণিকা ধূলিখাৰে লাগিলন্ত॥
বন্দুকৰ অন্দ্ৰে অগ্নি ভিতৰ পশিল।
গিৰিসিত হুইয়া মহা শবদ কৰিল॥
অগ্নিবৰ্ণ হুইয়া গুলী 'মাৰি' খেদি গৈল।
'গুম্ গুম্ শব্দে যেন মেদিনী কম্পিল'॥
মটক সেনা গৈয়া 'ভৈলন্ত ছাৰখাৰ'।
ৰাঘবৰ বাণে যেন ৰাক্ষস সেনাৰ॥
'ফিৰিঙ্গিয়ে মাৰে গুলী যেন অগ্নিভাৰ'।
সেহি গুলী ভেদিলেক মটকৰ 'গাৰ'॥
একৈক গুলীত দুই-তিনি-চাৰি 'মৰে'।
আধা-মৰা হুইয়া কতো মাটিত বাগৰে॥
প্ৰমত্ত মাতঙ্গে যেন পদ্মবনখান।
নিমিষে মাত্ৰকে যেবে কৰিলেক ছন্ন॥
চতুৰ্দ্দিকে মৰাণত তৰাস লাগিলা।
'চাৰি দিশে' চাহি পাচে বুলিবে লাগিলা॥
মানৰ 'নোহয়' ইটো দেৱতাৰ কৰ্ম্ম।
শাস্তি ভৈলা আমাসাৰ নাহি ধৰ্ম্মাধৰ্ম্ম॥

ৰজা আৰু ৰাজমন্ত্ৰীৰ দেখা-সাক্ষাৎ।

ফিৰিঙ্গিৰ কথা আবে 'এহিমানে' থওঁ।
বুঢ়াগোহাঁই যি কৰিলা তাৰ কথা কওঁ॥
ৰণ হাৰি মটকসকল পলাই গৈলা।
হেন দেখি বুঢ়াগোহাঁই আনন্দিত ভৈলা॥
চিপহীসবক পাচে তহিতে ৰাখিলা।
প্ৰজাসকলৰ মনে আনন্দ মিলিলা॥

স্বৰ্গদেৱ উজাই আসি দিখৌমুখ পাইল।
দূতে আসি বাৰ্ত্তা বুঢ়াগোহাঞিত কহিল॥
হেন শুনি বুঢ়াগোহাঁই মহাৰঙ্গ ভৈল।
দূত পাঞ্চি অসংখ্যাত প্ৰজা নিয়মিল॥
অনেক প্ৰজাক কাষে চপাই আনিল।
ৰাজাক আনিবে বুঢ়াগোহাঁই চলি গৈল॥
আশে-পাশে প্ৰজা 'সমন্বিতে ফৌজ' ভৈল।
'ৰাজমন্ত্ৰী প্ৰজা' সমদলে চলি গৈল॥
'প্ৰজাৰ মাজত চলি গৈলা' মন্ত্ৰীবৰ।
তাৰাৰ মাজত যেন শোভে শশধৰ॥
দূৰহন্তে বুঢ়াগোহাঁইক চাহিবে দেখিল।
এহেন্তেসে স্বৰ্গদেৱ 'বিষাদ' বাধিল॥
মন্ত্ৰী আসিবাৰ কথা দূতে যে বিহিল।
'লৈয়া আস শীঘ্ৰে বুলি' তাক আজ্ঞা দিল॥
কতো দূৰে বুঢ়াগোহাঁই হস্তীক ৰাখিল।
ধীৰে ধীৰে স্বৰ্গদেৱৰ পাশে চলি গৈল॥
ফিৰিঙ্গিৰ বাস্থ চাৰি ভিতৰ পশিলা।
নৌকাৰ আসনে মহাৰাজাক দেখিলা॥
গলে বস্ত্ৰ দিয়া মন্ত্ৰী দণ্ডৱতে পৰিলা।
'ৰাজাক দেখিয়া খেদ কৰিবে লাগিলা'॥
কান্দিবে লাগিলা ৰাজা 'ৰাজমন্ত্ৰী পাই'।
'ৰাজ্যৰ দুৰ্দ্দশা দেখি ইনাই-বিনাই'॥
'ৰাজ-অধিৰাজ গৌৰীনাথ নৰপতি'।
'কালৰ বিক্ৰমে তান ভৈলা হেন গতি'॥
হেনজানি কৃষ্ণৰ চৰণে দিয়া চিত্ত।
ইহ পৰলোকে মাধৱৰ নামে বিত্ত॥



হেন জানি সাধুসবে তেজা আন কাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম॥

---

## জুমুৰি ঃ

স্বৰ্গদেৱৰ বিলাপ।

শোকক তন্তায়া ৰাজা।
দেখিলন্ত সবে প্ৰজা॥
চক্ষুৰ লোতক ঝৰে।
বুলিলন্ত ধীৰে ধীৰে॥
অনেক নিকাৰ পাইলোঁ।
ক্ষুধা-'তৃষ্ণা' এৰি দিলোঁ॥
'নাহি যান' খচি পানী।
'ভ্ৰমিলোঁ দৈৱক মানি'॥
নগাৰঁৰ বাহৰতে।
কতদিন আছোঁ তৈতে॥
সিন্ধুৰায়ে নসহিল।
সবে সৈন্য চপাই লৈল॥
মাৰিবে খুজিলে মোক।
ইসে মোৰ মহাশোক॥
ধোঁৱা মেলি গৈলোঁ লৰে।
বাচকটিয়ায়ো ধৰে॥
দুই পাইলোঁ যত লাগে।
কি কহিবোঁ তোমাৰ আগে॥

গ্ৰন্থকাৰৰ পৰিচয়।

সূৰ্যবিপ্ৰ কুলে জাত।
বিশ্বেশ্বৰ নামে খ্যাত॥

তেহেঁ পদ বিৰচিল।
স্বৰ্গদেৱে আজ্ঞা দিল॥
বৈদ্য-বৰুৱাৰ নাতি।
পৰম অজ্ঞানী আতি॥
নখাটিয়া আছিলেক।
বৈদ্যাধিপ পাতিলেক॥
শুনা সভাসদ লোক।
হৰি হৰি ঘুষিয়োক॥

---

পদ।

মটকৰ দেশবিভ্ৰাটৰ বিৱৰণী।

মন্ত্ৰী বোলে মহাৰাজা খেদ এৰিয়োক।
বিধিৰ কপটে আমি পাইলোঁ দুখ-শোক॥
পূৰ্ব্বতো মটকে আমাৰ দ্ৰোহ আচৰিল।
তাৰ ফলে গুৰু-শিষ্যে সবংশে মৰিল॥
ফিৰিঙ্গিৰ তাতে আবে সবাকো মৰাইবোঁ।
খেদ পৰিহৰা আমি দেশক লভিবোঁ॥
কাপটানে বোলে শুনিয়োক মন্ত্ৰীবৰ।
কহিয়োক মোত কথা মটকসবৰ॥
কোনোবা দেশৰ আইল কিবা আতে জাত।
কিবা হেতু মিলাইলেক এনুৱা বিঘাত॥
বুঢ়াগোহাঁই বোলে শুনিয়োক কাপ্‌টান॥
স্বৰ্গদেৱৰ দেশে যত কৰিলা মৰাণ॥
নৃপতিৰ পিতৃ লক্ষ্মীসিংহৰ দিনত।
কীৰ্ত্তিচন্দ্ৰ নামে মন্ত্ৰী ভৈল সেকালত॥
পৰমগম্ভীৰ মন্ত্ৰী বুদ্ধিত চতুৰ।
সত্যবাদী ধাৰ্ম্মিক যে গুণৰ মন্দিৰ॥



ৰাঘ নামে হাতীচুঙ্গি মৰাণ আছিল।
হস্তী নানিলতে তাক চাবুকে কোবাইল॥
মহা অসন্তোষে সিটো কাকতলে গৈল।
সকলো মটকে তাত যুদ্ধ আৰম্ভিল॥
ডেকা মহাজনে তাত অনুমতি দিল।
বৰজন গোহাঁইক তহিকে আনিল॥
ৰাজা পাতিবাক লাগি আগুৱাই লৈল।
গজবাজি প্ৰজাগণ যুদ্ধক পাঙ্খিল॥
ৰাজপুত্ৰে বোলে 'হেন তোৰ ভৈলা সাস'।
আমিয়ে সহিতে যুদ্ধ কৰিবাক চাস॥
হেন দেখি প্ৰজাগণে 'ৰণক নধৰে'।
'কোঁৱৰৰ চৰণত দণ্ডৱতে পৰে'॥
যুদ্ধ এৰি সেনাগণে দশোদিশে গৈল।
'মৰাণেও যুদ্ধ জিনি' নগৰক লৈল॥

ৰংপুৰ নগৰৰ বৰ্ণনা।

কাপটানে বোলে শুনিয়োক মন্ত্ৰীবৰ।
কহিয়োক থান তোমাসাৰ নগৰৰ॥
মন্ত্ৰীবৰে বোলে শুনিয়োক কাপ্‌টান।
ইন্দ্ৰপুৰী সম দেখি নগৰৰ থান॥
চাৰিগোটা গড় আছে দেখি চমৎকাৰ।
বজ্ৰ সম আছে তাত তিনখান দ্বাৰ॥
চতুৰ্ভিতি বেঢ়ি তাত আছে গড়খাই।
'তাহাতে অনেক বিধ মৎস্য যে থাকই'॥
'লোকসবে ৰঙ্গ কৰি খাদ্য দ্ৰব্য দেই'।
অসংখ্যাত মৎস্যগণে হাতত খাৱই॥
গড়ৰ ভিতৰে আছে অনেক মন্দিৰ।
নানা ৰত্নে বিভুষিত দেখিতে ৰুচিৰ॥

তাৰ মাজে মাজে আছে অনেক ভণ্ডাৰ।
সীমা সংখ্যা নাহি যত ৰত্ন-অলঙ্কাৰ॥
মন্দিৰেক আছে তাত নাহিকে উপাম।
বিশ্বকৰ্ম্মে নিৰ্ম্মিলন্ত তলাতল নাম॥
অসংখ্যাত দ্বাৰসব নিৰ্ম্মিয়া আছয়।
পশিলে মাত্রকে ওলাইবাক পাসৰয়॥
শ্বেত চন্দ্ৰতাপসব টানিয়া আছয়।
মুৰাৰি মুকুতামণি তাতে বিৰাজয়॥
সিংহাসনসব তাত দেখি ৰত্নময়।
দুগ্ধ-ফেন সম তুলী পাৰিয়া আছয়॥
তাৰ মাজে নিৰ্ম্মি আছে দীৰ্ঘ সৰোবৰ।
জল আসি হৰে তাত জয়সাগৰৰ॥
ৰত্নৰ ভাজন সব প্ৰকাশ কৰয়।
ফট্ ফট্ কৰি দিন ৰাত্রিয়ো জ্বলয়॥
সিংহাসনে বসি 'প্ৰজা পালে' নৰেশ্বৰ।
অম্ৰাৱতী পুৰে যেন দেখি পুৰন্দৰ॥
চৌপাশে সেবিয়া থাকে অনেক সুন্দৰী।
শুক্ল চামৰৰে সিঞ্চে লাস লাস কৰি॥
সিংহাসন দৰশনে শোক পাসৰয়।
সেহি হেতু ৰঙ্গপুৰ 'নাম যে বোলয়'॥
হেন নগৰক যেবে মটকে দেখিল।
বৰজনা গোহাঁইদেৱক খেদিয়া পেলাইল॥

মোহনমালা বৰজনা গোহাঁইৰ পৰিচয়। কাপটানে বোলে শুনিয়োক মন্ত্ৰীবৰ।
বৰজনা গোহাঁইদেৱ কাহাৰ ৰংশৰ॥
বুঢ়াগোহাঁই বোলে নৃপতিৰ শ্ৰেষ্ঠ তাত।
বৰজনা গোহাঁইদেও জগততে খ্যাত॥



মন্ত্ৰীয়ে বিৰুদ্ধ কৰি তাহাঙ্ক খেদাইলা।
এতেকেসে মৰাণৰ লগত আসিলা॥

মৰাণৰ প্ৰতিপত্তি। মটকসবৰ পাচে ৰাজা এক ভৈল।
ৰাধা-ৰুক্মিণীক আনি কুঁৱৰী পাতিল॥
আমাৰ ৰাজাৰ সবে ধন-ৰত্ন লৈল।
বন্দীয়াৰ কৰি বিষ্ণুদৌলতে থোৱাইল॥
মন্ত্ৰীক ধৰিয়া পাচে মাৰিবাক দিল।
ফুকন বৰুৱামানে সবাকো ভাঙ্গিল॥
বৰডেকা মহাজনে দুৰ্ঘট মিলাইল।
সকলো মহন্ত আনি বন্দীয়াৰ কৈল॥
আমাসাৰ মন্ত্ৰীগণে কেহোঁ নসহিল।
ৰাজা সমন্বিতে পাচে আলোচ কৰিল॥
ৰাত্রি গৈয়া নগৰক বেঢ়িয়া ধৰিলা।
যাকে যৈতে পাইলে মানে সবাকো মাৰিলা॥
তাত পাচে সেনাগণ আদেশ কৰিলা।
পিতৃ-পুত্ৰসমে বৰডেকাকো মাৰিলা॥
তাৰ জয়-শেষ প্ৰজাগণ পলাই গৈলা।
পুনৰবাৰ আমাসাক দ্ৰোহ আচৰিলা॥
সিয়োবাৰ দুষ্টসবে বলে নোৱাৰিলে।
থাকে যৈতে পাইলে মানে সবাকো মাৰিলে॥
তাৰ অৱশিষ্ট সেনাগণ পলাই গৈল।
এহিবাৰ দুষ্টগণ দেশক ভাঙ্গিল॥
কাপটানে বোলে কিছু নকৰিবা ভয়।
নগৰক লৈবোঁ দুষ্টসবক খেদাই॥

স্বৰ্গদেৱক লৈ কাপ্টানৰ ৰংপুৰ-যাত্ৰা। কাপটানে বোলে মন্ত্ৰী শুনা মোৰ বাক।
নৌকাত তুলি আমি নিবোঁহোঁ ৰাজাক॥

চিপাহী সহিতে তুলি বামে চলি যাইবা।
নগৰত গৈয়া পাচে একস্থান হৈবা॥
এহি বুলি কাপটানে নৌকাক মেলাইলা।
চিপাহী সহিতে বুঢ়াগোহাঁই চলিলা॥
অসংখ্যাত প্ৰজাসব লগত চলিলা।
যুদ্ধক সমুখে পাচে নগৰক গৈলা॥
এই কথা চাৰ মুখে মটকে শুনিলা।
স্থানে স্থানে বাধে যুদ্ধ আগবাঢ়ি দিলা॥

ভৰথিৰ নগৰ ত্যাগ।

অনেক প্ৰবন্ধে যুদ্ধে বলে নোৱাৰিলা।
ভগনীয়া সেনাগণে ভৰথিত কৈলা॥
মহাভয়ে নগৰক এৰি পলাই গৈলা।
ধন-ৰত্ন-দ্ৰব্যমানে তাহাতে থাকিলা॥
কতো সবে ভাত ৰান্ধি তথাতে এৰিল।
আধা ভুঞ্জা হুয়া কতো লৰৰ মাৰিল॥
বুঢ়াগোহাঁই মন্ত্ৰী বাচকটীয়া বৰবৰুৱা।
ফিৰিঙ্গি সহিতে 'গৈয়া নগৰ পশিলা'॥
ভৰথি সহিতে সবে মৰাণ পলাইল।
কতো দিনমানে গৈয়া বেঙ্গমৰা পাইল॥

ভৰথি আৰু সৰ্ব্বানন্দৰ আলাপ।

ভৰথিয়ে গৈয়া সৰ্ব্বানন্দত কহিলা।
কৈৰ বা ফিৰিঙ্গি আহি ৰঙ্গপুৰ লৈলা॥
কোনে সম হুইবে তাক সমুখ সমৰে।
দেৱতাসকলে তাক মাৰিবাক পাৰে॥
যদি সাস দিয়া সবে মিলি যুদ্ধ কৰোঁ।
নুহি প্ৰাণ ৰাখি আমি ইহাৰ অন্তৰোঁ॥



তাহাত আছয় এক মন্ত্ৰী অতিচাৰ।
'কাৰ্য্যত কুশল চক্ৰী গোধা' নাম তাৰ॥

সৰ্ব্বানন্দৰ যুদ্ধ-যাত্ৰা।

মন্ত্ৰী বোলে শুনা যেবে আমাৰ বচন।
যুদ্ধক চলিয়া 'যায়ো' সবে সেনাগণ॥
ৰণত জিনিয়া সবে ফিৰিঙ্গি মাৰিবোঁ।
নুহি তাসম্বাৰ হাতে আমিয়ে মৰিবোঁ॥
এহি বুলি অসংখ্যাত সেনাক চপাইল।
দলদোপ কৰি সবে যুদ্ধক চলিল॥
শূল অগ্ৰে চামৰক দেখি অসংখ্যাত।
দেখিতে কুবেশ সবে কৃষ্ণবস্ত্ৰ গাত॥
অসংখ্যাত প্ৰজাগণ ছানিয়া আসয়।
খাওঁ খাওঁ কৰি আসে দেখি লাগে ভয়॥

মৰাণ আৰু ইংৰাজৰ যুদ্ধ।

হেন দেখি দূতে কাপটানত কহিলা।
তম্বৰু বজাইবে কাপটানে আজ্ঞা দিলা॥
স্বৰ্গদেৱক নিয়া ৰঙ্ঘৰতে তুলিলা।
বিবী সমন্বিতে চিপাহীৰ ৰখা দিলা॥
চিপাহী সহিতে কাপটান গৈলা ধাই।
দিখৌ পাৰ হুয়া দৌল কাখৰে আছয়॥
মৰাণৰ সেনা ছানি আসে পথাৰত।
ঘোৰ যুদ্ধ ভৈলা পাচে শিৱসাগৰত॥
দূৰ হন্তে ফিৰিঙ্গিক মটকে দেখিল।
সিংহনাদ কৰি সবে বেঢ়িয়া ধৰিল॥
পূৰ্ণিমাৰ চন্দ্ৰ যেন ৰাহুৰে গ্ৰাসিলা।
সেহিমতে ফিৰিঙ্গিক বেঢ়িয়া ধৰিলা॥
হেন দেখি চিপাহীয়ে বেহু পাতি ৰৈলা।
'মৰাণ সহিতে সবে' যুজিবাক লৈলা॥

## ছবি

মৰাণৰ দম্ভবাণী।

মটকে বোলয় বেটা শুন ডুৰাচাৰসব
অল্প সেনা মাৰি পাইলি লাই।
বাসুকী সৰ্পক যেন লাথি মাৰি জোঙ্কাৰস
মৰি যমপুৰে পাইবি ঠাই॥
কতো বোলে শূল হানি হৃদয়ক বিদাৰিয়া
উপৰক তুলি নচুৰাইবোঁ।
কতো বোলে খাণ্ডা হানি খণ্ড খণ্ড কৰিবোঁহোঁ
কতো বোলে জীয়াই ধৰি নিবোঁ॥
প্ৰলয়-অগ্নিক বেটা আঞ্চলে বান্ধিবে খোজ
যমৰ আগত ঘেলা গাৰ।
যেন মহাবজ্ৰ-শিলা খণ্ড কৰিবাক চাহ
বিৰিণা পাতৰ মাৰি ঘাৰ॥
এহি বুলি চতুৰ্দ্দিশে মটকে গৰ্জিবে লৈল
স্বৰ্গীদেৱে তাক দেখিলন্ত।
ৰঙ্গঘৰে বসি আছে থৰ থৰি কাম্পে গাৰে
শোকাকুল হুয়া কান্দিলন্ত॥

---

## লেচাৰী ৷

মৰণৰ ভয়ত ৰজাৰ কান্দোন।

হা হৰি মোৰ দৈব বিধি ফিৰিঙ্গি আনিও নাপাওঁ সিদ্ধি
মটক-সাগৰে সমূলঞ্চে তল গৈলোঁ।
ৰাজ্য-সম্পত্তিকো হাৰুৱাইলোঁ মহাভয়ে গুৱাহাটী পাইলোঁ
বিধিৰ কপটে হাততে আসি পৰিলোঁ॥
ফিৰিঙ্গি সবক মাৰিবেক সমদলে খেদি আসিবেক
বেঢ়ি ধৰি আজি ইহাতে মাৰিবে মোক।



অতি চেনেহৰ আইদেৱ মই বিনে তোৰ নাহি কেৱ
প্ৰতিপাল কৰি কোনে ৰাখিবেক তোক॥
নানা শত্ৰু পীড়া কৰিলেক তাৰ মান কোনে সাৰিবেক
ইটো খেদ মোৰ যমপুৰে চলি যাইব।
হেন জানি সবে নৰলোক ডুখ-শোক-চিন্তা এৰিয়োক
হৰি হৰি ঘোষা বৈকুণ্ঠত স্থান হৈব॥

---

## পদ ৷

ইংৰাজৰ গুলীত মৰাণৰ বিভঙ্গ।

বিবী বোলে স্বৰ্গীদেৱ ভয় নকৰিব।
ৰণ জিনি কাপটান এখনে আসিব॥
স্বৰ্গীদেৱৰ কথা আবে এহিমানে থওঁ।
কাপটানে যি কৰিলা তাক শুনা কওঁ॥
মটকৰ গৰ্ব্ব-বাণী শুনি কাপটান।
মহা খঙ্গে কাম্পে গাৱ নসহে পৰাণ॥
চিপাহীসবক পাচে আদেশ কৰিল।
তিনি জাঁই মাত্ৰমানে বন্দুক চুটাইল॥
মহা ভয়ানক পাচে শবদ বাজিল।
বন্দুকৰ ধুঁৱাসবে আকাশ ছানিল॥
অসংখ্যাত গুলীসব শীঘ্ৰে গৈল চলি।
কতো দূৰমানে সেনা পৰিলন্ত ঢলি॥
কাৰো উৰু শিৰসবে কঙ্কাল ভাগিল।
ঠাই ঠাই মৰি সবে দোলা-দোল ভৈল॥
প্ৰচণ্ড বতাসে যেন পকা তাল ফল।
মৃতকে ঢাকিল সবে ধৰণীমণ্ডল॥

হেন দেখি হাথীআৰে বেঢ়িয়া ধৰিল।
গুলী লাগি হস্তী গলে চিহঁৰিবে লৈল॥
বিমোহিত হুয়া হস্তীগণে ফুৰে পাক।
খচকি মাৰিলা বহু মটক সেনাক॥
হেন দেখি গোধা ভৰথি যে আগুৱাইল।
গুলী লাগি ভৰথিৰ আঙ্গুলি ছিগিল॥
হেন দেখি মটকৰ মহাভয় ভৈল।
গোধা ভৰথিয়ে সনে বিভঙ্গে পলাইল॥
পলাইবাৰ দেখি কাপটানে নেখেদিল।
হেন দেখি স্বৰ্গদেৱে মহাৰঙ্গ পাইল॥

বিজয়ী কাপটানৰ বিদায়।

কাপটানে স্বৰ্গদেৱক চালাম কৰিল।
চিপাহী সহিতে গৈয়া নগৰ সোমাইল॥
হস্তী-ঘোঁৰা ধন-ৰত্ন যতমানে পাইল।
কাপটানে স্বৰ্গদেৱৰ আগত জনাইল॥
মহাৰঙ্গে স্বৰ্গদেৱে চাহাবক দিলা।
আজ্ঞা পাই কাপটানে নৌকাত চৰাইলা॥
কাপটানে স্বৰ্গদেৱক চালাম কৰিল।
সাধু সাধু বুলি সিটো বিদায় মাগিল॥
যাইবাক লাগিয়া স্বৰ্গদেৱে আজ্ঞা দিল।
বিবী সমে কাপটানে স্বদেশে চলিল॥
কাপটানৰ কথা আবে এহিমানে থওঁ।
স্বৰ্গদেৱে যি কৰিলা তাক শুনা কওঁ॥

দিচৈ কোথৰত যোৰহাট নগৰ।

পূৰ্ণানন্দ মন্ত্ৰী বোলে শুনা মহাৰাজ।
ইহাত থাকিলে বৰ মিলিবে অকাজ॥



উচ্ছন্ন নগৰ ইটো শত্ৰুৰ আলয়।
হেন জানি যোৰহাটে যাইবাক লাগয়॥
এহি হৌক বুলি ৰজা আজ্ঞা কৰিলন্ত।
পাত্ৰ-মন্ত্ৰী সমে দিচৈ কোঁঠে চলিলন্ত॥
দিচৈ কাথৰত এক নগৰ পাতিল।
কতোদিনমানে তাতে প্ৰজাক পালিল॥

গৌৰীনাথ সিংহৰ অন্তিম-বাণী।

একদিনা পূৰ্ণানন্দ মন্ত্ৰীক মাতিলা।
চাৰিঙ্গীয়া দেৱতাকো তহিঁতে আনিলা॥
স্বৰ্গদেও বোলে শুনিয়োক মন্ত্ৰীবৰ।
আমাৰ বংশত এহেন্তেসে শ্ৰেষ্ঠতৰ॥
মহা ধৌৰ্য্যশালী এন্তে পৰম গম্ভীৰ।
পৰম বৈষ্ণৱ সন্ত গুণৰ মন্দিৰ॥
আহানেসে পুত্ৰ মহা হৈব ৰাজধৰ।
মই অবিহনে পাতিবাহা নৰেশ্বৰ॥
মোহোৰ শত্ৰুকমানে সকলে মাৰিবা।
পুত্ৰৰতে প্ৰজাগণ সবাকে পালিবা॥
এহি আজ্ঞা স্বৰ্গদেৱে যেবে কৰিলন্ত।
পূৰ্ণানন্দ মন্ত্ৰী তাক শিৰে ধৰিলন্ত॥
ভোগ-অবসানে ৰাজা স্বৰ্গে চলি গৈল।
চাৰিঙ্গীয়া দেৱতাৰ পুত্ৰে ৰাজা ভৈল॥

# দ্বিতীয় আধ্যা

## স্বৰ্গদেৱ কমলেশ্বৰসিংহ

### পদ ৷

কমলেশ্বৰ সিংহৰ আমোল।

গুণে গুণৱন্ত যেন দাশৰথি ৰাম।
ৰূপে কামদেৱ সম নাহিকে উপাম ॥
গৌৰাঙ্গবৰণ দেহ দেখিতে ৰুচিৰ।
বিনা অলঙ্কাৰে যাৰ শোভয় শৰীৰ ॥
ছত্ৰাকুত্য শিৰ অতি দেখি মনোৰম।
বদনমণ্ডল যেন পূৰ্ণচন্দ্ৰ সম ॥
পণ্ডিত বিদগ্ধ চাৰি ব্ৰাহ্মণ আসিল।
সাধুৰ্ব্বাদ বুলি সবে মঙ্গল কৰাইল ॥
চাৰি দিশে চাৰি মন্ত্ৰী সেৱা কৰিলন্ত।
কমলেশ্বৰসিংহ ৰাজা নামক থৈলন্ত ॥
যি কালত কমলেশ্বৰসিংহ ৰাজা ভৈল।
শইস্যে-মইস্যে সকলে মহা ৰাম-ৰাজ্য হৈল ॥

পূৰ্ণানন্দৰ গুণকীৰ্ত্তন।

ৰামচন্দ্ৰ লগে যেন সুমন্ত্ৰ প্ৰধান।
স্বৰ্গদেৱৰ লগে পূৰ্ণানন্দ সেহি থান ॥
চিপাহীসবক আবে যন্তাই লৈলন্ত।
ৰণ কৰি সকলে শত্ৰুক ভঙ্গাইলন্ত ॥
মহা ধৌৰ্য্যশালী বুধিমন্ত সদাচাৰী।
সৰ্ব্বগুণ-অলঙ্কৃত চিত্ত-প্ৰতিকাৰী ॥
ব্ৰাহ্মণ মহন্ত 'তুখীয়াক কৰে ত্ৰাণ'।
'তান সম দেশ-ৰক্ষাকাৰী নাহি আন' ॥



নুমলী ৰাজমাও।

ৰাজ-জননীৰ আবে কি কৈবোঁ মহিমা।
এক মুখে কোনে কহিবাক পাৰে সীমা ॥
লক্ষ্মীৰ শক্তিত 'আসি' ৰাজমাতৃ ভৈল।
দেশান্তৰ হন্তে ধন-বল বাসা লৈল ॥
দৈৱকীৰ গৰ্ভে একে কৃষ্ণে বাসা লৈল।
আন গৰ্ভে তুই ছত্ৰধাৰী ৰাজা ভৈল ॥
দৈৱকীত কৰি শ্ৰেষ্ঠ জানা মহাশয়।
আউৰ নাকহিলোঁ পদ বাহুল্যক ভয় ॥
পুত্ৰৱতে চৌধ্য বৰ্ষে প্ৰজা পালিলন্ত।
ভোগ-অবসানে ৰাজা স্বৰ্গে চলিলন্ত ॥

---

# তৃতীয় আধ্যা

## স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহ

### পদ

বদনলৈ কোম্পানিৰ উপদেশ।

তান ভাতৃ চন্দ্ৰকান্তসিংহ ৰাজা ভৈলা।
সপ্তম বৰিষতে হৈ প্ৰজাক পালিলা॥
একদিনা আসি তান বিধি বক্ৰ ভৈল।
অন্যো-অন্যে মন্ত্ৰীগণে বিৰোধ লাগিল॥
পূৰ্ণানন্দ মন্ত্ৰী পাচে তাক নসহিল।
ৰাজাৰ লগৰ সৈন্যগণকে মাৰিল॥
হুৰৰা-ফুকন গুৱাহাটীত আছিল।
তাহাঙ্ক ধৰিবে লাগি দূত পাঞ্চি দিল॥
এহি মন্ত্ৰণাক যেবে ফুকনে শুনিলা।
নৌকাত চৰিয়া ত্ৰাসে কলিকতা পাইলা॥
সকলে বৃত্তান্তমানে চাহাবত কৈলা।
ধন-ৰত্ন দিয়া কিছু চিপাহী খুজিলা॥
চাহাবে বোলন্ত শুনিয়োক মন্ত্ৰীবৰ।
পূৰ্ব্বে অঙ্গীকাৰ মই কৰিছোঁ ডাঙ্গৰ॥
ছত্ৰধাৰী ৰাজা বিনে নেদিবোঁহোঁ ৰণ।
তোমাক দিলেক হৈবে অঙ্গীকাৰ চূৰ্ন্ন॥
তথাপিতো দেওঁ মই হিত-উপদেশ।
নৌকাত চৰিয়া যায়ো মানৰাজা দেশ॥
মহা পৰাক্ৰমী ৰাজা যুদ্ধে অনিৰ্ব্বাৰ।
বলে কাঢ়ি লৈলা ৰাজ্য অনেক ৰাজাৰ॥



ফিৰিঙ্গি সহিতে পূৰ্ব্বে কন্দল লাগিল।
উভয় দলৰ সেনা বহুত মৰিল॥
পূৰ্ব্বে ৰণ ভৈলা যেন কৰ্ণ-অৰ্জ্জুনৰ।
সেহিমতে ভঙ্গ নাহি উভয় দলৰ॥
মই গৈয়া মিত্ৰ বাক্যে শান্তনা কৰিলোঁ।
সেহি দিনা ধৰি আমি মিত্ৰ অতি ভৈলোঁ॥

মানদেশত বদন।

হেন শুনি ফুকনেও মহাৰঙ্গ ভৈলা।
নৌকাত চৰিয়া মানৰাজা দেশে গৈলা॥
কতিপয় দিনে গৈয়া মানৰ দেশ পাইল।
সন্দেশ পত্ৰক দিয়া ৰাজাত জনাইল॥
পত্ৰ চাই নৃপতিৰ দায়া সম্পজিল।
দূত পাঞ্চি ফুকনক ত্বৰিতে নিয়াইল॥

মান-ৰাজধানীৰ শোভা বৰ্ণনা।

বৰফুকনেও গৈয়া নগৰ পশিলা।
হাটী-বাটি ধাউলি বৰ বিচিত্ৰ দেখিলা॥
গড়সব নিৰ্ম্মি আছে দেখি ৰুচিকৰ।
ভেদিবে নপাৰে শত্ৰু উশৃত ডাঙ্গৰ॥
চতুৰ্ভিতি বেঢ়ি বৰ আছে গড়খাই।
দেখি বিপক্ষৰ ভয়ে ধাতুক উৰায়॥
উচ্ছল-পাছল জল মৎসৰ প্ৰভাৱে।
সৰ্ব্বদায়ে খলকন খণ্ডে অনাবাৰে॥
ভয়ানক গ্ৰাহ এক জলত ফুৰয়।
তাহাৰ ভয়ত জল-জন্তু উফৰয়॥
বজ্ৰসম আছে তাত বাহুখান দ্বাৰ।
চিত্ৰকৰে নিৰ্ম্মি আছে দেখি চমৎকাৰ॥

গড়ৰ ভিতৰে দৌল সব প্ৰকাশয়।
জলমল কৰে আতি দেখি ৰত্নময়॥
তাহাৰ মাজত বৰ উশৃত মন্দিৰ।
ৰত্নময় স্তম্ভসব দেখিতে ৰুচিৰ॥
অসংখ্যাত চন্দ্ৰতাপসব প্ৰকাশয়।
অৰাৰি মুকুটামণি তাতে বিৰাজয়॥
অলময় সিংহাসন প্ৰকাশ কৰয়।
দুগ্ধ-ফেন সম তুলী তাতে বিৰাজয়॥
হেন সিংহাসনে বসি আছে নৰেশ্বৰ।
অম্ৰাৱতীপুৰে যেন শোভে পুৰন্দৰ॥
সুবৰ্ণৰ ছত্ৰসবে জাল মাৰি মাৰি।
অসংখ্যাত প্ৰজাগণে আছে জানু পাৰি॥

বদনৰ সাহায্যে মানসেনা।

তাহান সমীপে গৈয়া ফুকনো বসিলা।
অনেক মিনতি কৰি বৃত্তান্ত কহিলা॥
তাক শুনি নৃপতিৰ দায়া সম্পজিল।
মন্ত্ৰীসকলক চাই বুলিবে লাগিল॥
নৃপতি বোলন্ত শুনিয়োক মন্ত্ৰীগণ।
ফুকন আসিয়া মোত মাগিছয় ৰণ॥
শত্ৰু-ভীত জনক ৰাখিলে ধৰ্ম্ম পাই।
জানি আহ্ম হেলা কৰিবাক নজুৱাই॥
ৰাজাৰ আজ্ঞাত মন্ত্ৰী অনুমতি দিল।
অসংখ্যাত সেনাগণ যুদ্ধক পাঞ্চিল॥
অস্ত্ৰত নিপুণ সবে ৰণে অনিৰ্ব্বাৰ।
একৈকে যুদ্ধত শতেকক দেই বাৰ॥
কালমেঘ সম যেন দেখি ভয়ভীত।
দলদোপ কৰে মহী প্ৰজাৰ ভিৰত॥



মান সেনালৈ বম নামে একগোট সেনাপতি দিল।

ৰাজ-আজ্ঞা।

সমীপক নিয়া ৰাজা আজ্ঞাক কৰিল॥
শুন অৰে বম তই মোহোৰ বচন।
ফুকনৰ লগে তই চল এতিক্ষণ॥
ফুকনৰ শত্ৰুমানে সবাকে মাৰিবি।
ইন্দ্ৰবংশী নৃপতিৰ দ্ৰোহ নাচৰিবি॥
এই আজ্ঞা যদি মোৰ কৰিবিহি ছন্ন।
সপুত্ৰ-বান্ধৱে তোৰ মিলাইবোঁ মৰণ॥

মান-ৰজাৰ আঁতিগুৰি।

গাভৰুমেলীয়া বোলে শুনা দ্বিজবৰ।
মান ৰাজা ভৈল আসি কাহাৰ বংশৰ॥
বৈদ্যাধিপ বদতি শুনিয়ো দ্বিজবৰ।
যি কথা পুছিলা আবে কহোঁ সাৰোত্তৰ॥
পূৰ্ব্বে বঘাসুৰ নামে নৃপতি আছিল।
বিদূৰ্য্য গিৰিত এক নগৰ পাতিল॥
বাহুবলে তিনিও লোকক জিনিলন্ত।
ৰণে জিনি ৰাৱণক বান্ধি আনিলন্ত॥
কলিযুগে কৃষ্ণ অৱতাৰ যেবে ভৈল।
পাণ্ডৱসকলে বনবাসে চলি গৈল॥
বনত ভ্ৰমন্তে সেহি স্থানক পাইলন্ত।
পাণ্ডৱে সহিতে ঘোৰ যুদ্ধ লাগিলন্ত॥
কতো দিনমানে তাত ঘোৰ যুদ্ধ ভৈল।
প্ৰজাৰ শোণিতে এক নদী বহি গৈল॥
কৃষ্ণৰ প্ৰসাদে পাচে যুদ্ধত জিনিল।
গদাযুদ্ধ কৰি ভীমে তাহাক মাৰিল॥
তাহাৰ সন্ততিগণ ইঠাইক আসিল।
মানৰ ৰাজ্যত সিটো নৰাধিপ ভৈল॥

কামিনীফুকন আৰু গম্ভেচিং ৰজা।

মান ৰাজাৰ কথা আবে এহিমানে থওঁ।
বমে যি কৰিলা আবে তাকে শুনা কওঁ॥
এহি আজ্ঞা যেবে মান ৰাজা কৰিলন্ত।
ফুকনে সহিতে সেনাপতি চলিলন্ত॥
মুনকাঙ্গ হুকুমীয়া আৰু চিংফৌ যত।
এহিসব ৰাজা আইলা বমৰ লগত॥
কতিপয় মাসে আসি ঘিলামৰা পাইলা।
কামিনী ফুকনে আসি গগৈত জনাইলা॥
শুনিয়া গগৈয়ে শীঘ্ৰে দূত পাঞ্চি দিল।
কামিনীক নিয়া পাচে পুছিবে লাগিল॥
গগৈয়ে বোলন্ত শুনা কামিনী ফুকন।
কোনোবা দেশৰ তোৰা আইলা কি কাৰণ॥
গগৈ-ৰাজখোৱা যেবে কথা সুধিলন্ত।
ফাকট কৰিয়া কামিনীয়ে কহিলন্ত॥
গৌৰীনাথসিংহ তোমাসাৰ মহাৰাজা।
গুৱাহাটী হন্তে তান গৈল এক ভাৰ্য্যা॥
তাহান সন্ততি এক বিদেশত ভৈল।
নৌকাত চৰিয়া আমাথেৰ ৰাজ্যে গৈল॥
মান নৃপতিৰ দেখি দায়া সম্পজিলা।
তান অনুগ্ৰহে গম্ভচিঙ্গ ৰাজা ভৈলা॥
তান লগে বৰফুকনেও মন্ত্ৰী ভৈলা।
তোমাসাৰ ৰাজ্যে ৰাজা হুইবাক আসিলা॥
যদি শক্তি আছে আগবাঢ়ি ৰণ দিয়ো।
নুহি সমদলে গৈয়া তাহান্তে বৰিয়ো॥

অসমত মান, আৰু পূৰ্ণানন্দৰ মৃত্যু।

এহি বুলি কথা-যুদ্ধে সবাকো জিনিলা।
সমদলে আসি পাচে ঘিলামৰা লৈইলা



হেন দেখি গগৈয়ে যে দূত পাঞ্চি দিলা।
সকলে বৃত্তান্তমানে মন্ত্ৰীত কহিলা॥
হেন শুনি বুঢ়াগোহাঁই সচকিত ভৈলা।
অসংখ্যাত চিপাহীক যুদ্ধক পাঁচিলা॥
ঐত হন্তে কামিনীয়ে মেলেঙ্গক পাইল।
দূত পাঞ্চি বুঢ়াগোহাঁই তহিতে ৰাখিল॥
অনুক্ৰমে মানে আসি চৰাইদেৱ পাইল।
সেহি সময়তে বুঢ়াগোহাঁই মৃত্যু ভৈল॥
স্বৰ্গদেৱে শুনি বৰ খেদ কৰিলন্ত।
তাহান পুত্ৰক ৰাজা মন্ত্ৰী পাতিলন্ত॥

অসম-সৈন্যৰ ৰণভঙ্গ।

বৈদ্যাধিপ বদতি শুনিয়ো দ্বিজবৰ।
যেন কথা ভৈল পাচে তাত অনন্তৰ॥
গগৈ-ৰাজখোৱা চিপাহীৰ লগ পাইল।
সবে সেনাগণ মিলি যুদ্ধক যন্তাইল॥
চিপাহীসকলে তম্বকুত বাৰি দিলা।
গগৈ সেনাপতি ঘোটকত চৰি গৈলা॥
বম সেনাপতি দেখি তাক নসহিল।
অসংখ্যাত সৈন্যগণ যুদ্ধক পাঞ্চিল॥
মান নৃপতিৰ সেনা আতি অদভূত।
সাক্ষাতে দেখিয়া কালান্তক যমদূত॥
উভয় সেনাৰ তৈতে তুমুল মিলিল।
বন্দুকৰ মহাশব্দে গগন পূৰিল॥
অসংখ্যাত গুলীসব হানিয়া পঠাইল।
উভয় সেনাত প্ৰজা বহুত মৰিল॥
তথাপিতো মানসেনাগণে খেদি যাই।
মৰিলেও কেহ পাঁচ-ভৰি নকৰয়॥

দেখিয়া গগৈৰ মনে বিস্ময় ভৈগৈল।
মনত ভাবিয়া বোলে মৰণ মিলিল॥
চিপাহী সহিতে পলাইবাক সাজ ভৈল।
মহাভয় হুয়া গড় ভিতৰ সোমাইল॥
মান নৃপতিৰ সেনাগণে খেদি আইল।
কোঁঠৰ চৌপাশে জুৰি বেঢ়িয়া ধৰিল॥
অসংখ্যাত বন্দুকৰ প্ৰহাৰ কৰিল।
ৰক্তবৰ্ণ গুলীসবে গগন ছানিল॥
হেন দেখি প্ৰজাগণ ভৈলা মহাভয়।
ত্ৰাহি মান ৰাজা বুলি আটাস পাৰয়॥
অস্ত্ৰ-শস্ত্ৰ এৰি আমি যুদ্ধক এৰিলোঁ।
প্ৰাণ নামাৰিবা আমি তোমাতে বৰিলোঁ॥
হেন শুনি হুৰৰা-মন্ত্ৰীয়ে বাধা দিল।
গুলী মাৰিবাক চতুৰ্দ্দিশে নিবাৰিল॥

গগৈ সেনাপতিৰ নিৰ্য্যাতন।

সেহি সময়তে মানে ভিতৰ পশিল।
চিপাহীসবৰ অস্ত্ৰ-শস্ত্ৰ কাঢ়ি নিল॥
সেনাপতিসকলকো ধৰি বাহিৰাইল।
বস্ত্ৰ-অলঙ্কাৰ কাঢ়ি লৈয়া সাঙ্গুৰিল॥
গগৈক দেখিয়া মানে বেঢ়িয়া ধৰিল।
এহি গোটে গৈয়া আগবাঢ়ি ৰণ দিল॥
উলঙ্গত কৰি বস্ত্ৰ লৈলন্ত খসাই।
নাচ নাচ বুলি মানে চাপৰি বজাই॥
কঙ্কালত দোল লগাই জলক নিলন্ত।
কতো বেলি তোলে কতো বেলি ডুবাৰন্ত॥
বালী যেন ৰাৰণাক স্নান কৰাইলন্ত।
সেহিমতে মানে গগৈক জলে মজ্জাইলন্ত॥



মানৰে মিত্ৰতা।

ভয়ে প্ৰজাগণ দশোদিশে পলাই গৈল।
শুনা আতপৰে পাচে যেন কথা ভৈল॥
ভগনীয়া সেনাগণে মন্ত্ৰীত কহিলা।
মন্ত্ৰী গৈয়া নৃপতিৰ আগত কহিলা॥
শুনিয়োক মহাৰাজ কথাৰ বৃত্তান্ত।
মানে আসি আমাসাৰ সেনা ভঙ্গাইলন্ত॥
সেনাপতিসকলকো ধৰি বান্ধি নিল।
জীৱন্তে ৰাখিছে কিবা সবাকো কাটিল॥
অঠাৰ কুম্পানি চিপাহীয়ো ভৈল হত।
আউৰ কেন জয়-আশা কৰিবোঁ মনত॥
হেন জানি আমি সবে নগৰ এৰিয়া।
গুৱাহাটীত থাকোঁ আমি সবে পলাই গৈয়া॥
নৃপতি বোলন্ত মন্ত্ৰী শুনিয়ো বচন।
আমি পলাই গৈলে মানে কৰিবে উচ্ছন॥
প্ৰজা নষ্ট ভৈলে ৰাজা নকৰে শোভন।
ৰাইজ্য নষ্ট ভৈলে আত নাহি প্ৰয়োজন॥
পলাই গৈলে আমি হাসিবেক সৰ্ব্বলোক।
ৰাইজ্যৰ নিমিত্তে মোৰ যেহি লাগে হোক॥
এতহন্তে মানে আসি হাতীগড় পাইল।
দূতে আসি বাৰ্ত্তা ৰাজা মন্ত্ৰীত জনাইল॥
ভয়ে বুঢ়াগোহাঁই ভাতৃ সমে পলাই গৈল।
পাত্ৰ-মন্ত্ৰী সমে ৰাজা নগৰে ৰহিল॥
ৰাজা মন্ত্ৰী সমে পাচে আলোচ কৰিল।
আগবঢ়াইবাক লাগি দূত পাঞ্চি দিল॥
দূতে গৈয়া মৃদু বাক্যে মানত কহিলা।
নৃপতিৰ পুণ্যবলে সিও শান্ত ভৈলা॥

অনুক্ৰমে মানে আসি ভোগদই পাইলা।
তাহাৰ নিকটে কোঁঠসব বান্ধি ৰৈলা॥
বৰফুকনেও নগৰত পশিলন্ত।
নৃপতিক দেখি নমস্কাৰ কৰিলন্ত॥
চক্ষুৰ লোটকসব পৰে সৰসৰি।
কান্দিবে লাগিলা সবে নিকাৰ সুমৰি॥

কবিৰ উপদেশ।

দেখা সভাসদ কেনে কালৰ মহত্ত।
ঐশ্বৰ্য্য-বিভূতি একেতিলে হোৰে হত্ত॥
মিছা ভাৰ্য্যা-পুত্ৰগণ ধন-জন যত।
মৰিল মাত্ৰকে কেহো নযায় লগত॥
হেন জানি বিষয়ত হুয়োক বিমুখ।
সাধুৰ সেৱাত আসি মিলে মহাসুখ॥
হেন জানি বুধ জনে তেজা আন কাম।
সংসাৰ তৰিবা যেবে বোলা ৰাম ৰাম॥

---

## পদ॥

বদনৰ নিজকথা।

নৃপতি বোলন্ত মন্ত্ৰী শুনা মোৰ বাক।
কেনমতে পাইলা লাগ মানৰ ৰাজাক॥
মন্ত্ৰী বোলে গুৱাহাটী হন্তে পলাই গৈলোঁ।
কতো দিনমানে গৈয়া কলিকতা পাইলোঁ॥
একোৰে প্ৰকাৰে তাত চিপাহী নাপাইলোঁ।
তান উপদেশে মই মানদেশে গৈলোঁ॥
কতো দিনমানে গৈয়া তহিতে আছিলোঁ।
তাহাৰ দেশৰ ভাষা কিছু নুবুজিলোঁ॥



হলি নামে এক মনুষ্যক চিনি পাইলোঁ।
তুৱৰা-ফুকন বুলি তাহাতে কহিলোঁ॥

মান ৰজাৰ কুঁৱৰী ৰঙ্গিলী।

সিটো গৈয়া নৃপতিৰ ভাৰ্য্যাত কহিলা।
আমাৰ দেশৰ কন্যা চিঙ্গফুয়ে দিলা॥
তেহোঁ মোৰ ভাতৃ বুলি ৰাজাত জনাইলা।
মান নৃপতিয়ে শুনি আমাক নিয়াইলা॥
শত্ৰু মাৰিবাক মোৰ লগে সেনা দিলা।
যুদ্ধ যিনি সেহি হেতু দিচৈ-কোঁঠে আইলা॥
তথাপিতো শত্ৰুসব নপাইলোঁহোঁ লাগ।
তযু দৰশন ভৈলোঁ এহি মোৰ ভাগ॥

মন্ত্ৰীফুকন বদন।

নৃপতি বোলন্ত আত খেদ পৰিহৰা।
শিশু ছৱালৰ আবে দোষ ক্ষমা কৰা॥
পিতৃৰ দোষত কেনে পুত্ৰক মাৰিবা।
তাহাক খেদিয়া মোৰ দেশ নভাঙ্গিবা॥
এহি বুলি ফুকনক মন্ত্ৰী নাম দিলা।
ধনীক আনিয়া বৰবৰুৱা পাতিলা॥
একজনা মন্ত্ৰী তৰাতলীত আছিল।
তাহাঙ্ক আনিয়া বৰগোহাঁই নাম দিল॥
ৰাজা মন্ত্ৰীগণসবে একস্থান ভৈলা।
মানৰ সেনাক বস্ত্ৰ অলঙ্কাৰ দিলা॥
মান নৃপতিক লাগি কন্যা এক দিলা।
মিত্ৰৱতী কৰি তাঙ্ক স্বদেশে পঠাইলা॥
বম সেনাপতি আসি ৰাজাক নমিলা।
কন্যা ধন-ৰত্ন লৈয়া স্বদেশে চলিলা॥

ধন-ৰত্ন বহুত্তৰ মানক দিলন্ত।
বন্দীয়াৰ সেনাপতিসব মেলাইলন্ত॥

বন্দন হত্যা। মান সেনাপতি যেবে স্বদেশে চলিলা।
কতোদিন অন্তে এক প্ৰমাদ মিলিলা॥
বুঢ়াগোহাঁই গৃহে ফুকনৰ বাসা ভৈল।
মন্ত্ৰীৰ কাৰ্য্যত ফুকনেও প্ৰবৰ্ত্তিল॥
হেন দেখি মন্ত্ৰীগণে কেহো নসহিল।
ৰূপচিং বঙ্গালক অনুমতি দিল॥
একদিনা গৈয়া পাচে বেঢ়ি ধৰিলন্ত।
চিপাদাৰ গৈয়া ফুকনক কাটিলন্ত॥
যেন এক প্ৰাণী তাপ শান্তি কৰিবাক।
মেঘক চিন্তিবে লৈলা বৃষ্টি আনিবাক॥
সেহি মেঘে আসি বজ্ৰ হানিয়া পঠাইল।
তাপ শান্তি হৌক ছাৰি প্ৰাণকো মাৰিল॥
ফুকনকো সেহি পটন্তৰে আসি পাইলা।
সাহাশ্ৰয় মন্ত্ৰী লৈলা তেসন্থে মাৰিলা॥
এতহন্তে স্বৰ্গদেৱে ৰঙ্গপুৰ লৈলা।
আত অনন্তৰে শুনা যেন কথা ভৈলা॥
বুঢ়াগোহাঁই গৈয়া যেবে গুৱাহাটী পাইলা।
মন্ত্ৰী-ভাৰ্য্যাগণে চাপি ক্ৰন্দন কৰিলা॥

---

## মুক্তাৱলী

পুৰ্ণানন্দৰ পত্নীসকলৰ বিলাপ।

হা হৰি হৰি স্বামী গৈল মৰি
আইলোঁ ৰাজ্য এৰি পাইলোঁ কামপুৰী এ
ধন-জন বাৰী সকলো তৈতে থাকিলা।



তোমাৰ সমান মন্ত্ৰী নাহি আন
শত্ৰু স্থানে স্থান কৰিলা নিৰ্য্যান এ,
অন্টকা কৰি সমস্তে ভূমি পালিলা॥
তোমাৰ বিয়োগে বঞ্চিলেক ভোগে
দৈৱৰ সংযোগে পাইল মহাৰোগে এ,
বিপত্তি কালত আপুনি তুমি মৰিলা।
বিধি বিৰম্বিলে মানেও খেদিলে
যুদ্ধতো হাৰিলে বলে নোৱাৰিলে এ,
আমাৰ কপালে বিধাতা হেন লেখিলা॥

---

## পদ।

সৰুগোহাঁই কোম্পানিৰ সহায়প্ৰাৰ্থী।

এহিমতে আনো নানা শোক কৰিলন্ত।
বিদেশক লাগি সৰুগোহাঁইক পাঞ্চিলন্ত॥
ধন-ৰত্ন কিছু দিয়া চাহাবত কৈলা।
মানে আসি আমাসাৰ ৰাজ্য কাঢ়ি লৈলা॥
মানৰ দেশক নিলা নৃপতিক ধৰি।
আমি সবে 'ভয়-ভীতে' পলাইলোঁ লৰৰি॥
চাহাবে বোলয় আত নাহিকে প্ৰত্যয়।
ৰাজ-আজ্ঞা নাহি ৰণ দিবে নপাৰয়॥
নিৰুচ্ছাস হুয়া কলিকতা হন্তে আইল।
কতোদিনমানে আসি চিলমাৰি পাইল॥

ব্ৰজনাথ কোঁৱৰ।

ব্ৰজনাথ কুমৰেও এহি বাৰ্ত্তা পাইলা।
দূত পাঞ্চি সৰুগোহাঁইক তহিতে নিয়াইলা॥

ব্ৰজনাথে বোলে শুনা মন্ত্ৰীৰ তনয়।
তোমাক লাগিয়া আমি আছোঁ বাট চাই॥
অসম ৰজাৰ মই বংশত জন্মিলোঁ।
তথু পিতৃ ভয়ে মই বিদেশক আইলোঁ॥
দন্দুৱা চিপাহী কিছু লগত চলাইবোঁ।
তুমি অনুমতি দিলে স্বদেশে চলিবোঁ॥
এহি মন্ত্ৰণাত সৰুগোহাঁই মতি দিলা।
ব্ৰজনাথ সমে উজাই গুৱাহাটী পাইলা॥
কপট কৰিয়া এক চাহাব পাতিলা।
এহি কথা শুনি প্ৰজাগণে লাগ লৈলা॥
নৃপতিৰ পক্ষ মন্ত্ৰী ৰহাত আছিল।
বঙ্গালৰ হাতে আসি তাহাক মৰাইল॥
সমদলে আসি পাচে দিচৈ-কোঁঠ পাইল।
মন্ত্ৰণা কৰিয়া প্ৰজা সকলো চলাইল॥
কিছুমান মাত্ৰ সৈন্য লগত থাকিল।
মন্ত্ৰীসকলেও বুঢ়াগোঁহাইৰ ভিতি ভৈল॥

স্বৰ্গদেৱ পুৰন্দৰসিংহ।

এতহন্তে সৰুগোহাঁই নগৰক গৈলা।
অনেক শান্তনা কৰি ৰাজাক বুজাইলা॥
দেৱ-ব্ৰাহ্মণক আনি আগতে থোৱাইল।
স্বৰ্গদেৱৰ পক্ষ বুলি সপত কৰিল॥
শিশুমতি ৰাজা তাতে প্ৰত্যয় গৈলন্ত।
সৰুগোহাঁই সমে দিচৈ-কোঁঠক পাইলন্ত॥
বিধিৰ কপট আসি তথাতে মিলিল।
অন্যো অন্যে মন্ত্ৰীগণে আলোচ কৰিল॥
ফল্‌গুৎসৰ গৃহে পাচে একস্থান ভৈলা।
পুৰন্দৰ কুমৰক নৃপতি পাতিলা॥



চন্দ্ৰকান্ত-সিংহৰ ৰাজ্য আৰু সম্পত্তি হৰণ।

সৰুগোহাঁই গৈয়া পাচে ভিতৰ পশিলা।
নৃপতিৰ ধন-ৰত্ন সবে কাঢ়ি লৈলা॥
বস্ত্ৰ-অলঙ্কাৰ যত সবাকো লৈলন্ত।
পৰিধান বস্ত্ৰ শৰীৰত থাকিলন্ত॥
অভ্যন্তৰ হন্তে নৃপতিক বাহিৰাইল।
ৰাজমাতৃ আইদেও পাচতে চলিল॥
চক্ৰৱৰ্ত্তী নৃপতিৰ ভৈল কেন দেখা।
ইতৰ প্ৰাণীৰ আবে কৈত আছে লেখা॥
যিটো চক্ৰৱৰ্ত্তী মহাৰাজা আছিলন্ত।
চতুৰঙ্গ দলে যাক সেৱা কৰিলন্ত॥
শ্বেত ছত্ৰ যাৰ শিৰ-উপৰে চৰাইল।
কালৰ বিক্ৰমে একেতিলকে উৰাইল॥
হেন জানি বিষয়ত এৰা আশকতি।
কৃষ্ণৰ সেৱাত পাৰে অখণ্ড মুকুতি॥
জানি বিষয়ত সৱে হুয়োক বিমুখ।
কৃষ্ণৰ নামেসে সাধে অখণ্ডিত সুখ॥
দ্বিজ বিশ্বেশ্বৰে ভণে তেজা আন কাম।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম॥

---

## বিদগ্ধ লেচাৰী

পুৰনাৰীৰ বিলাপ।

যেতিক্ষণে নৰেশ্বৰ ওলাই আইল অভ্যান্তৰ
পুৰবাসী যত নাৰী আছে, কি ৰাম ৰাম।
আউল-জাউল কৰি কেশ যেন বাতুলৰ বেশ
উৰ্ম্মি কৰি কান্দিলন্ত পাচে, কি ৰাম ৰাম॥

হা হা প্ৰভু নৰেশ্বৰ কৈক যাহা একেশ্বৰ
আমাসাক কৰিয়া অনাথ, কি ৰাম ৰাম।
এহি বুলি গেৰি পাৰি কান্দে সবে নৰ-নাৰী
মহাশোকে ধাকুৰন্ত মাথ, কি ৰাম ৰাম॥
হা হা দেৱী ৰাজমাৱ কেনে যাইবা ভূমি পাৱ
চতুৰ্দ্দোলে চলিছিলা আগে, কি ৰাম ৰাম।
হাণ্টিবে নপাৰা ভূমি কিমতে চলিবা তুমি
হেনসে মিলিলা কৰ্ম্মভাগে, কি ৰাম ৰাম॥
অনেক সুন্দৰী দাসী পৰিচৰ্য্যা কৰে আসি
মন্ত্ৰীগণে সেৱা ধৰিছিলা, কি ৰাম ৰাম।
হেন মাতৃ কৈক যাইবা শীত-বাত-ৰৌদ্ৰ পাইবা
চন্দ্ৰ-সূৰ্য্যে যাক নাদেখিলা, কি ৰাম ৰাম॥
ৰাজ্য লৈয়া দুৰ্য্যোধনে পাণ্ডৱ খেদাইল বনে
দ্ৰৌপদীও লগতে চলিলা, কি ৰাম ৰাম।
নৃপতিৰো পত্নীগণে চলিলন্ত দুখ মনে
আসম্বাৰো হেনসে লেখিলা, কি ৰাম ৰাম॥

---

## পদ।

তৰাতলীতে চন্দ্ৰকান্ত-সিংহ।

এহিমতে নাৰীগণে শোকে কান্দিলন্ত।
ধীৰে ধীৰে নৃপতিও ওলাই আসিলন্ত॥
বৰদুৱাৰৰ যেবে বাহিৰ ভৈলন্ত।
নৰ বাহৰতে নিয়া তৈতে থোৱাইলন্ত॥
কতিপয় দিনমানে তহিতে আছিল।
তৰাতলীত থৈবে লাগি ৰাজা আজ্ঞা দিল॥



দূতে গৈয়া বাহৰৰ হন্তে বাহিৰাইল।
মাতৃগণ সমে জ্যেষ্ঠ ভগিনী কান্দিল॥
মহাশোকে কান্দিলন্ত সবে পত্নীগণ।
তথাপিতো নৃপতিৰ দুখ নাহি মন॥
ঈশ্বৰক চিন্তি ৰাজা ধীৰে ধীৰে যাই।
লাৱণ্য পদত যেন ৰুধিৰ বৈ যাই॥
ৰাজাক চাইবাক যত আইল নৰ-নাৰী।
কান্দিবে লাগিলা সবে শোক জানু পাৰি॥
অন্যো অন্যে প্ৰজাগণে বোলয় সম্বুধি।
ৰাজা-মন্ত্ৰী সকলকো পাইলেক বিবুধি॥
ৰাজাৰ শোণিত যিটো ভূমিত পৰয়।
অচিৰ কালত দেশে সমে নষ্ট হয়॥
এহিমতে কৰ্ণাকৰ্ণি প্ৰজাগণে কৰে।
অধোমুখে কাহাক নচান্ত নৃপবৰে॥
কেন্দুৰ চকীত কিছু বিশ্ৰাম কৰিল।
এহিমতে মহাদুখে তৰাতলী পাইল॥
চাঙ্গমাই বৰুৱাও পাচে লাগ লৈলা।
নৃপতিৰ দাস্য-কৰ্ম্ম কৰিয়া আছিলা॥

শ্ৰীকৃষ্ণ ভজিবলৈ ৰাজমাওৰ ব্যৱস্থা।

ইকথা থাকোক আবে শুনা পাচ কথা।
চন্দ্ৰকান্ত নৃপতিৰ শুনিয়ো ব্যৱস্থা॥
একদিনা ৰাজমাতৃ সমীপক গৈলা।
নৃপতিক সম্বুধিয়া বুলিবে লাগিলা॥
আমাৰ বচন আবে শুনা বপাইদেৱ।
কৃষ্ণ বিনে আমাক তাৰন্তা নাহি কেৱ॥
পূৰ্ব্বত গজেন্দ্ৰে মাধৱক আৰাধিল।
গ্ৰাহৰ মুখৰ হন্তে তাঙ্ক নিস্তাৰিল॥

অদ্যাপিও কৃষ্ণৰ চৰণে কৰা সাৰ।
তেহেন্তে কৰিব পাৰে আপদ নিস্তাৰ॥

চন্দ্ৰকান্তৰ জগন্নাথ মূৰ্ত্তি দৰ্শন।

জননীৰ বাক্যে ৰাজা থিৰ কৰি মন।
দৃঢ় কৰি চিন্তিলন্ত কৃষ্ণৰ চৰণ॥
অষ্টদল পদ্ম আছে হৃদয় মধ্যত।
তাতে মাধৱক আনি কৰিলা বেকত॥
মেঘসম শ্যাম তনু গাৱে পীতবাস।
সজ্জল মেঘত যেন বিজুলী প্ৰকাশ॥
আজানুলম্বিত চাৰিখান ভুজ যাৰ।
শঙ্খ-চক্ৰ-গদা-পদ্মে কৰে চমৎকাৰ॥
মৃণাল সমান বাহু দেখি সুৱলিত।
কেয়ুৰ কঙ্কণ শোভে ৰত্ন বিৰচিত॥
ৰত্নৰ আঙ্গুঠিগণ জ্বলে আঙ্গুলিত।
হীৰা মৰকত নানা মাণিকে খচিত॥
আৰকত কৰতল যেন কিশলয়।
দশ নখে যেন দশ চন্দ্ৰমা জ্বলয়॥
অমূল্য ৰত্নৰ শিৰে কিৰীটি শোভয়।
তাহাতে প্ৰকাশে সুবাসিত পুষ্পচয়॥
অলকা পঙ্কতি যেন ভ্ৰমৰে ৰঞ্জয়।
মকৰন্দ আশে যেন তাতে পৰিচয়॥
সুসম ললাটে জলে ৰত্নৰ তিলক।
ভ্ৰুব যুগে নিন্দে যেন মদন-চাপক॥
আয়ত লোচন যেন পঙ্কজৰ পাখি।
সুধা বৃষ্টি কৰে যেন মুখে মৃদু হাসি॥
উন্নত নাসিকা যেন দেখি তিল ফুল।
প্ৰকাশ কৰয় আতি অধৰ ৰাতুল॥



মকৰ কুণ্ডল কৰ্ণে দেখিয়া সুবেশ।
তাৰ ৰশ্মি পাণ্ডুৰ প্ৰকাশে গণ্ডদেশ॥
মুকুতাৰ শাৰী যেন দশনৰ পান্তি।
হাস্যে নিন্দা কৰে যেন চন্দ্ৰমাৰ কান্তি॥
কণ্ঠত কৌস্তুভে আতি প্ৰকাশ কৰয়।
প্ৰভাত কালত যেন অৰুণ উদয়॥
গলত প্ৰকাশ কৰে সাতশৰী হাৰ।
তাৰ মাজে শোভে মালা গজমুকুতাৰ॥
আপাদ লম্বিত বনমালা জ্বলে গলে।
প্ৰকাশয় শ্ৰীবৎস বহল বক্ষস্থলে॥
অমোল্য ৰত্নৰ জ্বলে মেখলা কটিত।
প্ৰকাশ কৰয় আতি পাট-ভুনি পীত॥
ৰত্নৰ কিঙ্কিণিগণে কৰে ৰুণ-জুন।
দখিণ পৰীতী পীত উত্তৰী নগুণ॥
লক্ষ্মীৰ নিবাস স্থান ভৈলন্ত হিয়াত।
সুবৰ্ণৰ ৰেখা যেন কষটি শিলাত॥
ৰামকল সম যাৰ মনোহৰ উৰু।
মধ্যদেশ দেখি যেন হৰৰ ডম্বৰু॥
নানা ৰত্নে নিৰ্ম্মি আছে জজ্ঘাত হোডৰ।
পদপৃষ্ঠে শোভে আতি নুপুৰ ৰত্নৰ॥
আৰকত পদতলে প্ৰকাশ কৰয়।
ধ্বজ বজ্ৰ আদি পঞ্চ চিহ্নে বিৰাজয়॥
ৰত্নসিংহাসনে বসি আছন্ত অৰাৰি।
চৌপাশে সেৱন্ত পাৰিষদে জানু পাৰি॥
মৌক্তিক ধৱল চন্দ্ৰসম ছত্ৰখান।
হীৰা মৰকত লগাই আছে স্থানে স্থান॥

ৰত্নৰ পতকাগণ আছে জিকি পাৰি।
তাৰাগণে আছে যেন চন্দ্ৰক আৱৰি॥
হেনয় বিচিত্ৰ ছত্ৰ ধৰিয়া আছয়।
তাৰায়ে সহিতে যেন চন্দ্ৰমা শোভয়॥
ব্ৰহ্মা-হৰ আদি দেৱে সেৱিয়া আছয়।
কোটি সূৰ্য্য সম জ্যোতি চাহন নযায়॥
হেনয় অদ্ভুত ৰূপ নৃপতি ভাবিলা।
সমাধি কৰন্তে হৃদি-পঙ্কজে দেখিলা॥

চন্দ্ৰকান্তলৈ মান ৰজাৰ বেথা।

নৃপতিক লাগি কৃষ্ণে দায়া দৃষ্টি চাইলা।
প্ৰভুৰ প্ৰসাদে মহামায়া তুষ্ট ভৈলা॥
কৃপাময়ী ভগৱতী দূত পাঞ্চি দিলা।
মগৰূপে দণ্ডমান ৰাজাত কহিলা॥
বৰুৱা আছিল তেহো পাখি কৰে আৰ।
সমন্ধত হবে খুড়া মমাই বৰুৱাৰ॥
মগৰ পাচত তেহো দূত পাঞ্চি দিল।
মান দেশে আছিল মমাই বৰুৱাত জনাইল॥
পত্ৰ চাহি মমাই বৰুৱা যে খেদ পাইল।
শোকাকুল হুয়া মান ৰাজাত জনাইল॥
শুনিয়োক মহাৰাজা যেন কথা ভৈল।
তযু মিত্ৰ নৃপতিৰ আপদ মিলিল॥
ব্ৰজনাথ কুমৰেও ৰাজ্য কাঢ়ি লৈলা।
নগৰৰ খেদি তৰাতলীত থোৱাইলা॥

হেমো মাপায়াৰ মোহিনী মায়া।

অন্তেসপুৰত আইদেৱে বাৰ্ত্তা পাইল।
শোকাকুল হৈয়া নৃপতিৰ আগে কৈইল॥



আমি বিদ্যমানে জ্যেষ্ঠ ভাতৃৰ বিলাই।
ছাড় জীৱনত মোৰ কিছু আশা নাই॥
মান নৃপতিৰ মহা বিচাট লাগিল।
মন্ত্ৰীসকলক চাই বুলিবাক লৈল॥
নৃপতি বোলন্ত মন্ত্ৰী শুনিয়ো বচন।
আপদে ৰাখিব এহি মিত্ৰ প্ৰয়োজন॥
চন্দ্ৰকান্তসিংহ সম মিত্ৰ নাহি আন।
বৃদ্ধকালে মোক যুবা কন্যা দিলা দান॥
যুবা কন্যা পাইলে বৃদ্ধে নিচিন্তয় আন।
ক্ষণমাত্ৰ নাদেখিলে নসহে পৰাণ॥
পূৰ্ব্বে শুনি আছোঁ দশৰথ নৃপতিৰ।
ৰামচন্দ্ৰ পুত্ৰ ভৈলা গুণৰ মন্দিৰ॥
যুৱতী ভাৰ্য্যাৰ বোলে ৰাজ্যৰ খেদাইল।
পিতৃ-বাক্যে প্ৰভু ৰামে বনবাসে গৈল॥
ৰাজাৰ ভগিনী আসি মোকো মুহিলন্ত।
অনেক সুন্দৰী মাজে প্ৰধান ভৈলন্ত॥
ইহান শোকক মই কিমতে সহিবোঁ।
মই গৈয়া যেন শত্ৰু খেদি ৰাইজ্য দিবোঁ॥
আৰু এক কথা কহোঁ শুনা মন্ত্ৰীগণ।
নৃপতি পঠাইল যিবা মন্ত্ৰী একজন॥
তেহোঁ যাই হুকুমৰ ৰাজ্য পাইল গৈয়া।
তাহাঙ্ক আনিবে শীঘ্ৰে দূত পাঞ্চি দিয়া॥
শুনি মন্ত্ৰীগণে শীঘ্ৰে দূত পাঞ্চিলন্ত।
হুকুমৰ হন্তে ডেকাফুকনক নিলন্ত॥
ফুকনক চাই ৰাজা বুলিলা বচন।
তোমাসাৰ দেশে কিবা হেন প্ৰবৰ্ত্তন॥

ৰাজা ভাঙ্গি ৰাজা হৈবে হেনসে আচাৰ।
অতীজ আছয় কিবা সকলে প্রজাৰ॥
শুনি মন্ত্রী ভূমি চুই কর্ণে হাত দিলা।
গৰিহিত কর্ম্ম বুলি বিষ্ণু সুমৰিলা॥

অসমত পুনৰ মান।

হেন শুনি মান ৰাজা আদেশ কৰিলা।
ষোড়শ হাজাৰ সেনা যুদ্ধক পাঞ্চিলা॥
কিয়মিঙ্গি গোহাঁইক চাইলা নৃপতি।
যুদ্ধক চলহ পাতিলোঁহোঁ সেনাপতি॥
ৰণ জিনি শত্রুগণ সবাকে মাৰিবি।
মিত্র-ৰাজাক আনি তৈতে নৃপতি পাতিবি॥
দেশ ভাঙ্গিবাৰ যদি মই বার্ত্তা পাইবোঁ।
সবংশে সহিতে তোক জলত ডুবাইবোঁ॥
মমাই ৰৰুৱাক ৰাজা বুলিলা বচন।
সেনাপতি লগে তুমি চলা এতিক্ষণ॥
এহি আজ্ঞা যেবে মান ৰাজা কৰিলন্ত।
দলদোপ কৰি সেনাগণ চলিলন্ত॥
ডেকাফুকনক সেহি লগতে পাঞ্চিল।
কতো দিনমানে আসি নামৰূপ পাইল॥
এহি বার্ত্তা দূতে বুঢ়াগোহাঁইত জনাইল।
অসংখ্যাত চিপাহীক যুদ্ধক পাঞ্চিল॥
গগৈ-ফুকনক সেনাপতি পাতি দিল।
সৰুগোহাঁই সমে গৈয়া ৰঙ্গপুৰ পাইল॥

ঘিলামৰাত মান।

এতহন্তে মানে আসি ঘিলামৰা পাইলা।
হাত-যোৰা দিয়া সবে চিপাহী ধৰিলা॥



হাল হাল কৰি সবে সাঙ্গুৰিয়া লৈলা।
ৰাজাৰ বিপক্ষ বুলি কাহাকো কাটিলা॥
এহি বার্ত্তা সৰুগোহাঁই চাৰ মুখে পাইল।
সসন্যে সহিতে ৰাত্রি বিভঙ্গে পলাইল॥
এহি বার্ত্তা গৈয়া ৰাজা মন্ত্রীত জনাইল।
অসংখ্যাত চিপাহীক যুদ্ধক পাঞ্চিল॥

লাদৈ-গড়ত মান।

মান সেনাপতি শুনি শীঘ্র আইল ধাই।
আগুৱান সেনা লাদৈ-গড় পাইলা যাই॥
গগৈ সেনাপতি চিপাহীয়ে সমে ধাইল।
লাদৈ-গড়তে মানসবক দেখিল॥
চিপাহী বোলন্ত বেটা শুন দুৰাচাৰ।
জীয়েমানে মার্গ-শৌচ নাহিকে কাহাৰ॥
আউৰবাৰ আসি বেটা বৰ পাইলি লাই।
এহিবাৰে মাৰি যমপুৰে দিবোঁ ঠাই॥
ধৰ-মাৰ বুলি সবে বন্দুক বজাইল।
অলপীয়া মান সেনা ভয়ে পলাই গৈল॥
পাচে পাচে চিপাহীয়ে মানক খেদিলা।
জাঁজী কাখৰতে গৈয়া যুথ পাতি ৰৈলা॥
শূলপাণিছিগাত মানে বেহু পাতি ৰৈল।
তথাতে আসিয়া পাচে ৰজনী মিলিল॥

চন্দ্ৰকান্তক বধিবৰ মন্ত্ৰণা।

ৰণ জয় ভৈল বুলি দূতে জনাইলন্ত।
শুনি ব্রজনাথ ৰাজা আনন্দ পাইলন্ত॥
মন্ত্রীক চাহিয়া ৰাজা বুলিলা বচন।
চন্দ্ৰকান্তসিংহ হন্তে আইল ইটো ৰণ॥

তাহাঙ্ক মাৰিলে ইটো ৰণ ভাগিবেক।
নুহিমানে জিনে কতদিন থাকিবেক॥
এহি হৌক বুলি মন্ত্ৰী অনুমতি দিল।
ৰাজাক মাৰিবে শীঘ্ৰে দূত পাঞ্চি দিল॥
এহি কথা স্বৰ্গদেৱে সঙ্কেতে জানিল।
গৃহৰ অন্তৰি গৈয়া অৰণ্যে পশিল॥
দুৰ্গম পথত ৰাজা চলিতে নপাৰি।
তথাপি গৈলন্ত তনুৰামৰ হাতে ধৰি॥
দূতে গৈয়া নৃপতিক লাগ নপাইলেক।
জননীৰ আগে বহু দন্ত বুলিলেক॥

ফুলপানি-ছিগাত ৰণ।

ইকথা থাকোক আবে শুনা পাচ কথা।
মান-বঙ্গালৰ যুদ্ধ যেন ভৈলা তথা॥
ৰজনী গুচিয়া যেবে প্ৰভাত মিলিল।
চিপাহীসকলো শীঘ্ৰে খবৰ্দ্দাৰ ভৈল॥
গগৈ সেনাপতি শীঘ্ৰে আদেশ কৰিল।
তম্বৰু বজায়া সবে আগবাঢ়ি গৈল॥
বাচকটীয়াও সমে কোঁৱৰ হিলৈদাৰী।
সিসবো গৈলন্ত খেদি সিংহনাদ কৰি॥
প্ৰচণ্ড সাগৰে যেন কৰয় আন্দোল।
চতুৰ্দ্দিশে শুনি মাত্ৰ ধৰ-মাৰ বোল॥
মান নৃপতিৰ অসংখ্যাত সেনাগণ।
মমাই সমে কিয়মিঙ্গি ধাইলা তেতিক্ষণ॥

গগৈ সেনাপতি আৰু কিয়মিঙ্গি।

গগৈ বোলে কিয়মিঙ্গি শুন সেনাপতি।
কিসক আসিলি বেটা মৰিবাক প্ৰতি॥



অনাথ কৰিলি সবে ভাৰ্য্যা-পুত্ৰগণ।
পৰৰ দেশত আসি মৰ কি কাৰণ॥
প্ৰলয় অগ্নিতে বেটা জাম্প দিবে চাস।
গগৈৰ হাতৰ বেটা নতু আটা পাস॥
কিয়মিঙ্গি বোলে শুন গগৈ দুৰাচাৰ।
আমাক কৰিলি ৰণ পূৰ্ব্বে একবাৰ॥
ৰণত জিনিয়া তোক ধৰি-বান্ধি নিলোঁ।
কঙ্কালত ডোল লগাই জলত ডুবাইলোঁ॥
বিবস্ত্ৰে আছিলি ভৈলি বিলক্ষৰ বাজ।
তথাপি যুজিবে আস অধম নিলাজ॥
এহি বেলি ধৰি তোক নেৰিবোঁহোঁ ভালে।
মাথাৰ উপৰে তোৰ নাচে যমকালে॥
এহি বুলি সেনাপতি তথাতে ৰহিল।
চতুৰঙ্গ দলে তাত বেহু পাতি ৰৈল॥
বহল বিচিত্ৰ সুবৰ্ণৰ ছত্ৰখান।
মাথাৰ উপৰে ধৰি আছে বিদ্যমান॥
ময়ুৰ পুচ্ছৰ স্বৰ্ণে ৰচিত ব্যজন।
লাসে লাসে বিঞ্চিয়া আছয় ভৃত্যগণ॥
নানাবিধ বাদ্য-ভণ্ড বজাইবাক লৈল।
তাৰ ছেৱে নৰ্ত্তকীয়ে নাচিবাক লৈল॥
এহিমতে মহাৰঙ্গে সেনাপতি ৰৈল।
সেনা সমে মোমাই বৰুৱা বাঢ়ি গৈল॥
চতুৰঙ্গ দলে তাত বেহুক পাতিল।
অনেক প্ৰকাৰ কৰি গৰ্ত্তক নিৰ্ম্মিল॥
কাল মেঘখণ্ড যেন মান সেনাজাক।
ন্যায় যুদ্ধে বলে কোনে পাৰিবেক তাক॥

ছুখান সাগৰে যেন ভৈল একে ঠাই।
অল্প শক্তি মনুষ্যৰ দেখি ধাতু যাই॥

মান আৰু আহোমৰ ধূমাজয় ৰণ।

হেন দেখি গগৈ সেনাপতি আদেশিল।
অসংখ্যাত চিপাহীয়ে বন্দুক ছুটাইল॥
জাঁই পাতি বৰ বৰ হিলৈক মাৰিল।
তাহাৰ প্ৰচণ্ড শব্দে স্বৰ্গকোল পাইল॥
মানেও অসংখ্য কৰি বন্দুক ছুটাইল।
ঠাত ঠাত কৰি মহা শবদ বাজিল॥
শূলপাণিছিগাত মহা ঘোৰ যুদ্ধ ভৈলা।
হিলৈৰ প্ৰচণ্ড শব্দে কৰ্ণে তাল দিলা॥
নিঘাত শবদে যেন ঘনে বজ্ৰ পৰে।
নৰ-নাৰী প্ৰজাগণ ভয়তে লৰৰে॥
অন্যোঅন্যে বোলে মহা মিলিল প্ৰলয়।
মান-বঙ্গালৰ ছুয়োদল হুইব ক্ষয়॥
বুঢ়াগোহাঁইৰ পক্ষে বোলে চিপাহীৰ জয়।
মানসব মৰি আজি যাইব যমালয়॥
নৃপতিৰ পক্ষে বোলে মানে হুইব জয়।
চিপাহীগণৰ আজি মিলিব প্ৰলয়॥
এহিমতে প্ৰজাগণে অন্যোঅন্যে ভাষে।
অৰণ্যে পশিল প্ৰজাগণ মহা ত্ৰাসে॥

মৃত আৰু আহত সৈন্যৰ দৃশ্য।

বাৰিষা কালত যেন ঘোৰ বৃষ্টি ভৈল।
গুলী লাগি অসংখ্যাত চিপাহী মৰিল॥
মানৰো যোদ্ধাৰ পৰিলন্ত বহুতৰ।
মৃতকে ঢাকিল ৰণস্থলী নিৰন্তৰ॥



কতোসব কটা যায় খড়্গৰ ঘাৰে।
দান্ত নিকোটাই পৰি আছে ঠাৰে ঠাৰে॥
কুৰ্ত্তিয়ে সহিতে গাঁৰি ফুৰয় বাগৰি।
টুপী সমন্বিতে মুণ্ড আছে পৰি পৰি॥
তেজে তোলবোল ভৈল মাথাৰ পাগুৰি।
নলি কটা পঠা যেন আছে পৰি পৰি॥
পুষ্পে প্ৰকাশিত যেন দেৱ ভুমিখান।
অল্প শত প্ৰাণীৰ দেখন্তে হৰে প্ৰাণ॥
পূৰ্ব্বে ৰণ ভৈল যেন বলি-বাসবৰ।
ভঙ্গ জয় নুহিকয় উভয় দলৰ॥
বন্দুকৰ মুখে অগ্নি বজাই জাকে জাক।
খৰোত্তৰ বেগে চুটে নমনিয়া তাক॥
গুলীসব চলে যেন ভ্ৰমৰা গুঞ্জৰে।
কাৰো উৰু ভাঙ্গে কাৰো হৃদয় বিদাৰে॥
এহিমতে সেনাগণ আগতে মৰয়।
তভো ছুয়ো দলে পাচভৰি নকৰয়॥
তুতয় প্ৰহৰমানে ঘোৰ যুদ্ধ ভৈল।
শুনিয়োক তাত পাচে যেন কথা ভৈল॥

ৰঘুবৰ চুপাদাৰৰ বীৰত্ব।

ৰঘুবৰ চুপাদাৰে ঘোটকে চৰিল।
মানৰ বেহুত গৈয়া শীঘ্ৰে প্ৰবেশিল॥
মুন্‌কাঙ্গ ফুকনেও দেখি খেদি আইল।
তীক্ষ্ণ শকতিক ধৰি হানিয়া পঠাইল॥
চুপাদাৰে এৰাইলন্ত গাৰ কাতি কৰি।
ফুকনক কাটিলন্ত তীক্ষ্ণ খাণ্ডা ধৰি॥
ঘোঁৰা হন্তে বাগৰিয়া ফুকন পৰিল।
তাহাৰ ঘোঁৰাত চুপাদাৰেও উঠিল॥

ঘোঁৰাত উঠিয়া দিলা চাবুকৰ বাৰি।
আপুনাৰ সেনা মাজে পশিলা লৰৰি॥
একেশ্বৰে চুপাদাৰে বেহুত পশিলা।
ধন্য ধন্য বুলি মানগণে প্ৰশংসিলা॥

মানৰ ৰণ জয়।

হেন দেখি কিয়মিঙ্গি মন্ত্ৰী নসহিল।
বিচিত্ৰ ঘোঁৰাত চৰি শীঘ্ৰে খেদি আইল॥
সুৱৰ্ণৰ ছত্ৰখান ধৰি উপৰত।
চতুষ্পাৰ্শ্বে বেঢ়ি যাই মান সেনা যত॥
মহাযুদ্ধ ভত্তাৰক বুদ্ধিত সুজান।
ৰণত মাৰিব পাৰে বহুবিধ বাণ॥
মহা সাহসিক কাকো নকৰয় ভয়।
একেশ্বৰে শতেকক জিনিবে পাৰয়॥
লক্ষ কৰি চিপাহীয়ে বন্দুক চুটাইল।
মমাই বৰুৱাৰ বাম বাহুত লাগিল॥
কবচ খুলিয়া বাহু ভেদিবে নপাৰি।
কতো দূৰ লাগি গুলী পৰিল উফৰি॥
দেখি চিঙ্গফৌৰ বমে তাক নসহিল।
গুলী মাৰি চিপাহীক ত্বৰিতে মাৰিল॥
হেন দেখি কিয়মিঙ্গি মন্ত্ৰী নসহিল।
গুৰুক সুমৰি ভয়-বাণক হানিল॥
মহাগুৰুদত্তৰ মন্ত্ৰে সবাকে ভেদিল।
অস্ত্ৰ-শস্ত্ৰ থাকন্তেক কম্পিবাক লৈল॥
ওঁঠ-কণ্ঠ শুকাই যাই মুখে নাসে মাত।
পলাইবাক লাগি সবে কৰে উতপাত॥
হেন বিমঙ্গল যেবে সেনাত মিলিল।
বাচকটীয়া সমে হাৰো বৰা পলাই গৈল॥



গগৈ সেনাপতি যেবে পাচভিতি চাইল।
যূথে যূথে সবে সেনাগণ পলাই গৈল॥
পঞ্চম চিপাহী সমে ঘোটকত চৰি।
মহাভয় হুয়া সিটো পলাইল লৰৰি॥
প্ৰচণ্ড বতাসে যেন মেঘদল পাই।
খণ্ড খণ্ড কৰি তাক নিলে উৰুৱাই॥
সেহিমতে পলাই সেনা দশোদিশে গৈল।
মানে বাদ্য-ভণ্ড বাৰে ৰণ জয় ভৈল॥
ফাল্গুন মাসৰ পঞ্চ দিবস আছিল।
শনি বাসৰত মানে ৰণ জয় ভৈল॥
হেন দেখি কিয়মিঙ্গি আনন্দ লভিলা।
শূলপাণিছিগাত সবে বেহু পাতি ৰৈলা॥

ভূঞা-পোৱালি মমাই বৰুৱাৰ পৰিচয়।

ৰামেশ্বৰে বোলে শুনিয়োক বিশ্বেশ্বৰ।
মমাই বৰুৱা আইল কাহাৰ বংশৰ॥
বৈদ্যবৰুৱায়ে বোলে শুনা ৰামেশ্বৰ।
মমাই বৰুৱাৰ কথা শুনা আতপৰ॥
যিকালত ইন্দ্ৰবংশী ৰাজা আসি ভৈল।
দিগবিজয়ক মনে উত্তৰক গৈল॥
তাহাতে আছিল বাৰেভূঞা নামে ৰাজা।
তাসম্বাত কৰভাৰ দিয়ে সবে প্ৰজা॥
সবাৰে উপৰে ভূঞা নামত শুনিয়া।
সবে ভূঞা খাটে তান্ত কৰভাৰ দিয়া॥
ইন্দ্ৰবংশী নৃপতিয়ে যুদ্ধত জিনিলা।
দক্ষিণ দিশত আনি সবাকো পাতিলা॥
শুনিয়া ভূঞাৰ পৰিনাতি যে মমাই।
নামৰূপ হন্তে আনিলন্ত বুঢ়াগোহাঁই॥

ডাঙ্গৰীয়া বোলে শুনা ভূঞাৰ তনয়।
চিঙ্গফুৰ দেশে আমাৰ আছে প্ৰজাচয়॥
সেহি প্ৰজা যদি আনিবাক পাৰা গৈই।
নামৰূপৰ অধিকাৰ পাতি দিবোঁ মই॥
আজ্ঞা পাই মমাই বৰুৱা চলি গৈল।
কতো দিনমানে গৈয়া চিঙ্গফৌউ পাইল॥
দুষ্ট চিঙ্গফৌউ বৰাইবাক নপাৰিল।
মনত ভাবিয়া এক মন্ত্ৰণা কৰিল॥
মানক আনিয়া যত চিঙ্গফৌউ মাৰি।
তেবেসে আমাৰ প্ৰজাগণ নিবে পাৰি॥
এহি বুলি চিঙ্গফুৰ হন্তে চলি গৈল।
কতো দিনমানে গৈয়া মানৰ দেশ পাইল॥
মহা সাহসিক সত্যবাদী ধৰ্ম্মশীল।
দেখি মান নৃপতিৰ দায়া সম্পজিল॥
সিকালত মগলেৰে কন্দল লাগিল।
মান নৃপতিয়ে সেহি যুদ্ধক পাঞ্চিল॥
যুদ্ধ কৰি মগলৰ দেশক জিনিল।
কতো দিন ৰাজা হুয়া তহিতে আছিল॥
চন্দ্ৰকান্ত নৃপতিৰ মমাই হেন জানি।
যুদ্ধক পাঞ্চিলা কিয়মিঙ্গিৰ লগে আনি॥

অসমীয়া প্ৰজাৰ বিলৈ আৰু পলায়ন।

মমাই বৰুৱাৰ কথা এহিমানে থওঁ।
বুঢ়াগোহাঁই যি কৰিলা শুনা তাকে কওঁ॥
ৰণ জিনি মান সব তথাতে ৰহিল
চিপাহীসকলো যূথে যূথে পলাই গৈল॥
সেনাপতিগণো মহাভয়ে পলাই গৈল।
এহি বাৰ্ত্তা চাৰে ৰাজা মন্ত্ৰীত জনাইল॥



এত হন্তে ভগনীয়া সেনাগণো পাইল।
নগৰ ভিতৰে মহা হুলস্থুল ভৈল॥
কতো নাৰীগণে কান্দে শিশু হাতে ধৰি।
আই ভাই বুলি কতো সবে পাৰে গেৰি॥
এহিমতে প্ৰজাগণে কৰে উশমিশ।
কৈক পলাই যাইবে একো নপান্ত উদ্দিশ॥
এতহন্তে মৰঙ্গিখোৱা ঢেকিয়াল ফুকন।
বুঢ়াগোহাঁই সমে ওলাই গৈল ভাতৃগণ॥
ভোগদৈ দলঙ্গৰ পাৰ হুয়া গৈল।
ভয়ে কম্পমান হুয়া তথাতে ৰহিল॥
ওঁঠ-কণ্ঠ শুকাই যাই মুখে নাসে মাত।
কৈক যাইবোঁ কি কৰিবোঁ কৰে উতপাত॥
ব্ৰজনাথ ৰাজা সেহি বেলা ওলাই আইল।
ডাৱৰ খড়গখান আজুৰিয়া লৈল॥
কথা গৈল দুষ্ট মানসব ধৰি আন।
খণ্ড খণ্ড কৰি কাটি পেসো যম-স্থান॥
তেহোঁ গৈ বুঢ়াগোহাঁইৰ সমীপে ৰহিলা।
মানৰ দিশক চাহিবাক নপাৰিলা॥

বুঢ়া-গোহাঁইৰ পলায়ন।

বুঢ়াগোহাঁই বোলে দেখা কাৰ্য্যৰ মহত্ত।
আঠাৰ কুম্পানি চিপাহীয়ো ভৈল হত্ত॥
জানিলোঁহোঁ আমাসাক পাইলে আসি কালে।
ইহাত পাইলেক মানে নেৰিবেক ভালে॥
এহিমতে ৰাজা মন্ত্ৰী আলোচ কৰিল।
সবংশে নৌকাত চৰি পছিমক গৈল॥
ফুকন বৰুৱা যত লগতে চলিল।
ৰাত্ৰি-দিনে পলাই গৈৱা গুৱাহাটি পাইল॥

DHEKIALPHOOKAN COLLEGE LIBRARY

অৰণ্যবাসী চন্দ্ৰকান্ত-সিংহ।

বুঢ়াগোহাঁইৰ কথা আবে সংহৰিয়া থওঁ।
চন্দ্ৰকান্ত নৃপতিৰ শুনা কথা কওঁ॥
মহা দুখে অৰণ্যত পলাই আছয়।
ব্ৰজনাথৰ দূতে পাইবে বুলি কৰে ভয়॥
কছাৰী-ঠাকুৰে নিলগতে থাকে চাই।
এহি বনে জানোঁ কোনো মনুষ্য সোমাই॥
মহা ভয় হুয়া ৰাজা আছে যিটো বনে।
ব্যাধ এক গৈলা পশু খেদিবাক মনে॥
কছাৰী-ঠাকুৰে শীঘ্ৰে আগবাঢ়ি গৈলা।
ব্যাধক সম্মুখি পাচে বুলিবাক লৈলা॥
আমাৰ বচন আবে শুনা ব্যাধগণে।
মই আতে আছোঁ পশু নাহি ইটো বনে॥
হেন শুনি ব্যাধগণে অন্তৰিয়া গৈল।
তাহাতে নৃপতি আছে বুলি নজানিল॥
মানে ৰণ জয় ভৈল এহি বাৰ্ত্তা পাইল।
অৰণ্যে অৰণ্যে গৈয়া মানৰ ফৌজ লৈল॥
কছাৰী-ঠাকুৰ গৈয়া মমাইত জনাইল।
চন্দ্ৰকান্তসিংহ ৰাজা এহি স্থানে আইল॥
শুনি মনাই বৰুৱাই আগবাঢ়ি গৈল।
গোপ্য কৰি নৃপতিক অভ্যন্তৰে থৈল॥
ইকথা থাকোক আবে শুনা আন কথা।
মানে যি কৰিলা আবে শুনিয়ো সৰ্ব্বথা॥

মানৰ সহায়েৰে চন্দ্ৰকান্তৰ ৰাজপদ লাভ।

কতিপয় দিনমানে তহিতে আছয়।
আউৰ কিবা যুদ্ধ হৰে বুলি আশঙ্কয়॥
কিয়মিঙ্গি সেনাপতি মনত ভাবিল।
ৰণ চাইবে দিচৈ-কোঁঠে দূতপাঞ্চি দিল॥



সেহি বেলা মমাই বৰুৱাক মতাই নিল।
মান সেনাপতি চাহি তাহাঙ্ক বুলিল॥
কিয়মিঙ্গি বোলে শুনা বৰুৱা মমাই।
তোমাৰ দেশত মহা যোধাৰু আছয়॥
মন্ত্ৰী নাহি হেতু আমি যুদ্ধক ভঙ্গাইলোঁ।
তথাপি আমাৰ বহু সেনাক মৰাইলোঁ॥
চন্দ্ৰকান্তসিংহ হেতু আইলোঁ ইটো স্থান।
তাহাঙ্ক বিচাৰ কৰি শীঘ্ৰে গৈয়া আন॥
এতহন্তে দূতে আসি বাৰ্ত্তাক জনাইল।
ৰাজা প্ৰজা সমে বুঢ়াগোহাঁই গৈল॥
হেন শুনি সেনাপতি আনন্দ লভিল।
সসৈন্যে সহিতে দিচৈ-কোঁঠক চলিল॥
মমাই বৰুৱায়ো কিছু সৈন্য লগে লৈই।
ৰাজা সমন্বিতে তৰাতলী পাইলা যাই॥
ৰাজ-চিহ্ন দেখাই কিছু নিয়ম কৰিল।
ঘোটকত তুলি শিৰে ছত্ৰক ধৰিল॥
ৰাজমাতৃ আইদেও লগতে চলিল।
চতুৰঙ্গ দলে গৈয়া দিচৈ-কোঁঠ পাইল॥
নৃপতি যাইবাৰ কথা মমায়ে জনাইল।
হেন শুনি সেনাপতি আনন্দ লভিল॥
আগবঢ়াই নিবে সেনাপতি আদেশিলা।
বাদ্য-ভণ্ড বজাই মানে আৱৰি আনিলা॥
মমাই বৰুৱায়ে নৃপতিক কোলে লৈল।
ঘোটকত হন্তে নিয়া আসনে বৈসাইল॥
মানৰ দেশৰ যত পাত্ৰ-মন্ত্ৰীগণ।
নৃপতিৰ আগে সবে ভৈল কান্তি হীন॥

পূৰ্ণিমা-চন্দ্ৰৰ আগে যেন তাৰাগণ।
শোভা কৰিবাক নপাৰিল একোজন॥
ৰাজাৰ প্ৰচণ্ড তেজে সবাকো জিনিল।
জানু পাৰি পাৰি সবে প্ৰণাম কৰিল॥
কিয়মিঙ্গি বোলে শুনা বৰুৱা মমাই।
চন্দ্ৰকান্তসিংহ সম ৰাজা কৈতো নাই॥
মান সেনাগণে পাচে প্ৰশংসা কৰিল।
ফল্গুৎসৱ গৃহে থাকিবাক বাসা দিল॥
মমাই বৰুৱাৰ খুড়া ভাতিজ বন্ধুগণ।
দিচৈ-কোঁঠে গৈয়া সবে ভৈল উপশন॥
হেন দেখি মান সেনাগণে খেদি আইল॥
ব্ৰজনাথ সেনা বুলি বন্দুক চুটাইল॥
শুনি মমাই বৰুৱায়ে আগবাঢ়ি নিল।
খুড়া মোৰ বুলি সেনাপতিতে জনাইল॥
দিবা অবসানে পাচে ৰজনী মিলিল।
শুনিয়োক তাতপাচে যেন কথা ভৈল॥

হাবিত লুকুৱা প্ৰজাৰ বিলৈ।

অৰণ্যত মানে যতে প্ৰজাগণ পাইল।
বুঢ়াগোহাঁইৰ পক্ষ বুলি বন্দী কৰি থৈল॥
কতো সেনাগণে নিল ছৱালক ধৰি।
মাতৃক নিলেক কাৰো শিশু থৈয়া এৰি॥
কেহো ভাতৃ কতো পিতৃ বন্দী কৰি থৈল।
বিপৰ্য্যয় প্ৰজা কান্দে উৰ্ম্মি উথলিল॥
হা নাথ পিতৃ-বুঢ়াগোহাঁই কৈক গৈলা।
তুমি অবিহনে মহাপ্ৰলয় মিলিলা॥
তোমাৰ বিয়োগে নৃপতিৰো হেন ভৈল।
এহি দোষে সকলো জগতে নষ্ট গৈল॥



ৰণ হাৰি পলাই গৈল তযু পুত্ৰচয়।
মান-সাগৰত প্ৰজাগণক পেলাই॥

নামৰূপীয়া বৰুৱাৰ বেথা।

এহিমতে শুনি মাত্ৰ প্ৰজাৰ আৰাৱ।
নামৰূপৰ বৰুৱাৰ নসহিল গাৱ॥
পৰম গম্ভীৰ তেহোঁ সাধুৰ লক্ষণ।
সকলো প্ৰাণীত দায়া কৰে অনুক্ষণ॥
প্ৰজাৰ বিপত্তি দেখি মহা খেদ মনে।
মমাই বৰুৱাৰ পাশে চলিল তেখনে॥
শুনিয়োক বাপু কেনে প্ৰজাৰ আৰাৱ।
ৰাজ্যৰ বিপত্তি দেখি নসহয় গাৱ॥
মান-সাগৰত প্ৰজাগণ তল যায়।
তুমি বিনে নেদেখোঁহোঁ ৰক্ষাৰ উপায়॥
ৰাজাৰ মাতুল তুমি পৰম গম্ভীৰ।
দায়ালুক সত্যবাদী গুণৰ মন্দিৰ॥
আপদত প্ৰাণীক ৰাখিলে ধৰ্ম্ম পায়।
হেন জানি হেলা কৰিবাক নুজুৱায়॥
ৰাজাৰ মাতুলে শুনি খুড়াৰ বচন।
সেনাপতিৰ পাশে চলি গৈল তেতিক্ষণ॥

মানৰ অত্যাচাৰ সম্বৰণ।

ৰাজাৰ মাতুলে বোলে শুনা সেনাপতি।
সেনাগণ পাঞ্চি হেন কৰাইলা বিপত্তি॥
যুদ্ধ যিনি শত্ৰুক মাৰিতে নপাৰিলা।
বিনা দোষে প্ৰাণীসব বন্দীয়াৰ কৈলা॥
দেশ নাভাঙ্গিবে পূৰ্ব্বে ৰাজা আজ্ঞা দিল।
অৰণ্যত পলাই প্ৰজাগণ নসাৰিল॥

ধন-দ্ৰব্য পাইলেমানে লুটিয়া আনিলা।
কুলবধুগণ মানে জাতি নষ্ট কৈলা॥
এহি কথা শুনি সবে প্ৰজা ভয় পাইব।
দেশ এৰি বিদেশক সবে পলাই যাইব॥
নৃপতি শুনিলে এহি কাৰ্য্যৰ যুগুতি।
আজ্ঞা কৰিবেক দণ্ড কৰিবাক প্ৰতি॥
মাতুলৰ বাক্যে সেনাপতি ভয় পাইলা।
বন্দীয়াৰ প্ৰজাগণ ত্বৰিতে মেলাইলা॥
কতো মানগণ আনি দণ্ড কৰিলেক।
কতো সব ধৰি আনি শীঘ্ৰে কাটিলেক॥
বৰকাংস মাৰি চতুৰ্দ্দিশে নিবাৰিল।
সেহি দিনা ধৰি মানে গ্ৰাম নপশিল॥
মমাই বৰুৱাৰ হস্তে প্ৰজা নিস্তৰিল।
সাধু সাধু বুলি প্ৰজাগণে প্ৰশংসিল॥

---

## স্বৰ্গদেৱ চন্দ্ৰকান্তসিংহ

### দ্বিতীয়বাৰ ৰাজত্ব

ৰংপুৰত চন্দ্ৰকান্তৰ ৰাজ্যাভিষেক।

এত হন্তে আসি পাচে প্ৰভাত মিলিল।
শৌচ হুয়া স্বৰ্গদেৱে সঞ্জমন ভৈল॥
কিয়মিঙ্গি সেনাপতিক মতাই অনাইলা।
সসন্যে সহিতে ৰঙ্গপুৰক চলিলা॥
চৈত্ৰ মাস ভৈল আসি চলিচ শকত।
ৰবিবাৰে গৈয়া ৰঙ্গপুৰে উপগত॥
মান সেনাপতি পাচে নগৰ পশিল।
স্বৰ্গদেৱক নিয়া বৰচ'ৰাতে বৈসাইল॥



সুবৰ্ণৰ ছত্ৰসব জলে শাৰী শাৰী।
অসংখ্যাত প্ৰজাগণে আছে জানু পাৰি॥
মান সেনাপতি পাচে আদেশ কৰিল।
বন্দুকসবৰ মহা শবদ বজাইল॥
নানাবিধ বাদ্য-ভণ্ড বজাইবাক লৈল।
তাৰ চেৱে নৰ্ত্তকীয়ে নাচিবাক ধৈল॥
মঞ্চক উপৰে বৰ মন্দিৰ আছিল।
তাহাৰ ভিতৰে নিয়া আসন পৰাইল॥
বুলনী বস্ত্ৰক নিয়া পথত পাৰিল।
মঞ্চকত নিয়া স্বৰ্গদেৱক বৈসাইল॥
চাৰিদিশে চাৰি মন্ত্ৰী প্ৰণাম কৰিল।
আসনৰ চাৰিদিশে চাৰিয়ে ধৰিল॥
মানৰ দেশৰ নানা মঙ্গল কৰাইল।
চন্দ্ৰকান্তসিংহ ৰাজা বুলি প্ৰণামিল॥
ৰঙ্গপুৰে চন্দ্ৰকান্তসিংহ ৰাজা ভৈল।
ৰাজাৰ মাতুলে দেখি আনন্দ লভিল॥

মান সেনাপতিৰ দেশলৈ ওভোতনি।

কিয়মিঙ্গি বোলে শুনিয়োক নৃপবৰ।
মহাপৰাক্ৰম আছে তযু মাতুলৰ॥
ৰণত সুজান সাহসিক বুদ্ধিমন্ত।
ৰণ কৰি তোমাৰ শত্ৰুক জিনিবন্ত॥
হাজাৰেক মান সেনা লগে সখা দিবোঁ।
দেশ ভাগিবেক মই স্বদেশে চলিবোঁ॥
এহি বুলি সেনা নৃপতিৰ লগে থৈল।
মমাই বৰুৱাক সেনাপতি পাতি দিল॥
মানৰ দেশৰ এক গোহাঁই পাতিল।
সজাতি ফুকন ছুয়োৰো লগে সখা দিল॥

স্বৰ্গদেৱত সেনাপতি বিদাই মাগিল
সসৈন্যে সহিতে মান-দেশক চলিল॥

প্ৰভু শ্ৰীকৃষ্ণৰ মহিমা-কীৰ্ত্তন।

দেখা সভাসদ হৰি-ভক্তিৰ মহিমা।
ব্ৰহ্মা-হৰ-অনন্তেও নপাৱন্ত সীমা॥
বৎৰেক চন্দ্ৰকান্তসিংহে ক্লেশ পাইল।
কৃষ্ণৰ প্ৰসাদে পুনু ৰাজ্যক লভিল॥
জানি নৰলোকে মাধৱক কৰা সাৰ।
কৃষ্ণৰ নামেসে তৰে ছুৰ্ঘোৰ সংসাৰ॥
যিটো জনে মাধৱৰ নাম ফুৰে গাই।
কাল মৃত্যু মায়া তাৰ সমীপো নযায়
হেন মাধৱৰ নাম যিটো হেলা কৰে
পাপক সাঞ্চিয়া সিটো নৰকত পৰে॥
হেন জানি মাধৱত কৰিয়ো ভকতি।
কৃষ্ণৰ সেৱাত পাৱে অখণ্ড মুকুতি॥
দ্বিজ বিকাৰামে ভণে তেজ আন কাম।
পাতক ছাৰোক ডাকি বোলা ৰাম ৰাম॥

নতুন বিষয়া।

মান সেনাপতি যেবে স্বদেশে চলিলা।
ৰাজাৰ মাতুল দিচৈ-কোঁঠে চলি গৈলা॥
মমাই বৰুৱায়ে যেবে দিচৈ-কোঁঠ পাইল।
ধনী বৰবৰুৱাই তান লাগ লৈল॥
চিৰিঙ্গ ফুকনৰ নাতি ঢেকিয়াল ফুকন
মমাই বৰুৱাৰ পাশে ভৈল উপসন॥
আনো যত ফুকন বৰুৱা আছিলন্ত।
ৰাজাৰ মাতুলৰ সবে লাগক লৈলন্ত॥



ফুকন বৰুৱা সমে সৈন্যক চপাইল।
ৰাজাৰ মাতুলে গৈয়া ৰঙ্গপুৰ পাইল॥
মমাই বৰুৱায়ে নিয়া সবাকো ভেন্টাইল।
স্বৰ্গদেৱে সবাকো থাকিবে আজ্ঞা দিল॥
ধনী গৈয়া তৈতে বৰবৰুৱা ভৈলন্ত।
ডেকা-ফুকনক বৰগোহাঁই পাতিলন্ত॥
পৰম গম্ভীৰ তেহোঁ শাস্ত্ৰত চতুৰ।
ৰাজনীতি কথাসব জানে বহুত্তৰ॥
মহাধৈৰ্য্যশালী বৰপাত্ৰ ডাঙ্গৰীয়া।
বিষই ভাগি বহাগৰে আছিলন্ত গৈয়া॥
দূত পাঞ্চি স্বৰ্গদেৱে তাঙ্ক নিয়াইলন্ত।
ৰঙ্গপুৰে নিয়া বৰপাত্ৰ পাতিলন্ত॥
মমাই বৰুৱাৰ খুড়া নামে জয়ৰাম।
মহাশান্ত গুণে যাক নাহিকে উপাম॥
সন্ত ব্ৰাহ্মণক সদা উপকাৰ কৰে।
ফুকন ভৈলন্ত তেহোঁ খাৰৰ মন্দিৰে॥
তাহান ভাতিজা বলোৰাম নাম যাৰ।
বৰুৱা পাতিল তাঙ্ক পুৰণিমেলৰ॥
মটক দলত সৰ্ব্বানন্দ ৰাজাবৰ।
যুদ্ধে সাহসিক যাক নাহি পটন্তৰ॥
তাহান তনয় কাকতলত আছিল।
স্বৰ্গদেৱে আনিবাক দূত পাঞ্চি দিল॥
দূতে গৈয়া স্বৰ্গদেৱৰ আজ্ঞাক জনাইল
সকলো মটকে শুনি আনন্দ লভিল॥
সৰ্ব্বানন্দ পুত্ৰসমে ৰঙ্গপুৰ পাইল।
স্বৰ্গদেৱে আসি সবে প্ৰণাম কৰিল॥

মহাবুদ্ধিমন্ত সৰ্ব্বানন্দৰ তনয়।
উদাৰ-চৰিত্ৰ ধৰ্ম্মৱন্ত শুভনয়॥
কাকতল হস্তে স্বৰ্গদেৱে অনাইলন্ত।
ৰঙ্গপুৰে আনি বুঢ়াগোহাঁই পাতিলন্ত॥
মনজুৰ নামে কোঁৱৰক আনিলন্ত।
নেওগ-ফুকন আনি তান্ক পাতিলন্ত॥

শত্ৰুক জিনিবলৈ মমাইৰ প্ৰতিজ্ঞা।

সবে পাত্ৰ-মন্ত্ৰীগণ একস্থান ভৈল।
স্বৰ্গদেৱো আসি সেহি সভাত বসিল॥
মানৰ গোহাঁই গৈল সজাতি ফুকন।
আনো মান সেনাগণ তৈতে উপসন॥
মমাই বৰুৱা গৈয়া ৰাজাক নমিলা।
পাত্ৰ-মন্ত্ৰীসবে তাত আলচ কৰিলা॥
বৰগোহাঁই বোলে শুনিয়োক মহাৰাজ।
আমি আত থাকিলে যে মিলিব অকাজ॥
ৰণ হাৰি পলাই গৈল যত শত্ৰুচয়।
পুনু খেদি আসি জানো মিলাৱে প্ৰলয়॥
ধনী বৰবৰুৱাই বুলিলা বচন।
মোকো আজ্ঞা দিলে মই কৰিবোঁহোঁ ৰণ॥
বৰপাত্ৰ-গোহাঁই হাসি বুলিলন্ত বাক।
পূৰ্ব্বে ৰণ কৰি তুমি ৰাখিছা আমাক॥
যি কালত ব্ৰজনাথে ৰাজ্য কাঢ়ি লৈলা।
সি কালত তুমি জানোঁ কৈত বা আছিলা॥
মৰঙ্গীয়া গোহাঁই বোলে মন্ত্ৰণাৰ ঘাই।
সবে সৈন্য চলাই নিলে আন্কে সখা পাই॥
ৰাজাৰ মাতুলে হাসি বুলিলা বচন।
নকৰিবা ভয় মই কৰিবোঁহোঁ ৰণ॥



আচল ফিৰিঙ্গি আসি কৰয় সমৰ।
নেপাল বৰ্গীয়ো যদি অসি দেয় ধাৰ॥
সবাকো জিনিবে প্ৰতি মোৰ আছে সাস।
কোন বস্তু বুঢ়াগোহাঁই তাহাকে ডৰাস॥
যদি দেৱগণে আসি ভজন্ত সহাই।
তথাপিতো যুদ্ধ জিনি ৰাজ্য লৈবোঁ মই
মমাই বৰুৱাৰ বাক্যে সভাসদগণ।
ৰাজা সমন্বিতে প্ৰশংসিলা সৰ্ব্বজন॥
এত হস্তে স্বৰ্গদেৱে সভা বিসৰ্জিলা।
পাত্ৰ-মন্ত্ৰীগণো উঠি বাসাঘৰে গৈলা॥
মান সেনা সমে সেনাপতি উঠি গৈল।
সজাতি ফুকন সমে আলোচ কৰিল॥

মমাই সেনাপতিৰ যুদ্ধযাত্ৰা

সজাতি ফুকনে বোলে শুনা সেনাপতি।
বজুফায়া সমে মই ৰাখিবোঁ নৃপতি॥
চেক ফুকনেও তোমাসাৰ লগে যাওক।
অৰ্দ্ধখানি মান সেনা নগৰে থাকোক॥
এহি কথা সেনাপতি ৰাজাত জনাইল।
শুনি পাত্ৰ-মন্ত্ৰীগণে আনন্দ লভিল॥
বৰগোহাঁই আদি কৰি যত মন্ত্ৰীগণ।
যুদ্ধক লাগিয়া চপাইলন্ত সেনাগণ॥
চাৰিঙ্গীয়া গোহাঁইদেৱক আগে পাঞ্চি দিল।
কিছু সৈন্য লৈয়া তেহোঁ যুদ্ধক চলিল॥
ধনেশ্বৰী নদী-মুখে কোঁঠ বান্ধি ৰৈল।
মানে সমে সেনাপতি পাচন্ত চলিল॥
মটকৰো সেনাগণ আগবাঢ়ি গৈল।
যুদ্ধক চলিবে সেনাপতি পাঞ্চি দিল॥

ধনী বৰবৰুৱাক নগৰতে থৈল।
মৰঙ্গীখোৱা বৰপাত্ৰ নগৰে ৰহিল॥
বজুফায়া থাকিলন্ত সজাতি ফুকন।
নৃপতিক ৰাখি ৰৈলা মান সেনাগণ॥
মমাই সেনাপতি পাচে সৈন্য নিয়োজিলা।
যাত্ৰা কৰি যুদ্ধক সমুখে চলি গৈলা॥
বৰগোহাঁই কাপ্‌টান নেওগ-ফুকন।
সবাৰ প্ৰমুক্ষে চলি গৈল মন্ত্ৰীগণ॥
চেক সমে মান সেনাগণো চলি গৈল।
মটকৰো অসংখ্যাত যুদ্ধক চলিল॥
অসংখ্যাত সেনা সমে সেনাপতি গৈল।
চাৰিঙ্গীয়া গোহাঁই সমে একথান ভৈল॥

মানৰ হাতত ৰংপুৰীয়া বিষয়াৰ নিৰ্য্যাতন।

মমাই সেনাপতি যেবে যুদ্ধে চলি গৈল।
শুনিয়োক নগৰত যেন কথা ভৈল॥
নৃপতিক ৰাখি থাকে মানৰ যোদ্ধাৰ।
গড়ৰ ভিতৰে সবে লৈল বাসাঘৰ॥
বজুফায়া মহামন্ত্ৰী সজাতি ফুকন।
একদিনা ছুয়ো মিলি কৰে আলোচন॥
বজুফায়া বোলে শুনা সজাতি ফুকন।
পূৰ্ব্বতো ৰাজাৰ লগে এহি মন্ত্ৰীগণ॥
ব্ৰজনাথ নৃপতিত সঙ্কেতে জনাইল।
মন্ত্ৰীৰ ঈঙ্গিতে দ্বন্দ কৰি ৰাজ্য লৈল॥
পুনু আসি নৃপতিৰ সবে লাগ লৈল।
আসন্বাক নামাৰিলে ছুৰ্ঘট মিলিল॥
এহি বুলি মানে নৃপতিৰ পাশে গৈল।
কোন পক্ষ বিপক্ষ বা সবাকো বুজিল॥



এতহন্তে অষ্টাঙ্গত ভৈল দিবাকৰ।
সেহিবেলা মান ওলাই আসিল সত্তৰ॥
বৰচ'ৰাত বসি বৰবৰুৱা আছিল।
চতুষ্পাৰ্শে মানে গৈয়া বেঢ়িয়া ধৰিল॥
কেশত ধৰিয়া ক্ৰোধে আজুৰি আনিল।
কিল ভুকু অসংখ্যাত প্ৰহাৰ কৰিল॥
মান-বান্ধ দিয়া সবে লৈযান্ত ঘসাই।
কটিৰো বস্ত্ৰক মানে লৈলন্ত খসাই॥
লোহা লগাই বন্দী কৰি মন্ত্ৰীক থৈলন্ত।
ঘৰ লুটিবাক লাগি সেনা পাঙ্কিলন্ত॥
বৰবৰুৱাক যেবে বন্দীয়াৰ কৈল।
কতো প্ৰজাগণ মহাভয়ে পলাই গৈল॥
ধনীৰ লগৰ সৈন্যগণ বান্ধি থৈল।
স্বৰ্গদেৱে শুনি পাচে সবাকো মেলাইল॥
একদিনা মন্ত্ৰীক ধৰিয়া বাহিৰাইল।
আগে-পাচে মান সেনাগণে বেঢ়ি গৈল॥
চৌকীৰ বাহিৰে নিয়া বাংশত বান্ধিল।
হৃদয়ক লক্ষ্য কৰি বন্দুক চুটাইল॥
হৃদয়ত পৰি গুলীগোট তল গৈল।
মহাখৰোত্তৰ বেগে পিঠি বাজ ভৈল॥
হৃদয়ক টাঙ্কি খড়্গে উদৰ ফালিল।
ছুঃসহ পীড়াক পাই প্ৰাণক ছাৰিল॥
তৰাতলী হন্তে ধৰি বৰগোহাঁইক আনি।
পথতে কাটিলা মানে তীক্ষ্ণ খাণ্ডা হানি॥
ৰাজাৰ বিপক্ষ যত পাইল নিৰন্তৰ।
কাহাকো কাটিলা কাৰো ফালিলা উদৰ॥

নগৰ মধ্যত যেবে হুল-স্থূল ভৈল।
ঢেকিয়াল ফুকন মহাভয়ে পলাই গৈল॥
একদিনা পাচে মন্ত্ৰীসকলোক ধৰি।
লোহা লগাই মানে নিয়া থৈল বন্দী কৰি॥
স্বৰ্গদেৱে শুনি পাচে সবাকো মেলাইল।
আনো নানা মানে মহাচুৰ্ঘট মিলাইল॥

খাগৰিজানত ৰণ। ৰঙ্গপুৰৰ কথা আবে এহিমানে থওঁ।
সেনাপতি যি কৰিলা তাক শুনা কওঁ॥
অসংখ্যাত সেনাগণ লৈলন্ত চপাই।
যুদ্ধক সমুখে সেনাপতি গৈল ধাই॥
কতো দিনে কলঙ্গ নদীৰ তীৰ পাইল।
ইকোল-সিকোল যুৰি কোঁঠ বান্ধি ৰৈল॥
ইকথাকো এৰি কওঁ শুনা পাচ কথা।
বুঢ়াগোহাঁই যি কৰিলা শুনিয়োক তথা॥
ৰণ হাৰি পলাই গৈল সব মন্ত্ৰীগণ।
গৈয়া ভাটী নগৰত ভৈলা উপসন॥
গগৈ সেনাপতি সেহি স্থানে লাগ লৈল।
সবে মন্ত্ৰীগণ চাপি আলোচ কৰিল॥
বুঢ়াগোহাঁই বোলে শুনিয়োক ভাতৃগণ।
তোমাসাৰ হন্তে আসি মিলিল মৰণ॥
যিটো নৃপতিক পিতৃ সেৱা কৰিলন্ত।
পিতৃৰ বিয়োগে মোক মন্ত্ৰী পাতিলন্ত॥
পুৰাতন নৃপতিক থৰ হেলা কৰি।
ব্ৰজনাথ কুমৰক নিলিহি আদৰি॥
চন্দ্ৰকান্ত নৃপতিক ৰাজ্যৰ খেদাইলি।
দণ্ড কৰাই তৰাতলী অৰণ্যত থৈলি॥



এহি দোষে সবংশে যাইবোঁহোঁ যমালয়।
বঙ্গাল দেশতো আমি নপাইবোঁহোঁ ঠাই॥
গগৈ বোলে পূৰ্ব্বে আমি অকাৰ্য্য কৰিলোঁ।
বিনা গড়ে যুঁজি আমি যুদ্ধত হাৰিলোঁ॥
ক্ষুধায়ে পীড়িত ভৈল সবে সেনাগণ।
এহিসে কাৰণে মানে জিনিলেক ৰণ॥
হেন জানি সমস্তে খেদক পৰিহৰা।
যুদ্ধ কৰিবাক লাগি শীঘ্ৰে যত্ন কৰা॥
ৰণ জিনি মানক কৰিবোঁ বুন্দামাৰ।
দৰ্প চূৰ কৰিবোঁহোঁ মমাই বৰুৱাৰ॥
গগৈ সেনাপতি সমে মন্ত্ৰণা কৰিল।
চিপাহী সহিতে তাত যুদ্ধ আৰম্ভিল॥
খাগৰিজানত বঢ়াই কোঁঠ বান্ধিলন্ত।
অসংখ্য পদাতি সৈন্য চপাই আনিলন্ত॥
মহাভয়ানক কোঁঠ দেখিতে প্ৰকট।
ভেদিবে নপাৰি তাক পৰম শঙ্কট॥
নৰগঁয়া চিপাহীয়ো যতেক আছিল।
মমাই বৰুৱাক এৰি গগৈৰ লাগ লৈল॥
কিছুমান সৈন্য পুনু পালটি আসিল।
চেক সেনাপতি ধৰি সবাকো কাটিল॥
মান সেনাপতি নদী পাৰ হুয়া গৈল।
তিনিখান কোঁঠ বৰ প্ৰবন্ধে বান্ধিল॥
চেকৰ লগত মটকৰ সেনাগণ।
চাৰিঙ্গীয়া গোহাঁইদেৱ বৰ যে ফুকন॥
নেওগ-ফুকন আৰু গৈল কাপটান।
কোঁঠ বান্ধি ৰৈল অসংখ্যাত সেনাগণ॥